সাগৰ দেখিছা

সাগৰ দেখিছা

GOVERNMENT OF ASSAM.
Cat. No. 720
B.6796
GAUHATI.
DISTRICT LIBRARY.

হেম বৰুৱা

প্ৰকাশক :
শ্ৰীবিচিত্ৰনাৰায়ণ দত্ত বৰুৱা, বি-এস
লয়াৰ্চ বুক ষ্টল
গুৱাহাটী, অসম

প্ৰথম তাঙৰণ : আগষ্ট : ১৯৫৪

দ্বিতীয় তাঙৰণ : জুন : ১৯৫৬

বেচ : তিনি টকা

মুদ্ৰাকৰ :
শ্ৰীকালীচৰণ পাল
নৱজীৱন প্ৰেছ
৬৬ গ্ৰে ষ্ট্ৰীট, কলিকতা-৬

মৰমৰ কীৰ্ত্তি ঃ

পৃথিৱীৰ সিপিঠিৰ পৰা অভিজ্ঞতাবোৰ লেখিবলৈ তুমি মোক উদগাইছিলা। “সাগৰ দেখিছা” তোমাৰ হাতত দিলোঁ।

গুৱাহাটী
আগষ্ট ঃ ১৯৫৪

হেম বৰুৱা

Library books will give you joy for long
if handled carefully with clean hands

আগকথা

এই কিতাপখনৰ প্ৰায়বোৰ প্ৰবন্ধ "নতুন অসমীয়া"ৰ দেওবৰীয়া চ'ৰাত ওলাই গৈছে। তেতিয়া মই যুক্তৰাষ্ট্ৰ জুৰি ভ্ৰমণ কাৰ্য্যত ব্যস্ত। কাৰ্য্যসূচীখন মোৰ অভাৱনীয় ভাৱে গধুৰ আছিল। যেটমৰা বোজাই ককাল প্ৰায় ভাঙো ভাঙো কৰিছিল। সময় বুলিবলৈ একেবাৰে নাছিলেই। গতিকেই এই প্ৰবন্ধবোৰ মাজনিশা উজাগৰে থাকি লেখিব লগা হৈছিল। ফলত চুৰটৰ শৰাধ হৈছিল।

……নিশাৰ মাজভাগ সাধাৰণতে মোৰ ভাল লাগে। স্বপ্নৰ কুঁৱলী জালে এই সময় খিনি আগুৰি থাকে। মনটোৱে পাখি মেলি উৰিবলৈ ধৰে। যুক্তৰাষ্ট্ৰৰ চৰকাৰী সংখ্যা-গণনাৰ মতে ইয়াৰ শতকৰা পঞ্চাছ গৰাকী ডেকা গাভৰুৰ নিশা টোপনি নাহে। মোকো এই অচিনাকি বেমাৰটোৱে আক্ৰমণ নকৰাকৈ নাছিল। কৰিছিল। (মই হওঁতে ডেকাৰ শাৰীত নপৰোঁ। চুলিত ইতিমধ্যেই,—কবিৰ ভাষাতে "সময়ৰ ৰূপোৱালী ৰেখা" ডুডালি এডালিকৈ জিলিকিছেই।)

……টোপনি নথকা ৰোগটোৱে আওপাকে প্ৰবন্ধ লেখাত সহায় কৰিছিল। যুক্তৰাষ্ট্ৰত মাত্ৰ সাত-সত্তৰ দিন ভ্ৰমণ কৰিছিলোঁ। এই কেইদিনৰ ভিতৰত মুঠ বোল্লটা প্ৰবন্ধ লেখিছিলোঁ,—বাৰটা "নতুন অসমীয়া"লৈ, তিনিটা "ট্ৰিবিউন"লৈ আৰু এটা নিউয়ৰ্কৰ "ডি ক'ল"

বোলা আলোচনী এখনলৈ। 'এইবোৰ প্ৰত্যেকটোৱেই হৈছে নিশাৰ সৃষ্টি—যেতিয়া কবিৰ ভাষাতেঃ

"...অবিবাহিতইঁতে কিবা এক অতীন্দ্ৰিয়
বোধশক্তি অনুভৱ কৰে।
আৰু
কুমাৰীইঁত হঠাতে নিদ্ৰাদুৰ্ব্বল আবেগত
অনাগত সুখৰ স্তৰে স্তৰে নিমজ্জিতা হয়......"

এইবোৰ হৈছে তেতিয়াৰ বস্তু। গতিকেই হয়তো এইবোৰত মাজনিশাৰ মোহজাল আছে। এই মোহজালেই হয়তো প্ৰৱন্ধবোৰ উটন্তুৱা কৰিছে। কথাষাৰ যদি সঁচা হয়,—এয়া মোৰ দোষ নহয়, নিশাৰ দোষ।......

যুক্তৰাষ্ট্ৰ ভ্ৰমণ কালত মানুহৰ যি সহৃদয়তা আৰু সমাদৰ পাইছিলোঁ সিয়েই সম্ভৱ দেশখন বুজাত সহায় কৰিছিল। দেশখন চাৰি চুক মাৰি জানিবলৈ যত্ন কৰিছিলোঁ। এনেদৰে চাওঁতে যি অভিজ্ঞতা হৈছিল, তাৰে কিছুমান থুপাই "সাগৰ দেখিছা"ত ঠাই দিছোঁ। কিমান দূৰ কৃতকাৰ্য্য হৈছো কব নোৱাৰোঁ। "সাগৰ দেখিছা" এটায়ে ভাল নেপায়, জানোঁ। বেলেগ বেলেগ মানুহৰ মনত ই বেলেগ বেলেগ ধৰণৰে প্ৰতিক্ৰিয়া কৰাটো স্বাভাৱিক। গতিকেই পঢ়ুৱৈ সমাজৰ অন্ততঃ সামান্য এটা সংখ্যায়ো ইয়াক ভাল পালে মোৰ শ্ৰম সাৰ্থক হৈছে বুলি ভাবিবলৈ বাধ্য হম। ছাৰ্কাছৰ বহুবাটোৰ বাহিৰে সম্ভৱতঃ এটায়ে সমানে ভাল বোলা বস্তু পৃথিবীত বিৰল। ছাৰ্কাছৰ বহুৱা হবলৈ যিখিনি প্ৰতিভাৰ প্ৰয়োজন সেই প্ৰতিভা মোৰ নাই। স্বীকাৰ কৰিছোঁ।...

আমেৰিকাৰ পৰা ঘৰলৈ উলটি আহোঁতে বাটত লণ্ডন, পেৰিছ, জেনিভা, ৰোম আদি ঠাইত সোমাই আহিছিলোঁ। নিউয়র্ক, লছ্ এঞ্জেলছ আদি চহৰৰ যি জাকজমকতা, বস্তিৰ উখল-মাখল, ছ্রিমলাইও ঘৰ-দুৱাৰ, আলি-পদূলি, এইবোৰ অৱশ্যে লণ্ডন চহৰত নাই। এইবোৰ বস্তুৰ কথা কওঁতে, আমেৰিকাৰ মানুহৰ মুখত, সাধাৰণতে, বাইবেলৰ ম'জেছ্ৰ এফাকি কথা শুনিবলৈ পোৱা যায়। তেওঁলোকৰ মতে আমেৰিকাত আছে ঃ "Precious things of the earth and fullness thereof" এইযাৰ কথা আমেৰিকান সকলে যি অৰ্থত ব্যৱহাৰ কৰে, সেই অৰ্থত অৱশ্যে লণ্ডন বা ইংলণ্ডৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব নোৱাৰি। তথাপি লণ্ডন চহৰত পৰিপক্ক, প্ৰাচীন ঐতিহ্যসম্পন্ন জাতি এটাৰ চিনাকি জ্বল্জ্বল্ পট্পট্কৈ জিলিকি থকা সহজতে ধৰিব পাৰি। লণ্ডন চহৰত বাৰ্দ্ধক্যৰ পৰিপক্কতাৰ মোহৰ আছে। সেইবুলি ই জৰাগ্ৰস্ত নহয়। আমেৰিকাৰ চহৰ প্ৰায়বোৰ একেটা সাঁচতে ঢালখোৱা। এইবোৰত যৌৱনৰ খলকনি তোলা জোৱাৰ আছে। ইংলণ্ডৰ মানুহৰ আচাৰ ব্যৱহাৰ, সমূহ জীৱন পদ্ধতি সংযত আৰু সু-শৃঙ্খল। এইবোৰ বস্তুৰ অভাৱৰ কাৰণেই এওঁলোকে আমেৰিকাৰ মানুহক বৰ্ব্বৰ (barbarian) আখ্যা দিয়ে। আনহাতে আমেৰিকাৰ মানুহে এওঁলোকক অহংকেন্দ্ৰী, অভিমানী ব্যক্তি বুলি সমালোচনা কৰে। এই দুয়োবিধ সমালোচনা মই নিজে শুনা। কিতাপতো এই বিষয়ে পঢ়িছিলোঁ। ইংলণ্ডৰ মানুহৰ এই আত্মকেন্দ্ৰী, অহং প্ৰকৃতিৰ কথা উপলুঙা কৰি কৰি গ'ল্ডস্মিথে এনেদৰে লেখিছিল:

"Pride in their port and defiance in their eye,
I see the lords of humankind pass by."

ইয়াকে লৈ ভালেমান সাধুকথা, উপকথাৰো সৃষ্টি হৈছিল। বৰ্ত্তমান অৱশ্যে ইংৰাজ জাতিৰ জীৱনত ভালেখিনি পৰিবৰ্ত্তন আহিছে। সাম্রাজ্য বিস্তাৰৰ যুগৰ ইংৰাজ আজিৰ ইংৰাজ নহয়। লণ্ডন চহৰত মাধুৰ্য্যপূৰ্ণ, সৎ আচৰণৰ, সহৃদয় ইংৰাজ কেইবাগৰাকীও লগ পাইছিলোঁ। কাৰো পৰাই অনুচিত ব্যৱহাৰ পোৱা নাছিলোঁ। এই কথাষাৰ জেনিভা চহৰৰ এজন বেঙ্কাৰক মই কৈছিলোঁ। তাৰ উত্তৰত তেওঁ কৈছিল: "চল্লিশ বছৰৰ আগৰ ইংৰাজ আজিৰ ইংৰাজ নহয়। বৰ্ত্তমান তেওঁলোকৰ ভালেখিনি পৰিবৰ্ত্তন হৈছে। আগতে তেওঁলোকে নিজৰ ভাষাটোৰ বাহিৰে আন ভাষা শিকিব নুখুজিছিল। আজিকালি অৱশ্যে তেনে নহয়। বৰ্ত্তমান তেওঁলোকে ভালেমান সামাজিক সদ্ গুণ (Social virtues) আহৰণ কৰিছে।"...... ইত্যাদি। এই কথাষাৰ মোৰ নিজা অভিজ্ঞতাৰ পৰাও সঁচা যেন লাগিছিল।......

ইয়াৰ পাছত এদিন বেলি বুৰ যোৱাৰ লগে লগে পেৰিছ চহৰত উপনীত হৈছিলোঁহি। পেৰিছ চহৰ প্ৰাচীন ঐতিহ্যৰে ভৰপূৰ। ইয়াত প্ৰাচীন শিল্পকলা আৰু ভাস্কৰ্য্যৰ নিদৰ্শন অলেখ আছে। আলিয়ে পদূলিয়ে, অ'ত ত'ত চাৰি আলিবোৰত, সিবোৰ সিঁচৰতি হৈ আছে। এইবোৰ চাব লগা বস্তু। আমোদ-প্ৰমোদৰ পিনৰ পৰাও চহৰখন সমৃদ্ধিশালী। বাছকবনীয়া। ইয়াতে পৃথিবীৰ সৰ্ব্বশ্ৰেষ্ঠ যাদুঘৰ লুভ্ (Louvre) আছে। ইয়াৰ বিষয়ে যুছুফ মেহেৰ আলিয়ে তাহানি লেখিছিল—"...breath forgets to breathe", অৰ্থাৎ শ্বাস বন্ধ হৈ যায়। কথাষাৰৰ এটা শব্দও অতিৰঞ্জিত নহয়। এইয়া মোৰ ব্যক্তিগত অভিজ্ঞতা। ফ্ৰান্সৰ আন এখন বুৰঞ্জী-প্ৰসিদ্ধ চহৰ ভাৰছাই-

লৈকো গৈছিলোঁ। ইয়াত পৃথিৱীৰ ভিতৰত সৰ্ব্বশ্ৰেষ্ঠ ৰাজপ্ৰাসাদ "পেলে দি ভাৰছাঁই" অৱস্থিত। বৰ্ত্তমান ই জাতিৰ যাদুঘৰ হিছাপে সংৰক্ষিত হৈছে। নেপলিয়ান্ বোনাপাৰ্টৰ দিনৰে পৰা। ৰাজ অট্টালিকাটো দেখাৰ লগে লগে গোটেই ফৰাছী বিপ্লৱটো চকুৰ আগত সজীৱ হৈ উঠিছিল। বেৰ আৰু ছিলিঙৰ ছবি বোৰে (Fresco) নতুন এখন নগৰৰ সম্বেদ দিছিল। প্ৰাচীন বুৰঞ্জীৰ কীৰ্ত্তি সম্ভাৰে আজিও জাতিটোক জীৱন্ত কৰি ৰাখিছে। এই ফৰাছী দেশত একালত, কিমানবোৰ সাহিত্যিক, দাৰ্শনিক আৰু ৰাজনীতিবিদৰ জন্ম হৈছিল—ছেঁট'ব্ৰাঁ, দিদেঁৰ', হুগ', ভল্‌টেয়াৰ, মেজাৰম্, ৰুছ', ৰ'বছপীয়েৰ ইত্যাদি। মানুহৰ জীৱনৰ দৰেই একোটা জাতিৰ জীৱনতো যৌৱন আৰু জৰা উভয়েই আছে। স্পেঙলাৰৰ কথাষাৰ মিছা নহয়।

পেৰিছৰ পৰা জেনিভালৈ যেতিয়া উৰি আহোঁ, মনলৈ ভাব আহিছিল—বৰফৰে পূৰ আল্পছ পৰ্ব্বতৰ বগা শাৰীবোৰে যেন আমাক দূৰৈৰ পৰাই ওলগ জনাইছে। জেনিভাখন চহৰ হিছাপে সৰু যদিও বৰ মনোৰম। বৰ নিকা। প্ৰকৃতিৰ বুকুত মানুহৰ হাত বুলনি পৰি ই ঠন ধৰি উঠিছে। লেক্ ল'মনৰ দুয়ো পাৰে চহৰখন অৱস্থিত। দুয়ো পাৰে পাহাৰবোৰ। বৰফৰ বগা কিৰীটি পিন্ধা। হ্ৰদৰ বুকুত দ্বীপ এটাত দেখিছিলোঁ ৰুছ'ৰ এটা স্তম্ভ। পাৰে পাৰে আন কিছুমান স্তম্ভ। আৰু হ্ৰদৰ বুকুত ভালেখিনিলৈকে তৰহে তৰহে দলংবোৰ। এহাতে মানুহৰ কৌশলী হাতৰ সৃষ্টি, আনহাতে প্ৰকৃতিৰ উদাৰ বুকু। এইয়ে হৈছে জেনিভা চহৰ। হ্ৰদৰ আৰ্চ্চি যেন পানীত ভালেমান বনৰীয়া ৰাজহাঁহ (Swan) চৰি ফুৰা দেখিছিলোঁ। গাটো শুধ বগা।

মুৰটো আউসী ক'লা। ছাঁবোৰো লগতে ওপঙি ফুৰিছিল। মোৰ ৱৰ্ডছৱৰ্থৰ কবিতালৈ মনত পৰিছিল ঃ

"The Swan on still Saint Mary's Lake
Float double, swan and shadow !"

চকুৰ আগত কিতাপত পঢ়া এই ছবিখন মুকলি হোৱা দেখিছিলোঁ। জেনিভা চহৰত ভালেমান আন্তৰ্জ্জাতিক অনুষ্ঠান আছে। এইবোৰ চাইছিলোঁ। পুৰণি লীগ্ অব নেশ্যন্সৰ ঘৰবোৰ দেখি অনুষ্ঠানটো সম্বন্ধে এইচ্, জি, ৱেলছে কৰা মন্তব্য "tomb of peace", শান্তিৰ সমাধি মন্দিৰ বোলা শব্দ কেইটালৈ মনত পৰিছিল।……

ৰোম চহৰখনো পেৰিছৰ দৰেই কীৰ্ত্তি সম্ভাৰেৰে সমৃদ্ধ। ইয়াৰ ক'লছিয়ামটোৰ বুকুত পুৰণি বুৰঞ্জীৰ এটা সোঁত জীয়াই আছে। ইয়াৰ প্ৰটেছ্টাণ্ট ছিমেটেৰি বোলা কবৰখানাটোত শ্বেলী আৰু কীটছৰ সমাধি মন্দিৰ দুটা আছে। এই দেশখন শ্বেলী, কীটছ আৰু বাইৰণ—এই কবি সকলৰ বৰ আপোন আছিল। ইটালীৰ নীলা আকাশৰ পৰা উচলি পৰা সোণোৱালী ৰ'দ, পাইনৰ কঁপনি, সঙ্গীতৰ জোঁকাৰ, সাগৰৰ আকাশী ঢৌ,—ইত্যাদিয়ে ৰোমাণ্টিক কবি সকলক আপ্লুত কৰিছিল। এইবোৰে তেওঁলোকক তন্ময় কৰিছিল। এই সমাধি মন্দিৰ দুটা সাহিত্যসেৱী' সকলৰ তীৰ্থস্থান বুলিব পাৰি। এই বিষয়ে আধুনিক কবি ছিছিল দে লুইছে তেওঁৰ "এন্ ইটালীয়ান্ ভিজিট" বোলা কবিতাৰ পুথিত এনেদৰে লেখিছে ঃ

"………far from home
They died………

The eccentric couple you have come to visit
One spitting blood, an outsider and
a failure
One sailing a boat, his mind on higher things.
Somewhere close to the pyramid
a loud speaker
Blared jazz while we lingered at Keats'
shabby mound
But the air was drowned by the ghost
of a nightingale
The ground was swimming with anemone
tears
Where Shelley lay………"

ৰোমত অৱস্থিত সংগীত একাডেমীবোৰ মন কৰিবলগীয়া বস্তু। ইয়াতে পৃথিৱীৰ আটাইতকৈ পুৰণি সংগীত একাডেমীটো অৱস্থিত। ইয়াৰ জন্ম হৈছিল ১৫৫৬ খ্রীষ্টাব্দত। পৃথিৱীৰ আন এটা ধামধুমীয়া সংগীত অনুষ্ঠান ছান্তা ছিছিলিয়া একাডেমীও ইয়াতে অৱস্থিত।……

এই ভ্রমণ কালছোৱাত বহুত ঠাইলৈকে গৈছিলোঁ। বহুত বস্তু চাইছিলোঁ। আৰু ভালেমান মানুহ লগো পাইছিলোঁ। নাদৰ ভেকুলি সাগৰত সাঁতুৰিছিলোঁ। তাৰে কিছুমান অভিজ্ঞতা "সাগৰ দেখিছা"ত সামৰি থৈছোঁ। পঢ়ুৱৈ সমাজে "সাগৰ দেখিছা"ক মৰমৰ চকুৰে চালে ভাল পাম। নেচালে কব লগা একো নাই।

গুৱাহাটী,
আগষ্ট : ১৯৫৪

হেম বৰুৱা

পুনৰপি

"সাগৰ দেখিছা"-ই মানুহৰ ইমান খিনি মৰম-চেনেহ পাব বুলি মই ভাবিবকে পৰা নাছিলোঁ। নভবা কথা এটা সচাঁ হোৱা দেখি আচৰিত হৈছোঁ। অধ্যক্ষ জে, বৰুৱাৰ নিচিনা মানুহৰ পৰা আৰম্ভ কৰি ৰেলৰে লকো-শ্বেডৰ হিন্দুস্থানী বন্ধুৱা আৰু গেলা-মালৰ দোকান-কৰ্ম্মচাৰালৈকে সকলোৰে "সাগৰ দেখিছা"-ই সমানে আদৰ পাইছে। এই মৰমে মোক আভিভূত কৰিছে। পঢ়ুৱৈ সমাজৰ মৰম-চেনেহলৈ চাই কিতাপখন আকৌ ছপোৱা হল। লয়াৰ্চ বুক ষ্টলৰ গুৰিধৰোঁতা শ্ৰীবিচিত্ৰ নাৰায়ণ দত্ত বৰুৱাৰ তৎপৰতাৰ তাৰিফ কৰিছোঁ। তেখেতে খৰখেদা নকৰা হলে "সাগৰ দেখিছা"-ৰ দ্বিতীয় জন্ম সম্ভৱপৰ নহলহেঁতেন। পঢ়ুৱৈ সমাজৰ মৰম-চেনেহৰ দুনাই শলাগ ললোঁ। মই ঋণী।

গুৱাহাটী ঃ
১৯৫৬ চন

হেম বৰুৱা

Library books will give you joy for long
if handled carefully with clean hands

ৰণ্গিংটন (১)

সাগৰ দেখিছা? দেখা নাই কেতিয়াও?

ছবিত সাগৰ দেখিছোঁ। নীলা সাগৰ। কিতাপতো ইয়াৰ বৰ্ণনা পঢ়িছোঁ। বিশেষকৈ কবিতাত। লৰ্ড বাইৰণ, জন্ মেছফিল্ড আদিৰ কবিতাত। সেই যে: "নীলিম সলিল ৰাশি, বাধাহীন উৰ্ম্মিমালা, আছে দূৰ দিগন্ত বিয়াপি।" ইয়াৰ আগতে "দিগন্ত বিয়াপি" থকা সাগৰৰ সীমাৰেখা চকুৰ পৰ্দাত তেনেকৈ ধৰা পৰা নাছিল। পোনতে সাগৰ দেখিছিলোঁ। আজি তিনি বছৰৰ আগতে ব্ৰহ্মদেশলৈ যাওঁতে। সেইয়া সাগৰৰ চকামকা পোহৰহে। ভমককৈ চকুৰ আগত দেখা দি, আকৌ নোহোৱা হোৱা। ৰূপালী পৰ্দাৰ চলন্ত ছবি যেন।.... আজি সাগৰ দেখিছোঁ। চকামকাকৈ নহয়। একেবাৰে। এইয়া সাগৰ কবিৰ কল্পনাৰ সাগৰ নহয়। আচল সাগৰ। পাৰ নেদেখা মহাসাগৰ। বাটৰ এগৰাকী সহযাত্ৰীয়ে কৈছিল: জহকালি হেনো কৰাচী বিমান-কোঠৰ পৰাই বতাহত উটি অহা সাগৰৰ লুণীয়া গোন্ধ পায়। আমাৰ দুৰ্ভাগ্য। আমি আহিবৰ দিনা আকাশত এধানো বতাহ নাছিল। গতিকেই সাগৰৰ গোন্ধ আমি পোৱা নাছিলোঁ। মনটো "সাগৰৰ দৰে নীলা, বেদনাৰে" হোৱা নাছিল যদিও বেয়া লাগিছিল।...সেই দিনা ডিচেম্বৰ মাহৰ ৬ তাৰিখ। ১৯৫৩ চন। দেওবাৰ। ৬ ডিচেম্বৰ তাৰিখটো আমাৰ কাৰণে ঐতিহ্যপূৰ্ণ, নহয় জানো? বিশেষকৈ সংগ্ৰামশীল

ছাত্র-জীৱনত। কথাষাৰ ঘনাই মোৰ মনত পৰিছিল। ...কৰাচী বিমান-কোঠ তেনেই মুকলি ঠাইত। কেউদিশে উন্মুক্ত খৰাং পথাৰ। ওচৰত তেনেকৈ লেখত লবলগীয়া ঘৰ-দুৱাৰ একো নাই। ঘাঁহবোৰে জাৰত মুজুৰা মাৰিছিল। একেবাৰেই মুগাবৰণীয়া হৈ পৰিছিল।...

বিমান খনে কৰাচী বন্দৰ এৰাৰ অলপ পিছতেই আমি সাগৰৰ বুকুত পাৰি দিছিলোঁ। ইপাৰ সিপাৰ আমাৰ চকুত পৰা নাছিল। আমি যেন মহাশূন্যৰ বুকুত ওপঙি ফুৰিছোঁ। দূৰ দূৰণিত আকাশ আৰু সাগৰৰ লেশমানো পাৰ্থক্য নাই। উভয়েই শেঁতা নীলা। উভয়েই বহল, মানুহৰ দৃষ্টি অতিক্ৰম কৰা।.. সাগৰ আৰু আকাশ দুয়োৰে বুকুত সময়ে সময়ে ৰামধেনুৰ সাত বৰণীয়া ৰঙে খেমালি খেলিছিল। আমাৰ বিমানখনৰ নামো "ৰামধেনু"। "ৰামধেনু" নামে এখন খ্যাতনামা ৰুছ দেশীয় উপন্যাস আছে। এখন আমাৰ আলোচনীও আছে, নহয় জানো ? চকুৰ আগতে দেখিছিলোঁ, সাগৰ আৰু আকাশ মিলি যেন এক মহাশূন্যৰ সৃষ্টি হৈছে। অঙ্ক-শাস্ত্ৰৰ শূন্য নহয়। উপনিষদৰ শূন্যহে। সাগৰখন নিস্তব্ধ। ক'তো ঢৌৰ জোকাৰণি নাই। নিতাল মাৰি শুই আছে। অকণো সাৰসুৰ নাই। নিদ্ৰাদেবীৰ কোলাত যেন সোণৰ কাঠিৰ স্পৰ্শ-আতুৰা কোনোবা তন্দ্ৰাতুৰা গাভৰুহে।......

সাগৰখন দেখি মোৰ দেৱ বৰুৱাৰ "কলং পাৰত" বোলা কবিতাটোলৈ মনত পৰিছিল। সেই যে :

"অত পৰে আহিলা জাহ্নৱী,
তোমালৈকে আছো বাট চাই,
অথনিৰে পৰা......"।

বকমাই বাৰু কবিতা লেখিবলৈ এৰিলে কিয় ? মনতে ভাবোঁ। বকৱাৰ কলগুতকৈ সাগৰ বহুত ডাঙৰ। বহুত বহল। পাৰ নেদেখা। বিশাল। আন হাতে সাগৰৰ বুকুত—ইমান বিচাৰিলোঁ, ক'তো দেখোন আমাৰ কলং বা ধনশিৰিৰ ৰোমাঞ্চ বিচাৰি নেপালোঁ। সৌন্দৰ্য্য-সেৱী সকলে কয়, ৰোমাঞ্চ থাকিবলৈ হলে ক্ষীণাঙ্গী হব লাগে, নহয় জানো ? আধুনিক ইংৰাজ কবি এজনৰ কবিতা একাকিলৈ মনত পৰিছিল। (এই আধুনিক কবিবোৰে যে কি নেলেখে !) কবিতা ফাকিৰ প্ৰথম শাৰী কেইটা হৈছে :

"সৌ শকত ছোৱালীজনী
সৌ শকত গাভৰুজনী,
তাইক জানো ভাল পাব পাৰি ?"

সাগৰৰ বিশালতাই মানুহক তন্ময় কৰে। পৰাভূত কৰে। হয়তো পৰম স্ৰষ্টাৰ অসীম শক্তিৰ কথা সোঁৱৰাই দিয়ে। সাগৰৰ নিৰ্দ্দয় কালটো—ইয়াৰ বৰ্ণনা আইৰীছ্ নাট্য-শিল্পী জে, এম, ছিঞ্জে তেওঁৰ "ৰাইদাৰ্ছ টু দি ছি" বোলা নাটকখনত সুন্দৰকৈ দিছে। সেই মানুহৰ আশা-আকাঙ্ক্ষা, জীৱন মষিমুৰ কৰি দিয়া নিষ্ঠুৰ কালটোৰ কথা।......

কোনো সাগৰ-প্ৰেমীয়ে হয়তো কব, আকাশৰ বুকুৰপৰা নিৰীক্ষণ কৰি সাগৰৰ প্ৰতি প্ৰকৃত প্ৰণয় বা প্ৰীতি হব নোৱাৰে। সেই কাৰণেই কবি টেনিছনে প্ৰিয়তমাক উদ্দেশ্য কৰি কৈছিল : "Come down O' maid, for love is of the valley." ভৱৰই প্ৰণয়ৰ জন্ম দিয়ে। কথাষাৰ মিছা নহয়। ইয়াৰ যথেষ্ট সত্যতা আছে। প্ৰেনেৰে নাহি জাহাজেৰে সাগৰৰ নিমজ বুকু ভোখৰ ভোখৰ

কৈ হাল বাই অহা হলে কেনে লাগিলহেঁতেন কব নোৱাৰোঁ। বিজেতাৰ গৌৰব নে ৰবি ঠাকুৰৰ ভাষাতে সৌন্দৰ্য্য মোহাৰি খুচৰি নষ্ট কৰা অস্বাভাৱিক মাদকতা? প্ৰকৃতপক্ষে কোনোটোৱেই নহয়। সেই বিষয়ে মোৰ অকণো সন্দেহ নাই। এইয়া জীৱনৰ বিয়লি বেলিকাৰ সপোন নহয়।

সি যি কি নহওক, জাহাজেৰে অহাহেঁতেন ওচৰৰপৰা সাগৰৰ বুকুৰ অকণ অকণ নাম নজনা দ্বীপবোৰ হয়তো কোনোবা পৰীৰ সাতশৰীৰ পৰা খহিপৰা সোণ পোৱাল মণি যেন নেলাগিলহেঁতেন। সাগৰেৰে অহা হলে কাষৰৰ পৰা এইবোৰ হয়তো বহুত বাস্তৱ যেন লাগিলহেঁতেন। সিবোৰৰ বুকুৰ ধাঁহনি ডৰা, জান, জুৰি, নৈ ইত্যাদিয়ে হয়তো বহুত কথা কলেহেঁতেন। বতাহত নাচি থকা খেজুৰিবোৰে নানা কথাৰ নিশ্চয় সঁহাৰি দিলেহেঁতেন। আৰু সিবোৰৰ মাজেদি ভুমুকি মৰা জোনটোৱেও হয়তো বহুত কথাৰ ডায়েৰী দিলেহেঁতেন।......আকাশৰপৰা মাটিৰ বিঙ নুশুনি। মাটিৰ কেঁচা গোন্ধ পোৱাও সম্ভৱপৰ নহয়। আকাশী যাত্ৰাই মনৰ পৰ্দ্দাত, ৰোমাঞ্চ সানিছিল যদিও আচলতে সাগৰ যাত্ৰাৰ ই ভালেখিনি বাস্তৱতা হ্ৰাস কৰিছিল।.....ইয়াৰ অলপ পিছতেই পুৱাৰ বেলি পূৰঠ হৈ আহিছিল। নীলা আকাশৰ খেনুভিৰীয়া পিয়লাটো কেঁচা ৰ'দৰ পোহৰৰে উপচি পৰিছিল।

দিশ নসলোৱাকৈ,—পোনপটীয়াকৈ আমাৰ প্লেনখন ভালেমান বাট উৰিছিল। ইয়াৰ পাছত পাৰস্য উপসাগৰৰ ওপৰেদি ই ক্ৰমাৎ উৰিছিল। এটা যেন ৰূপালী চৰাইহে। আৰু তলৰ সাগৰৰ পানী-বোৰ? সিবোৰ ৰ'দৰ পোহৰ পৰি চিকমিকাই আছিল। অৱশ্যে

ওপৰৰপৰা চাই পানীবোৰ জীৱন্ত স্ৰোতধাৰা যেন অনুমান হোৱা নাছিল। যেন মৰা ঘুলিৰ সাঁচি থোৱা পানীহে। যেন কোনোবাই কিছুমান সীহ গলাই এটা বহল পাত্ৰত ওপণ্ডাই থৈছে—তেনে অনুমান হৈছিল। লগৰে এজন সহযাত্ৰীয়ে কৈছিল: "It is a peculiar landscape, no?" মানুহজন ইঞ্জিনিয়াৰ। কথা শুনি মই মূৰ দুপিয়াইছিলোঁ। আগতে আকাশৰ সীহ-গলা ৰূপ মই কেতিয়াও কল্পনা কৰা নাছিলোঁ। ইয়ো এটা নতুন অভিজ্ঞতা।··· ইয়াৰ পিছত আমি সাগৰ পাৰ হৈ বছৰা চহৰৰ ওপৰেদি উৰিছিলোঁ—"হেজাৰ গোলাপ ফুলিলে য'ত।" এতিয়া আৰু তাত গোলাপ নাই। গোন্ধো নাই। সম্ভৱতঃ ভোমোৰাও নাই। এই-খিনিতেই বুৰঞ্জী-প্ৰসিদ্ধ টাইগ্ৰীছ্ আৰু ইউফ্ৰেটিছ্ নদীৰ মিলন ঘটিছে। ইয়াৰ পাৰতেই একালত এটা বাছকৰনীয়া সভ্যতা ঠন ধৰি উঠিছিল—যি দৰে গঙ্গা, সিন্ধু, ব্ৰহ্মপুত্ৰৰ পাৰত একোটা সভ্যতা ঠন ধৰি উঠিছিল। সভ্যতাৰ উত্থান-পতন হেনো জলাশয়, নদ-নদী, সাগৰ-উপসাগৰ আদিক কেন্দ্ৰ কৰি গঢ়ি উঠে। পৃথিৱীৰ বুৰঞ্জীয়ে এই কথাবোৰৰ সমুচিত প্ৰমাণ যোগায়। একালত মিছৰীয় সভ্যতা নীল নৈক আশ্ৰয় কৰি গঢ়ি উঠিছিল যেনেকৈ প্ৰাচীন ভাৰতীয় আৰ্য্য-সংস্কৃতি গঙ্গা বা সিন্ধু নৈক আশ্ৰয় কৰি গঢ়ি উঠিছিল।······

ক্ৰমাৎ আমাৰ প্লেনখন পুৰণি ইতিহাস প্ৰসিদ্ধ ডামাছ্ক'ছ্ চহৰৰ ওপৰেদি উৰিছিল। ওপৰৰপৰা ঘৰবোৰ উঁই হাফলু যেন লাগিছিল। চহৰৰ সীমান্তৰ বৰ বৰ বালিৰ পৰ্ব্বতবোৰ (Sand hills) আমাৰ চকুত পোনতে পৰিছিল। তেনেই উকা আৰু খৰাং। তাৰ কাষতে সেউজীয়া চহৰখন। আমাৰ প্লেন-

খন তেনেই তলেদি উৰিছিল। সৰ্ব্বসাধাৰণতে প্লেনখন ওঠৰ উন্নৈশ হেজাৰ ফুটৰ ওপৰেদি উৰিছিল। বালিৰ বিশাল আৰু বিস্তৃত পৰ্ব্বত-বোৰৰ লগত সংগ্ৰাম কৰি যেন চহৰৰ সেউজীয়াখিনি জীয়াই আছে। সৰুতে ভূগোলত পঢ়া মৰুভূমি আৰু ওৱেচিচৰ কথা মনত পৰিছিল। ওচৰাওচৰিকৈয়ে প্ৰকৃতিৰ দুটা ফাল—এটা শুকান আৰু আনটো সেউজীয়া। আমাৰ কবিৰ ভাষাতে:—

"কঠিনে কোমলে মিলি,
কিবা অপৰূপ!"

ইয়াৰ পাছত আমি লেবানন্ ৰাষ্ট্ৰৰ (Republic of Lebannan) ৰাজধানী বেইৰহুট চহৰ পাইছিলোঁ। ইয়াত আমাৰ প্লেনখন কেইবা ঘণ্টাও আছিল। চহৰখন ভূমধ্যসাগৰৰ উপকণ্ঠত অৱস্থিত। সাগৰে ইয়াৰ "পখালিছে দুখনি চৰণ" বুলি কলেও অতিশয় উক্তি কৰা নহয়।......

বিমান কোঠৰপৰা আমি চহৰ চাবলৈ গৈছিলোঁ। সাগৰ, মানুহে হাতে গঢ়া চহৰ আৰু পৰ্ব্বত শাৰীৰ এনে ঘনিষ্ঠ অপূৰ্ব্ব মিলন আগতে মই কেতিয়াও দেখা নাছিলোঁ। সাগৰৰ গাত লাগি থকা চহৰখন। আনকি আমাৰ প্লেনখনো সাগৰৰ বুকুৰপৰা চোচা মাৰিহে বিমান কোঠত নামিব লগা হৈছিল। ইয়াৰ লগতে সাগৰখনক আকোৱালি লৈছে এলানি পৰ্ব্বতৰ শাৰীয়ে, যেন মেদ'নাৰ বুকুৰ কেচুৰাটোহে। এই সৌন্দৰ্য্যৰ বুকুত মই মনালিছাৰ হাঁহিটো বিচাৰিছিলোঁ। মনটো বৰ ভাল লাগিছিল। সাগৰৰ পাৰে পাৰে অসংখ্য নতুন ঘৰ। যোৱা মহাসমৰৰ পাছত বৰ্ত্তমান চহৰত ভালেমান নতুন গঠন-কাৰ্য্য আৰম্ভ হৈছে। এইবোৰ

সাগৰৰ উপকণ্ঠৰ আড্ডাৰ ঠাই (Sea-beach club)। সাগৰৰ পাৰেদি এটা দীঘলীয়া আলি। উপকণ্ঠৰ দাঁতিত আমাৰ উমানন্দৰ দৰেই কিছুমান পৰ্ব্বতৰ সৰু সৰু টিলা নীলা সাগৰৰ বুকুত ওপঙি আছে।......আবেলিৰ বঙা আকাশ। নিতাল মাৰি শুই থকা সাগৰখন। আকাশৰ বুকুত উটি ফুৰিছে কিছুমান শুকুলা পালতৰা নাও। এই দৃশ্যপটৰ মাজত মোৰ মনটো হেৰাই গৈছিল। সাগৰৰ পাৰত দেখিছিলোঁ চকু চাং মাৰি যোৱা যুৱতীৰ জাক। ইমান সৌষ্ঠৱ। ইমান সৌন্দৰ্য্য। লেবাননৰ ছোৱালীহঁতৰ চকু হেনো সাগৰৰ দৰে নীলা। সাগৰৰ দৰে এইবোৰ দুণীয়া হয় নে নহয় কব নোৱাৰো। চকু চাকি চোৱাহঁতে জানে। মই নেজানোঁ। (কবি কীটছে হেনো চাৰিটা চুমাৰে প্ৰিয়তমাৰ চকু চাকি চাইছিল।) ......লগৰে ইংৰাজ এজনে কৈছিল। লেবাননৰ ছোৱালীহঁতৰ চকুৰ দৰেই চকু হেনো পৃথিৱীৰ আন কতো নাই। এই ইংৰাজজনে কুৰি বছৰৰো অধিক কাল লেবাননত কটাইছে। সাগৰ আৰু লেবানীজ্ ছোৱালীৰ আকাশী চকু—মোৰ সাউত কৰে কবিৰ কথালৈ মনত পৰিছিল। সেই যে ঃ

"তোমাৰ চকুত প্ৰিয়া
সাগৰৰ এচামুছ নীলা"।

কবিৰ কল্পনা যে সদায়েই বলিয়ালি নহয় সেই কথাৰ সুকীয়া প্ৰমাণৰ আৰু প্ৰয়োজন নাই।

আবেলি সাগৰৰ পাৰত অসংখ্য মুনিহ-তিৰোতা ফুৰা দেখিছিলোঁ। কাপোৰ-কানি বেছ পৰিষ্কাৰ পৰিচ্ছন্ন। মানুহবোৰ শিপোটল, নিকা আৰু তেজী বঙা। সেইদিনা গোটেই সাগৰৰ পাৰ উপচি

ইমানবোৰ মানুহ লগ পাইছিলোঁ। যে গোটেই নগৰখন যেন উদং হৈ সাগৰৰ পাৰলৈকে উভৈনদী হৈ আহিছে, এনে ধাৰণা সঘনে মনলৈ আহিছিল। কবি কীটছৰ "গ্ৰীছিয়ান আৰ্ণ"ৰ চহৰ উদং হৈ ওলাই অহা জনতাৰ সমদলৰ কথা মনত পৰিছিল।

"What little town by river or sea shore
Or mountain—built with peaceful citadel
Is emptied of this folk......?"

আমাৰ টেক্সীখনত এগৰাকী আমেৰিকান মহিলা আৰু এজন ইংৰাজ ভদ্ৰলোক আছিল। মই কীটছৰ কবিতা ফাকি তেওঁলোকক মাতি শুনাইছিলোঁ। তেওঁলোকেও চকুৰ আগতে কথাষাৰৰ প্ৰমাণ পাইছিল। গতিকেই দুয়োখন দৃশ্যপট ৰিজাই চাই শলাগ লৈছিল। লেবাননৰ ছিডাৰ গছৰ আতিশয্যই মানুহৰ মন সহজে আকৰ্ষণ কৰে। মোৰো কৰিছিল। আমাৰ খিলঙতো সম্ভৱতঃ ইমানবোৰ পাইন্ গছ নাই, এই চহৰখনত যিমানবোৰ ছিদাৰ গছ দেখিছিলোঁ। ইয়াৰ বৰ্ণনা ছেক্সপীয়েৰৰ সাহিত্যৰ কৰবাত পঢ়া মনত পৰিছে। কত পঢ়িছিলোঁ সেই কথাষাৰহে সবিশেষ মনত পৰা নাই।......

লেবানন লোকতন্ত্ৰৰ শাসনকৰ্ত্তা জনক প্ৰেছিডেন্ট বুলি জনা যায়। বৰ্ত্তমান প্ৰেছিডেন্ট গৰাকীৰ নাম কামিল শ্বামউন্। মানুহজন কেথ'লিক ধৰ্ম্মাৱলম্বী। লেবানন ৰাষ্ট্ৰৰ সমুহ লোকসংখ্যাৰ শতকৰা ৬৮ জন মুছলিম ধৰ্ম্মপন্থী। লোকসংখ্যাৰ বাকীখিনি খ্ৰীষ্টিয়ান আৰু ইহুদী ধৰ্ম্মাৱলম্বী। বেইৰুট চহৰৰ ৰাষ্ট্ৰীয় পৰিষদ ভৱন দেখিছিলোঁ। একেবাৰে বজাৰৰ মাজ

মজিয়াতে বুলিব লাগে। ঘৰবোৰ গহীন আৰু বৰ বৰ স্তম্ভ (Corinthian pillar) সম্ভৃত। ইয়াত বিশ্ববিদ্যালয় দুখন আছে। এখনৰ নাম আমেৰিকান ইউনিভাৰছিটি। আনখনৰ নাম ইউনিভাৰছিতে ছেণ্ট যোঁছেফ (Universite St. Yoseph)। দ্বিতীয়খন ফৰাছী বিশ্ববিদ্যালয়। ইয়াৰ উপৰিও লেবাননত আৰু কেইবা-খনো ফৰাছী বিশ্ববিদ্যালয় আছে। ইয়াৰ ভিতৰত এটাইতকৈ প্ৰখ্যাত বিশ্ববিদ্যালয়খনৰ নাম হৈছে লিছে ফ্ৰাঁছেজ্ (Lycee Francaise)। ইয়াৰ বিশ্ববিদ্যালয় সমূহত একে লগে তিনিটা ভাষাৰ শিক্ষা হয়। ইংৰাজী, ফৰাছী আৰু আৰবী ভাষা। আমেৰিকান ইউনিভাৰছিটিৰ স্থাপনৰ কাল ১৮৬৯ চন। ই একেবাৰে সাগৰৰ পাৰতে অৱস্থিত। ইয়াৰ প্ৰাকৃতিক দৃশ্যপট, দক্ষিণ-পূব এছিয়াত এটাইতকৈ মনোৰমকৈ অৱস্থিত বুলি খ্যাতিসম্পন্ন ৰেঙ্গুন বিশ্ববিদ্যালয়তকৈ বেছি আকৰ্ষণীয়। এই বিশ্ববিদ্যালয়টো পৰিদৰ্শনৰ বাবে গৈছিলোঁ। বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাহিৰে ইয়াৰ সৰ্ব্বসাধাৰণ মানুহে ইংৰাজীতকৈ ফৰাছী ভাষাহে বেছি ভালকৈ জানে। অন্ততঃ অতি সহজে কব পাৰে। আমাৰ টেক্সী চালকজন মৰম লগা, ওখ, নিৰ্জ্জু প্ৰকৃতিৰ ডেকা লৰা আছিল। তেওঁ ফৰাছী ভাষাহে জানে। ইংৰাজী ভাষা সিমান নহয়। বুজে। কব নোৱাৰে। খোকোজা লাগে। ইয়াৰ দেশৰ মূল ভাষা আৰবীহে। ফৰাছী নহয়। টেক্সী চালকজনে আমাক পাই বৰ ৰং পাইছিল। চহৰত তেওঁ আমাক খুব ঘূৰাই লৈ ফুৰিছিল। ইটো চাওক, সিটো চাওক বুলি নিজে আগভাগ লৈছিল।

লেবাননত ফৰাছী ভাষাৰ ইমান প্ৰাদুৰ্ভাব হবলৈ কেনেকৈ পালে

কথাবাৰ জানিবলৈ মোৰ বৰ আগ্ৰহ হৈছিল। কথাৰ উঁহ বিচাৰি জানিবলৈ পাইছিলোঁ, ইয়াৰ ঘাই কাৰণ হেনো ফৰাছী শাসন। ১৯২৫ চনৰপৰা যোৱা মহাসমৰৰ শেষলৈকে লেবানন ফৰাছী ৰক্ষিত ৰাষ্ট্ৰ (Protectorate) হিছাপে আছিল। বৰ্ত্তমান ই স্বাধীন লোকতন্ত্ৰ। ইয়াৰ ৰাষ্ট্ৰীয় অৰ্থনীতি পুঁজিবাদী। মোক আমাৰ ড্ৰাইভাৰজনে কৈছিল। .....

আৰু এটা কথা। ছিদাৰ গছৰ দৰেই চহৰখন খেজুৰ গছেৰে উভৈনদী হৈ আছে। ছিদাৰ গছবোৰ সাধাৰণতে বৰ ওখ নহয়। গছবোৰৰ গাবোৰ লাহী। মূৰত একোটা ঘন পাতৰ কলডিলীয়া খোপা। যেনিবা সৰহীয়া চুলিৰ চপল তন্বুৰ একজনী গাভৰুহে। তাৰ মাজেদি ভুমুকি মৰা জোনটোৰ কথা মই ভাবিছিলোঁ। আকাশত তেতিয়া জোন নাছিল। কৰবাত ই লুকাই আছিল।

আৰু এটা অপ্ৰাসঙ্গিক কথাই মোৰ মনত প্ৰশ্ন তুলিছিল। ছোৱালীবোৰক দেখিছিলোঁ,—প্ৰায় এটাইবোৰেই পাশ্চাত্য সাজ-পৰিচ্ছদ পিন্ধা। ওখ জোতা, স্কাৰ্ট। ইউৰোপীয় ব্লাউছ। ইত্যাদি। তাৰ মাজতে কেইগৰাকী মান চকুত পৰিছিল, মুখত একোখন ক'লা, তেনেই পাতল কাপোৰ, বতাহত নাচি থকাকৈ ওলমিপৰা। ওৰণিৰ তলেদিয়েই হওঁতে তেওঁলোকৰ মুখজাহান যেন, উভৈনদী হৈ জিলিকি থকা চিকোণ মুখবোৰ চকুত পৰিছিল। মনতে ভাব হৈছিল যেন আমাৰ ৰামায়ণৰ ভাষাতে তেওঁলোকক কৈ দিওঁ :

"মুখ তোলা চন্দ্ৰবদনী,
চাওঁ মই চন্দ্ৰোদয়।"

আকৌ মনত পৰিছে আকাশত তেতিয়া জোন নাছিল।

কৰবাত লুকাই আছিল। মনতে ঘনাই প্ৰশ্ন জাগিছিল, একালে অতি আধুনিক পাশ্চাত্য সাজ-পাৰ, আনহাতে মুখত ওৰণি—ইয়াৰ কাৰণ কি? অৱশ্যে প্ৰশ্নৰ উত্তৰ নিজে নিজে মনৰ গহ্বৰত ততালিকে ধৰা নিদিয়াকৈ নাছিল। ধৰা দিছিল। বিশ্ববিদ্যালয়ৰ ছাত্ৰী কেইগৰাকীমানক আলোচনা প্ৰসঙ্গত মন সামৰিব নোৱাৰি কৈ পেলাইছিলোঁ। (তেওঁলোকে ইংৰাজী বঢ়িয়াকৈ জানে।) "এইয়া জানো পুৰণি মুছলিম সমাজত প্ৰচলিত ওৰণি প্ৰথাৰ স্মৃতি চিন (relic) নহয়? এইদৰে মূৰত ওৰণি লোৱা সকল নিশ্চয় মুছলিম তিৰোতা। নহয় জানো?" তেওঁলোক আচৰিত হৈছিল। ছোৱালীইতে মোক টপৰাই সুধিছিল: "আপুনি জানিলে কেনেকৈ?" মই উত্তৰ দিছিলোঁ: "with the intuitive mind of an Indian, অৰ্থাৎ ভাৰতীয়ৰ স্বভাৱ সিদ্ধ মনেৰে।" কথাষাৰ শুনি তেওঁলোকে হাঁহিছিল। ময়ো প্ৰাণ খুলি হাঁহিছিলোঁ। আমাৰ হাঁহি ছিগাৰ গছৰ খোপাবোৰত কঁপনি তুলি সাগৰৰ বুকুলৈ বাগৰি গৈছিল।

তাৰ পাছত চকু পৰিছিল গছ ওলমি থকা ৰসাল, নিপোটল খেজুৰবোৰলৈ। পকি থকা খেজুৰবোৰ দেখি আমাৰ টু-মনলৈ ঘনাই মনত পৰিছিল। সি জগত থকা হলে, "দেউতা, খেজুৰি পাৰি দিয়া, খেজুৰি পাৰি দিয়া" বুলি চিঞৰি আমনি দিলেহেঁতেন। লগতে মনত পৰিছিল ঘৰখনলৈ। ঘৰৰ সমুখত থকা "বাৰধেনু" প্ৰেছটোলৈ আৰু আবেলি আমি তাত খেলা বেডমিন্টন ফিল্ডখনলৈ। এই একেটা অনুপ্ৰেৰণাৰ উদগনিতে হয়তো হিলেৰ বেল'কে সৰ্ব্বসাধাৰণতে জনাজাত এই কবিতাটো লেখিছিল:

"Do you remember an inn, Miranda
Do you remember an inn ?"

খেলাৰ কথা ভাবোতে মনত পৰিছিল এদিন খেলি থাকোঁতে আমাৰ অণুৰে দেৱালৰ ফাকেদি জুমি চোৱা। তাকে দেখি তিলকে জোকাইছিল।......

বেইৰুট চহৰৰ উপকণ্ঠত আৰু এটা বস্তু দেখিছিলোঁ। সেইটো হৈছে কিছুমান উকঁভা লাগবান্ধ নোহোৱা ঘৰ। সেইয়া হেনো আশ্ৰয়প্ৰাৰ্থীৰ বাসস্থান (refugee colony)। আমাৰ দেশৰ দৰেই। মানুহবোৰ ইহুদী সম্প্ৰদায়ৰ। ইজৰাইলৰ মানুহ। লেবাননৰ আশ্ৰয় প্ৰাৰ্থী। সংখ্যা অৱশ্যে সৰহ নহয়। তাকৰীয়া।......

প্ৰকৃতিৰ নানা মনোমোহা কাৰুকাৰ্য্য দেখিছোঁ। সাগৰ দেখিছোঁ। ভূগৰ্ভৰ সাগৰতকৈয়ো এখন ডাঙৰ সাগৰ দেখিছোঁ। তাৰ পাৰত থিয় দিছোঁ। সেইয়া হৈছে কবি-গুৰু ৰবীন্দ্ৰ নাথৰ ভাষাতেঃ "মহামানবেৰ সাগৰ তীৰে।" কিমান যে জাতি, উপ-জাতিৰ মানুহৰ লগত চিনাকি হৈছে, ভাবৰ আদান-প্ৰদান হৈছে তাৰ সীমা-সংখ্যা নাই। এইবোৰৰ কথা আগলৈ ছোৱা ছোৱে লেখিম বুলি ভাবি থৈছোঁ।

লণ্ডন চহৰত যাত্ৰাৰ মাজভাগতে দুদিন আছিলোঁ। চহৰৰ মৌন গাম্ভীৰ্য্যই মন বৰকৈ মুহিছিল। এনে গাম্ভীৰ্য্য যুক্তৰাষ্ট্ৰৰ কোনো এখন চহৰতে এতিয়াও মই বিচাৰি পোৱা নাই। আচৰিত কথা কিয় কব নোৱাৰো লণ্ডন চহৰখন অকণো অচিনাকি বা আচহুৱা যেন লগা নাছিল। প্ৰত্যেক বস্তুৱেই যেন সুপৰিচিত, চিনাকি এনে ভাব মনলৈ আহিছিল। ইয়াৰ কাৰণ কি মনতে

ভাবিছিলোঁ। তাৰ উত্তৰ যে নোপোৱাকৈ আছিলোঁ, এনে নহয়। পাইছিলোঁ। এনে সহৃদয়তাৰ কাৰণ হৈছে আমাৰ প্ৰায় ১২১ বছৰৰ ৰাজনৈতিক সম্বন্ধ। অৱশ্যে এই "সহৃদয়তা" শব্দটো এইখিনিত ভাল হোৱা নাই। তথাপি স্বাধীনতাৰ কালছোৱাত আমি পুৰণি তিক্ততা পাহৰি ইংলণ্ডৰ প্ৰতি এনে ভাবকেই পোষণ কৰিছোঁ। মোৰ ব্যক্তিগত ক্ষেত্ৰত এই ভাব আৰু মধুৰ হৈছিল ইংৰাজী সাহিত্যৰ জৰিয়তে। সাহিত্যৰ সহায়ত ইয়াৰ প্ৰায়বোৰ বস্তুৰ লগত এক আত্মীয় সম্বন্ধ ইতিমধ্যেই সহজ হৈ উঠিছিল। হাইড্ পাৰ্ক দেখাৰ লগে লগেই জৰ্জ্জ বাৰ্ণাৰ্ড শ্ব-ৰ নাটকলৈ তৎক্ষণাত মনত পৰিছিল। চাবোনৰ পেকিং বাকচৰ ওপৰত উঠি বক্তৃতা দিয়াৰ (soap-box oratory) কথা মনলৈ আহিছিল। চেল্‌ছি বোলা অঞ্চলডোখৰ দেখাৰ লগে লগে মনত পৰিছিল ইংলণ্ডৰ শিল্পীসকলৰ জীৱনলৈ। এই অঞ্চলত বৰ্ত্তমান যুগৰ শ্ৰেষ্ঠ কবি-শিল্পী টি, এছ, ইলিয়ট বাস কৰে। এই অঞ্চলতে হেনো জীৱিত কালত আন এজন প্ৰতিভাশালী কবি ডায়লন টমাছ বাস কৰিছিল। এওঁৰ ১৯৫৩ চনৰ ৯ নবেম্বৰ তাৰিখে নিউয়ৰ্ক চহৰৰ এটা আস্পটালত ৩৯ বছৰ বয়সৰ ডেওনা পাৰ নৌ হওঁতেই মৃত্যু ঘটিছে। ……অ'ল্ড ভিক্ (Old Vic) নাট্যশালাৰ কথাই পৃথিবীৰ আন দুখন খ্যাতনামা ৰঙ্গমঞ্চৰ কথা সঘনাই মনত পেলাইছিল। বৰ্ত্তমান যুগৰ খ্যাতনামা ৰঙ্গমঞ্চ অভিনেতা ছাৰ অলিভিয়েৰ আৰু অভিনেত্ৰী এডিথ্ ইভান্সৰ লগত ইয়াৰ জৰিয়তেই পৰিচয় ঘটিছিল। পৃথিবীৰ আন দুখন অন্যতম নাট্যশালাৰ কথা ইতিমধ্যে পাহৰি গৈছোঁ। সেই দুখনৰ এখন আইবীছ্ এবে থিয়েটাৰ বুলি জনাজাত। আনখন মস্কো আৰ্ট

থিয়েটাৰ নামেৰে ৰঙ্গমঞ্চ জগতত প্ৰখ্যাত। এই প্ৰত্যেকখনৰে বিশ্বৰ নাট্যসাহিত্য আৰু ৰঙ্গমঞ্চ বুৰঞ্জীলৈ দান অপৰিসীম।......

ইয়াৰ উপৰিও টেমছ্ নৈ, ৱেষ্টমিনষ্টাৰ গীৰ্জ্জাঘৰ আৰু দলং দেখিছিলোঁ। এইবোৰৰ বৰ্ণনা কতবাৰ ৱৰ্ডছৱৰ্থৰ কবিতাত পঢ়িছোঁ, তাৰ লেখ-জোখ নাই। তথাপি নৈৰ কাষ চাপি দলঙত থিয় হৈ সতৃষ্ণ নয়নেৰে চালোঁ, ক'তা ক'তো দেখোন কবিৰ কাব্যিক বৰ্ণনাৰ মাদকতা বিচাৰি নেপালোঁ। নৈখন দেখাত আমাৰ ভোগ-দৈত কৈ ডাঙৰ নহয়। অৱশ্যে তাতোকৈ বহুত দ যেন অনুমান হৈছিল। আৰু এটা লেখত লবলগীয়া পাৰ্থক্য মনলৈ আহিছিল। সেইটো হৈছে ভোগদৈৰ পানী খাব পাৰি। টেমছ্ নৈৰ পানী খাব নোৱাৰি। ইয়াৰ পানী ঘোলা, মলিয়ন। পাৰত অসংখ্য পাৰ চৰাই আৰু আমাৰ গঙ্গা চিলনীৰ লেখীয়া এবিধ চৰাই চুঙা বাদুলীৰ তৎপৰতাৰে উৰি ফুৰা দেখিছিলোঁ। আৰু নৈৰ বুকুত? তাত ভালেমান পণ্যবাহী সৰু সৰু জাহাজ, ধীৰ মন্থৰ গতিৰে অহা যোৱা কৰা চকুত পৰিছিল। নিশা বাছেৰে ফুৰিছিলোঁ। তাতে এজন ইংৰাজৰ লগ পাই পুৰা টেমছ্ নৈ চাবলৈ অহা কথাষাৰ বিবৰি কৈছিলোঁ। তেওঁ কৈছিল: "টেমছ্ নৈৰ পানী-বোৰ বৰ লেতেৰা, নহয় জানো?" মই কথাষাৰৰ সমৰ্থন জনাই কৈছিলোঁ: "অন্ততঃ দলঙত থিয় হৈ এতিয়া আৰু ৱৰ্ডছ্ৱৰ্থে কোৱা দৰে কব নোৱাৰি।" ৱৰ্ডছ্ৱৰ্থে কৈছিল:

"Earth has not anything to show more fair:
Dull would he be of soul who could pass by
A sight so touching in its majesty······"

······মানুহ জনে কথাবাৰ শুনি বৰ ৰং পাইছিল। তেওঁ মোক সুধিছিল: "আপুনি ক'ৰ ?"······মই "ইণ্ডিয়াৰ, ঘৰ অসমত", বুলি কৈছিলোঁ। তেওঁ আচৰিত হৈ কৈছিল: "আপুনি অসমৰ ?" মই লৰালৰিকৈ মানুহজনক সুধিছিলোঁ: "আপুনি অসমলৈ কেতিয়াবা গৈছিল নেকি ?" তেওঁ উত্তৰত কৈছিল: "নাই যোৱা। আনকি মই ইণ্ডিয়ালৈকে যোৱা নাই। মেপত মই অসম দেখিছোঁ। তাত যে পৃথিৱীৰ ভিতৰত এটাইতকৈ সৰহ বৰষুণ হোৱা ঠাই ডোখৰ আছে, তাৰ নাম কি ?"······"চেৰাপুঞ্জি।" কথাবাৰৰ উত্তৰ দিবলৈ নৌ পাওঁতেই মানুহজনে একে উশাহে কৈ পেলাইছিল: "আপোনাৰ কলাফুল কেইটা বৰ আটিল (tough) ছাগৈ, নহয় জানো ?" ······

ইয়াৰ পাছত বাছেৰে আহি আছোঁ। এনেতে অকস্মাৎ চকুত পৰিছিল বিজুলী বন্তিৰে জকমকাই থকা এটা ঘৰ। চাকিবোৰ ৰঙা, নীলা আৰু সোণবৰণীয়া। দেৱালত ইটোৰ পিছত সিটোকৈ কিছুমান বন্তিৰ আখৰ উফৰি ফুৰা দেখিছিলোঁ। হঠাৎ চকুৰ আগলৈ বাগৰি অহা দেখিছিলোঁ এটা চিৰপৰিচিত প্ৰশ্ন। প্ৰশ্নটো হৈছে—"Did you Maclean your teeth ? অৰ্থাৎ তুমি ম্যেকলিনেৰে দাঁত ঘঁহিছানে ?" প্ৰশ্নটো দেখি মোৰ খণ্ড চুলিৰ আগ পাইছিল গৈ। দেশত বাতৰি কাকত মেলিব নোৱাৰি। তাতো এই প্ৰশ্ন। এজনীয়ে ম্যেক্‌লিনেৰে দাঁত ঘঁহি দেখুৱাইছে। আন এজনীয়ে ঘঁহা' নাই বাবে মুখ লুকুৱাই থৈছে। ইত্যাদি। ৰেডিঅ'-তো এই একেটা প্ৰশ্ন। অন্ততঃ ছিল'ন অনাতাঁৰ কেন্দ্ৰ মেলিব নোৱাৰি। তাতো এই একেটা প্ৰশ্নই। ইয়াক কেন্দ্ৰ কৰি

এটা গানকে এওঁলোকে ৰচনা কৰি পেলাইছে। চিঁচীয়া মাতেৰে তাকে আকৌ গাই শুনায়।.....আৰু ঘৰৰ পৰা ইমান দূৰৰ এই সুদূৰ লণ্ডন চহৰ—ইয়াতো সেই একেটা প্ৰশ্নৰ সন্মুখীন হৈ মন কেনে লাগিছিল কব নোৱাৰোঁ! বাছৰ পৰা নামি গৈ কৈ দিবৰ মন গৈছিল: "তোমালোকক কেলৈ, মই কিহেৰে দাঁত ঘঁহো। অন্ততঃ মই তোমালোকৰ এই ম্যেকলিনছ নঘঁহো। ফ'ৰহানছ হে ঘহোঁ।"

লণ্ডন চহৰত দুদিন কটোৱাৰ পিছত আকৌ আমাৰ যাত্ৰা আৰম্ভ হৈছিল। এইবাৰ আমাৰ প্লেন স্কটলেণ্ডৰ ওপৰেদি উৰিছিল। গ্লাছগ' চহৰৰ ওচৰৰ প্ৰেষ্টউইক্ বোলা এটা বিমান কোঠত কিছু সময়ৰ কাৰণে আমি নামিছিলোঁ। ইয়াতে মই ৰবাৰ্ট বাৰ্ণছৰ এখন ছবি কিনিছিলোঁ। লগতে এটা স্কটলেণ্ডৰ পৰ্ব্বতীয়া জাতিৰ মোনাও। তাত এঘণ্টা মান কটোৱাৰ পাছত আমি আকৌ উৰিছিলোঁ। এইবাৰ আইছলেণ্ডৰ ফালে আমি উৰিছিলোঁ। অৱশেষত আইছলেণ্ডৰ কেফলাভিক্ নামৰ এটা বিমান বন্দৰত আমি কিছু সময় কটাইছিলোঁ। ইয়ো এটা অভিজ্ঞতা। আইছলেণ্ডৰ কথা সৰুতে ভূগোলত পঢ়িছিলোঁ। বৰ্ত্তমান মুখামুখি হৈ আচৰিত যেন লাগিছে। বাহিৰত ৰৰক্ষৰ ৰৰষুণ আৰু হিম-চেঁচা বতাহৰ গোজৰণি। গাৰ হাড়বোৰ পৰ্য্যন্ত যেন গলি গৈছিল, এনে হেন অনুমান হৈছিল।

ইয়াৰ পাছদিনা পুৱা নিউয়ৰ্ক চহৰ আৰু তাৰ পাছত যুক্তৰাষ্ট্ৰৰ ৰাজধানী ৱাশিংটন পাইছিলোঁহি। ইয়ো এটা গাত পুলক জগোৱা অভিজ্ঞতা। বাটত সহযাত্ৰী হিছাপে দেশ-বিদেশৰ

নানা মানুহক লগ পাইছিলোঁ। কথা-বতৰা পাতিছিলোঁ। আমাৰ ভিতৰত নানা বিষয়ে আলাপ-আলোচনাও চলিছিল। সিবোৰে অভিজ্ঞতা পুৰঠ কৰিছে। আমেৰিকা? ইয়াৰ বিষয়েও বহুত লেখিব লগা আছে। আন্তৰ্জ্জাতিক মহলত যে ভাৰতবাসীৰ এটা বিশিষ্ট স্থান আৰু সন্মান আছে, সেই কথাৰাৰৰ মৰ্ম্ম মই ইয়াত বুজিছোঁ। ভাৰতবাসীৰ মেধাই যে আনক স্তম্ভিত কৰিব পাৰে তাৰ প্ৰমাণো ইয়াত পাইছোঁ। বাটভো বহুত পাইছিলোঁ।

"আমি আহি আছোঁ
জীৱনৰ দলঙেদি,...
যাত্ৰাৰ শেষ নাই।"

DISTRICT LIBRARY GAUHATI

ৱশ্বিংটন (২)

মানুহৰ সাগৰ পাৰত বালিচন্দা বিচাৰি .....

এইবাৰ আচল সাগৰ এৰি মানুহৰ সাগৰ পাৰত থিয় হৈ বালিচন্দা বিচাৰিছোঁ। মানুহৰ সাগৰ পাৰত বালিচন্দা বিচাৰোঁতে পোৱাল মণিও পাইছোঁ। ৰঙা পোৱালৰ মণি, উজ্জ্বল। নিমজ। কিমান যে জাতি, উপ-জাতিৰ মানুহ ইয়াত থূপ খাই আছে। এই জন-সাগৰৰ সঁহাৰি পাই নতুন জীৱন পোৱা যেন লাগিছে। মনৰ দুৱাৰ খিড়িকী এটাইবোৰ মেলি দিছো, বতাহ সোমাবলৈ। সেই বুলি ধূলি-মাকটি যাতে নোসোমায়, তাৰ বাবে বিশেষ সতর্ক হৈ আছোঁ। উৰাজাহাজেৰে আহোঁতে বাটত পোনতে ব্ৰহ্মদেশৰ কেইজন মান উচ্চপদস্থ সামৰিক বিষয়াৰ লগত চিনাকি হৈছিল। সেই সকলৰ মুখিয়াল বিষয়া জনৰ নাম হৈছে কেপ্টেন্ ম্যায়া মিন্। তেওঁলোক যুগোশ্লাভিয়াৰ যাত্ৰী। আমি ভালেখিনি বাট একেলগে আহিছিলোঁ। যুগোশ্লাভিয়ালৈ সামৰিক শিক্ষা গ্ৰহণৰ উদ্দেশ্যে তেওঁলোক আহিছিল। যুগোশ্লাভিয়াত কমিউনিষ্ট চৰকাৰ চলিছে যদিও, এই চৰকাৰৰ স্বৰূপ স্বকীয়া। ইয়াত গণতান্ত্ৰিক সমাজবাদৰ ক্ষেত্ৰত এক নতুন পৰীক্ষা চলিছে। এহাতে মাৰ্ক্সীয় দৰ্শনৰ প্ৰত্যক্ষদৰ্শী জড়বাদী ব্যাখ্যা আৰু আনহাতে নৈতিক মূল্যাঙ্কনৰ ভেটিত নতুন ৰাজনৈতিক দৰ্শনৰ উদ্ভৱ হব পাৰে নে নোৱাৰে তাৰেই ইয়াত গৱেষণা চলিছে।

আনহাতে ব্ৰহ্মদেশতো সমাজবাদী ৰাষ্ট্ৰৰ পৰীক্ষা চলিছে। ইতিমধ্যে ব্ৰহ্মদেশ জাতীয় গঠনবাদৰ পথেদি বহুত খিনি আগবাঢ়িছে আৰু জনসাধাৰণৰো বিপুল সমৰ্থন ক্ৰমাৎ লাভ কৰিছে। গতিকেই এই একে বাটেদি আগবঢ়া দুখন দেশৰ মাজত আত্মাৰ ঘনিষ্ঠ সম্বন্ধ স্থাপন হোৱাটো স্বাভাৱিক কথা। ৰাজকৰ্ম্মচাৰী কেইগৰাকীৰ লগত মোৰ এই বিষয়ে আলোচনা চলিছিল। ছৰকাৰী বিষয়া যদিও মানুহ কেইজনে ৰাজনৈতিক পদ্ধতি আদিৰ বিষয়ে সবিশেষ খবৰ ৰখা যেন অনুমান হৈছিল। লগতে তেওঁলোকৰ উপ-প্ৰধান মন্ত্ৰী উ বা খয়ে আৰু সংস্কৃতি বিভাগৰ মন্ত্ৰী উ-উইনৰ বিষয়েও আলোচনা চলিছিল। সিবাৰ মই ব্ৰহ্মদেশলৈ যাওঁতে এই দুগৰাকী মন্ত্ৰীৰ লগত সাক্ষাত প্ৰসঙ্গ আৰু নানা বিষয়ে আলাপ-আলোচনা ইত্যাদি হৈছিল। আনকি কেপ্টেন্ ম্যায়া মিনে মোক কৈছিল ঃ "আপোনাক ব্ৰহ্মদেশত সিবাৰ মই দেখা নাই যদিও, জানো। আমাৰ খবৰ কাগজত আপোনাৰ নাম পোৱা মোৰ ভালকৈ মনত আছে।" ৰেঙ্গুন বিশ্ব-বিদ্যালয়ত "স্বাধীন ভাৰতত মনৰ সংঘাত" (Challenge of the mind in free India) এই শিৰোনামাৰ এটা বক্তৃতা দিছিলোঁ। বৰ্ত্তমান আমেৰিকালৈ যি নিমন্ত্ৰণ পাইছো ইয়েই তাৰ আওপকীয়া কাৰণ যেন অনুমান হৈছে। কথা কিমান দূৰ সঁচা দৃঢ়তাৰে কোৱা টান।······

আমাৰ সহযাত্ৰী সামৰিক বিষয়া কেইজনৰ লগত ব্ৰহ্মদেশত অৱস্থিত যুগোশ্লাভ ৰাষ্ট্ৰাবাসৰ এজন ৰাজ-কৰ্ম্মচাৰীও আছিল। মানুহজন নিৰ্জ্জু প্ৰকৃতিৰ। তেওঁ ইংৰাজী ভাষা প্ৰায় নেজানে বুলিবই লাগে। ফৰাছী আৰু জাৰ্ম্মান ভাষা অৱশ্যে সুন্দৰকৈ জানে।

গতিকে কথা-বতৰা পতাত বহুত খিনি অসুবিধা হৈছিল যদিও আমি কথা-বতৰা নপতাকৈ নাছিলো। লগতে ইজনে সিজনৰ মনৰ ভাব, অন্ততঃ চিন্তাৰ গতি বহুত খিনি উপলব্ধি কৰিছিলোঁ। কথা প্ৰসঙ্গত আমি যুগোশ্লাভিয়াৰ উপ-প্ৰধান মন্ত্ৰী জিলাছৰ কথা পাতিছিলোঁ। এই মানুহ জন এগৰাকী স্বাধীন চিন্তা-সম্পন্ন বুদ্ধিজীৱী। ইয়ালৈ অহাৰ আগতেই মই এওঁৰ কেইবাটাও প্ৰবন্ধ ইংৰাজী "জনতা" কাগজত পঢ়িছিলোঁ। মানুহ জনৰ মেধা আৰু বিশ্লেষণ শক্তিয়ে মোৰ মন বৰকৈ আকৰ্ষণ কৰিছিল। গতিকেই দূতাবাসৰ কৰ্ম্মচাৰী জনৰ লগত এই বিষয়েও বহল আলোচনা চলিছিল। বিষয়া গৰাকীৰ নাম মাইলছ্ পেন্টিক। বিদায় লোৱাৰ আগতে মানুহ জনে তেওঁৰ দেশলৈ নিমন্ত্ৰণ জনাই মোক কৈছিল: "যুক্তৰাষ্ট্ৰৰ পৰা ঘূৰি আহোঁতে ছুইজাৰলেণ্ডলৈ আহিব। জুৰিকত প্লেনত উঠিলেই বেলগ্ৰেড্ পাব।"

ৱশ্বিংটন পোৱা মাত্ৰকে পিছ দিনা দুপৰীয়া "আন্তৰ্জ্জাতিক কেন্দ্ৰ"ত (International Center) হব লগা আলোচনা কেইটা মানত যোগ দিবলৈ নিমন্ত্ৰণ পাইছিলোঁ। আলোচনা দুটা মুকলি কৰিছিল স্থানীয় শিক্ষা সম্বন্ধীয় অভিজ্ঞতাসম্ভূত দুজন ব্যক্তিয়ে। সভাত নানা দেশৰ শ্ৰোতা উপস্থিত আছিল। জ'ৰদন, ইৰাক, জাৰ্ম্মেনী, ফিনলেণ্ড ইত্যাদি ইউৰোপীয় ৰাষ্ট্ৰকে আৰম্ভ কৰি ব্ৰাজিল, পেৰু আদিলৈকে। আলোচনাৰ প্ৰথমটোৰ বিষয়-বস্তু আছিল: "আমেৰিকাৰ শিক্ষা পদ্ধতি"। দ্বিতীয়টোৰ বিষয়বস্তু আছিল: "আমেৰিকাৰ বৈদেশিক নীতি।" শিক্ষা পদ্ধতি সম্বন্ধীয় আলোচনাৰ বক্তা জনৰ নাম আছিল ডক্টৰ হেৰী, এ, ৰান্। এওঁ এসময়ত শিক্ষা

বিভাগৰ এগৰাকী গুৰিয়াল আছিল। মানুহ জন আদহীয়া। দ্বিতীয়টো বিষয়-বস্তুৰ বক্তা গৰাকীৰ নাম আছিল বাছেল জে, এন্দ্রুজ। এওঁ বর্ত্তমান আন্তর্জ্জাতিক শিক্ষা সংস্থাৰ এগৰাকী ভাৰপ্রাপ্ত বিষয়া। চৌধ্য বছৰ কাল মিঃ এন্দ্রুজ ৰেঙ্গুন বিশ্ববিদ্যালয়ৰ অর্থনীতিৰ অধ্যাপক আছিল। ইয়াৰ পাছত কেই বছৰমান কাল এওঁ নতুন দিল্লী আৰু পাকিস্থানত অৱস্থিত যুক্তৰাষ্ট্রৰ দূতাবাসত কর্ম্মচাৰী হিছাপে আছিল।

শিক্ষা পদ্ধতিৰ আলোচনাত অংশ গ্রহণ কৰি পোনপটীয়াকৈ মই নিগ্রোসকলৰ বাবে শিক্ষা ক্ষেত্রত আছুতীয়া ব্যৱস্থা (segregation) বাহাল ৰখা হৈছে নে নাই আৰু যদি হৈছে তেন্তে কিয় ৰখা হৈছে এই বিষয়ে ডক্টৰ ৱানৰ পৰা উত্তৰ বিচাৰিছিলোঁ। তাৰ উত্তৰত বক্তা গৰাকীয়ে জনাইছিল : "আমাৰ যুক্তৰাষ্ট্রৰ ৪৮ খন ৰাষ্ট্রৰ ভিতৰত ১৭ খনত এনে ব্যৱস্থা প্রচলিত আছে।" মানুহ জন অৱশ্যে এনে এটা পোনপটীয়া প্রশ্নৰ সম্মুখীন হোৱাৰ কাৰণে প্রস্তুত নাছিল। গতিকেই একেবাৰে ৰঙা-চঙা পৰি গৈছিল। এই খিনিতেই ক্ষান্ত নহৈ আকৌ সুধিছিলোঁ : "এনে আছুতীয়া ব্যৱস্থা কিয় থাকিব লাগে? ই জানো গণতন্ত্রৰ প্রতি-আহ্বান (challenge) নহয়?" ইয়াৰ উত্তৰত ডক্টৰ ৱানে কৈছিল : "এইটো এটা প্রাচীন দাসত্ব পদ্ধতি সম্বন্ধীয় অনুভূতি-সম্ভূত সমস্যা (emotional problem)। গতিকে ইয়াৰ উত্তৰ সহজ নহয়।" আনহাতে যুক্তৰাষ্ট্রৰ ৰাজকীয় বিধান-তন্ত্রৰ পৰিবর্ত্তন সাধি এই সমস্যাৰ যে ওৰ পেলাব পাৰি এই কথাষাৰ এওঁলোকৰ মনত খেলোৱা যেন মোৰ অনুমান হোৱা নাছিল। গণতন্ত্রৰ মর্য্যাদা ৰক্ষা কৰাৰ উদ্দেশ্যে বিধানতন্ত্রৰ সংশোধন সাধি এই

সমস্যাৰ কিয় অন্ত পেলাব নোৱাৰি এই বুলি টানি কোৱাত বক্তা গৰাকী নিৰুত্তৰ হৈ আন কথালৈ আঁতৰি গৈছিল। এয়ে হৈছে মোৰ যুক্তৰাষ্ট্ৰত ভৰি দিয়াৰ দ্বিতীয় দিনাৰ অভিজ্ঞতা। অৱশ্যে এই আলোচনাৰ জৰিয়তে এটা লাভ হৈছিল। সেইটো হৈছে, তৎক্ষণাৎ মোৰ ভালেমান মানুহৰ লগত পৰিচয় হৈছিল।

ইয়ালৈ আহিবৰে পৰা এটা কথাই মনত বিশেষ ভাবে উখল-মাখলৰ সৃষ্টি কৰিছিল। চকুত বিসদৃশ যেন লাগিছিল। এতিয়ালৈকে যিমানবোৰ সাধাৰণ বনুৱা লগ পাইছো—ষ্টেছনত মাল অনা নিয়া কৰা, মিস্ত্ৰী কাম কৰা, ৰেষ্টুৰাঁত কাঁহী-বাটি ধোৱা ইত্যাদি, সেই প্ৰায় এটাইবোৰেই নিগ্ৰো সমাজৰ মানুহ, অন্ততঃ এই ৱশ্বিংটন চহৰত। বগা মানুহ পুৰি খাবলৈকো এতিয়ালৈকে এনেবোৰ কাম কৰা ক'তো পোৱা নাই। এতিয়াও যুক্তৰাষ্ট্ৰৰ বহুত চহৰলৈ যাবলৈ বাকী আছে। সিবোৰৰ অৱস্থা অনুমান কৰিব পৰা নাই। লণ্ডন চহৰত দেখিছিলো মই থকা হোটেলটোৰ কোঠাৰ বন-বাৰী কৰি দিয়া ছোৱালীজনী (maid) বগী মেম, শ্বেতাঙ্গী। ৱশ্বিংটনৰ জনী কলী নিগ্ৰো ছোৱালী, কৃষ্ণাঙ্গী। এয়ে এই দুখন দেশৰ ভিতৰত চকুৰ আগত জ্বল জ্বল পট পটকৈ ওলাই থকা পাৰ্থক্য। এইবোৰ দেখি-শুনি ইয়াত কৃষ্ণাঙ্গৰ সমস্যাটো বুজিবলৈ যথাসাধ্য যত্ন কৰিছো। আমেৰিকাৰ আন আন অঞ্চলত, বিশেষকৈ দক্ষিণ অঞ্চলত—য'ত একালত সমস্যাটোৱে ভৰপক দিছিল, ইয়াৰ বিষয়ে হয়তো আৰু ভালকৈ বুজিবলৈ সক্ষম হম। কথাটোৱে মনত খুদুৱনি লগাই আছিল বাবেই প্ৰথম বাৰৰ কাৰণে সুবিধা পায়েই জাউৰিয়ে জাউৰিয়ে প্ৰশ্নৰ উত্থাপন কৰিছিলোঁ।

ইয়াৰ পাছত আৰম্ভ হৈছিল ওপৰত কৈ অহা "বৈদেশিক নীতি" সম্বন্ধীয় বক্তৃতাটো। বক্তা গৰাকীৰ নাম আগতে কৈ আহিছোঁ। সুৰ সেই একেটা। আমেৰিকাৰ গুণ গান। আন দহ জনৰ বদনাম। (আমেৰিকা এবাৰ আগতে এগৰাকী বিষয়াই মোক লগ ধৰি "অভিজ্ঞতাৰ" বিষয়ে সুধিছিল। এই আবাৰ কথা মই তেওঁক আঙুলিয়াই দি কৈছিলোঁ,—"আপোনালোকৰ বক্তৃতা সমূহ প্ৰায়েই আক্ৰোশমূলক (aggressive)। এইবোৰে আমাৰ নিচিনা মানুহৰ মনত যথেষ্ট তিক্ততাৰ সৃষ্টি কৰে।") এই উপলক্ষ বক্তৃতাটোত দেখিছিলোঁ একেটা শিবিৰৰে মিত্ৰ-শক্তি যদিও বক্তা গৰাকীয়ে আনকি প্ৰকাৰান্তৰে বৃটেইনকো আক্ৰমণ নকৰাকৈ নাছিল। এই আক্ৰমণ অভিযানত ভাৰতৰ অৱশ্যে তেওঁ ভুলতো নাম লোৱা নাছিল। বক্তৃতাৰ জৰিয়তে মিঃ এন্দ্ৰুজে কমিউনিজমৰ বিভীষিকা আঁকিছিল। ইয়াৰ বাবে যুক্তৰাষ্ট্ৰই কি কি ব্যৱস্থা গ্ৰহণ কৰিছে, তাৰো এটা বিশদ বিবৰণ বক্তা গৰাকীয়ে দিছিল। কমিউনিজমৰ গৰাহত আনৰ স্বাধীনতা বিপন্ন হোৱা মানে যে যুক্তৰাষ্ট্ৰৰ স্বাধীনতা বিপন্ন হোৱাৰ আশঙ্কা, সেই কথাষাৰো তেওঁ আওপকীয়াকৈ কৈছিল। এই খিনিতেই আলোচনাত অংশ গ্ৰহণ কৰি মই কৈছিলোঁ—"বেছ কথা মিঃ এন্দ্ৰুজ। কিন্তু আপুনি মন কৰিছেনে কেৱল ধনৰ বলেৰে কোনো এটা পদ্ধতি জীয়াই ৰাখিব নোৱাৰি। একোটা পদ্ধতি জীয়াই ৰাখিবলৈ হ'লে, সেই পদ্ধতি বিশেষৰ অন্তৰালত থাকিব লাগিব একোটা আদৰ্শৰ অনুলিপি (Ideological sanction)। আপোনালোকৰ যি ব্যক্তি-কেন্দ্ৰী পুঁজিবাদী অৰ্থনীতি (Private enterprise), ইয়াৰ অন্তৰালত জন-সাধাৰণৰ বাবে কিবা জানো আদৰ্শাত্মক

আকৰ্ষণ আছে ? এই কথা মনত ৰাখিব, বৰ্ত্তমানৰ সংগ্ৰাম হৈছে আদৰ্শৰ (battle of ideas), কেবল ধনৰ নহয়।"

ইয়াৰ উত্তৰত মানুহ গৰাকীয়ে আমাৰ ত্ৰিবাঙ্কুৰ-কোচিনৰ কথালৈ আঙুলিয়াই কৈছিল যে কেৱল অৰ্থনৈতিক আৰু সামাজিক দুৰবস্থাই কমিউনিজমৰ ঘাই কাৰণ। সেই বিষয়ে তেওঁৰ হেনো সন্দেহ নাই। এই দুটা বস্তুৰ যিমান সোনকালে ধ্বংস সাধিব পাৰি তিমান সোনকালে সকলো বস্তু সুশৃঙ্খল হৈ পৰিব। এয়ে আছিল মিঃ এন্দ্ৰুজৰ মতবাদ। ইয়াৰ লগতে যোগ দি তেওঁ কৈছিল,—"ত্ৰিবাঙ্কুৰ-কোচিনৰ কমিউনিষ্ট সমৰ্থক সকল খ্ৰীষ্টান মানুহ। এই সকলৰ ওপৰত বৰ্ণ-হিন্দু সমাজে, বিশেষকৈ ব্ৰাহ্মণ সমাজে, চিৰকাল অত্যাচাৰ-উৎপীড়ন কৰি আহিছে। গতিকেই এওঁলোকৰ মাজত কমিউনিজমৰ প্ৰাদুৰ্ভাব চৰিছে। গতিকেই এওঁলোকে,—এই খ্ৰীষ্টান কমিউনিষ্ট সকলে, নিজৰ দেশতকৈ আনৰ ওপৰত আস্থা সৰহকৈ ৰাখে (Extra-territorial loyalty)।" ইয়াৰ উত্তৰত মই কৈছিলোঁ,—"এই কথাষাৰ কিমান দূৰ সঁচা বা কিমান দূৰ মিছা কোৱা টান। তথাপি প্ৰফেছাৰ এন্দ্ৰুজ, আপুনি কোৱা মতে যদি ভাৰতীয় খ্ৰীষ্টান সমাজৰ কোনো কোনোৰ ভাৰতীয় জীৱন পদ্ধতিৰ ওপৰত আস্থা নোহোৱা কথাষাৰ সঁচা হয়, তেন্তে তাৰ বাবে জগৰীয়া বাহিৰৰ মিছনেৰী সকল নহয় নে ? তেওঁলোকেই এই সকলক—অৱশ্যে আপোনাৰ কথা যদি সঁচা হয় (এই বিষয়ে মোৰ যথেষ্ট সন্দেহ আছে), তেন্তে বিজতীয়া (Denationalize) কৰা নাই নে ? এই খিনিতেই, মোৰ দৃঢ় বিশ্বাস, আপুনি মোৰ সৈতে একমত নহৈ নোৱাৰে।"

এনেবোৰ আলোচনাৰ পৰাই বুজিব পাৰি ভাৰত সম্বন্ধে কেনেবোৰ

ধাৰণা এইখন দেশত ওপঙি ফুৰিছে। সেই বুলি ইয়াৰ এটাইবোৰ মানুহ যে এনে প্ৰকৃতিৰ সেইযাৰ কথাও সঁচা নহয়। ইয়াত কিছু-মান জনা-বুজা বা জানিবলৈ সবিশেষ আগ্ৰহ থকা মানুহ ইতি-মধ্যে মই লগ পাইছোঁ। তেনে মানুহ যথেষ্ট পৰিমাণে আছে। সৰ্ব্বসাধাৰণৰ মনত ভাৰতৰ স্থান বহু ওপৰত। ভাৰতক তেওঁলোকে শ্ৰদ্ধাৰ চকুৰে চায়। সাধাৰণ বনুৱা, টেক্সী-ড্ৰাইভাৰ, বনকৰা ছোৱালী আদিক মই ভাৰতৰ কথা কৈ চাইছোঁ। প্ৰায় সকলোৰে মুখত একেযাৰ কথাকে শুনিবলৈ পাইছো: "That's a great country" বা "that's a fine country"। অৰ্থাৎ সেই খন এখন মহৎ দেশ বা সুন্দৰ দেশ। ইত্যাদি। গান্ধী, নেহৰুৰ নাম দেখিছো জুইৰ ফিৰিঙতিৰ দৰে সৰ্ব্বসাধাৰণৰ মাজত বিয়পি আছে। বিশেষকৈ গান্ধীৰ নাম। গান্ধীৰ বিষয়ে প্ৰায় সকলোৰে মুখতে একেযাৰ কথাকে শুনিবলৈ পাইছিলোঁ—"He is the greatest man of the age" অৰ্থাৎ তেওঁ বৰ্ত্তমান যুগৰ সৰ্ব্বশ্ৰেষ্ঠ মানব। আনকি দুই এজনে মোক এনেকৈয়ো সুধিছিল: "ভাৰতত আৰু গান্ধীৰ আবিৰ্ভাৱ হব নে?"…ইয়াত দেখিছো ভাৰতীয়ৰ বাবে শঙ্কা কৰিবলগীয়া একো নাই। সকলো কথা অতি নিৰ্ভীক ভাবে কৈ যাব পাৰি।

এবাৰ ডিচেম্বৰ (১৯৫৩ চন), তাৰিখে পুৱা ৱেষ্টাৰ্ণ হাই স্কুল নামৰ এখন স্কুল পৰিদৰ্শন কৰিবলৈ গৈছিলোঁ। তাত দুপৰীয়া আহাৰ কৰিছিলোঁ। আহাৰৰ টেবুলত ডক্টৰ নেপ নামে আন্তৰ্জ্জাতিক কেন্দ্ৰৰ পৰিচালক এজনৰ লগত আলোচনা হৈছিল। আমাৰ আলোচনা ক্ৰমাৎ কমিউনিজমৰ ফালে চাল খাইছিল, অৰ্থাৎ

আমেৰিকাত সাধাৰণতে যিটো হয়। ইংৰাজীত এষাৰ কথা আছে,— All roads lead to Rome। ইয়াতো তেনেকৈ—All roads lead to Communism। অৰ্থাৎ এটাইবোৰ আলিৰ গন্তব্য স্থান কমিউনিজম্। মই মানুহ জনক স্পষ্ট ভাষাতে কৈছিলোঁ: "আপোনা-সকলৰ এই কমিউনিষ্ট-ফ'বিয়াৰ বাবেই আন্তৰ্জ্জাতিক ক্ষেত্ৰত বদনাম হৈছে। এইটো খবৰ পায় নে?" কথাষাৰ শুনা মাত্ৰকে জিকাৰ খাই উঠি মানুহ জনে ততাতৈয়াকৈ উত্তৰ দিছিল—"নহয় মিঃ বৰুৱা, আমাৰ ইয়াত কমিউনিষ্টৰ প্ৰভাৱ একেবাৰেই নাই। আমাৰ এনে বদনাম ম্যাকআৰ্থিৰ বাবেহে হবলৈ পাইছে। He is an exceedingly dangerous man।" ম্যাকআৰ্থি সম্বন্ধে এই আষাৰ কথা তেওঁ মোক বাৰে বাৰে কৈছিল, সম্ভৱতঃ মোক পতিয়ন নিয়াবলৈকে। মই সুধিছিলোঁ: "বাৰু ম্যাকআৰ্থিয়ে এনে কৰাৰ ঘাই উদ্দেশ্য কি?" ..... "তেওঁক ৰাজনৈতিক ক্ষমতা লাগে।" "কিয়" মই কৈছিলো, "তেওঁ দেখোন ৰিপাব্লিকান পাৰ্টিৰ মানুহ।" ইয়াৰ উত্তৰত ডক্টৰ নেপে পোনপটীয়াকৈ কৈছিল: "হব পাৰে। কিন্তু এই ৰিপাব্লিকান পাৰ্টিৰ ভিতৰতে দুটা গ্ৰুপ আছে। ইটোৱে সিটোৱে চকুৱে চকুৱে নপৰে। বাহিৰৰ পৰা মানুহে ধৰিব নোৱাৰে। গতিকে—মোৰ বিশ্বাস, এওঁলোকৰ মাজত সোনকালেই ভাঙোন ধৰিব। এটা কথা জানিব —আমেৰিকাবাসীয়ে ম্যাকআৰ্থিক অকণো সমৰ্থন নকৰে।" .....

ইয়াৰ পাছত, মোক হয়তো এটা আঙোৰ মৰাৰ উদ্দেশ্যেই ডক্টৰ নেপে কৈছিল: "আপোনালোকৰ তাৰ, অৰ্থাৎ ভাৰতৰ এটাইবোৰ মানুহেই ব্যক্তিকেন্দ্ৰী (Individualistic), নহয় জানো?" ইয়াৰ উত্তৰত মই কৈছিলোঁ: "হয়। ভাৰতবাসীৰ এটা স্বাধীন মন

আছে। এই স্বাধীন মনটোৰ বাবেই যদি তেওঁলোকক আপুনি ব্যক্তিকেন্দ্ৰী বুলিব খুজিছে, তেন্তে মই কওঁ, কথাষাৰ খুব সঁচা। ভাৰতত বৃটিছে প্ৰায় ২০০ বছৰ কাল ৰাজত্ব কৰিছিল। সেই বুলি তেওঁলোকে ভাৰতবাসীৰ মন জয় বা আত্মা ধ্বংস কৰিব পৰা নাছিল। (could neither conquer their mind, nor destroy their soul)।"

ইনটাৰনেশ্যনেল্ ছেণ্টাৰৰ এটা পাৰ্টিত এল, জি, ৰাইট্ নামেৰে এজন ইংৰাজৰ লগত চিনাকি হৈছিল। তেখেঁত মোৰ দৰেই যুক্তৰাষ্ট্ৰ চৰকাৰৰ আলহী। মানুহজন ইংলণ্ডৰ জেনেৰেল আৰু মিউনিছিপেল ৱৰ্কাৰ্ছ ইউনিয়নৰ এগৰাকী ভাইছ প্ৰেছিডেণ্ট। বৃটিছ লেবাৰ পাৰ্টিৰ সদস্য। আজি কিছুদিনৰ আগতে ভাৰতলৈ এটলী আৰু বিভান্ যোৱা কথাষাৰ উল্লেখ কৰি তেওঁ মোক সুধিছিল: "ভাৰত-বাসীয়ে এই দুজনৰ ভিতৰত কোনজনক বেছি ভাল পায়?" কথা-ষাৰৰ খপৰাই উত্তৰ দিয়া টান। অন্ততঃ ই সিমান সহজ নহয়। উপায় নেপাই মই কৈছিলোঁ: "ভাৰতবাসীয়ে এটলীৰ শান্ত মন (stable mind) আৰু বিভানৰ গতিশীল মন (dynamic mind) উভয়কে সমানে ভাল পায়।" কথাষাৰ শুনি মানুহজনে চকু টিপিয়াই উত্তৰ দিছিল: "আপোনাৰ কথাত বেছ টেঙৰালি আছে।" মানুহ জন কেতিয়াও ভাৰতলৈ যোৱা নাই। তথাপি ভাৰতৰ বিষয়ে তেওঁৰ জানিবলৈ অপৰিসীম আগ্ৰহ থকাটো প্ৰমাণ পাইছিলোঁ। এনে আগ্ৰহ থকাটো স্বাভাৱিক কথা, কাৰণ বৰ্ত্তমান এছিয়াৰ দুটা দেশত নব লগীয়া শক্তিৰ ভিতৰত ভাৰত অন্যতম। আনটো হৈছে নতুন চীন। কথাষাৰ শুনি মিঃ ৰাইটে "সঁচা" বুলি শলাগ লৈছিল। লগতে

ইয়াকো কৈছিল: "আপুনি উভতি যাওঁতে লণ্ডনত সোমাব। আগতীয়াকৈ খবৰ দিব। মই অলপ অতিথি সেৱাৰ (little hospitality) যোগাৰ কৰিম।" এই বুলি তেওঁৰ এখন ফটো আৰু ঠিকনাটো মোক দিছিল।

ইয়াত ভালেমান মানুহ লগ পাইছোঁ যি অসমৰ বিষয়ে যৎসামান্য হলেও কিছুদূৰ জানে। আন নহলেও বৰ ভূইকঁপৰ দেশ বুলি ভালকৈয়ে জানে। এটা কফি পাৰ্টিত মিঃ হাইড্ নামেৰে এজন মানুহ লগ পাইছিলোঁ, ডব্লিউ-আই-ছিৰ লিডাৰ। মানুহজনে মোক সুধিছিল: "আপুনি ইণ্ডিয়ান নহয় নে?" অসমৰ বুলি জানি তেওঁ মোক লৰালৰিকৈ ১৫ আগষ্ট, ১৯৫০ চনৰ বৰ ভূইকঁপৰ কথা সুধিছিল। কিমান ক্ষতি হৈছিল। অসমত কিয় ইমান বেছি ভূমিকম্প হয়। ইত্যাদি। তেওঁ হেনো "লাইফ্" মেগেজীনত ১৫ আগষ্টৰ ভূমিকম্পৰ ভালেমান ছবি দেখিছিল। মানুহজনৰ আগ্ৰহৰ অনুপাতে মোৰা ভূমি-কম্পৰ কথা সবিশেষ বিবৰি কব লগা হৈছিল। লগতে সেই দিনটো যে আমাৰ স্বাধীনতা দিবস আছিল সেইষাৰ কথাও উনুকিয়াইছিলোঁ। ওচৰতে মহিলা এগৰাকী আছিল। তেওঁ টপৰাই মাত লগাইছিল: "স্বাধীনতা দিবসৰ দিনা প্ৰকৃতিৰ গাতো নাচনি বা লাগিছিল, নহয় নে?" কথাষাৰ শুনি মোৰ ভাল লগা নাছিল। গতিকেই কৈছিলোঁ: "হব পাৰে। কিন্তু তেনে বা নলগা হলেই ভাল আছিল।" মানুহ জনে কিছু আগতে মোৰ ইংৰাজীৰ প্ৰশংসা কৰিছিল। (এইখন কাৰনেগীৰ দেশ—"How to win friends" ইত্যাদিৰ দেশ।) গতিকে সুবিধা বুজি মমো মানুহ জনক কৈছিলোঁ: "আপোনাক দেখি মই পোনতে আমাৰ ইণ্ডিয়ান বুলিহে

ভাবিছিলোঁ। আমাৰ পণ্ডিত নেহৰুৰ চেহেৰাৰ লগত আপোনাৰ ইমান সাদৃশ্য আছে।" (প্ৰকৃততে সাদৃশ্য নথকা নহয়। দেখাত মানুহজনক নেহৰুৰ ভায়েক বুলিলে অকণো ভুল কৰা নহব।) ওচৰৰ মহিলা গৰাকীয়ে আকৌ টপৰাই মাত লগাইছিল,—"And Mr. Nehru is an exceedingly handsome man!" অৰ্থাৎ মিঃ নেহৰু অতিপাত ধুনীয়া মানুহ। কথাষাৰ শুনি মনলৈ এটা দুষ্টালিৰ ভাব আহিছিল—"আমাৰ এওঁ নেহৰুৰ প্ৰেমত পৰিছে নেকি?"......তাহানি এষাৰ মনস্তাত্বিক কথা পঢ়া মনত আছে। ধুনীয়া কীৰ্ত্তিসম্পন্ন মানুহ, বিশেষকৈ প্লেটফৰ্ম্মত বহিবলৈ পোৱা মানুহ দেখিলে হেনো যেই কোনো নাৰীৰ সিজনৰ সহধৰ্ম্মিণী হবলৈ হাবিয়াস ওপজে। নামজ্বলা সাহিত্যিক জি, কে, চেষ্টাৰটন্ এবাৰ তেওঁৰ অভ্যৰ্থনাৰ উদ্দেশ্যে পতা এখন সভালৈ আহিছিল। তেওঁক মঞ্চৰ ফাললৈ আগবাঢ়ি যোৱা দেখি এগৰাকী মহিলাই আন এগৰাকীক কৈছিল,—"এই মানুহজনৰ পাছে পাছে গৈ তেওঁৰ সহধৰ্ম্মিণী সাজি কাষতে বহিব পৰাহেঁতেন কেনে মজাৰ আছিল।"... আমাৰ উজানবজাৰত নেহৰুৰ বিষয়ে এনেদৰে কোনোবাই ভাবিছে যদিও কব নোৱাৰো। ৱশ্বিংটন চহৰত হলে "নেহৰু অতিপাত ধুনীয়া মানুহ" বুলি চালে চকু বৈ যোৱা গাভৰুৰ মুখত শুনিবলৈ পাইছিলোঁ।...

কথা প্ৰসঙ্গত এজনে মোক সুধিছিল: "উত্তৰ আৰু দক্ষিণ ভাৰতৰ মাজৰ বিৰোধ ভাব অন্ত পৰিছে নে?" কথাষাৰ শুনি মই সৰগ পৰা যেন হৈছিলোঁ। "এই দুই অঞ্চলৰ ভিতৰত আপুনি কি বিৰোধ ভাবৰ কথা কৈছে মই বুজিব পৰা নাই।" তাৰ উত্তৰত মানুহ গৰাকীয়ে কৈছিল: "কিয়, ভাষা আৰু সংস্কৃতিৰ পিনৰ পৰা এই দুই অঞ্চল

ইমান পৃথক যে দুয়ো অঞ্চল একে লগে থকা টান কথা। কিহে বাৰু এই দুই খণ্ডক এক কৰি ৰাখিব?" মই কৈছিলোঁ: "চাওক, এটা বুনিয়াদী ভাৰতীয় মন (basic Indian mind) বোলা বস্তু আছে। ইয়েই ভাৰতক এক কৰি ৰাখিব। চিন্তা নকৰিব।" মানুহ গৰাকী ইমানতো পতিয়ন নগৈ আকৌ কৈছিল: "নেহৰুৰ মৃত্যুৰ পিছত দেশখন ডোখৰ ডোখৰ হৈ যাব পাৰে বুলি মোৰ আশঙ্কা হৈছে।" ... "এই বিষয়ে আপুনি নিশ্চিন্ত থাওক। এইবোৰ হৈছে স্বাৰ্থান্বেষী দলৰ প্ৰচাৰ। মই কৈ অহা বুনিয়াদী ভাৰতীয় মনটোৱে দেশখন ধ্বংস হবলৈ কেতিয়াও এৰি নিদিয়ে।"

ৱশ্বিংটন চহৰত ইতিমধ্যে তৰহে তৰহে মানুহ লগ পাইছো। আৰু ওপৰত কৈ অহা মতে ভাৰতৰ অহিত চিন্তা কৰা মানুহো যে লগ পোৱা নাই এনেও নহয়। ওপৰত কৈ অহা মিঃ এন্দ্ৰুজেও বক্তৃতা প্ৰসঙ্গত হিন্দু সংস্কৃতিৰ নাভূত নাশ্ৰুত এটা বস্তুৰ কথা কৈছিল। সেইটো হৈছে হিন্দু সংস্কৃতিৰ তথাকথিত একনায়কত্ববাদী মনস্তত্ব (totalitarian psychology)। তেনেকৈ ভাৰতীয় সংস্কৃতিৰ যে ব্যাখ্যা দিয়াটো ভুল হৈছে—ই যে মূলতে কোনো এটা সম্প্ৰদায় বিশেষৰ সংস্কৃতি নহয়, ই যে সমগ্ৰ জাতিৰে সংস্কৃতি, এনেবোৰ কথা তীব্ৰভাবে দাঙি ধৰাতহে বক্তা গৰাকী শাম কাটিছিল। মিটিঙৰ অন্তত এগৰাকী জাৰ্ম্মান মহিলা (বেষ্ট জাৰ্ম্মানীৰ কোনোবা মহিলা অনুষ্ঠানৰ নেত্ৰী) কাষ চাপি আহি বৈদেশিক নীতি সম্পৰ্কে মোক কৈছিলহি: "You were driving at a nice point. He could not meet your argument." কথাষাৰ শুনি মনটো ভাল লাগিছিল। এই কেইদিন মিটিঙত এগৰাকী ভাৰতীয় ইঞ্জিনিয়াৰ

উপস্থিত আছিল। বয়সত আমাতকৈ দুই চাৰি বছৰে ডাঙৰ হব। মিটিঙৰ অন্তত মানুহজনে বাহিৰলৈ মোক মাতি আনি কাণে কাণে কৈছিল: "আপুনি ইমান টানকৈ ইইঁতক কথা কিয় কৈছে? আপোনাৰ ভ্ৰমণ-সূচী যদি ইইঁতে নাকচ কৰি দিয়ে। মই আপোনাক এই আষাৰ কথা বন্ধু ভাবেৰেহে কৈছোঁ। ভুল নুবুজিব।" ইত্যাদি। সি যি কি নহওক বক্তা গৰাকীয়ে যি দাম্ভিকতাৰে কথাবোৰ কৈছিল, অৱশেষত অন্ততঃ সেই দাম্ভিকতা ৰক্ষা পৰা নাছিল। ভাৰতৰ বিষয়ে তেওঁৰ যিবোৰ ভুল ধাৰণা বদ্ধপৰিকৰ হৈ আছে সেই বোৰ ভাঙিছিল নে নাই কব নোৱাৰো। কিন্তু গোটেই ঘটনাটোৱেই যে বৰ আমোদজনক হৈ পৰিছিল সেই বিষয়ে মোৰ অকণো সন্দেহ নাই।...

মই থকা কোঠাটোৰ খিড়িকীৰ শ্বেড্ এখন ভাল কৰিবলৈ পুৱাই হাতত কিছুমান সৰঞ্জাম লৈ এজন নিগ্ৰো বনুৱা আহিছিল। এটা চিগাৰেট্ দি মানুহ জনৰ সৈতে কথা পাতিবলৈ লাগি গৈছিলোঁ। আমাৰ ভিতৰত তৎক্ষণাত বন্ধুত্ব স্থাপন হৈছিল। বন্ধুত্ব বুলিলে ভুল হব। সহৃদয়তা। নিগ্ৰো মিস্ত্ৰীজনে আলোচনা প্ৰসঙ্গত কৈ পেলাইছিল: "আমাৰ প্ৰায়বোৰেই দুখীয়া। আমাক ইইঁতে (শ্বেতাঙ্গ সকলে) হেঁচা মাৰি ৰাখিব খোজে। মই যদি এটা কামলৈ আবেদন কৰো, নেপাওঁ। মোৰ এই গাৰ ৰঙটোৰ বাবেই।" এই বুলি মানুহ জনে মোক নিজৰ গাল খন টানি দেখুৱাইছিল। নিগ্ৰো সমাজৰ মাজত কমিউনিজমৰ প্ৰভাৱ কেনে, মানুহ জনক মই সুধিছিলোঁ। (ডব্লিউ, আই, ছি-ৰ, পৰিচালক ডক্টৰ নেপে মোক আমেৰিকি নিগ্ৰো সকলৰ মাজতো কমিউনিজমৰ প্ৰভাৱ একেবাৰেই নাই বুলি

কৈছিল। গতিকেই সেই সমাজৰ এজন মানুহ লগ পাই এই বিষয়ে পোনপটীয়াকৈ জানিবলৈ আগ্ৰহ হৈছিল।) মোৰ প্ৰশ্নৰ উত্তৰ নিগ্ৰো মিস্ত্ৰীজনে অকণো আঁৰ-বেৰ নোহোৱাকৈ দিছিল: "বেছ আছে। অৱশ্যে তলে তলে। জনাবলৈ ভয় হয়। কাৰণ জানিলেই ইহঁতে আমাক তলা মাৰি ভৰাই থব।" তেওঁলোকে সজ্ঘবদ্ধ হৈ দাবী পূৰণৰ বাবে আন্দোলন নকৰে কিয়, এই কথাষাৰ মানুহজনক মই সুধিছিলোঁ। তাৰ উত্তৰত তেওঁলোকৰ যে জাতীয় এটা অনুষ্ঠান আছে সেই কথাষাৰ মানুহজনে মোক কৈছিল। অনুষ্ঠানটোৰ নাম এন, এ, ছি, পি, (ন্যাশনেল্ এছ'ছিয়েশ্যন্ ফৰ্ ক'লাৰদ্ পিপোল্)। অনুষ্ঠানটো হেনো বেছ শক্তিশালী। কথাৰ মাজ ভাগতে মই নিগ্ৰো সম্প্ৰদায়ৰ বিখ্যাত সঙ্গীতজ্ঞ প'ল ৰবছনৰ কথা উল্লেখ কৰিছিলোঁ। এওঁৰ খ্যাতি জগত বিয়পা। লগতে ইণ্ডিয়া আৰু ছ'ভিয়েট্ ৰুছিয়াত মানুহ গৰাকীৰ জনিপ্ৰয়তাৰ কথাও কৈছিলোঁ। এইষাৰ কথা শুনা মাত্ৰকে মানুহ জনে টপৰাই কৈছিল: "That's why they stopped him from going abroad." (সেই কাৰণেই সিহঁতে তেওঁক বাহিৰলৈ যাবলৈ দিয়া নাছিল।) কথাষাৰ শুনি মোৰ বৰ ভাল লাগিছিল। সাধাৰণ বনুৱা যদিও মানুহজনে ইমানবোৰ খবৰ ৰখা দেখি মই আচৰিত হৈছিলোঁ। অৱশেষত তেওঁ মহাত্মা গান্ধীৰ বিষয়ে জানে নে বুলি সুধিছিলোঁ। মানুহ জনে কোৱা প্ৰত্যেকটো কথাকে মই টুকি লৈছিলোঁ। তেওঁ কৈছিল: "মই গান্ধীৰ জীৱনী পঢ়িছোঁ।" মই কৈছিলোঁ: "গান্ধীয়েই একমাত্ৰ মানুহ যি পতিত মানৱৰ কাৰণে যুঁজ কৰিছিল।" কথাষাৰ শুনি মানুহ জনৰ কলা চকু দুটা উজ্জ্বল হৈ পৰিছিল: "আজি গান্ধী জীয়াই থকা হলে

আমাৰ কাৰণে হয়তো তেওঁ মাত মাতিলেহেঁতেন, নহয় জানো? তেৱেঁইতো আপোনালোকক স্বাধীনতা দিলে।" ইমানতে আমাৰ কথা অন্ত পৰিছিল। গোটেই পুৱাটো এই একেষাৰ কথা—"তেৱেঁইতো আপোনালোকক স্বাধীনতা দিলে," মনত গুঞ্জৰি আছিল।.........

নিশা চহৰতলীৰ পৰা বহুত দূৰৈৰ এটা পৰিয়ালত খাবলৈ নিমন্ত্ৰণ আহিল। তাতে গোটেই দিনটো বৰষুণ। এখন টেক্সী লৈ মানুহ ঘৰলৈ আবেলিতে যাত্ৰা কৰিছিলোঁ। পৰিয়ালটো হৈছে মিষ্টাৰ আৰু মিছেছ্ ট্যানেন্‌বোমৰ। বাটত যাওঁতে ড্ৰাইভাৰ জনৰ লগত বহুত কতা-বতৰা পাতিছিলোঁ। ৱশ্বিংটন চহৰত টেক্সী ব্যৱসায় কেনে চলে, তেওঁৰ সাপ্তাহিক আয় কেনে হয়? তাৰে ঘৰ-সংসাৰ চলে নে? টেক্সৰ হেঁচা কেনে? নিগ্ৰো সকলৰ বিষয়ে তেওঁ কি ভাবে? গান্ধী-নেহৰুৰ কথা তেওঁ কি জানে? ইত্যাদি। গোটেই বাটটোৱে আমি এনে দৰে এশ এবুৰি কথা পাতিছিলোঁ। বেছ ভাল লাগিছিল। এইদৰেই আমাৰ দীঘলীয়া বাটটোৰ অন্ত পৰিছিল। ইয়াৰ পাছত ট্যানেন্‌বোম্ পৰিয়ালত উপনীত হৈছিলোঁহি। পৰিয়ালটোৰ আচাৰ-ব্যৱহাৰ, কথা-বতৰা আদিয়ে মোক বৰকৈ মুহিছিল। তৎক্ষণাত আমাৰ মাজত বন্ধুত্ব বৰ গাঢ় হৈ পৰিছিল। তিনিজন মানুহৰ এটা পৰিয়াল—স্বামী, স্ত্ৰী আৰু এটি পুত্ৰ সন্তান। লৰাটোৰ বয়স প্ৰায় দহ বছৰ। মানুহ জন প্ৰায় আমাৰ বয়সৰে হব। এটা কোঠা ভৰি কিতাপ। বৰ আচৰিত কথা, মানুহ জন ইঞ্জিনিয়াৰ হে, কলেজৰ অধ্যাপক নহয়। টেবুলত সিঁচৰতি হৈ পৰি থকা দেখিছিলোঁ আলডুইছ হাক্সলীৰ কিতাপ। "পইণ্ট্ কাউণ্টাৰ পইণ্ট্"। "ডি পিৰেনিয়েল্ ফিল'ছফি"। ইয়াৰ উপৰিও আৰু এখন বৰ ভাল

কিতাপ দেখিছিলোঁ। সেইখন হৈছে ডাড্‌লিৰ "ডি বুদ্ধিষ্ট বাইবেল্‌।" ৰামকৃষ্ণ মিছনৰো কেইখন মান সৰু সৰু কিতাপ দেখিছিলোঁ। ইয়াৰ পাছত আমাৰ আলোচনা আৰম্ভ হৈছিল বেদান্ত দৰ্শন আৰু আলডুইছ হাক্সলীক লৈ। মই হাক্সলীৰ "এণ্ডছ্‌ এণ্ড মিনছ্‌"-ৰ কথা কৈছিলোঁ। আৰু লগতে কেনেকৈ বেদান্ত দৰ্শনে য়েটছ্‌, এ, ই, আদি পাশ্চাত্য দেশীয় কবি-সাহিত্যিকক আপ্লুত কৰিছিল সেই কথাও কৈছিলোঁ! সেই কাৰণেই হয়তো সমগ্ৰ ইউৰোপতে ৰবীন্দ্ৰনাথৰ "গীতাঞ্জলি" ইমান জনপ্ৰিয় হৈ উঠিছিল, সেই আষাৰ কথাও লগতে যোগ দিছিলো। (প্ৰায়বোৰ পৰিয়ালৰে ঘৰুৱা লাইব্ৰেৰীত ৰবিঠাকুৰৰ হয় "কালেক্‌টেড্‌ পয়েম্‌ছ্‌" নাইবা নাটকৰ, বিশেষকৈ "পষ্ট অফিছ্‌," "কিংডম্ অব্‌ কাৰ্ডছ্‌" আদিৰ ইংৰাজী ভাঙনি দেখিবলৈ পাইছিলোঁ।)……

ইয়াৰ পাছত আমি অসমৰ কথালৈ আহিছিলোঁ। (বহুত ঠাইত দেৱালত ভাৰতৰ মেপ ওলোমাই লৈ অসমৰ কথা কব লগা হৈছিল।) ক্ৰমাৎ ভাৰতৰ আন আন অঞ্চলৰ মানুহৰ দৰে অসমৰ মানুহেও মাছ-মাংস নেখায় নে, সেই কথালৈ তেওঁলোক আহিছিল। মই "অসমৰ মানুহে মাছ-মাংস খায়" বুলি কৈছিলোঁ। তেওঁলোকে সুধিছিল: "কিয় আপোনালোকৰ ধৰ্ম্মই বাধা নিদিয়ে জানো?"……"নিদিয়ে। কাৰণ আমাৰ ভাত যি সকল ধৰ্ম্ম প্ৰচাৰক যেনে শঙ্কৰদেৱ, মাধৱদেৱ—সেই সকলে স্থানীয় প্ৰয়োজনীয়তাৰ কথা বুজিছিল। গতিকেই ধৰ্ম্মৰ গাথনিত এনেবোৰ কথা, ধৰা নাছিল। অসমৰ জল-বায়ুৱে মাছ-মঙহ খোৱাটো অনুমোদন কৰে, গতিকেই এই সকলে প্ৰকৃতিৰ দাবী স্বীকাৰ কৰি লৈছিল।" মহিলা

গৰাকীয়ে মোৰ কথাত ভেজা দি কৈছিল, বৌদ্ধ ধৰ্ম্ম প্ৰচাৰৰ সময়ত তিব্বততো হেনো এনে সমস্যা উত্থাপিত হৈছিল আৰু সমস্যাৰ সমাধান আমাৰ দৰেই স্থানীয় প্ৰয়োজনীয়তাক স্বীকাৰ কৰি লৈ সমাধান কৰা হৈছিল।

আমি তেওঁলোকৰ ৰান্ধনী ঘৰত বহি খাইছিলোঁ। বাহিৰত কলহৰ কাণেদি বৰষা নামিছিল। খোৱাৰ টেবুলত আকৌ নিগ্ৰো সমস্যা উত্থাপিত হৈছিল। অকস্মাৎ মতা-তিৰোতাৰ মাজত তুমুল তৰ্ক লাগি উঠিছিল। গোটেই ঘটনাটো বৰ ৰসাল হৈ পৰা যেন লাগিছিল। মহিলাগৰাকী নিগ্ৰোবিদ্বেষী। পুৰুষগৰাকী নিগ্ৰো-প্ৰেমী। প্ৰথম বাৰৰ কাৰণে গোটেই সমস্যাটো নিৰপেক্ষ ভাবে স্পষ্ট ভাষাত ব্যক্ত কৰা এই এজন শ্বেতাঙ্গ মানুহ পাইছিলোঁ। মহিলাগৰাকীৰ যুক্তি এনে ধৰণৰ আছিল: "নিগ্ৰো সকলৰ যদি ব্যক্তিগত প্ৰতিভা আছে তেন্তে তেওঁলোক অনতিপলমে নিজেই বগা মানুহৰ স্তৰলৈ উন্নীত হব। এই বিষয়ে কোঢ়াল কৰি লাভ কি?" ......এনে দৰেই স্বামী স্ত্ৰী উভয়ৰে মাজত তয়াময়া ৰণ লাগিছিল। মাজতে মই যেন বেকাৰী। ইজনেও সোধে: "আপুনি কি কয়?" সিজনেও সোধে: "আপুনি কি কয়?" মহিলাগৰাকীয়ে বৰকৈ চিঞৰিছিল। পুৰুষগৰাকীয়ে অবিচলিত ভাবে গহীনাই উত্তৰ কাটিছিল। অৱশেষত মানুহজনে পোনপটীয়াকৈ কৈছিল: "নিগ্ৰো সকলক যে বগাৰ সমানে সুযোগ-সুবিধা দিব নেলাগে, তাৰ সপক্ষে তুমি যুক্তি প্ৰদৰ্শন কৰা। তাকে নকৰি তুমি মাথোন অনুভূতিৰ প্ৰকাশ দিছা। তোমালোকৰ এই মাইকী-জাতীয় অনুভূতিৰে (womanish emotion) কোনো সমস্যাকে

সমাধান কৰিব নোৱাৰি। এনে বোৰ সমস্যা বাস্তব যুক্তি ভঙ্গীৰেহে চোৱা উচিত।" কথাষাৰ শুনা মাত্ৰকে মিছেছ ট্যানেনবোম্ ৰণচণ্ডী হৈ উঠিছিল। "আমি শ্বেতাঙ্গ সকলে, (we, the white people)·····" এই বুলি কোৱা মাত্ৰকে পুৰুষজনে আকৌ কৈ পেলাইছিল—"by white people do you mean the stupid people? অৰ্থাৎ শ্বেতাঙ্গ মানুহ মানে তুমি মুৰ্খ মানুহবোৰৰ কথা কব খুজিছা?" আকৌ জুইত ঘিঁউ পৰিছিল। ই দপ্ দপাই জ্বলি উঠিছিল। মহিলাগৰাকীয়ে ইতিকিংৰ সুৰত কৈ পেলাইছিল: "মোৰ ঘৰতেই এনে এজন নিগ্ৰো প্ৰেমী আছে বুলি আজিহে জানিছোঁ।"

······"নিগ্ৰো সকল বুদ্ধি-বৃত্তিৰ পিনৰ পৰা বহুত পিছপৰা। আপুনি কি কয়?" স্বামীৰ লগত নোৱাৰি এইবাৰ এওঁ মোৰ ফালে চকু দিছিল। কথাষাৰৰ উত্তৰ মই এনে দৰে দিছিলোঁ: "যি সম্প্ৰদায়ে প'ল ৰ'বছনৰ লেখীয়া আন্তৰ্জ্জাতিক খ্যাতিসম্পন্ন সঙ্গীতজ্ঞৰ জন্ম দিব পাৰে, সেই জাতিটোৰ প্ৰতিভা নাই বুলি আপুনি কেনেকৈ কয়? জুলিয়ান্ হাক্সলীৰ লেখীয়া বায়'লজিষ্টৰ মতে এটা জাতি আন এটা জাতিতকৈ বেছি মেধাসম্পন্ন এই তথ্য বিজ্ঞানে অনুমোদন নকৰে। সুযোগ আৰু সুবিধা পালে যে প্ৰত্যেক জাতিয়েই প্ৰতিভা দেখুৱাব পাৰিব, সেই বিষয়ে সন্দেহ নাই।" পুৰুষজনে মোৰ কথাষাৰ সমৰ্থন কৰিছিল। পত্নী গৰাকীয়ে আকৌ ইতিকিং কৰি কৈছিল: "তুমি যে সমৰ্থন জনাইছা, তুমি জানো কেতিয়াবা জুলিয়ান্ হাক্সলী পঢ়ি পাইছা?" ······ইয়াৰ পাছত তেওঁ আকৌ পোনপটীয়াকৈ তৰ্কৰ জাল পেলাইছিল: "চাওক, একোটা জাতিৰ একোটা সাংস্কৃতিক স্তৰ

আছে। আপোনালোকৰ হিন্দু জাতিৰ যি তিনি হেজাৰ বছৰীয়া সাংস্কৃতিক স্তৰ, তাৰ সমকক্ষ হবলৈ আন এটা জাতিক বহুত দিন নেলাগিবনে?" এই বুলি কৈয়ে মহিলা গৰাকীয়ে এটা আত্ম-প্ৰসাদৰ হাঁহি মাৰিছিল। মই উত্তৰ দিছিলোঁ: "আপোনাৰ কথা সঁচা হব পাৰে। সেই বুলি এনে এটা সাংস্কৃতিক স্তৰ পোৱাৰ পৰা আনক বাধা দিবলৈ যোৱাটো জানো উচিত হব? আজি আপোনালোকৰ দেশত, নিগ্ৰোৰ ক্ষেত্ৰত, এইটোৱেই জানো হোৱা নাই? ইয়াৰ উপৰিও এই খিনিতে এটা ৰাজনৈতিক স্বত্বৰ কথাও নহাকৈ নেথাকে। লগতে গণতন্ত্ৰৰ কথাও আছে। গণতন্ত্ৰ জীয়াই থাকিবলৈ হলে সমান অধিকাৰৰ কথা নহাকৈ নেথাকে।" এই খিনিতেই পুৰুষগৰাকীয়ে আকৌ কৈছিল: "তুমি মাইকী মানুহ। গোটেই প্ৰশ্নটো তুমি অনুভূতিৰ চকুৰে চাইছা।"

মিঃ ট্যানেন্‌বোমে কৈছিল,—"যুক্তৰাষ্ট্ৰৰ দক্ষিণ অঞ্চল, য'ত নিগ্ৰো সমস্যা তীব্ৰ ভাবে বিদ্যমান, তাতো নিগ্ৰোৰ দাবী সমৰ্থন কৰোঁতা শ্বেতাঙ্গ মানুহ আছে। যি কোনো বুদ্ধিসম্পন্ন মানুহেই এনে কৰাটো স্বাভাৱিক।" মহিলা গৰাকীয়ে এই খিনিতেই এটা বিৰাট আক্ৰোৰ মাৰিছিল: "এই বাক্যটোৰ দ্বাৰায় তুমি নিজকে আওপকীয়া ভাবে বুদ্ধিসম্পন্ন মানুহ হিছাপে প্ৰতিপন্ন কৰিব খুজিছা, নহয় জানো?"..... তিৰোতা গৰাকীৰ মুখ কম লাওপাত কচুপাত নহয়। তেওঁ আকৌ চিঞৰি কৈ উঠিছিল: "পৃথিৱীত তিনিবিধ মানুহ আছে: (১) এবিধে একোটা আদৰ্শক ভাল পায় আৰু সেই আদৰ্শক অনুসৰণ কৰি তেওঁলোকে কাম কৰি যায়। (২) এবিধে তৃতীয়া আৰু বঞ্চিতৰ নামত সহানুভূতি প্ৰদৰ্শায়, কিন্তু

ই মৌখিকহে। তেওঁলোকৰ অন্তৰত তেনে কোনো সহানুভূতি নাই। এওঁলোকৰ যাই উদ্দেশ্য হৈছে নিজা স্বাৰ্থ পূৰণ। (৩) আন বিধৰ মনত গোটেই বস্তু টোৱেই এটা স্বাভাৱিক কথা। এওঁলোকৰ মনত ঘৃণাও নাই, প্ৰীতিও নাই। আন দহজনৰ প্ৰতি এওঁলোকৰ যেনে ব্যৱহাৰ তেনে ব্যৱহাৰ সমাজৰ এই নিম্নস্তৰৰ সকলৰ প্ৰতিও।”...... লগতে মহিলাগৰাকীয়ে আৰু এটা তথ্য আগবঢ়াইছিল। কথাষাৰে মোক ভাবুক কৰি তুলিছিল। তেওঁ কৈছিল: “প্ৰেম আৰু বিদ্বেষ মানব প্ৰকৃতিৰ দুটা ফাল। মানুহে যেনেকৈ কিবা এটাক ভাল নোপোৱাকৈ থাকিব নোৱাৰে, সেইদৰে বেয়া নোপোৱাকৈও থাকিব নোৱাৰে। আজি নিগ্ৰো সকল আছে বাবেই আমাৰ ঘৃণা সেই ফালে প্ৰৱাহিত হৈছে। কালিলৈ তেওঁলোক নেথাকিলে সেই ভাবে আমাৰ মাজতে শিপা মেলিব। ইহুদীসকললৈ নেচায় কিয়? যেতিয়ালৈকে তেওঁলোকে আনক ঘৃণা কৰাৰ সুবিধা পাইছিল তেতিয়ালৈকে ভালেই আছিল। আজি যেতিয়া তেওঁলোকে এডোখৰ গৃহ-ভূমি পাইছে, তেওঁলোকৰ আনৰ প্ৰতি ঘৃণাৰ কাৰণ নোহোৱা হৈছে। ইয়াৰ পৰিণতি স্বৰূপে তেওঁলোকৰ নিজৰ মাজতে আজি ঘৃণাৰ উদ্ভৱ হৈছে। নতুন বাসভূমিত তেওঁলোকে ইংৰাজী ভাষাভাষী ইহুদীৰ বাহিৰে আনৰ স্থান নাই বুলি কব খোজে। যেনে জাৰ্ম্মান বা আন ঠাইৰ ইহুদীৰ বাবে।”......কি অদ্ভুত যুক্তি! মানুহ গৰাকীৰ উদ্ভাৱিকা শক্তিয়ে মোক স্তম্ভিত কৰিছিল। আনহাতে পুৰুষ-জনৰ ধীৰ, স্থিৰ যুক্তিৰ চোকা আঁচোৰে মোক আচৰিত কৰিছিল। মই কৈছিলোঁ: “আপুনি এক অদ্ভুত যুক্তি দাঙি ধৰিছে। ইমান দিনে মানুহে কিবা এটাক ভাল নোপোৱাকৈ থাকিব নোৱাৰে বুলিহে

জানিছিলোঁ। আপুনি আজি এটা নতুন তথ্য শুনালে। যেতিয়া আনৰ লগত কাজিয়া কৰিবলৈ কোনো লগ নেথাকে তেতিয়া হয়তো মানুহে নিজৰ ছাঁটোৰ লগতে সংগ্ৰাম কৰিব, নহয় জানো ?” কথাষাৰ শুনাৰ লগে লগেই দুয়ো হাঁহি পেলাইছিল। ময়ো হুৰহুৰাই হাঁহিছিলোঁ। আমাৰ হাঁহিত ৰাস্কনী ঘৰটো জনজনাই গৈছিল।......

গিৰীয়েক ঘৈণীয়েকৰ তৰ্কৰ উৎপাত দেখি মই ভাবিছিলোঁ— তিৰোতা বৰ বেছি বুদ্ধিজীৱী হলে এই খিনিতে বিপদ। একেটা পৰিয়ালত স্বামী স্ত্ৰী দুয়ো বুদ্ধিজীৱী হলে আৰু বিপদ। এই পৰিয়ালটোত দেখিছিলোঁ দুয়ো জনাই বেছ তৰ্কবাগীশ। দুয়ো বিপৰীত মতাৱলম্বী। মোৰ মনৰ ভাব বুজিব পাৰিয়েই নেকি, মহিলাগৰাকীয়ে কথাৰ মোখনি এনেদৰে মাৰিছিল: “এনেদৰে তৰ্ক কৰোঁ যদিও আমি ইজনে সিজনক বৰ ভাল পাওঁ।”......

মহিলাগৰাকীৰ প্ৰতাপ আৰু পুৰুষ জনৰ সেওমনা ভাব দেখি মনত পৰিছিল:

“ইটো গৃহবাস ভাৰ্য্যাৰেহে দাস।
কহিলো পৰম আৰ্য্যা॥
বানৰক যেন নৰ্ত্তকে নচাৱে।
স্বামীক নচাৱে ভাৰ্য্যা॥”

......অৱশেষত আমি টি, এছ, ইলিয়টৰ কবিতা আলোচনা কৰিছিলোঁ। মহিলাগৰাকীয়ে ইলিয়টৰ কবিতা ভাল পায়। এই খিনিতেই মোৰ হৰি বৰকাকতীলৈ মনত পৰিছিল। লগত আজি হৰি থকা হলে বেছ উপভোগ কৰিব পাৰিলেহেঁতেন। আমি

অৱশ্যে ঘাইকৈ ইলিয়টৰ কেথ'লিক্ ধৰ্ম্ম-মতবাদ আৰু মানব সভ্যতাৰ তথ্য সম্বন্ধে আলোচনা কৰিছিলোঁ। পৃথিবীৰ সমস্যা সমাধানৰ অৰ্থে ইলিয়টে কেথ'লিক্ ধৰ্ম্মৰ প্ৰয়োজনীয়তাৰ কথা কয়। মহিলাগৰাকীয়ে আপত্তি জনাইছিল: "ইলিয়টৰ ভুল হৈছে। আমি ধৰ্ম্মৰ প্ৰকৃত মৰ্ম্মৰ কথা পাহৰি যাওঁ, গতিকেই ইমান খেলি মেলি। ধৰ্ম্মৰ প্ৰকৃত মৰ্ম্ম-কথা উপলব্ধি কৰিব পাৰিলে, যেই কোনো ধৰ্ম্মই প্ৰকৃত শান্তিৰ পথ আৱিষ্কাৰ কৰাত সহায়তা কৰিব।" তেওঁৰ কথাৰ সমৰ্থনত মই ডক্টৰ ৰাধাকৃষাণৰ "ডি আইডিয়েলিষ্ট ভিউ অব্ লাইফ্" বোলা কিতাপ খনৰ কথা উল্লেখ কৰিছিলোঁ।......

মিঃ আৰু মিছেছ্ ট্যানেন্‌বোমৰ একেটা মাথোন পুত্ৰ সন্তান। নাম জৰ্জ্জি। বয়স মাথোন দহ বছৰ। বয়সলৈ চাই লৰাটো বেছি কথকী। হাতত তাৰ দুটা ট'য় পিষ্টল। বৰদিনৰ বাবে মোমায়েকে তাক উপহাৰ দিয়া। লৰাটোৰ লগত ইটো সিটো নানা কথা পাতিছিলোঁ। ইংৰাজৰ কথা, ক্ৰিকেট, বে'ছ-ব'ল্ ইত্যাদিৰ কথা। ইয়াত ক্ৰিকেটৰ প্ৰচলন নাই। এইটো ইংৰাজৰ খেল। বে'ছ-ব'ল্ আমেৰিকাৰ খেল। আমাৰ দেশত আনকি সৰু সৰু ল'ৰাৰ মাজতো ক্ৰিকেটৰ কেনে প্ৰচলন সেই কথাবাৰ তাক কৈছিলোঁ। সি এবাৰ কথাৰ মাজতে হঠাতে দেউতাকক সুধিছিল: "ডেডি, ইণ্ডিয়াত মানুহবোৰে স্বাধীন হবলৈ ইংৰাজৰ লগত যুদ্ধ চলাইছিল, নহয় নে?" দেউতাকে উত্তৰ দিছিল: "ওঁ, চলাইছিল। কিন্তু তোমাৰ সেই পিষ্টলেৰে নহয়।" ..."তেন্তে কেনেকৈ?" সি আচৰিত হৈ সুধিছিল। মানুহজনে তৎক্ষণাত উত্তৰ দিছিল: "they fought with their brains",

অৰ্থাৎ তেওঁলোকে মগজুৰে যুঁজিছিল। কথাষাৰ শুনি মোৰ বৰ ভাল লাগিছিল: "সঁচাই আমি মগজুৰে যুঁজিছিলোঁ। এইয়া এক গান্ধীৰ কৃতিত্ব।"

নিশা ছোৱালীহঁতে নাচলৈ মাতিছিল। গৈছিলোঁ। নৃত্য-থলীৰ দেৱালত বৰ বৰ আখৰেৰে লেখা আছিল: "American young women desire you as dancing partner," অৰ্থাৎ আমেৰিকাৰ গাভৰুহঁতে আপোনাক নাচৰ সঙ্গী হিছাপে কামনা কৰে। সহ-নৃত্যৰ জৰিয়তে আন্তৰ্জ্জাতিক সম্ভাৱ সৃষ্টি কৰাটোৱেই হৈছে ইয়াৰ উদ্দেশ্য। নাচ মাজনিশাৰ ডেওনা পাৰ হৈ চলিছিল। ডেকাৰ স্পৰ্শত গাভৰুৰ আৰু গাভৰুৰ স্পৰ্শত ডেকাৰ হিয়াৰ উখাল মাখলৰ সৃষ্টি হৈছিল।

ৱশ্বিংটন (৩)

পদুমৰ পাহি সৰে, বসন্ত লেৰেলি পৰে……

মই থকা দিন কেইটাৰ ভিতৰতে ৱশ্বিংটন চহৰত অসম্ভৱ জাৰ পৰিছিল। এটা শীত-তৰঙ্গ, আজি পাঁচ ছয় বছৰৰ পিছত, নতুনকৈ এই কালে আহিছে বুলি মানুহবোৰে কৈছিল। সেই কাৰণেই জাৰৰ প্ৰকোপ চৰিছিল। বাহিৰলৈ ওলোৱা টান। ভিতৰৰ কোঠাবোৰ উত্তাপ দিয়া। গতিকেই ভিতৰত জাৰৰ অভিযান ব্যৰ্থ হৈ যায়।·· ইটো সিটো চোৱাৰ আগ্ৰহে বাহিৰলৈ মোক সঘনে আজুৰিছিল। বাহিৰত জাৰে অনাবৃত মুখ খন হেজাৰ বেজীয়ে বিন্ধা দি বিন্ধিছিল।

মোৰ কাৰ্য্যসূচী প্ৰস্তুত কৰোতা সকলে সুধিছিলঃ "আপোনাৰ বিশেষ নিচা ক'ত?" মই প্ৰেছ, ৰেডিঅ' আৰু থিয়েটৰ বুলি কৈছিলোঁ। গতিকেই তেওঁলোকে প্ৰেছ, ৰেডিঅ' আৰু থিয়েটৰ কেনেকৈ পৰিচালিত হয় জানিবলৈ সুবিধা কৰি দিছিল। থিয়েটৰৰ মঞ্চবোৰত আসনৰ বন্দোবস্ত কৰি দিছিল। চাইছিলো। ৰঙ্গমঞ্চবোৰৰ ৰূপসজ্জাত বিজুলী বন্তিৰ প্ৰয়োগ সঁচাই মন কৰিব লগীয়া। একোটা দৃশ্যৰ ৰূপ বিজুলী বন্তিৰ সহায়েৰে একেবাৰেই অভিনৱ কৰি তোলা হয়। তাহানি মেটাৰলিঙ্কৰ "ব্লু বাৰ্ড" বোলা নাটকখন মস্কোৰ আৰ্ট থিয়েটৰত অভিনীত হোৱা কথা পঢ়িছিলোঁ। বিজুলী বন্তিৰ জৰিয়তে ইয়াৰ দৃশ্যসমূহ কেনেকৈ চিত্তাকৰ্ষক কৰি তোলা হৈছিল

সেই বিষয়েও মনত পৰিছিল। বৰ্ত্তমান এইবোৰৰ প্ৰয়োগ নিজ চকুৰে দেখিবলৈ পাইছোঁ।......

এদিন দুপৰীয়া "আমেৰিকান্ এছ'ছিয়েশ্যন্ অৰ্ ইউনিভাৰছিটি উইমেন্"-ৰ বহাত খাবলৈ নিমন্ত্ৰণ পাইছিলোঁ। এইটো এটা মহিলা সকলৰ প্ৰতিনিধিমূলক ডাঙৰ অনুষ্ঠান। খোৱা টেবুলত আমাৰ ইটো সিটো নানান কথাৰ আলোচনা চলিছিল। লগত গ্ৰীক্ পাৰ্লামেণ্টৰ এজন সদস্য, নাম কে, জি, জিগ্ডিছ্ (এওঁ মোৰ দৰেই আলহী), ডক্টৰ নেপ্ আৰু এগৰাকী মহিলা আছিল। ডক্টৰ নেপ্ নিউয়ৰ্ক বিশ্ববিদ্যালয়ৰ ছ'ছিয়লজি শাস্ত্ৰৰ ভূতপূৰ্ব্ব অধ্যাপক। ঘূৰি আহি আকৌ নিগ্ৰো সমস্যাৰ কথা মই আলোচনাত উত্থাপন কৰিছিলোঁ। ডক্টৰ নেপে আমাক কৈছিল: "ছ'ছিয়লজিষ্ট সকলৰ মতে নিগ্ৰোৰ গাত শতকৰা ষাঠি ভাগ বগা মানুহৰ তেজ আছে। পোনতে ইয়ালৈ আহি গোটেই পৰিবেশটোকেই স্বাভাৱিকতে সিহঁতে আচহুৱা যেন পাইছিল। গোটেই বোৰ সিহঁতৰ বাবে নতুন যেন লাগিছিল। গতিকেই তেওঁলোকে অনুভূতিৰ উপশম বিচাৰিছিল। এই বস্তুটো এওঁলোকে ধৰ্ম্ম আৰু সঙ্গীতৰ জৰিয়তে বিচাৰি লৈছিল। নিগ্ৰো সকল তীব্ৰ ভাবে ধৰ্ম্মপ্ৰাণ আৰু সঙ্গীতপ্ৰাণ।" যুক্তৰাষ্ট্ৰৰ জনসংখ্যাৰ শতকৰা দহ ভাগ নিগ্ৰো। ইয়াৰ জনসংখ্যা ১৬,০০,০০,০০০। ডক্টৰ নেপৰ নিগ্ৰোৰ গাত শতকৰা ষাঠি ভাগ বগা মানুহৰ তেজ থকা তথ্যটোত সততাই পতিয়ন যাবলৈ টান পাইছিলোঁ। গতিকেই সুধিছিলোঁ: "এইটো কেনেকৈ হবলৈ পালে? বগা মানুহে নিগ্ৰোৰ ছোৱালী আনিছিল নে? কথাটো দেখোন আচৰিত যেন লাগে।

নে নিগ্ৰোই বগা মানুহৰ ছোৱালী আনিছিল।” তেওঁ উত্তৰত কৈছিল: “দ্বিতীয়বাৰ কথাহে মোৰ বেছি সম্ভৱ যেন লাগে।” ভোজনৰ অন্তত মহিলা অনুষ্ঠানটোৰ আঁতিগুৰি সম্বন্ধে মিছ্ ৰাছেল্ বোলা মহিলা এগৰাকীয়ে বক্তৃতা দিছিল। ইয়াৰ অফিছবোৰ মহিলা কৰ্ম্মচাৰীৰে উভৈনদী। পুৰুষৰ সংখ্যা আঙুলি মূৰত লেখিব পাৰি। গতিকেই পুৰুষ আৰু মহিলাৰ বানচ সমপৰ্য্যায়ৰ নে তাৰ ভিতৰত কিবা তাৰতম্য আছে এই বিষয়ে জানিবলৈ মন গৈছিল। তাৰ উত্তৰত মহিলাগৰাকীয়ে কৈছিল: “একে নহয়। দুয়োটাৰ ভিতৰত লেখত লব লগীয়া তাৰতম্য আছে। সেই বুলি আমাৰ দেশত তেনে কোনো নাৰী আন্দোলন (feminist movement) বোলা বস্তু নাই।” দুনাই প্ৰশ্ন হৈছিল: “আপোনাসকলৰ মন্ত্ৰীমণ্ডলত নাৰী সদস্যাৰ সংখ্যা কিমান? আপোনালোকৰ ছিনেট্ আৰু হাউছ্ অব্ ৰিপ্ৰেজেন্‌টেটিভছত নাৰী সদস্যা কিমান আছে?” ইত্যাদি। মিছ্ ৰাছেলে উত্তৰ দিছিল: “মন্ত্ৰীমণ্ডলত এগৰাকী মাহলা সদস্যা আছে। প্ৰথমখন পৰিষদত (ছিনেটত) তিনি গৰাকী আৰু দ্বিতীয় খনত এঘাৰ গৰাকী মহিলা সদস্যা আছে। লগতে আপোনাক মই এইষাৰ কথাও কৈ থব খোজোঁ যে আমেৰিকাৰ নাৰী সমাজৰ ৰাজনীতিৰ প্ৰতি অকণো আগ্ৰহ নাই।” ইতিমধ্যে ৱশ্বিংটনত দুই এগৰাকী মেধাসম্পন্না মহিলাও লগ পাইছিলোঁ। এনে মহিলা, যি পৃথিৱীৰ কিছু খবৰ অন্ততঃ ৰাখিছে, কিছু কিতাপো অধ্যয়ন কৰিছে। জিন্ কুটছ্ তেনে এগৰাকী মহিলা। এওঁ ভাৰত, চীন—বিশেষকৈ প্ৰাচ্যৰ বিষয়ে ভালেমান কিতাপ পঢ়িছে। গতিকেই কথা প্ৰসঙ্গত তেওঁ মোক লিন্ উটাঙৰ “ডি ভাৰ্মিলিয়ান্

গেট্” বোলা কিতাপখনৰ কথা কৈছিল। কিতাপখন মই বাটত লণ্ডন চহৰৰ এখন দোকানত দেখিছিলোঁ। আমেৰিকাৰ বাতৰি কাকতত কিতাপখন উচ্চ ধৰণৰে প্ৰশংসিত হৈছিল। ইয়াৰ পাছত আমি পার্ল বাক্, অ'হেনৰী, ফক্‌নাৰ্, উজেন্ অ'নীল্, ই, এম্, ফ'ষ্টাৰ্, ডায়লন্ ট'মাছ আদিৰ বিষয়ে আলোচনা কৰিছিলোঁ। সাহিত্যৰ ছাত্ৰ হিছাপে এই সকলক মই জানিছিলোঁ। গতিকেই আমাৰ আলোচনা বিশেষভাবে পূৰঠ হৈছিল। (বিদুষী গাভৰুৰ লগত সাহিত্য আলোচনা কৰি এটা স্বকীয়া আৰাম আছে। এই-যাৰ কথা “ডি নেকেড্ নাগাজ্” ৰচোঁতা ভন্ ফুৰাৰ হাইমেনডৰফেও প্ৰকাৰান্তৰে স্বীকাৰ কৰি গৈছে।) ডায়লন্ ট'মাছৰ কবিতাই আধুনিক ভাৰতীয় কবি-সমাজক কেনেকৈ নতুন বস্তিৰ পোঁহৰ দেখুৱাইছে সেইযাৰ কথাও তেওঁক মই ভাঙি কৈছিলোঁ। এই জনা কবিৰ অকাল মৃত্যুৱে আধুনিক কাব্য বুৰঞ্জীত অপূৰণ ক্ষতি সাধিছে। (ইতিমধ্যে আন এগৰাকী কবি এডিথ্ ছিট্‌ৱেলে ডায়লন্ ট'মাছ সম্বন্ধে লেখা এটা প্ৰবন্ধ পঢ়িছিলোঁ। এনে প্ৰাণস্পৰ্শী, লগতে বিশ্লেষণধৰ্ম্মী লেখা আগতে মই খুব কমেই পঢ়িছোঁ।)···আমেৰিকাৰ পঢ়ুৱৈ সমাজৰ কবিতাৰ প্ৰতি আগ্ৰহ কেনে জানিবলৈ মোৰ ইচ্ছা হৈছিল, যিটো আগ্ৰহ ইংলণ্ডত এতিয়াও অম্লান ভাবে বিদ্যমান। মহিলাগৰাকীয়ে কৈছিল: “কবিতাৰ প্ৰতি আমেৰিকাৰ পঢ়ুৱৈ সমাজৰ সাধাৰণতে বীতৰাগ। তেওঁলোকে গল্প, উপন্যাস, ভ্ৰমণ কাহিনী ইত্যাদি পঢ়িহে ভাল পায়।” আমেৰিকাত লেখিকা হিছাপে শান্তা ৰমা ৰাওৰ যথেষ্ট খ্যাতি আছে। প্ৰায়-বোৰ আলোচনী-কাকত আদিত তেওঁৰ প্ৰবন্ধাদি প্ৰকাশ পায়।

ইতিমধ্যে তেওঁৰ এটা প্ৰবন্ধ ময়ো পঢ়িছোঁ। প্ৰবন্ধটোৰ নাম হৈছে "ডি ইন্‌ছ্‌ক্ৰুটেবুল্‌ ইণ্ডিয়া।" জিন্‌ কৃটছে আৰু আন কাৰ কিতাপ আদি পঢ়িব পাৰি বুলি সোধাত মুলক্‌ৰাজ আনন্দৰ কিতাপৰ এখন তালিকা প্ৰস্তুত কৰি দিছিলোঁ। আজি কিছুদিনৰ আগতে "ডি আট্‌লাণ্টিক" বোলা আলোচনী খনত মুলক্‌ৰাজ আনন্দৰ "নাপিত সংঘ" বোলা প্ৰবন্ধটোৰ ইংৰাজী ভাঙনি ওলাইছিল। এই গল্পটোৰ অসমীয়া ভাঙনি তাহানি "পছোৱাত" ওলাইছিল।

ইয়াৰ পাছত আমি সাহিত্যৰ কথা এৰি এভাৰেষ্ট বিজয়ৰ কথা পাতিছিলোঁ। আমাৰ দেশৰ বা ইংলণ্ডৰ কাকতত ইয়াৰ যেনেকৈ বিতং খবৰ ওলাইছে আমেৰিকাৰ কাকতত তেনেদৰে ওলোৱা নাই। আনকি লণ্ডন বিমানবন্দৰৰ দোকানবোৰত মই ইয়াৰ ছবি আৰু কৰ্ণেল্‌ হাণ্টৰ এভাৰেষ্ট বিজয় সম্বন্ধীয় কিতাপখন জিলিকি থকা দেখিছিলোঁ। আমেৰিকাত এতিয়াও দেখা নাই। (এই বিষয়ে হাৰভাৰ্ড বিশ্ববিদ্যালয়ৰ লাইব্ৰেৰীয়ান্‌গৰাকীক মই সুধিছিলোঁ। তেওঁ এতিয়াও ইয়াৰ আমেৰিকান সংস্কৰণ প্ৰস্তুত হোৱা নাই বুলি কৈছিল। আমেৰিকা পৰিত্যাগ কৰাৰ পূৰ্ব্বেই অৱশ্যে ইয়াৰ প্ৰচলন দেখি আহিছোঁ।)……আমেৰিকাত মানুহে মাথোন এভাৰেষ্ট বিজয়ৰ খবৰটো জানে। তাতোকৈ বিশেষ যে বেছি কিবা জানে সেই কথাৰ প্ৰমাণ পোৱা নাছিলোঁ। মহিলাগৰাকীক সুধিছিলোঁ: "আপোনা সকলে টেনজিঙক আমন্ত্ৰণ কৰি নানে কিয়?" প্ৰকৃত পক্ষে টেনজিঙক আমন্ত্ৰণ জনোৱা হৈছিল বুলি অৱশেষত জানিব পাৰিছিলোঁ। তেওঁহে আহিবলৈ অপাৰগ। ফেব্ৰুয়াৰী (১৯৫৪ চন) মাহত হিলেৰী অহা কথা আছিল বুলি তেওঁ মোক কৈছিল। (হিলেৰী এই মাহতেই

আহিছিল। ঠায়ে ঠায়ে বক্তৃতা দি ভ্ৰমণ কৰিছিল।) ক্ৰমাৎ আমাৰ আলোচনা চিত্ৰ-জগতৰ ফাললৈ ঢাল খাইছিল। আমি "ডি ৰিভাৰ" বোলা ফিল্মখনৰ কথা আলোচনা কৰিছিলোঁ। তাৰ ফটোগ্ৰাফি সম্বন্ধে মহিলাগৰাকীয়ে এনে দৰে মন্তব্য কৰিছিল: "এনে জীৱন্ত ছবি মই আগতে কেতিয়াও দেখা নাছিলোঁ।" (ইয়াৰ পাছত বহুতৰে লগত এই ছবিখন সম্বন্ধে মোৰ আলোচনা হৈছিল। ছবিখন সম্বন্ধে মই এই বুলি সাধাৰণতে মত দিছিলোঁ: "ছবিখন প্ৰকাশৰ পিনৰ পৰা চিত্তাকৰ্ষক হৈছে। ইয়াৰ গল্পাংশহে অতি দুৰ্ব্বল।")

সোতৰ ডিচেম্বৰ (১৯৫৩ চন) তাৰিখে দুপৰীয়া এটা বক্তৃতা শুনিবলৈ গৈছিলোঁ। বক্তৃতাটোৰ বিষয়বস্তু আছিল: "আমেৰিকাৰ অৰ্থনৈতিক সমস্যা।" বক্তাগৰাকী এই বিষয়ৰ বিশেষজ্ঞ। নাম বৰীছ্ ছিছ্‌কীন্, "আমেৰিকান্ ফেডাৰেশ্যন অব্ লেবাৰ"ৰ মুখ্য অৰ্থনীতিবিদ। বক্তৃতাৰ অন্তত মানুহজনে কাৰোবাৰ কিবা প্ৰশ্ন আছেনে বুলি জানিব খুজিছিল। ইয়াত দেখিছোঁ প্ৰত্যেকেই এই কামটো কৰে, অৰ্থাৎ একোটা ভাষণৰ শেষত প্ৰশ্নৰ আহ্বান জনায়। এই চেগতে আমেৰিকাৰ বনুৱা সংগঠনবোৰ ৰাজনৈতিক দল বিশেষৰ দ্বাৰা পৰিচালিত হয় নে নহয় বুলি সুধি জানিব পাৰিছিলোঁ যে এইবোৰ ৰাজনৈতিক দলৰ প্ৰভাবমুক্ত, গাইগুটীয়া। ৰাজনৈতিক দল বিশেষৰ এইবোৰৰ ওপৰত প্ৰভাব নাই। ইউনিয়ন্ অৰ্থাৎ সংগঠনৰ বিষয়ববীয়াসকল বনুৱাৰ নিজা সমাজৰ পৰাই সাধাৰণতে বছা হয়। এওঁলোক বাহিৰৰ মানুহ নহয়। ইয়াৰ পিছত প্ৰশ্ন কৰিছিলোঁ: "আমেৰিকাৰ অৰ্থনীতি পুঁজিবাদী হয় নে নহয়?

আমেৰিকাৰ বন্ধুৱা সংগঠনবোৰে নতুন সমাজবাদী সমাজ বিচাৰেনে নাই তেওঁলোক, বৰ্ত্তমানৰ যি অৰ্থনৈতিক গাথনি তাৰ ভিতৰেদিয়েই নিজৰ সুযোগ-সুবিধাৰ কাৰণে আন্দোলন কৰিয়েই তৃপ্ত।" এনেবোৰ প্ৰশ্নৰ কাৰণে বক্তাগৰাকী প্ৰস্তুত নাছিল যেন অনুমান হৈছিল। তেওঁ কৈছিল: "ব্যক্তিগত ভাবে ইয়াত বহুত ছ'ছিয়েলিষ্ট আছে যদিও, আমাৰ দেশত ছ'ছিয়েলিষ্ট আন্দোলন অকণো শক্তিশালী নহয়।" আমেৰিকাৰ অৰ্থনীতি পুজিবাদী হয় নে নহয় এই বিষয়ে মত দিবলৈ বক্তাগৰাকীয়ে টান পাইছিল। "আমাৰ দেশত ব্যক্তি-প্ৰচেষ্টা আছে যদিও ৰাষ্ট্ৰই আইন প্ৰয়োগ কৰি এইবোৰ নিয়ন্ত্ৰণ কৰাৰ উদাহৰণো আছে।" এনে দৰে আমাৰ আলোচনা চলিছিল। অৱশেষত কথাৰ মোখনি মৰাৰ উদ্দেশ্যেই মই কৈছিলোঁ: "ৰুছ দেশত অৰ্থনীতিৰ ওপৰত সম্পূৰ্ণ ৰাষ্ট্ৰনিয়ন্ত্ৰণ আছে। সেই অৰ্থনীতিত ব্যক্তি-প্ৰচেষ্টা নাই। চীন দেশত ৰাষ্ট্ৰ নিয়ন্ত্ৰণ আছে। লগে লগে কম যদিও ব্যক্তি-প্ৰচেষ্টাও আছে। আপোনালোকৰ দেশত ব্যক্তি-প্ৰচেষ্টা সৰহ। ৰাষ্ট্ৰ-নিয়ন্ত্ৰণ আছে যদিও ৰিজনিত তেনেই তাকৰ।" কথাষাৰ শুনা মাত্ৰকে অৰ্থনীতিৰ পণ্ডিতগৰাকীয়ে কৈ উঠিছিল: "that's an admirable summary," অৰ্থাৎ এইটো এটা চমৎকাৰ সংক্ষিপ্ত বিৱৰণ।

ইয়াৰ পাছত সেই একে দিনাই আৰু এটা বক্তৃতা শুনিবলৈ গৈছিলোঁ। বক্তৃতাটোৰ বিষয়বস্তু আছিল: "আমেৰিকাৰ শিক্ষা পদ্ধতি।" বক্তাগৰাকীৰ নাম ডক্টৰ প'ল, এছ, ব'ডেন্‌ম্যান্। এওঁ যুক্তৰাষ্ট্ৰৰ শিক্ষা বিভাগৰ এজন গুৰি ধৰোঁতা। বক্তৃতাটো বিশেষভাবে বিশ্লেষণধৰ্ম্মী হৈছিল। এওঁ এটা বেছ মনত খোৱা

কথা কৈছিল,—যিটো কথা নিজেও মই প্ৰায়েই উপলব্ধি কৰি আহিছোঁ ; দুই এঠাইত এই কথাষাৰ ব্যক্তও কৰিছিলোঁ। সেইটো হৈছে,—পাঠ্য-তালিকা প্ৰস্তুতিৰ বাবে যিবোৰ বিভাগ কৰা হয় সেইবোৰ হৈছে সাময়িক বস্তুহে। আচলতে মানুহৰ অগ্ৰগতিৰ পথত এইবোৰ জপনা ক্ৰমাৎ উৰঁলি যায়। এইবোৰ নোহোৱা হয়। ইয়াৰ সলনি ইটো বস্তু সিটো বস্তুৰ পৰিপূৰক হিছাপে দেখা দিয়ে। কথাষাৰ শুনামাত্ৰকে মোৰ মুখৰ পৰা স্বতস্ফূৰ্ত্ত ভাবে ওলাই পৰিছিল : “knowledge at the top is indivisible”। বক্তাই শলাগ লৈ কৈছিল : “ঠিক কথা। জ্ঞানৰ শ্ৰেণী বিভাগ হব নোৱাৰে।”

সেই দিনটোৰ বাবে তৃতীয় বক্তৃতা শুনিছিলোঁ : “যুক্তৰাষ্ট্ৰৰ বৈদেশিক নীতি”। ইয়াৰ মানুহে নো পৃথিৱীৰ আন ঠাইৰ কথা আৰু তাৰ বিজনিত নিজৰ কথা কেনেকৈ ভাবে, সেই বিষয়ে জনাৰ কৌতূহল সামৰিব পৰা নাছিলোঁ বাবেই বক্তৃতা শুনিবলৈ গৈছিলোঁ। বক্তাগৰাকীৰ নাম ডক্টৰ জুলছ ডেভিড্। এওঁ হৈছে জৰ্জ্জটাউন্ বিশ্ববিদ্যালয়ৰ ফ'ৰেন্ ছাৰভিছ্ বিভাগৰ অধ্যাপক। এওঁৰ মতে বৈদেশিক নীতি কাৰ্য্যকৰী হবলৈ হলে মূলতে তিনটা বস্তুৰ প্ৰয়োজন : (১) সামৰিক শক্তি (২) অৰ্থনৈতিক শক্তি (৩) কূটনৈতিক দক্ষতা। আলোচনাত দীঘলীয়াকৈ অংশ গ্ৰহণ কৰি ভাৰতীয় বৈদেশিক নীতিৰ সপক্ষে মই এনে দৰে কৈছিলোঁ : “যেতিয়ালৈকে মানুহে শক্তিৰ ওপৰত নিৰ্ভৰ কৰি,—সেই শক্তি সামৰিকেই হওক বা অৰ্থনৈতিকেই হওক, পৃথিৱীৰ সমস্যা সমূহ সমাধানৰ পন্থা বিচাৰিব তেতিয়ালৈকে পৃথিৱীত শান্তি স্থাপন হব নোৱাৰে। এই খিনিতেই

বৃহৎ শক্তিসমূহে ভুল কৰিছে। তেওঁলোকৰ বৈদেশিক নীতিত সামৰিক শক্তিৰ কথা আছে, কিন্তু আদৰ্শৰ অনুলিপি নাই।” বক্তাই ইয়াৰ উত্তৰত পোনপটীয়াকৈ প্ৰশ্ন কৰিছিল: “আপোনালোকে আমাক সন্দেহ কৰে কিয়? আমেৰিকাতো সাম্ৰাজ্যবাদী শক্তি নহয়।” ইয়াৰ উত্তৰত যেতিয়া কোৱা হৈছিল,—“ক’তা আমেৰিকাইতো কেতিয়াও ক’তো খোলাখুলি ভাবে সাম্ৰাজ্যবাদৰ নিন্দা কৰা আমি দেখা নাই। আফ্ৰিকা, দক্ষিণ-পূব এছিয়া ইত্যাদি ঠাইত সাম্ৰাজ্যবাদ এতিয়াও জীয়াই আছে। কথাষাৰ আপুনি নিশ্চয় জানে।” ইয়াৰ উত্তৰত বক্তাই মাথোন কৈছিল: “এইটো এটা অৱস্থাৰ বাধ্যবাধকতাৰ (exigency)-ৰ কথা।”

দিনটোৰে মুখৰ খজুতি মৰাৰ পিছত নিশা এঘৰত খাবলৈ নিমন্ত্ৰণ পাইছিলোঁ। সন্ধ্যাটো বেছ ৰং-ধেমালি, আমোদ-প্ৰমোদৰ মাজেদি অতিবাহিত হৈছিল। নানা বিষয়ে আলোচনাও বেছ জোৰেৰে চলিছিল। খাবলৈ নিমন্ত্ৰণ কৰোঁতাজনৰ নাম ডক্টৰ ব্ৰেঞ্চকোম্ব। মানুহজন আছিল আণবিক বৈজ্ঞানিক। তেওঁৰ পৰিবাৰ হৈছে ৰাজনীতিৰ ছাত্ৰী। নিশা হাড়-ছিঙা জাৰত বৈজ্ঞানিকৰ গাড়ীত উঠি তেওঁৰ ঘৰ পাইছিলো গৈ। চহৰৰ পৰা প্ৰায় বাৰ মাইল মান দূৰত মানুহজনৰ ঘৰ। আমি যেতিয়া গৈ পাওঁ ৰান্ধনী ঘৰত মহিলাগৰাকীয়ে কিবা ৰান্ধি আছিল। তেওঁলোকৰ এটা ডুবছৰীয়া ল’ৰা আছে। আমি ঘৰ সোমাই দেখিছোঁ সি মাকৰ পিছে পিছে বন কৰি ফুৰিছে। আমাক দেখা মাত্ৰকে সৰু সৰু দাঁত কেইটা উলিয়াই সি আমাৰ ফাললৈ চাই আছিছিল। মই তাক কোলাত

লব খুজিছিলোঁ। সি ল'ৰি পলাইছিল। মাকে কৈছিল: "তাক বাপেকক লাগে। দিনটোৰে দেখা নাই নহয়।" মই কৈছিলোঁ: "মোৰো ঠিক ইমান ডাঙৰ ল'ৰা এটা আছে।" জেপৰ পৰা ফটোখন উলিয়াই দুয়োকো দেখুৱাইছিলোঁ। নিজকে মোৰ সেই "কাবুলীৱালা"-টো যেন লাগিছিল। ফটোখন দেখি মহিলা গৰাকীয়ে কৈছিল: "আপুনি যেতিয়া ইয়াৰ পৰা উলটি যাব, সিয়ো তেতিয়া আপোনাৰ ওচৰলৈ এনেকৈ লৰি আহিব নহয়।" কথাত যোগ দি ময়ো কৈ পেলাইছিলোঁ: "আৰু তেতিয়া আপোনাৰ দৰেই তাৰ মাকেও হয়তো কব—তাক বাপেকক লাগে। সি আজি ইমান দিনে দেখা নাই নহয়।" লগে লগেই আমাৰ মাজত হাঁহিৰ ৰোল উঠিছিল। গোটেই ঘৰটো আমাৰ হাঁহিৰ খুন্দাত ঝন্ঝনাই উঠিছিল। বৈজ্ঞানিক ডক্টৰ ব্ৰেঞ্চকোম্বে বহুত খবৰ লৈছিল—ভাৰত চৰকাৰৰ নিউক্লিয়েৰ ফিজিক্সৰ গবেষণাৰ কথা, ইত্যাদি। লগতে ছি, ভি, ৰমণৰ কথাও সুধিছিল। ৰমণৰ লেবৰেটৰীটো চোৱাটো হেনো তেওঁৰ এটা "জীৱনৰ আকাঙ্ক্ষা"।······আমাৰ প্ৰদেশত নিউক্লিয়েৰ ফিজিছিষ্ট কোনোবা আছেনে বুলি সোধাত মই ডক্টৰ ভূঞাৰ নামটো কৈছিলোঁ।

ইয়াৰ পাছত বিজ্ঞান এৰি আমি ৰাজনীতিলৈ আহিছিলোঁ। আণবিক বৈজ্ঞানিক গৰাকীৰ বিশ্বাস,—আৰু খুব বেছি পঞ্চাশ বছৰৰ ভিতৰতেই পৃথিৱীৰ কেন্দ্ৰ-থলী ইউৰোপৰ পৰা এছিয়া অভিমুখী হব আৰু এই কেন্দ্ৰ-থলীৰ হৃৎপিণ্ড হব ইণ্ডিয়া। সেই বিষয়ে হেনো তেওঁৰ অকণো সন্দেহ নাই। মই মাজতে ধেমালি কৰি কৈছিলোঁ: "আণবিক বৈজ্ঞানিক বুলি জানিয়েই মই কল্পনা কৰিছিলোঁ এজন

ৰূপৰ চুলিৰ মানুহ (Landscape hair)। এতিয়া বাস্তৱত দেখিছোঁ মোৰ কল্পনা বৰ বেছি ভুল হোৱা নাই।" কথাষাৰ শুনি মিছেছ ব্রেঞ্চকোম্বে কাঁহী-বাটি ধুই থকা অৱস্থাৰ পৰাই মূৰটো তুলি যোগ দিছিল: "আপুনি আজি কিছু ভালেই দেখিছে। এওঁ কালিহে মাথোন চুলি কাটিছে।"……মানুহ হালৰ কথা-বতৰা, আচাৰ-ব্যৱহাৰৰ পৰা সংসাৰ খন বেছ মধুৰ যেন লাগিছিল। তাহানি ৰাট্রাণ্ড ৰাছেলৰ "ডি কংকোৱেষ্ট অৱ হেপিনেছ্" বোলা কিতাপত পঢ়িছিলোঁ: "শিল্পীলৈ হেনো ছোৱালী দিব নেপায়, অসুখী হয়। বৈজ্ঞানিকবোৰহে হেনো স্বামী হিছাপে আদৰ্শনীয়।" কথাষাৰৰ, অৱশ্যে দ্বিতীয় দফাটোৰহে, প্ৰমাণ ব্রেঞ্চকোম্ব পৰিয়ালত হাতে হাতে পাইছিলোঁ। আমি এনে দৰে কথা পাতি থাকোঁতেই কেচুৱাটো শুই পৰিছিল।……

অৱশেষত আমেৰিকাই নতুন চীনক কিয় স্বীকৃতি দিয়া নাই এই বিষয়ে কথাৰ পাতনি মেলিছিলোঁ। চীনক স্বীকৃতি দিবলৈ অস্বীকাৰ কৰা বাবে যে আন্তৰ্জ্জাতিক মহলত আমেৰিকাৰ অখ্যাতি বাঢ়িছে আৰু জগতে শত্ৰুও বাঢ়িছে সেই কথা অকণো অঁাৰ নোহোৱাকৈ কৈছিলোঁ। বৃটেইনে ততালিকে নতুন চীনক স্বীকৃতি প্ৰদান কৰি যে ৰাজনৈতিক বিচক্ষণতাৰ পৰিচয় দিছে সেই কথাষাৰো যোগ দিছিলোঁ। ইয়াৰ উত্তৰত বৈজ্ঞানিক গৰাকীয়ে এনে দৰে মন্তব্য কৰিছিল: "ঠিক কথা, মস্নো ভাবো নতুন চীনক স্বীকৃতি দিয়া উচিত আছিল। আজি নহলেও অনতিপলমে আমেৰিকাই নতুন চীনক স্বীকৃতি দিব লাগিব। বৃটেইনে ইমান সৰালৰিকৈ স্বীকৃতি দিয়াৰ, "ৰাজনৈতিক বিচক্ষণতা"-তকৈয়ো আন এটা তাৰ কাৰণ আছে।

সেইটো হৈছে হংকংত তেওঁলোকৰ বাণিজ্য স্বাৰ্থ থকাটো। স্বীকৃতি নিদিলে সেইবোৰ ক্ষুন্ন হোৱাৰ সম্ভাৱনা আছে। আমেৰিকাৰ তেনে কোনো পোনপটীয়া স্বাৰ্থ নাই। ইয়াৰ উপৰিও নতুন চীনক স্বীকৃতি নিদিয়াৰ আন আৰু এটা কাৰণ আছে। সেইটো হৈছে একেবাৰেই অনুভূতিমূলক। ইয়াৰ যুক্তৰাষ্ট্ৰৰ মানুহে, শ্বিয়াংকাই-শ্বেক আৰু তেওঁৰ সহধৰ্ম্মিণীৰ প্ৰতি এক নৈতিক দায়িত্ব আছে বুলি ভাবে। মেডাম শ্বিয়াংকাইশ্বেক ইয়াতে পঢ়াশুনা কৰা। এই খন দেশত তেওঁ বৰ জনপ্ৰিয়। গতিকেই ইয়াৰ চৰকাৰে তেওঁ-লোকক শলঠেকত পেলাব খোজা নাই।"

ইয়াৰ উত্তৰত মই পোনপটীয়াকৈ কৈছিলোঁ: "আপুনি নেভাবেনে যেতিয়া একোজন ব্যক্তিক ডাঙৰ কৰি লৈ একোটা জাতীয় নীতি নিৰ্দ্ধাৰণ কৰা হয় তেতিয়াই মাৰাত্মক ভুল কৰা হয়।" এই বিষয়ে বৈজ্ঞানিকৰ উত্তৰ আচৰিতভাবে স্পষ্ট: "ঠিক কথা। আৰু এই কাৰণেই যুক্তৰাষ্ট্ৰৰ নীতি বহুতখিনি ভুল হৈছে। এইটো অস্বীকাৰ কৰিলে মিছা কোৱা হব।......"

বৰ্ত্তমান বৰদিনৰ সময়। কেউপিনে উলহ মালহ। ৰং-ধেমালি উভৈনদী হৈ পৰিছে। আমি ক্ৰমাৎ বৰদিন উৎসৱ, খ্ৰীষ্টান ধৰ্ম্ম ইত্যাদি কথালৈ আঁতৰি আহিছিলোঁ। কথা প্ৰসঙ্গত খ্ৰীষ্টান জগতত মোৰ কেনেকৈ বৰদিন উৎসৱ উপভোগ কৰাৰ প্ৰতি এটা আগ্ৰহ আছিল, সেই আৰাৰ কথাও জানিবলৈ দিছিলোঁ। ইয়াৰ উত্তৰত মহিলা বৈজ্ঞানিকায়ে কৈছিল: "খ্ৰীষ্টান জগতত খ্ৰীষ্টমাছ একেবাৰেই অনা-খ্ৰীষ্টান হৈ পৰিছে। আমি ইয়াৰ নাম ব্যৱসায়ী খ্ৰীষ্টমাছ (Commercialised Christmas) দিছোঁ। প্ৰকৃত পক্ষে ব্যৱসায়ীৰ

বাবে স্বৰ্গৰাজ্য (Kingdom of Heaven) প্ৰতিষ্ঠা হৈছে।” তেওঁ আৰু কৈছিল: “খ্ৰীষ্টান ধৰ্ম্ম বৰ আত্মকেন্দ্ৰী। এই খিনিতেই মই টান পাওঁ। ইয়াত কোৱা হয়—যীশুৱেই একমাত্ৰ ত্ৰাণকৰ্ত্তা। সেইটো কেনেকৈ হয়?” ঠিক বৰদিনৰ আগে আগে —যেতিয়া গোটেই দেশ খনেই উৎসৱৰ পৰিকল্পনাত উদ্বাউল, খ্ৰীষ্টান মহিলা এগৰাকীৰ মুখত এনে এষাৰ কথা শুনি ভাল লাগিছিল, আচৰিতো হৈছিলোঁ। হিন্দু ধৰ্ম্মৰ বিষয়ে আলোচনাৰ অৱতাৰণা কৰি মই কৈছিলো: “হিন্দু ধৰ্ম্মত অৱশ্যে এনে কোনো আত্মকেন্দ্ৰী ভাবৰ প্ৰশ্ন নুঠে। ই দৰাচলতে এটা পদ্ধতি বিশেষহে। তথাপি প্ৰায়বোৰ ধৰ্ম্মৰ বিষয়েই এই আত্মকেন্দ্ৰিকতাৰ কথা প্ৰয়োগ কৰিব পাৰি এই কাৰণেই যে ধৰ্ম্মৰ প্ৰকৃতিয়েই হৈছে আত্ম-সাংগঠনিক (monolithic in structure)। একালত ইয়াৰ এটা সামাজিক প্ৰয়োজনীয়তা আছিল। জাতীয়তাবাদৰ অভ্যুদয়ৰ পূৰ্ব্বে ধৰ্ম্মই আছিল একমাত্ৰ সংযোজক-শক্তি। ইয়াৰ ঠাই বৰ্ত্তমান অৱশ্যে জাতীয়তাবাদে লৈছে।” লগতে ধেমালিৰ সুৰত কৈছিলোঁ: “আজি ক্ৰমাৎ জাতীয়তাবাদৰ ঠাই ৰাজনৈতিক মতবাদে গ্ৰহণ কৰিছে। কালিলৈ হয়তো ইয়াৰ ঠাই আণবিক শক্তিয়ে গ্ৰহণ কৰিব। ডক্টৰ ব্ৰেঞ্চকোম্বে এই বিষয়ে কি কয়?”......ইয়াৰ প্ৰত্যুত্তৰ তেওঁ তৎক্ষণাৎ দিছিল (ডাঙৰকৈ হাঁহি): “মই মোৰ সহধৰ্ম্মিনীৰ আৰু আপোনাৰ—উভয়ৰ লগতে একমত।” কথা শুনি আমি এটায়ে হাঁহিছিলোঁ। আমাৰ হাঁহিত কেচুৰাটো সাৰ পাই উঠিছিল।

ওঠৰ ডিচেম্বৰ তাৰিখে পুৱা আৰ্লিংটন্ বোলা ঠাই ডোথৰত

ষ্ট্ৰেটফোৰ্ড নামে হাইস্কুল এখন চাবলৈ গৈছিলোঁ। ইয়াৰ আগতে ৰেষ্টাৰ্ণ হাইস্কুল নামে আন এখন স্কুল চাইছিলোঁ। ইয়াৰ স্কুল বোৰৰ সংগঠন, সুযোগ সুবিধা যথোচিত ভাবে আকৰ্ষণীয়। সকলো খিনি বিশেষভাবে পৰিপাটী। এইবোৰত সহশিক্ষাৰ ব্যৱস্থা আছে। ল'ৰা-ছোৱালী একেলগে পঢ়ে। দুয়োখন স্কুলতে ল'ৰাতকৈ ছোৱালীৰ সংখ্যা সৰহ পাইছিলোঁ। উদাহৰণ স্বৰূপ দ্বিতীয়খন স্কুলত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৫২০। ইয়াৰে ভিতৰত ছাত্ৰীৰ সংখ্যা ৩০০। সেইদৰে শিক্ষকতকৈ শিক্ষয়িত্ৰীৰ সংখ্যা দুয়ো ঠাইতে সৰহ দেখিছিলোঁ। সাধাৰণতে অঙ্ক শিকাওঁতা সকল পুৰুষ। সাহিত্য শিকাওঁতা সকল মহিলা। স্কুলবোৰত ৰন্ধন-কাৰ্য্য, চিলাই-শিক্ষা, টাইপ শিক্ষাৰ উপৰিও কাঠৰ কাম, প্ৰেছৰ কাম ইত্যাদি শিক্ষাৰ সুবিধা আছে। ছাত্ৰ-ছাত্ৰীয়ে নিজৰ ৰুচি অনুযায়ী বিষয়-বস্তু বাছি লয়। বিদেশী ভাষাৰ ভিতৰত সাধাৰণতে স্পেনিছ, ফৰাছী আৰু জাৰ্ম্মান ভাষাৰ প্ৰাদুৰ্ভাব সৰহ দেখিছিলোঁ। প্ৰথমতে স্কুলৰ প্ৰিঞ্চিপেলৰ লগত স্কুল সম্বন্ধে দীঘলীয়া আলোচনা চলিছিল। তাৰ পাছত ওপৰ শ্ৰেণীৰ দুজনী ছাত্ৰী লগতলৈ স্কুলৰ ইটো সিটো চাবলৈ ওলাই গৈছিলোঁ। প্ৰত্যেকটো বস্তু তন্নতন্নকৈ চাওঁতে প্ৰায় দুঘণ্টাৰ অধিক সময় লাগিছিল। ছোৱালী দুজনীৰ এজনীৰ নাম আছিল লুছি স্পেঞ্চাৰ। তাই ইটো সিটো বস্তু দেখুৱাওঁতা। আন জনীৰ নাম নেঞ্চি। তাই সিহঁতৰ স্কুলৰ "ডি ছাইনপষ্ট" নামে ছপা কৰা বাতৰি-কাকত খনৰ সংবাদদাত্ৰী। ছপা আৰু সংগঠনৰ ফালৰ পৰা কাকত খন যেই কোনো প্ৰথম শ্ৰেণীৰ কাকতৰ লগত সমানে ফেৰ মাৰিব পৰা বিধৰ। সংবাদদাত্ৰী ছোৱালী জনীৰ প্ৰশ্নৰ অন্ত

নাই। এইটোৰ বিষয়ে আপোনাৰ মন্তব্য কি, সেইটোৰ বিষয়ে কি—লানি নিছিগাকৈ তাই সুধি গৈছিল আৰু কথাবোৰ বহী এখনত কাঠ-পেঞ্চিলেৰে টুকি লৈছিল।......এবাৰ তাই হঠাতে মোক প্ৰশ্ন কৰিছিল ঃ "আপোনালোকে কি ভাষা কয়?" মই উত্তৰ দিছিলোঁ ঃ "অসমীয়া।"...."এইটো আপোনালোকৰ জাতীয় ভাষা নেকি?" মই কৈছিলোঁ ঃ "নহয়। আমাৰ জাতীয় ভাষা হিন্দীহে। অসমীয়া আমাৰ প্ৰান্তৰ ভাষা।" কথা খিনি তাই সযত্নৰে টুকি লৈছিল; লগতে আবদাৰৰ সুৰত (ককালটো ভাঙি) কৈছিল ঃ "আপোনালোকৰ ভাষা দুটাৰ দুফাকি কথা মোক শিকাই দিয়কচোন।" হিন্দীৰ এফাকি কথা শিকাই দিলোঁ। লগতে তাৰ ইংৰাজী ভাঙনিও কৰি দিছিলোঁ। অসমীয়াৰ কবিতাকে এফাকি শিকাই দিলো। (লণ্ডনত এজন বন্ধুৱে কৈছিল ঃ "আপুনি ছুইজাৰলেণ্ডৰ ফালে ভ্ৰমণ কৰোঁতে যদি তাৰ কোনোবা ছোৱালীৰ মুখত আপোনাৰ ভায়েক নব বৰুৱাৰ "তুমি মোৰ জীৱনৰ নৃত্যৰ অবিৰাম ছন্দ" বোলা গানটো শুনে, আচৰিত নহব দেই।" কথাষাৰ মোৰ মনত আছিল।) কবিতা ফাকি আছিল : "পদুমৰ পাহি সৰে, বসন্ত লেৰেলি পৰে......"। ইংৰাজীত ইয়াৰ ভাঙনি কৰি দিছিলোঁ। তাই কথাখিনি লেখি লৈ সযত্নৰে আওৰাই আছিল। প্ৰথমতে খোকোজা লাগিছিল। অৱশেষত একেবাৰেই সহজ হৈ গৈছিল। (ছোৱালীয়ে ভাষা অতি সহজে, সোনকালে আয়ত্ত কৰিব পাৰে,—এইয়া হৈছে ভাষাতত্ত্ববিদ্ অট' জেছ্‌পাৰছনৰ অভিমত।) অৱশেষত তাই মোক সুধিছিল, সম্ভৱতঃ বাতৰি কাকতত দিয়াৰ উদ্দেশ্যেৰেই—"আপোনাৰ এটাইতকৈ ইয়াত কি

ভাল লাগিল ?" মই হাঁহি উত্তৰ দিলোঁ : "গাইড্ আৰু ৰিপোৰ্টাৰ —তোমালোক ছোৱালী দুজনী।" তাই এই খিনি কথাও টুকি লৈছিল। দুপৰীয়াৰ আহাৰ তাতে কৰিছিলোঁ। আহাৰৰ অন্তত যেতিয়া আহিবলৈ ওলাওঁ ল'ৰা-ছোৱালীহঁতে আগুৰি ধৰিছিল। সিহঁতৰ বহীত নামটো লেখি দিব লগা হৈছিল। নামটো চহী কৰি দিছিলোঁ। লগতে ব্ৰেকেটৰ ভিতৰত লেখিছিলোঁ : "অসম, ইণ্ডিয়া।" গাড়ীৰ পৰা ডাক আহিছিল। পলম হৈছে। যাব লাগে। ল'ৰা-ছোৱালীহঁতে সুধিছিল : "আকৌ আপুনি আমাৰ মাজলৈ কেতিয়াকৈ ঘূৰি আহিব ?" প্ৰশ্নটোৰ উত্তৰ মনতে জুকিয়াবলৈ নৌ পাওঁতেই গাড়ীৰ হৰ্ণ বাজি উঠিছিল। সিহঁতৰ পৰা নিজকে লৰা-লৰিকৈ আজুৰি আনি গাড়ীৰ ভিতৰত বহি পৰিছিলোঁ। ৰিপোৰ্টাৰ ছোৱালীজনী গাড়ীৰ ওচৰলৈ লৰি আহিছিল। গাড়ীত হাতখন বাখি তাই কৈছিল : "এক মিনিট্।...পদুমৰ পাহি সৰে, বসন্ত লেৰেলি পৰে...।" মই গাড়ীৰ ভিতৰৰ পৰাই চিঞৰি উত্তৰ দিছিলোঁ : "......মাৰ যায় তৰা।" (And the star fades.)

নিউয়র্ক

…… কাজিৰঙা ইয়াৰ পৰা কিমান দূৰ ?

নানা দেশ, উপ-দেশৰ পৰা আতুৰ হৈ আহি ন-কৈ পাম পতা পমুৱাৰ উদ্যম এই জাতিটোৰ গাত আছে। এওঁলোকৰ কামে-বনেও এই উদ্যমৰ সমুচিত প্ৰমাণ পাইছোঁ। জাতি হিছাপে আমেৰিকা তেনেই চালুকীয়া। ইয়াৰ জন্ম হৈছিল মাথোন তিনি শ বছৰৰ আগতে। যৌৱন হৃৰৰ মাথোন এশ সত্তৰ বছৰ হৈছে। ইয়াৰ লগত আমাৰ যেতিয়া প্ৰায় তিনি হেজাৰ বছৰীয়া পুৰণি জাতিটোৰ তুলনা কৰোঁ তেতিয়াই সকলো পাৰ্থক্য জ্বল্-জ্বল্ পট্-পটকৈ ওলাই পৰে।……

জাতি হিছাপে,—যিমান খিনি মোৰ চকুত ধৰা পৰিছে, আমেৰিকাৰ গাত ন-চহকীৰ সকলো খিনি লক্ষণ আছে। আমাৰ যেনেকৈ ন-চহকীৰ ন-কৈ হোৱা ধনেৰে লোৱা ঘৰৰ বস্তু-বাহানি, তিৰোতাৰ শোৱনী কোঠালৈকে দেখুৱাই, গৰ্ব্ব অনুভৱ কৰাটো এটা স্বভাৱসিদ্ধ কথা, এওঁলোকৰ তেনেকৈ জাতিৰ সা-সম্পত্তিবোৰ দেখুৱাই, লগতে কোনটোৱে কিমান ধন খাইছিল, কোনটো সাজোঁতে কিমান সময় লাগিছিল ইত্যাদি কথাবোৰ ভাটৌ চৰাইৰ দৰে টপৰাই কৈ যোৱাটো এটা সাধাৰণ স্বভাৱ। এই কামত নিযুক্ত মানুহ প্ৰায় এটাই বোৱেই ছোৱালী। ছোৱালীৰ ওঁঠ পাতল। নহয় জানো ?

লগতে ইয়াৰ ছোৱালী বোৰৰ ওঁঠ ৰঙাও। আচলতে ৰঙা নহয়। ৰঙ সানি ৰঙা কৰা। ৰেষ্টোঁৰা বা কাফেটেৰীয়া আদিত খাওঁতে দেখিব, আপোনাৰ টেবুলতে বহা মহিলা গৰাকীয়ে, খাই উঠিয়েই আন ইবোৰ সিবোৰ আৰু চোৱা নাই। ততালিকে সৰু এটা মহিলা-মোনাৰ পৰা ৰঙ উলিয়াই ওঁঠত সানিবলৈ লাগি গৈছে। কোনো কথা নাই,—তেওঁ ষোড়শীয়েই হওক বা আশী বছৰীয়া বুঢ়ী আইতাই হওক।······মই বহুত খিনি আঁতৰি আহিছোঁ। ইয়াৰ নাৰী জাতিৰ বিষয়ে এখন মহাভাৰত ৰচনা কৰিব পাৰি। কোনোবাই ৰত্নাকৰ বাল্মিকী হবলৈ ওলাইছে বুলি কয় বুলি ভয় লাগে। গতিকে মনৰ আশা মনতে মাৰ যাবলৈ এৰি দিছোঁ। লেখোঁতাই অৱশ্যে এই বিষয়ে গ্ৰন্থ ৰচনা নকৰাকৈ এৰা নাই। ৰচনা কৰিছে। এলফ্ৰেড্ ছি, কিঞ্চে নামৰ এজন জনাজাত লেখকে "ছেক্‌ছুৱেল্ বিহেভিয়াৰ অব্ ডি হিউম্যান্ ফিমেল্" নাম দি এখন ডাঙৰ কিতাপ লেখিছে। কিতাপখনে ফাগুণ মহীয়া বনপোৰা জুইৰ লেখীয়াকৈ মানুহৰ মন আকৰ্ষণ কৰিছে। তাহানি আমেৰিকাৰ যৌন-জীৱন সম্বন্ধীয় জাজ্ লিণ্ডছেৰ দুখন কিতাপ পঢ়া মনত আছে। এখনৰ নাম "ডি কম্‌পেনিয়নেট্ মেৰেজ্" আৰু আন খনৰ নাম, "ডি ৰিভল্ট অব্ মডাৰ্ণ ইউথ্"। বৰ্ত্তমান মনস্তাত্বিক আৰু বাস্তৱবাদী বিশ্লেষণৰ ফালৰ পৰা, এই কিতাপখনে জাজ্ লিণ্ডছেৰ দুয়োখন কিতাপকে শতেক যোজন পিছ পেলাই থৈ আহিছে। মহিলাৰ বিষয়ে এইখন এখন আচলতে সপ্তকাণ্ডী ৰামায়ণ।······

আকৌ ন-চহকীৰ কথালৈ উলটি আহিবলৈ মন গৈছে। ৱশ্বিংটন চহৰত থাকোঁতে এওঁলোকৰ "ন্যাছ'নেল্ গেলেৰী অব্ আৰ্ট" বোলা

শিল্প-কলাৰ যাদুঘৰলৈ গৈছিলোঁ। ইয়াৰ লগতে আৰু দুটা শিল্পাগাৰ আছে। এটাৰ নাম "ফ্ৰিয়াৰ আৰ্ট গেলেৰী"। আনটোৰ নাম "ডি স্মিথছনিয়ান্ আৰ্ট গেলেৰী"। দুয়োটা এগৰাকী দানশীল ব্যক্তিৰ ধনেৰে তৈয়াৰী। এই দুয়োখন ঠাইলৈকো গৈছিলোঁ। ইয়াতো সেই ন-চহকীৰ ধনৰ গৰ্ব্বটো চকুত খোজে পতি ধৰা পৰিছিল। ন্যাছ'নেল্ আৰ্ট গেলেৰীৰ বিষয়ে এনে দৰে লেখা আছে: "The National Gallery of Art Building is one of the largest marble structures in the world, 785 ft. in length and has more than 500,000 sq. feet of floor space, with about 238,000 sq. feet for exhibition purpose." এইয়া হৈছে কাকতত লেখি থোৱা কথা। মুখেৰে কওঁতে আৰু বহুত গুণে বেছিকৈ কোৱা হয়। কাণখন পাতল ধৰণৰ নাইবা ঠোৰতে কৰলৈ গলে শহাকণীয়া হলে, এনেবোৰ কথাই কাণৰ পৰ্দ্দাত বৰ বেয়াকৈ উজুটি খায়। এওঁলোকে বৰ্ণনা দিয়া বস্তুবোৰৰ ভিতৰত এতিয়ালৈকে এনে এটা বস্তু পোৱা নাই যিটো হয়তো পৃথিৱীৰ ভিতৰত "সৰ্ব্ববৃহৎ" (largest in the world) নাইবা "সৰ্ব্ববৃহৎ বস্তুবোৰৰে এটা" (one of the largest in the world) নোহোৱাকৈ আছে। এনে ধৰণৰ প্ৰচাৰধৰ্ম্মী কথাবোৰে সাধাৰণতে শহাকণীয়া মানুহৰ কাণ ঘোলা নকৰাকৈ নেথাকে। সিদিনা এটা মজাৰ ঘটনা ঘটিছিল। হোটেলৰ লাউঞ্জত এজনী ছোৱালীৰ লগত চিনাকি হৈছিল। (ইয়াত চকুৰ নিমিষতে ছোৱালীৰ লগত চিনাকি হব পাৰি, অতি সহজ।) আমাৰ ভিতৰত নানা কথাৰ আলোচনা চলিছিল। এবাৰ কথাৰ চলাতে তাই কৈ পেলাইছিল: "Don't you think

the American girls are the finest in the world?" অর্থাৎ আপুনি নেভাবেনে আমেৰিকাৰ ছোৱালীবোৰ পৃথিৱীৰ ভিতৰত সৰ্ব্বোৎকৃষ্ট? এতিয়া ক'ত মৰো গৈ। ইমান দিনে যি আষাৰ কথা শুনোঁতে শুনোঁতে তিতা-কেঁহা লাগিছেহি, আকৌ সেই একেষাৰ কথাই আহি কাণ বিন্ধি থকাসৰকা কৰিছেহি। ইমান দিনে 'finest' (এই শব্দটোৰ প্ৰতিশব্দ সৰ্ব্বোৎকৃষ্ট হয় নে নহয় মই কব নোৱাৰোঁ) এই অতিৰঞ্জিত কথাষাৰ শিল, বিলাতী মাটি, লো, তীখা ইত্যাদিৰ দ্বাৰা নিৰ্ম্মিত জড় পদাৰ্থৰ গাতহে আবদ্ধ আছিল। এতিয়া দেখিছোঁ তেজ-মঙহৰ মানুহৰ গাতো ই প্ৰয়োগ হৈছে। এই 'fine' শব্দটো এওঁলোকে ক'ত কেতিয়া কেনেকৈ ব্যৱহাৰ কৰে কোৱা টান। মই ভাবি বিবুদ্ধি হৈছো। "আমেৰিকান্ ইংলিছ্" বুলি এটা সুন্দৰ প্ৰবন্ধ লেখিব পাৰি। তাহানি এ, ডি, মণিয়ে এই শিৰোনামাৰে "হিন্দুস্থান ষ্টেণ্ডাৰ্ড"ত এটা প্ৰবন্ধ লেখিছিল। প্ৰবন্ধটো পঢ়া মোৰ মনত আছে। (কেইবা গৰাকীও বিশ্ব-বিদ্যালয়ৰ অধ্যাপকৰ লগত ইতিমধ্যে এই বিষয়ে আলোচনা কৰিছোঁ। ইংৰাজী ভাষাতত্ত্বৰ জ্ঞানে বিশেষ ভাবে সহায় কৰিছে।)

আকৌ ছোৱালীজনীৰ সেই 'finest' বোলা কথাষাৰলৈ ঘূৰি আহিবৰ মন গৈছে। সেই ছোৱালীজনী,—তাইক মই প্ৰায় পাহৰিয়েই গৈছিলোঁ। 'Finest' বোলা সেই কথাষাৰৰ মই ঘপৰাই উত্তৰ দিছিলোঁ, অৱশ্যে ধেমালিৰ সুৰত। ইংলণ্ড অভিযানৰ পৰিকল্পনা হাতত লৈ তাহানি নেপ'লিয়নে তেওঁৰ সৈন্য সামন্ত সকলক এই বুলি সতৰ্ক বাণী শুনাইছিল: "Beware of English girls; they are the most beautiful in the world"। অৰ্থাৎ

ইংলণ্ডৰ ছোৱালী বোৰৰ বিষয়ে সতৰ্ক হবা ; সিহঁত পৃথিৱীৰ ভিতৰত এটাইতকৈ ধুনীয়া। এই আষাৰ কথালৈ আঙুলিয়াই দি মই কৈছিলোঁ : "নেপ'লিয়নৰ এইষাৰ কথাৰ প্ৰমাণ ইংলণ্ডত নোচোৱাকৈ আপোনাৰ কথাখিনি মানি লবলৈ মই টান পাইছোঁ। গতিকেই সময় বিচাৰিছোঁ।" ইমানতে আমাৰ কথাৰ অন্ত পৰিছিল। (এওঁলোকে দেখিছোঁ আলোচনাবোৰত প্ৰায়েই বেচ ধুনীয়া ধুনীয়া ইংৰাজী ব্যৱহাৰ কৰে—একেবাৰেই কিতাপৰ ইংৰাজী।)······

ন্যাছ'নেল্ আৰ্ট গেলেৰী, ফ্ৰিয়াৰ্ শিল্পাগাৰ ইত্যাদিত কি দেখিছিলোঁ এই বিষয়ে দুআষাৰ লেখাটো উচিত হব। দ্বিতীয় খন শিল্পাগাৰত চীন দেশীয় ভাস্কৰ্য্য আৰু শিল্প সংগ্ৰহে সহজতে মানুহৰ দৃষ্টি আকৰ্ষণ নকৰাকৈ নেথাকে। এইবোৰত ইটালীয়ান্, ফৰাছী, স্পেনিছ, জাৰ্ম্মান আদি শিল্প-সংগ্ৰহো উভৈনদী হৈ আছে। ৰং আৰু ইঙ্গিতৰ সমাবেশৰ পিনৰ পৰা জাপানী ছবিবোৰ বিশেষ-ভাবে চিত্তাকৰ্ষক। এইবোৰ নিৰীক্ষণ কৰি মোৰ এনে ধাৰণা উপজিছিল। ভাৰতীয় ছবি আৰু ভাস্কৰ্য্যৰ প্ৰদৰ্শন তেনেই আঙুলি মূৰত লেখিব পাৰি। চিত্ৰসমূহৰ ভিতৰত পাহাৰী আৰু কংগ্ৰা আৰ্টৰ কিছু প্ৰতিনিধিমূলক নিদৰ্শন চকুত পৰিছিল। মোগল যুগৰ কেইখন মান ছবি আৰু কাঠৰ বন কৰা এযোৰ দুৱাৰ চকুত পৰিছিল। চীন দেশীয় কাংছি (১৬৬২-১৭৭২), আৰু ছাও যুগৰ (খ্ৰীঃ পূঃ ১০০০ বছৰ) লানি লগাই সজাই থোৱা নানাবুলীয়া বনকৰা সৰু-বৰ পাত্ৰসমূহে যাদুঘৰৰ নিজম কোঠাবোৰত ইন্দ্ৰজাল আঁকিছে বুলিলে সৰহ কব নেলাগে। লগতে ১৩৬০-ৰ সময়ৰ আৰবত তৈয়াৰী এটা "আয়নাৰ পাত্ৰ"ও চকুত পৰিছিল।······

প্ৰাচ্যৰ ভাস্কৰ্য্যৰ ওপৰত বৌদ্ধ-সংস্কৃতিৰ প্ৰভাব কেনে প্ৰখৰ ভাবে পৰিছিল, সেই বিষয়ে সুকীয়া আলোচনাৰ সকাম নাই। সভ্যতা-সংস্কৃতিৰ পম খেদোঁতা প্ৰত্যেকেই ইয়াৰ ভু ৰাখিছে। আমাৰ বৈদিক যুগ দৰ্শনতত্ত্বৰ ফালৰ পৰা সমৃদ্ধিশালী যদিও বৌদ্ধ যুগেই যে সমূহীয়া দৃষ্টিকোণৰ পিনৰ পৰা সকলো বিষয়ে সৰ্ব্বতোভাবে সমৃদ্ধিশালী এই বিষয়ে সন্দেহ নাই। তৰহে তৰহে ভাস্কৰ্য্যৰ ক্ষেত্ৰত এই প্ৰভাব কেনেদৰে ৰূপায়িত হৈছিল তাৰ প্ৰমাণ এই যাদুঘৰত ৰক্ষিত বুদ্ধ মূৰ্ত্তি সমূহ নেদেখালৈকে অনুমান কৰিব পৰা নাছিলোঁ। ইয়াত দেখা মূৰ্ত্তিবোৰ সৰহ ভাগেই চীন দেশীয়। আমাৰ "কামৰূপ অনুসন্ধান সমিতি"ৰ যাদুঘৰত যিটো এটা ইতকৈ চকুত লগা বুদ্ধ মূৰ্ত্তি আছে সেইটো জানো ব্ৰহ্ম দেশীয় নহয়নে? অৱশ্যে এইটোৰ উদ্ধাৰ হৈছিল উজনি অসমতহে। আক্ৰমণকাৰী মান সেনা অসম এৰি উলটি যাওঁতে সম্ভৱতঃ এৰি থৈ যোৱা বুদ্ধ মূৰ্ত্তি।......ইয়াৰ যাদুঘৰত যিখন দেশত বৌদ্ধ ধৰ্ম্মৰ জন্ম হৈছিল, সেইখন দেশৰ এখনৰ বাহিৰে দ্বিতীয় খন বুদ্ধ মূৰ্ত্তি নাই। আনহাতে চীন আদি আন দেশৰ বুদ্ধ-মূৰ্ত্তি চাই চকুৰ বিষ মুঠাকৈ নেথাকে। ভাৰতৰ প্ৰতিনিধি হিছাপে যি এখন বুদ্ধ মূৰ্ত্তি আছে, সেইখন অৱশ্যে জাকত জিলিকা। এইখন হৈছে এলানি মূৰ্ত্তি; বুদ্ধৰ জীৱনৰ মূল স্তৰ কেইটা ইয়াত বিভিন্ন ভঙ্গীৰে ৰূপায়িত কৰা হৈছে: "জন্ম", "জ্যোতি-লাভ" "প্ৰথম প্ৰবেশ", "মৃত্যু"। এই মূৰ্ত্তিবোৰ এবিধ কাউৰীকলীয়া চকচকীয়া শিলত খোদিত কৰা হৈছে। এনে শিলৰ নমুনা তেজপুৰৰ বামুণী পাহাৰৰ ভগ্নস্তূপৰ মাজত দেখা মনত আছে। সম্ভৱতঃ ই "গ্ৰেনাইট্" বা গ্ৰেনাইট্ জাতীয় এবিধ শিল। এনে জটিল বিষয়ে

সঠিককৈ কোৱা আমাৰ পক্ষে টান। বস্তুটো দেখি মনলৈ ভাব আহিছিল—"আজি যদি লগত বিৰিঞ্চি বৰুৱা বা প্ৰেম চৌধুৰী থাকিলহেঁতেন, মই এনে দৰে ভাবি মূৰ ঘমাব নেলাগিলহেঁতেন।" ইয়াৰ বাহিৰেও ভাৰতীয় ভাস্কৰ্য্যৰ নিদৰ্শন আৰু এটা বস্তুত আছে। সেইটো হওঁতে বৌদ্ধ মূৰ্ত্তি নহয়। ই হৈছে "ত্ৰি-বিক্ৰমৰ মূৰ্ত্তি"। মূৰ্ত্তিৰ তলত লেখা আছে : "One of the twenty-four images of Vishnu (11th-12th century)". ইয়াৰ যাদুঘৰৰ বস্তু আৰু এইবোৰৰ সংৰক্ষণ আৰু প্ৰদৰ্শন পদ্ধতিৰ বৈজ্ঞানিক প্ৰণালী মন কৰিব লগীয়া।·· ···

আৰ্ট গেলেৰীৰ ভাৰতীয় প্ৰতিনিধিমূলক বস্তুসমূহ আঙুলি মূৰত লেখিব পাৰি। অসমৰতো নাম গোন্ধেই নাই। কিন্তু ইয়াৰ যিটো "ন্যাছ'নেল্ জুলজিকেল্ পাৰ্ক" অৰ্থাৎ জাতীয় চিৰিয়াখানা, তাত হলে ভাৰত আৰু অসম, উভয়ৰে লেখত লব লগীয়া চিন আছে। ইয়াত আমাৰ হাঁতী দুটা আছে। এটাৰ নাম অশোক। আন জনীৰ নাম শান্তি। সিহঁত দুয়োটাকে লোৰ গৰালত বন্দী অৱস্থাত দেখি,—নিজৰ জন্মভূমিৰ পৰা ইমান দূৰৈত, মনটো মোৰ বেয়া লাগিছিল। যি অশোক নামে ভাৰতৰ মুক্ত আকাশত শিহৰণ তোলে, সেই একেটা নামৰে হাঁতী পোৱালীটো আজি বিদেশীৰ গৰালত বন্দী, আৰু বেচেৰী শান্তি জনী—তায়ো অশোকৰ লগতে একেটা লোৰ গৰালতে আমেৰিকাৰ ঘেঁহু চোবাইছেহি। তেতিয়া প্ৰায় সাজ লাগি আহিছিল। বাহিৰৰ আকাশখন নিৰ্ম্মল, নিকা। "শান্তি"ৰ দৰেই নিৰ্জ্জু। শান্তিলৈ মোৰ বৰ মৰম লাগিছিল।······

আৰু আমাৰ সেই গড় কেইটা ? সিহঁতৰ কি যে গাম্ভীৰ্য্য, কি

যে উদাসীনতা! লগতে কি যে বে-পৰোৱা ভাব! কিমান যে মানুহ আহিছে গৈছে। সিহঁতক তথা লাগি চাইছে। তথাপি সিহঁতৰ অকণো সাৰ-সিকতি নাই। অকণো সঁহাৰি নাই। আমি দুজন অসমীয়া আছিলোঁ। কনক মহন্ত আৰু মই। আনকি আমাৰ ফাললৈকো সিহঁতে এবাৰো নেচালে। সিহঁতৰ আমি ছবি লৈছিলোঁ। সিহঁতে যেন আমাৰ লেৰেলা সাদৰ ভাল পোৱা নাছিল। মনলৈ মোৰ কবিতা আহিছিল। কবিতাৰ আন এটা নাম শ্লোক। শোকৰ লগত শ্লোকৰ হেনো নিবিড় সম্বন্ধ। গড় দুটাৰ কথা ভাবি মনটো মোৰ সেমেকি পৰিছিল:

"সিহঁতৰ চকুৰ পতাত হয়তো
কাজিৰঙাৰ কজলা সপোন,
কাজিৰঙা হাঁয় কিমান দূৰ?"

ইয়াৰ লগতে নিউয়ৰ্ক চহৰৰ ৰকফেলাৰ্ ছেন্টাৰ্, এম্পায়াৰ ষ্টেট বিল্ডিং, ইউ, এন, অ' বিল্ডিং—এইবোৰ চাব লগীয়া বস্তুও চাইছিলোঁ। এইবোৰৰ বিষয়ে জানিব লগীয়া সকলো খবৰ অৱশ্যে আমাৰ যেই কোনো "সাধাৰণ জ্ঞান"ৰ পুথি নাইবা "য়েৰ্ বুকে" যোগাব। গতিকেই এইবোৰৰ বিষয়ে আন বিশেষ লেখিব লগীয়া একো নাই।

এইবোৰ এৰিও নিউয়ৰ্ক চহৰত আৰু এটা ভাল বস্তু—যিটো চাবলৈ আজি ভালেমান দিনৰে পৰা এটা সবল আগ্ৰহ উপজিছিল, সেইটো দেখিবলৈ পাইছিলোঁ। বস্তুটো হৈছে থ্ৰি ডাইমেন্‌শ্যনেল্ ফিল্ম। এই বিষয়ে আমাৰ "ইলাষ্ট্ৰেটেড্ উইক্‌লী"ত এটা ভাল প্ৰবন্ধ পঢ়া মনত আছে। এই প্ৰবন্ধটোৱে এই বিষয়ে সবিশেষ

জানিবলৈ মনৰ আগ্ৰহ যথেষ্ট তেজী আৰু বেগী কৰি তুলিছিল। ই ফিল্ম-শিল্পৰ চৰম উৎকৰ্ষৰ এক নিকা নিদৰ্শন। বিজ্ঞানৰ অভিনৱ প্ৰয়োগ। আনবোৰ সৰ্ব্বসাধাৰণ ছবিৰ দৰে, "ত্ৰি-ডি" ছবিত, অভিনেতা, অভিনেত্ৰী আৰু আন বস্তু-সম্ভাৰবোৰ নিৰ্জ্জীৱ ছবি যেন অনুমান নহয়। এইবোৰক প্ৰকৃততে বাস্তৱ বস্তু-সম্ভাৰ যেন লাগে। আচলতে পদাৰ্থৰ যি তিনিটা প্ৰয়োজনীয় গুণ—দৈৰ্ঘ্য, প্ৰস্থ আৰু গভীৰত্ব, এই এটাই কেউটা এনেবোৰ ছবিৰ জৰিয়তে জ্বল্-জ্বল্ পট্-পট্‌কৈ ওলাই পৰে। গতিকেই বাস্তৱতাৰ পৰশ পাই নিৰ্জ্জীৱ ছবি সজীৱ হৈ উঠে। প্ৰথমতে এনেবোৰ ছবি চাবলৈ বিশেষভাবে প্ৰস্তুত এবিধ চচ্‌মাৰ প্ৰয়োজন হৈছিল। এনে ধৰণৰ চকু দৰ্শকক ছবি-ঘৰৰ গৰাকীয়ে যোগায়। বৰ্ত্তমান এনে উপকৰা সহায়ৰ আৱশ্যক নোহোৱা-কৈয়ে নগ্ন চকুৰে "থ্ৰি-ডি" ছবি চাব পৰা হৈছে। আমি পোনতে "থ্ৰি-ডি" ছবি চাবৰ দিনা দুটা ছিনেমা ঘৰত ওচৰা-ওচৰিকৈ দুখন এনে ধৰণৰ ছবি হৈছিল। এখনত ৰিটা হে'ৱৰ্থ আছিল। তাত চচ্‌মা লাগিছিল। আন এখনত ইয়াৰে খ্যাতনামা আন এগৰাকী চিত্ৰাভিনেত্ৰী মাৰ্‌লীন্ মন্‌ৰো আছিল। ইয়াত চচ্‌মা নেলাগিছিল। এনেবোৰ "থ্ৰি-ডি" ছবিক "ছিনেমা-স্কোপ্" বোলা হয়। সাধাৰণতে বৰ বৰ আখৰেৰে ছবি-ঘৰৰ সমুখত এনে দৰে লেখা থাকে: "You can see without glasses," অৰ্থাত আপুনি চচ্‌মা নোহোৱাকৈয়ে চাব পাৰে। ইত্যাদি।

এটা জাতি বুজিবলৈ হলে যি দৰে চকু মেলি ইটো-সিটো সকলো বস্তু—যিমান দূৰ অৱশ্যে সম্ভৱ, চাব লাগে, সেই দৰে মাজনিশা তেল পুৰি হলেও জাতিটোৰ সম্বন্ধে দুই চাৰি খন কিতাপো লগে লগে

পঢ়িব লাগে। তেহে অভিজ্ঞতা পূৰ্ণ হয়। নহলে অভিজ্ঞতা আধাকেচঁলুৱা হোৱাৰ সম্ভাৱনা। ……কিতাপ বোলোতে অকস্মাৎ এটা কথা চাৎ কৰে মনলৈ আহিছে। ইয়াৰ মানুহে কিতাপ পঢ়ে নে? ইয়াত কিতাপৰ দোকান আছে নে? নিউয়ৰ্ক চহৰত কেইবাখনো কিতাপৰ দোকান পাইছোঁ। সেইবোৰলৈ গৈছোঁ। এইবোৰত মানুহৰ বেচ সমাগম হোৱা দেখিছোঁ। কিতাপ কিনাও দেখিছোঁ। সাধাৰণতে সৰু সৰু জেপ-কিতাপ (pocket book)-ৰ সংখ্যা সৰহ। এইবোৰৰ প্ৰচলনো সৰহ। সেই বুলি ডাঙৰ ডাঙৰ কিতাপৰ যে প্ৰচলন নাই এনে নহয়। ডাঙৰ ডাঙৰ কিতাপো দেখিছোঁ। গতিকেই কৰ্ম্মব্যস্ত মানুহে যে একেবাৰেই কিতাপ নপঢ়ে এই তথ্য ফাকিত বিশেষ সত্যতা নাই যেন লাগিছে। অৱশ্যে টেলিভিচনৰ বহল প্ৰচলনে কিতাপৰ প্ৰতি আহ্বান নজনোৱাকৈ থকা নাই। আহ্বান জনাইছে যদিও ই বিশেষ শক্তিশালী নহয়। প্ৰায়বোৰ কিতাপৰ দোকানতে একে কিছুমান কিতাপৰ প্ৰচলন চকুত পৰিছে। বৰ্ত্তমান ইয়াত বৰকৈ প্ৰচলন হোৱা কিতাপ সমূহৰ ভিতৰত হৈছে উইনষ্টন্ চাৰ্‌ছিলৰ "ডি ট্ৰাইম্ফ অৱ ট্ৰেজেডি।" এই কিতাপখন হৈছে তেওঁৰ পূৰ্ব্ব-প্ৰকাশিত যুদ্ধ বৰ্ণনাৰ পৰিপূৰক। কিতাপখনত দ্বিতীয় মহাসমৰৰ সম্যক আলোচনা প্ৰকাশ পাইছে। ইয়াৰ উপৰিও ফুল্টন্ ছিনৰ 'লাইফ্ ওৱাৰ্থ লিভিং," আন্দ্ৰে ম'ৰাৰ "লেইলা", লেংটন হুছেদৰ "ডি পয়েট্ৰি অব্ ডি নিগ্ৰো" আদি বিশেষভাৱে উল্লেখযোগ্য। শেষৰ কিতাপখন বিশেষভাৱে চিত্তাকৰ্ষক। ভেটি উচ্ছন্ন হোৱা, পমুৱা জাতি এটাৰ সকলো খিনি অন্তৰ বেদনা কবিতাৰ এই সংকলন খনত থুপ খাই আছে। বেচ

কাৰুণ্যপূৰ্ণ অথচ বলিষ্ঠ। ইয়াৰ উপৰিও আৰ্ট সম্বন্ধে ইয়াত অলেখ কিতাপ পাইছোঁ। পিকাছোঁ, ভেনগ’গ, মেট্‌ছি, ছিজেন্ আদিৰ সম্বন্ধে ভালেমান কিতাপ ইয়াত দেখিবলৈ পাইছোঁ। ইয়াৰ উপৰিও “একৃজিছ্‌টেন্‌ছিয়েলিজম্,” “ইম্‌প্রেছনিজিম্” ইত্যাদি আৰ্টৰ তথ্য সম্বন্ধীয় কিতাপো যথেষ্ট পাইছোঁ। আমেৰিকাত বস্তুৰ দাম অতিপাত মহঙা। সেই দৰে কিতাপৰ দামো জুই ছাই। সেই বুলি ইতিমধ্যে দুই চাৰি খন কিতাপ নিকিনাকৈ থকা নাই। কিনিছোঁ।

DISTRICT LIBRARY
GAUHATI

নিউয়র্ক

……তোৰ মাত শুনি লাজুকী বোৱাৰী……

নতুন বছৰৰ বেলিটোৱে মাথোন এক মুহূর্ত্তৰ কাৰণে ৰ'দ একাঞ্জলি লৈ মোৰ খিড়িকীৰ আইনাইদি বাতৰি দি গল: "আজি পহিলা জানুৱাৰী, ১৯৫৪ চন।" ঘৰৰ পৰা হেজাৰ হেজাৰ মাইল দূৰৈত এটা বছৰ বিদায় দিছোঁ। নতুন এটা বছৰে আহি জাননী দিছেহি। দিনবোৰ বৈ নেথাকে। গছৰ শুকান পাতৰ দৰে এখিলা এখিলাকৈ এইবোৰ সৰি পৰে। ক্রমাৎ অতীতৰ গর্ভত এইবোৰ নোহোৱা হয়। কোনো চিন-চাব আৰু নেথাকে। জহি যোৱা বছৰৰ মৃতাত্মাবোৰ জীয়াই থাকে মাথোন আমাৰ স্মৃতিৰ আন্ধাৰ কোঁঠালিত।……এইবোৰ ছেন্টিমেণ্টৰ কথা। মার্ক্সীয় দর্শনবাদীয়ে কয়,—জীৱনত ছেন্টিমেণ্টৰ কোনো ঠাই নাই। সঁচা মাথোন চকুৰ আগৰ ৰূঢ় বাস্তৱ। ময়ো কওঁ ছেন্টিমেণ্টৰ কোনো প্রয়োজন নাই। জীৱন বাস্তৱ। ই নিশাৰ সপোন নহয়।

এইখন দেশত ৰূঢ় বাস্তৱ চকুৰ আগত মুকলি হোৱা দেখিছোঁ, যাক বুলিব পাৰি একেবাৰে উলঙ্গ বাস্তৱ।…ইয়াত দেখিছো নতুন বর্ণ বিভাগ,—যি বর্ণ বিভাগ আমাৰ দেশত নাই। একালত আছিল যদিও বর্ত্তমান কালৰ খৰ সোঁতত ই প্রায় উটি গৈছে। আনহাতে ইয়াত দেখিছোঁ, ই বেচ টনকীয়াল হৈয়ে আছে। ইয়াৰ বাদো সেই অনুপাতে বেচ কটকটীয়া। ঠৌৰতে কৰলৈ গলে ইয়াত শ্বেতাঙ্গ

সমাজক ধৰ্ম্মৰ ভেটিত দুটা সাধাৰণ ভাগত ভগাব পাৰি। এটা খ্ৰীষ্টিয়ান আৰু আনটো ইহুদী। (ইহুদীক Jew বোলাটো দোষণীয়। Jewish বুলিব লাগে।) ইহুদী সকলৰ প্ৰতি খ্ৰীষ্টান সমাজৰ এটা বদ্ধপৰিকৰ বিদ্বেষ আৰু অৱজ্ঞাৰ ভাৱ আছে। তাতে ইহুদীসকল ইয়াত সংখ্যালঘু সম্প্ৰদায়ৰ মানুহ। এইয়া হল ধৰ্ম্মভাৱক কেন্দ্ৰ কৰি গঢ়ি উঠা বৰ্ণ বিভাগ। ইয়াৰ উপৰিও আৰু এটা বৰ্ণ বিভাগ আছে। সেইটো হৈছে প্ৰভু দাস সম্বন্ধ আৰু গাৰ বৰণ ইত্যাদিক কেন্দ্ৰ কৰি গঢ়ি উঠা। ইয়াক দুটা ভাগত এনে দৰে ভগাব পাৰি : (১) শ্বেতাঙ্গ আৰু (২) কৃষ্ণাঙ্গ। শ্বেতাঙ্গ সকলে আজি প্ৰায় তিনিশ বছৰৰ পূৰ্ব্বে ইউৰোপৰ নানা ঠাইৰ পৰা উঠি আহি ইয়াত পাম পাতিছিলহি। তেওঁলোকে খেতি কৰি জীৱন নিৰ্ব্বাহ কৰিছিল। বিশেষকৈ কপাহৰ খেতি। সেই খেতিৰ পথাৰবোৰত কাম কৰিবলৈ বেপাৰী সকলে আফ্ৰিকাৰ পৰা শই শই নিগ্ৰো আনি ইয়াৰ বজাৰত বেচিছিলহি। ইয়াকে কেন্দ্ৰ কৰি এখন বুৰঞ্জীবিখ্যাত ৰণো লাগিছিল। এই আত্মকলহৰ চৰম পৰিণতি হৈছে হত্যাকাৰীৰ গুলীত আব্ৰাহাম লিন্‌ক'লনৰ মৃত্যু। তেৱেঁই চিৰস্মৰণীয় এইষাৰ কথা কৈছিল : "No people or nation can stand half-free and half-slave" (এইষাৰ কথা মই মিছেছ্ ট্যানেন্‌বোমক কৈছিলোঁ। তাৰ উত্তৰত তেওঁ কৈছিল : "এই কাৰণেই মই আব্ৰাহাম্ লিন্‌ক'লনক বেয়া পাওঁ। তেওঁ বৰ বেছি ভাল ভাল কথাবোৰ কৈছিল।")

এইজনা মহাপুৰুষে এনে এটা আদৰ্শৰ হকে প্ৰাণ আহুতি দিছিল যদিও, সেই বিহগুটিৰ জইন আজিও মৰা নাই। এইয়া হল ৰক্তস্ৰোতক কেন্দ্ৰ কৰি সৃষ্টি হোৱা বৰ্ণ বিভাগ। বৰ্ণ বিভাগৰ দফা এইখিনিতে

শেষ হোৱা নাই। আৰু এটা বিভাগ আছে। সেইটো হৈছে ধনী, দুখীয়া—এই দুটা বহল সমষ্টিক কেন্দ্ৰ কৰি সৃষ্টি হোৱা বৰ্ণ বিভাগ। এইটো অৱশ্যে সঁচা, ইয়াৰ বনুৱাৰ দৈনিক আয় আমাৰ দেশৰ বনুৱাতকৈ বহুত বেছি। ইয়াত এজন সাধাৰণ বনুৱাই আমাৰ দেশৰ ধনৰ লেখেৰে দৈনিক চল্লিশ পঞ্চাশ টকা আৰ্জ্জে। সেই অনুপাতে ইয়াত খৰছো হয় অতিপাত। বস্তুৰ দাম ইয়াত অতিপাত মহঙা। গতিকেই বনুৱাই সৰহকৈ অৰ্জ্জাৰ কোনো অৰ্থ নাই। এইখিনিতে এটা প্ৰশ্ন উঠে। ইয়াত দুখীয়া মানুহ, মগনীয়া মানুহ ইত্যাদি আছেনে? ৰুছিয়া, নতুন চীন ইত্যাদি ঠাই ভ্ৰমণ কৰি আহি আমাৰ তাত মানুহে বক্তৃতা দিয়া শুনিছোঁ—এইবোৰ দেশত হেনো মগনীয়া মানুহ নাই। কেৱল মাথোন গান্ধী-অৰ্থনীতিবিদ ডাঃ কুমাৰাপ্পাইহে ৰুছিয়াত দুজন লগ পাই অহাৰ কথা কৈছিল। ব্ৰজকিশোৰ শাস্ত্ৰীয়েও নতুন চীনত মগনিয়াৰ লগ পোৱা কথা কৈছে। আন কোনেও এনে কথা আৰু কোৱা নাই। আমেৰিকা প্ৰত্যাৱৰ্ত্তনকাৰী আমাৰ দেশৰ আন কোনোবাই ইয়াত মগনীয়া মানুহ লগ পাইছিল নে নাই কব নোৱাৰোঁ,—মই হলে এতিয়ালৈকে কেইবাজনো মগনীয়া মানুহ লগ পাইছোঁ। অৱশ্যে আমাৰ দেশৰ লেখীয়াকৈ নহয়। সংখ্যা তাকৰ নহব কিয়? আমাৰ দেশত প্ৰতি বৰ্গমাইলে জনসংখ্যাৰ হেঁচা ৩১২। ইয়াত বৰ্গমাইল অনুসৰি জনসংখ্যাৰ হেঁচা মাথোন ৫৫ জন। ৰুছিয়াত ২০ জন। নতুন চীনত ১২৩ জন। অষ্ট্ৰেলিয়াত কেৱল ৬ জন। গতিকে অৰ্থনীতিৰ কথা কওঁতে এইবোৰ কথাও চিন্তা কৰি চাবলগীয়া। আমাৰ দেশত, সমস্যা সমিধানৰ পৰিকল্পে—এইবোৰ কথালৈ চাই, জন্ম-নিয়ন্ত্ৰণৰ বৈজ্ঞানিক

ব্যৱস্থা বৰ প্ৰয়োজন হৈ পৰিছে। এনে ব্যৱস্থাৰ দায়িত্ব ৰাষ্ট্ৰই গ্ৰহণ কৰা উচিত। এই বিষয়ে ৰাট্ৰাণ্ড ৰাছেলে তেওঁৰ "ডি ইম্‌পেক্ট অব্ ছায়েঞ্চ অন্ ছ'ছাইটি" বোলা কিতাপত সবিশেষ বৰ্ণনা দিছে।

আচল কথাৰ পৰা আকৌ আঁতৰি আহিছোঁ। আচল কথা হৈছে ইয়াত মগনীয়া মানুহ লগ পাইছোঁনে? পাইছোঁ যদি ক'ত পালো? কেনেকৈ পালো, ইত্যাদি নহয় জানো? ৱশ্বিংটন চহৰ ইয়াৰ ৰাজধানী। সেই ঠাইত ভিক্ষা খুজি এনেদৰে হাত পতা মানুহ লগ পাইছোঁ: "মই কালিৰে পৰা খোৱা নাই। মোক খাবলৈ অলপ সহায় কৰিবনে?" হাড় ছিডি নিয়া জাৰত কঁপি থকা আন এজনক লগ পাইছিলোঁ ৱশ্বিংটনত, প্ৰেছিডেণ্ট আইছেনহাৱাৰৰ ঘৰৰ পদূলিত: "মই ষাঠি দিন জেলত আছিলোঁ। এই ওলাই আহিছোঁ। মোক অলপ সহায় কৰিবনে?" এয়া হ'ল ৰাজধানীৰ কথা। এতিয়া নিউয়ৰ্ক চহৰলৈ আহোঁ। নিউয়ৰ্ক বুলিলে ইয়াৰ মানুহে স্বৰ্গ বুলি ভাবে। "নিউয়ৰ্ক, নিউয়ৰ্ক" বুলি ইয়াত গানো ৰচনা হৈছে। অ' গান বুলিলত মনত পৰিছে, এতিয়া নিউয়ৰ্ক চহৰত এটাইতকৈ জনপ্ৰিয় গানটো কি জানে নে? সেইটো হৈছে, "ইজি টু লাভ্" বোলা ইয়াৰ প্ৰখ্যাত ছবিঘৰ ৰেডিঅ' ছিটিত চলি থকা ছবিখনৰ এটা ফিল্ম-গীত। এতিয়া সকলোতে মাথোন এই গীতটোকে শুনিব। উপায় নাই। আমাৰ ভাব লেখীয়াই। অ' গানটো কি কৰলৈ পাহৰিছোঁ। গানটোৰ প্ৰথম শাৰী হৈছে: "That's for a rainy day".

আকৌ মগনিয়াৰৰ কথা পাহৰিছোঁ। ইয়াত, অৰ্থাৎ নিউয়ৰ্ক বুলিলে এওঁলোক বলিয়া হোৱা এই চহৰখনত, মগনীয়া মানুহ

ভালেমান পাইছোঁ। আনকি তিৰোতাও পাইছোঁ। সিদিনা এটা বেচ ৰহস্যজনক কথা হৈছিল। ইয়াৰ প্ৰখ্যাত "ফিল্‌হাৰ্‌মনিক্ ছিম্ফনি অ'ৰ্কেষ্ট্ৰা"লৈ গৈছিলোঁ। বেচ চমৎকাৰ কাৰবাৰ। সেইদিনা বিশ্ববিশ্ৰুত ৱেগ্‌নাৰৰ উচ্চাঙ্গ সঙ্গীত (classical composition) বজোৱা হৈছিল। বৰ ভাল লাগিছিল। অ'ৰ্কেষ্ট্ৰাৰ পৰিচালক জন আছিল জাৰ্ম্মান মানুহ। নাম জৰ্জ্জ শ্বেলজ্। ১৯৫২ চনত বেলজিয়ামত অনুষ্ঠিত হোৱা আন্তৰ্জ্জাতিক সঙ্গীত প্ৰতিযোগীতাত এওঁ প্ৰথম পুৰস্কাৰ পাইছিল। বিখ্যাত পিয়ান'বাদক লিয়ঁ ফ্লিছাৰৰ বাদ্য যন্ত্ৰও শুনিছিলোঁ। এওঁ ইটালী আৰু ফ্ৰান্সত সঙ্গীত শিক্ষা লাভ কৰিছিল। আমেৰিকাৰ সঙ্গীত, সংস্কৃতি জীৱনৰ প্ৰায়বোৰ বস্তু ইউৰোপৰ পৰা আমদানি কৰা। এতিয়াও দেখিছোঁ, বিশেষকৈ সুকুমাৰ কলাৰ ক্ষেত্ৰত, এওঁলোকে ইউৰোপৰ ফালে বেছিকৈ চায়। আনকি ৰকফেলাৰ্ ছেণ্টাৰ্ আদিৰ দেৱালৰ যিবোৰ বৃহৎ চিত্ৰ (fresco) সেইবোৰো স্পেনিছ্ নাইবা আন ইউৰোপীয় শিল্পীৰ দ্বাৰাইহে অঙ্কিত। এইবোৰ অৱশ্যে কথাৰ মাজতে মনত পৰা বস্তু। জোৰা পাতি লোৱা ৰহস্যজনক সেই ঘটনাটো আকৌ মনত পৰিছে। দুঘণ্টা মনমুগ্ধকৰ অ'ৰ্কেষ্ট্ৰা উপভোগ কৰাৰ পাছত, হ'লৰ দুৱাৰ মুখত ওলাই আহিয়েই দেখিছিলোঁ,—ফটাছিটা কাপোৰ পিন্ধা এজন বুঢ়া মানুহ। মানুহজনৰ হাতত এখন পুৰণি, জড়তাপ্ৰাপ্ত বেহেলা। তাকে তেওঁ খুব বজাইছে। এইজন খোজনীয়া মানুহ। ভিতৰত অন্ততঃ অৰ্দ্ধশতেক দামী বেহেলাৰ আৰ্ত্তনাদ। আৰু বাহিৰত বুঢ়া খোজনিয়াৰৰ ভগা বেহেলাৰ কম্পন। গোটেই ঘটনাটোৱেই মোৰ কাৰণে এটা বিৰাট বিদ্ৰূপ যেন লাগিছিল।

এনে এটা দৃশ্যৰ কাৰণে মোৰ মন অকণো প্ৰস্তুত নাছিল। গতিকে বস্তুটো দেখিয়েই পোনতে বৰকৈ হাঁহি উঠিছিল।

এনে এটা কথাত হাঁহি উঠাৰ কিবা জানো যুক্তি আছে? গোটেই ঘটনাটোৱেই পুজিবাদী সমাজৰ কেৰোণ ক'ত সেই কথা জানো চকুৰ আগত দাঙি নধৰে? ই যেন ধনবাদী মহিষাসুৰৰ বুকুত গোসাঁনীৰ ত্ৰিশূলৰ খাঁচোৰ—এনেবোৰ ভাৱ ক্ৰমাৎ মনলৈ বাৰিষাৰ বানপানী বাগৰা দি বাগৰি আহিছিল। লেখি থাকোঁতে এই অকস্মাৎ একাকি কবিতা মনত পৰিছে ঃ

> "দেখা নাই?
> তুৱাৰ দলিত জনতাৰ হেঁচা ঠেলা,
> অবিশ্ৰান্ত সোঁত?
> তুৱাৰ মুকলি ক'ত?
> তুৱাৰ মুকলি কৰে কোনে?"

ইয়াৰ পাছদিনা নিউয়ৰ্ক পাব্লিক লাইব্ৰেৰীলৈ গৈছিলোঁ। ইয়াৰ সকলোবোৰ কামেই, সমুহ সংগঠনটোৱেই, বেচ চিত্ত আকৰ্ষক আৰু পৰিপাটি। ইয়াৰ শৃঙ্খলা জ্ঞানৰ নিৰিখ দেখি বৰ ভাল লাগিছিল। গোটেই দিনটো লাইব্ৰেৰীত কিতাপ আদি চাই আছিলোঁ। লাইব্ৰেৰীৰ কিতাপ দ'মৰ মাজত অকস্মাৎ এখন কিতাপ পাইছিলোঁ। কিতাপখনৰ নামটো বৰ অৰ্থব্যঞ্জক যেন লাগিছিল। নামটো হৈছে "এইজ্ অব্ ডি মোগলছ্"। গ্ৰন্থকাৰ জনৰ নাম হৈছে ষ্টিৱাৰ্ট হ'ল্বক্। কিতাপখন আচলতে মোগল বাদছাহ সকলৰ বুৰঞ্জী বা জীৱন বৰ্ণনা নহয়। আমেৰিকাৰ পুজিবাদী অৰ্থনীতিৰ ই হৈছে এখন নিৰ্দ্দয় নক্সা। নিজৰ ভাষাত কোৱাতকৈ

কিতাপ খনৰ পৰাই ইয়াৰ স্বৰূপ প্ৰকাশ কৰাটো ভাল হব। কিতাপখন হৈছে: "......a history of big men and big business supporting the theory that large fortunes played an indispensable role in creating the powerful United States of to-day" এই কিতাপখনৰ পৰাই যুক্তৰাষ্ট্ৰৰ সমাজৰ কেৰোণ ক'ত স্পষ্টভাবে বুজিব পাৰি। ইয়াৰ বৰ্ত্তমান যুগটো সঁচাই মোগল আমোলেই বুলিব পাৰি। লাইব্ৰেৰীত আৰু কেইখনমান বেচ অৰ্থব্যঞ্জক কিতাপ পাইছোঁ। তাৰো কিছুমান এই কেইদিনে যি পাৰো চকু ফুৰাই চাইছোঁ।

ইয়াত কেইবাটাও ছবিৰ 'যাদুঘৰ" আছে। সেইবোৰ পৰিপাটিকৈ চাইছোঁ। সিদিনা "মেট্ৰ'পলিটান্ মিউজিয়াম্ অব্ আৰ্ট" চাইছিলোঁ। মিউজিয়ামৰ উপাধ্যক্ষা মিছ্ মায়েৰে মিউজিয়ামত সজাই থোৱা বিৰাট ছবিবোৰ এখন এখনকৈ দেখুৱাইছিল। ভালেমান প্ৰাচীন নামজ্বলা শিল্পীৰ ছবিও ইয়াত আছে। ভালেমান ভাস্কৰ্য্যৰ নিদৰ্শনো ইয়াত আছে। সেইবোৰৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য হৈছে গ্ৰীক আৰু ইজিপ্তীয় ভাগ দুটা। ইয়াত ভাৰতীয় ভাস্কৰ্য্যৰ সুকীয়া ভাগ এটা নাই।

কিয় নাই বুলি সোধাত মিছ্ মায়েৰে কৈছিল: "আমি বৰ দুখিত যে এতিয়াও তেনে এটা ভাগ সংগ্ৰহ কৰিব পৰা নাই। এই বিষয়ে আমি অৱশ্যে চেষ্টা নকৰাকৈ থকা নাই।" ছবিবোৰ সজাওতে ভাগবোৰ, দেশ বা ব্যক্তিগত শিল্পী অনুপাতে কৰা হোৱা নাই। সেইবোৰৰ ভাগ যুগ অনুসৰি অৰ্থাৎ শতিকা অনুসৰি কৰা হৈছে। যেনে অষ্টাদশ শতিকাৰ ছবি। ইয়াৰ বুকুত লেখা আছে

"Age of reason"অৰ্থাৎ যুক্তিবাদৰ যুগ। উনৈশ শতিকালৈকে ইয়াত ছবি ৰখা হৈছে। অতি আধুনিক ছবিৰ কাৰণে আন এটা স্বকীয়া মিউজিয়াম্ আছে। সেইটো হৈছে "মিউজিয়াম্ অব্ মডাৰ্ণ আৰ্ট"। বৰ্ত্তমান যুগৰ প্ৰায় সকলোবোৰ প্ৰচেষ্টাৰ নমুনা ইয়াত ৰখা হৈছে।

মেট্ৰ'পলিটান মিউজিয়ামত ৰক্ষিত ছবিসমূহৰ শিল্পীসকলৰ মাজত উল্লেখযোগ্য হৈছে ৰেম্‌বেন্থ, ৰেন'ৰ, গয়া, ছিজেন, মেট্‌ছি, ভ্যান্ গ'গ, কৰবেৎ, গ'গাঁ, ক'ৰট্, ছুৰেট্ ইত্যাদি। ইয়াত আমেৰিকান শিল্পীৰ ছবিও উভৈনদী হৈ আছে। এইবোৰ অৱশ্যে উল্লেখযোগ্য নহয়। আচলতে এইবোৰ ইউৰোপীয় শিল্পৰ অনুকৰণহে। প্ৰতিভাৰ নিজস্ব ৰূপৰেখা এইবোৰত প্ৰকাশ পোৱা নাই। আমাৰ আধুনিক কলা নিদৰ্শনৰ বিষয়েও এই একেষাৰ কথাকে কব পাৰি। আমাৰ যেই কোনো নামকৰা শিল্পীৰ ছবিৰ সমালোচনা যেতিয়াই পঢ়োঁ তেতিয়াই সাধাৰণতে শুনিবলৈ পাওঁ—"এওঁৰ শিল্পত কিউবিজিম্-ৰ প্ৰভাব পৰিছে। এওঁৰ শিল্পত পইণ্টটিলিজিমৰ প্ৰভাৱ আছে"—ইত্যাদি। লগতে একোজন প্ৰখ্যাত শিল্পীৰ নামো ছবিৰ লগতে সাঙুৰি দিয়া হয়। যেনে এওঁৰ ওপৰত পিকাছ'ৰ, তেওঁৰ ওপৰত ছিজেন'ৰ, সৌ তেওঁৰ ওপৰত ভ্যান্ গ'গ ইত্যাদিৰ প্ৰভাৱ পৰিছে। এই প্ৰভাৱ-মুক্ত হৈ যেতিয়া ভাৰতীয় আধুনিক কলা-শিল্প নিজস্ব গতিত আগবাঢ়িব তেতিয়াহে হয়তো আন্তৰ্জ্জাতিক মহলত ইয়াৰ খ্যাতি বাঢ়িব। নহলে নেবাঢ়ে। ইয়াৰ কাৰণে আনক দোষাৰোপ কৰিও লাভ নাই। আমাৰ অজন্তা, বৈষ্ণৱ আৰু বৌদ্ধ শিল্পযুগ, লগতে জন-জীৱনৰ মাজত শিল্পৰ বাবে

একো নতুন ইঙ্গিত নাই জানো? এইবোৰৰ উদ্ধাৰে নতুনৰ সঁহাৰি নিদিবনে?

বেচ কথা। আমাৰ জন-জীৱনৰ শিল্পৰ কথা কওঁতে বেলেগ এটা কথা মনত পৰিছে। আমাৰ পৰ্ব্বতীয়া জীৱনত এনে সুক্ষ্ম কলা নিদৰ্শন বহুতো আছে, সেই বিষয়ে অকণো সন্দেহ নাই। আমি আছে বুলি থাকোঁতেই তাৰে কিছুমান আহি এইখিনি ইতিমধ্যে পালেহিয়েই। নগা কাপোৰৰ আৰ্হিৰ কাপোৰ আৰু মিছিমি মোনাৰ কেছুৰ চানেকীৰ মোনা, মেজত পৰা কাপোৰ ইত্যাদি ইয়াত চলা দেখিছোঁ। পোনতে দেখি আচৰিত হৈছিলোঁ। এতিয়া আচৰিত হবলৈ এৰিছোঁ। অনা মানুহে আনিবই। আক্ষেপ কৰি জানো কিবা লাভ আছে? সেইদিনা দোকানত এটা বস্তু দেখিছিলোঁ। সেইটোৱে মোক বৰ আচৰিত কৰিছিল। আমাৰ মিৰি-জিম কাপোৰৰ লেখীয়া কাপোৰ ইয়াত দেখিছো হুবহু তৈয়াৰ হবলৈ ধৰিছে। মাথোন পাৰ্থক্য এই খিনিতেই যে আমাৰ কাপোৰবোৰ বগা, কপাহ ৰঙৰ, ইয়াৰ বোৰ নানা ৰঙৰ, যেনে: সেউজীয়া, হালধীয়া ইত্যাদি। তাহানি ১৯৪২ চনত জেলত থাকোঁতে দেখা মনত আছে,—সম্ভৱতঃ লীলা বৰুৱাৰ, এখন সেউজীয়া ৰঙৰ মিৰি-জিম। কথাটো ভালকৈ মোৰ মনত নাই। সি যিয়েই নহওক ইয়াৰে সেউজীয়া এখন লৈ গৈ বৰুৱাৰ খনৰ সৈতে সলাই পেলালে কাৰো ধৰিবৰ শক্তি নাই। তেওঁলোকে এনেদৰে প্ৰস্তুত কৰা জিম কাপোৰৰ নাম দিছে—"cotton rugs."

আকৌ চিত্ৰশিল্পৰ কথালৈ এখন্তেক উলটি আহিবলৈ মন গৈছে। শিল্পী সম্বন্ধীয় কিতাপ আৰু ছবি ইয়াত উভৈনদী হৈ আছে।

এনে কিছুমান কিতাপ পাইছোঁ, যিবোৰ কিতাপৰ নাম মই আগতে কেতিয়াও শুনা নাছিলোঁ। গ'গাঁৰ আগতে কেতিয়াও নেদেখা ছবি এখন ইয়াত পাইছোঁ। চমৎকাৰ ছবি। নাম হৈছে: "Flames and mangoes" (আম আৰু অগ্নি-শিখা)। বুকু উদং নিপোটল দুজনী গাভৰু ছোৱালী। ছবিখন দেখিলেহে বুজিব পাৰি, ইয়াৰ কল্পনা, ৰঙৰ সমাবেশ আৰু নামাকৰণ কেইটা কেনে অৰ্থব্যঞ্জক হৈছে। ছোৱালী দুজনীৰ মুখৰ আকৃতি আৰু শৰীৰৰ সৌষ্ঠৱ আমাৰ জনজাতীয় গাভৰুহঁতৰ লগত হুবহু মিলে। ছবিখনে মনলৈ আমাৰ পটভূমি ওচৰ চপাই আনিছে।

আৰু এখন ছবি পাইছোঁ। শিল্পীজনৰ নাম ক'ৰ্‌বেং। ইয়াৰ পটভূমি আমাৰ দেশৰ লগত ইমান বঢ়িয়াকৈ খাপ খায় যে অনায়াসে ইয়াৰ নামাকৰণ "আঠমঙ্গলাৰ বাটত ৰংমন" বুলি কৰিব পাৰি। এনে নামাকৰণৰ বাবে আমাৰ ব্ৰহ্ম, মালতী বৰুৱা, শশ, নীপহঁতে মোক দোষাৰোপ কৰাটো টান হব।

আধুনিক শিল্পী সমাজৰ ওপৰত, পিকাছ'ক অৱশ্যে বাদ দি, ছিজেনৰ প্ৰভাৱ বেচ দকৈ পৰা যেন অনুমান হয়। এওঁৰ মৃত্যু হয় ১৯০৬ চনত। এওঁ একেৰাহে নীৰৱে ত্ৰিশ বছৰ কাল ছবি আঁকিছিল। এই দীৰ্ঘকাল ব্যাপি অধ্যৱসায়ৰ অদ্ভুত খ্যাতি, যশ ক্ৰমাৎ এওঁৰ পৃথিৱী বিয়পি পৰিছিল। এজন শ্ৰেষ্ঠ শিল্পী বুলি আজি পৃথিৱীৰ শিল্প বুৰঞ্জীত এওঁ স্বীকৃত। সম্ভৱতঃ একেকোবেই জখলাৰ মূধত উঠাতকৈ ক্ৰমাৎ বগুৱা বাই উঠাটো বেছি ভাল। এনেদৰে উঠাটো সম্ভৱতঃ স্থায়ী হয়। একে কোবেই জপিয়াই উঠিবলৈ যোৱাটোত বিপদ আছে।......

ইয়াৰ পাছত আকৌ সেই চিৰিয়াখানাৰ কথা। ৱশ্বিংটন চহৰৰ দৰেই নিউয়ৰ্ক চহৰতো এটা চিৰিয়াখানা আছে। ইয়াৰ নাম হৈছে "ছেণ্ট্ৰেল্ পাৰ্ক জু।" ই হওঁতে ৱশ্বিংটনৰ চিৰিয়াখানাটোৰ সমান সমৃদ্ধিশালী নহয়। বাঘ, ঘোং, সিংহ, ভালুক, উট, ইয়াৰ আটাইবোৰেই প্ৰায় বুঢ়া হৈছে। ৱশ্বিংটনৰ লেখীয়া এইবোৰ তেজী আৰু সজীৱ হৈ থকা নাই। তাৰে কেইটা মানক তুলসী তললৈ নিব লগীয়া হৈ আছে। কোন দিনা নিব লগা হয় ঠিক নাই। এজন ৰখীয়াক ধেমালিৰ সুৰতে সুধিছিলোঁ: 'Hey what about your lions and tigers?" মানুহজনে হাঁহি হাঁহি উত্তৰ দিছিল: "They are all old like me,"—সিহঁত কেউটা মোৰ দৰেই বুঢ়া হৈছে। মানুহজনৰ বয়সে ভাটি দিছে বুলিব লাগে। আমাৰ দেশৰ বাঘ, ভালুক ক'ৰবাত কেনেবাকৈ আছেনে খবৰ লবলৈ নহল। খবৰ লৈ লাভ কি? বুঢ়া হৈছে যেতিয়া আজি কালিতে যাবই। অন্তিম কালত মিতিৰৰ চিনাকি দি "গড়গঞা নাও ভৰিৰে হেচুকিবলৈ" সত নগল!

এই চিৰিয়াখানাটোত চৰাই এজাক হলে জোখাৰে আছে। আমাৰ প্ৰতিনিধিত্ব কৰিছে কেইটামান কেতকী চৰায়ে। তাহানি আমাৰ যোৰহাটৰ পদূলিমুখৰ শিৰিষ জোপাত কেইবাটাও কেতেকী চৰাই আছিল। তালৈ সিহঁত বছৰি বহাগ মহীয়া একোবাৰকৈ আহিছিল। পোৱালী তুলি লৈ যাবলৈ। কবি দুৱৰাৰ সুৰতে:

"নীৰৱ গছৰ ডাল নীৰৱে থাকিল
শুশুনিলে পৰাণৰ ভাষা।"......

আজিকালি সিহঁত আহে নে নাহে কব নোৱাৰোঁ। ইয়াৰ

কেতেকী চৰাই কেইটা দেখি মোৰ পুৰণি কথাবোৰ মনলৈ আহিছিল। গুৱাহাটীত মই কেতেকী চৰাই দেখা নাই। ইয়াৰ কেতেকী কেইটা আমাৰ সেই শিৰিষ জোপাৰে পোৱালী নেকি! হলেও হব পাৰে। কব নোৱাৰোঁ। সিহঁতৰ হওঁতে মোক দেখি উলাহত তৎ নোহোৱা হৈছিল। কি যে ইটো ডালৰ পৰা সিটো ডাললৈ বাংচালী নাচোন,—যেনিবা গুৱাহাটীৰ বিহুতলীৰ ছোৱালীজাকহে। ইয়াৰ কেতেকী কেইটাই সজাৰ ভিতৰতে ডেউকা কোবাই উৰিছিলহে। মাত মতা নাছিল। আমাৰ বিহুগী কবিলৈ মোৰ চাৎ কৰে মনত পৰিছিল। সেই যে:

"তোৰ মাত শুনি লাজুকী বোৱাৰী
ববলৈ এৰে তাঁত।"......

ইয়াৰ জীয়ৰী বোৱাৰীহঁতে তাঁত নবয় কাৰণেই হয়তো কেতেকী চৰায়ে "মাত" মাতিবলৈ পাহৰিছে। মাত শুনিবলৈ ইয়াত লাজুকী বোৱাৰী ক'ত? ইয়াৰ ছোৱালীয়ে তাঁত বব লাগিছে কেলেই? বজাৰত "নাইলন্", "ৰেয়ন্', ইত্যাদি কাপোৰ উপচি আছে। ইয়াৰ আইদেউহঁতে অফিছ কৰে। ইয়াৰ অফিছবোৰৰ প্ৰায় শতকৰা ৭৫ ভাগ ছোৱালী। এওঁলোকে দিনত অফিছত কাম কৰে। নিশা ছিনেমা চায়। নাচঘৰত নাচিবলৈ যায়। মোৰ তত্বাৱধান লোৱা শিক্ষা বিভাগৰ ছোৱালী এগৰাকীক পুৱা ৯ বজাত অফিছত ঘনাই দীঘলীয়াকৈ হামিয়াই থকা দেখিছিলোঁ। ছোৱালী গৰাকী বেচ ধাংচালী। মই তেওঁক সুধিছিলোঁ: "ইমান হামি কেলৈ?" মোৰ প্ৰশ্নৰ উত্তৰত তেওঁ কৈছিল: "কালি নিশা তিনি বজালৈকে নাচিছোঁ। একেবাৰেই শোৱা নাই।" ইয়াৰ পিছত মই আৰু

কি কম! নিৰুত্তৰ হোৱাৰ বাহিৰে আন কিবা জানো উপায় আছে? তাহানি "ডি মডাৰ্ণ গাৰ্ল" বোলা ইংৰাজী কবিতা এটা পঢ়িছিলোঁ। তাৰে প্ৰথম দুটা শাৰী মনত পৰিছে:

> "And she can ride and she can swim
> And she can dance till the stars grow dim"

কথাষাৰ এওঁৰ গাতেই বঢ়িয়াকৈ খটুৱাব পাৰি।......ইয়াত ইতিমধ্যে আৰু আন এখন কিতাপ পাইছোঁ। কিতাপখনৰ নাম হৈছে "ৰিভল্ট অৱ্ এমেৰিকান্ উইম্যান্"। এই কিতাপখন পঢ়িলে বহুত কথা বুজিব পাৰি। জানিবলৈকো সহজ হয়।

অকৌ সেই কেতেকী চৰাই কেইজনী চিৰিয়াখানাৰ সজাৰ ভিতৰতে এৰিছোঁ। ইহঁতৰ বাহঁৰ তলীত পিতলৰ এখন আৰ্চিত এডুখৰি ধুনীয়া চিনাকী পত্ৰ আছে; তাত লেখা আছে: 'Myna; Asian birds,' অৰ্থাৎ "ময়না: এছিয়াৰ পখী"। কেতেকী ময়না হল কেনেকৈ? এই বিষয়ে বিভাগীয় শুৰিয়াল জনৰ দৃষ্টি আকৰ্ষণ কৰিলত তেওঁ কৈছিল: "সম্ভৱতঃ ময়না হৈছে Genus আৰু আপুনি কোৱাটো তাৰ Species। গতিকে সেই ফালৰ পৰা ভুল হব নেলাগে।" চমুকৈ কবলৈ গলে 'কেতেকী' হৈছে 'ময়না' জাতীয় চৰাই। পশু-পক্ষীৰ বিষয়ে মোৰ জ্ঞান তেনেকৈ সীমাবদ্ধ। ইমান পৰে লোকৰ পথাৰত বাৰুকৈয়ে হাল বাইছোঁ। এতিয়া আৰু গুটি সিঁচি দায় লগাওঁ কেনৈ? এই কথাষাৰৰ সঁচা মিছা আমাৰ জনা মানুহৰ হাতত এৰাটোৱেই সমীচীন হব,—নহয় জানো?

বোষ্টন

মানুহৰ মন সাগৰৰ ঢৌবোৰ······

সাগৰ দেখিছোঁ। পোনতে ভুগোলৰ সাগৰ,—"আছে দূৰ দিগন্ত বিয়াপি।" তাৰ পাছত মানুহৰ সাগৰ। জন-সমুদ্ৰ। আৰু ইয়াৰ পাছত মানুহৰ মনৰ সাগৰ। এইয়া হৈছে কথা-বতৰা, আলাপ-আলোচনা, সাক্ষাত-প্ৰসঙ্গ আদিৰ জৰিয়তে সংগ্ৰহ কৰা মানুহৰ মন-সাগৰৰ ঢৌবোৰ। কোনোটো ঢৌ নীলা। কোনোটো ঢৌ কজলা। কোনোটো পূৰঠ,—সাগৰৰ অতলস্পৰ্শী তলীৰ দৰে সুগভীৰ।······ ইয়ালৈ আহোঁতে আমেৰিকাৰ আন্তৰ্জ্জাতিক ক্ষেত্ৰত জনাজাত কেইবাগৰাকী ব্যক্তিক, যদি একো অসুবিধা নহয়, লগ পাম বুলি ঠিক কৰি আহিছিলোঁ। সেই কেইজন হৈছে: আইনষ্টাইন, পাৰ্ল বাক্, প'ল ৰ'ব্ছন্, লুই ফিছাৰ্, ইহুদী মেনুহীন্ আৰু নৰম্যান্ ট'মাছ। এতিয়ালৈকে পাৰ্ল বাক্ আৰু নৰম্যান্ ট'মাছক লগ পাইছোঁ। পাৰ্ল বাক ১৯৩৮ চনত সাহিত্যত নোবেল বঁটা পাওঁতা। এওঁৰ "গুড্ আৰ্থ" উপন্যাসৰ কথা প্ৰায় সকলোৱেই জানে। নৰম্যান্ ট'মাছ নামজ্বলা এগৰাকী অৰ্থনীতিৰ পণ্ডিত আৰু ছ'চিয়েলিষ্ট নেতা। আমেৰিকাৰ বে-চৰকাৰী জাতীয় জীৱন আৰু বুদ্ধি-জীৱী সমাজত এওঁৰ স্থান বহু ওপৰত। মই এনে বহুত মানুহ লগ পাইছোঁ,—যি এওঁৰ নাম শ্ৰদ্ধাৰে লয়। ডব্লিউ, আই, ছি-ৰ ডিৰেক্টৰ ডক্টৰ ব্ৰানে নৰম্যান্ ট'মাছৰ বিষয়ে মোক এনেদৰে কৈছিল: "He has some of the

humility of your leaders," অৰ্থাৎ আপোনাসকলৰ নেতৃবৰ্গৰ দৰেই এওঁ বিনয়ী প্ৰকৃতিৰ। এই বুলি মানুহগৰাকীয়ে এটা ঘটনা বৰ্ণাইছিল। সেই ঘটনাটো ঘটিছিল আজি কিছুমান বছৰৰ আগতে ব্ৰিটিশ লেবাৰ পাৰ্টিৰ নেতা বিভান্ আমেৰিকা ভ্ৰমণলৈ আহোঁতে। কথাষাৰ শুনি ভাল লাগিছিল।......

নৰম্যান্ ট'মাছ্ যুক্তৰাষ্ট্ৰৰ ছ'চিয়েলিষ্ট পাৰ্টিৰ এগৰাকী শীৰ্ষস্থানীয় নেতা। ছ'চিয়েলিষ্ট পাৰ্টিক আমেৰিকাৰ চৰকাৰী মহলে বৰ সন্দেহৰ চকুৰে চায়। সেই অনুপাতে ইয়াৰ গতিবিধিও সতৰ্কতাৰে অনুধাৱন কৰে। ইয়াৰ চৰকাৰী মহলে,—লগতে আন ৰাজনৈতিক দল সমূহেও, ছ'চিয়েলিজম্ আৰু কমিউনিজমৰ মাজত কিবা যে পাৰ্থক্য আছে, এইষাৰ কথা বুজিব নোখোজে। এওঁলোকে কয়—"ছ'চিয়েলিজমে (অৰ্থাৎ হিটলাৰৰ তথাকথিত ন্যাছনেল্ ছ'চিয়েলিষ্ট পাৰ্টিয়ে) জাৰ্ম্মানীত হিটলাৰৰ সৃষ্টি কৰিছিল। ঠিক তেনেদৰে কমিউনিজমে ৰুছিয়াত ষ্টেলিন-ম্যালেন্কভ্ আদিৰ সৃষ্টি কৰিছে। দুয়ো বিধেইতো একে তৰহৰ ডিক্টেটৰশ্বিপ্ (একনায়কত্ববাদ)। গতিকে দুয়োবিধ বস্তুৰ মাজত পাৰ্থক্য ক'ত?" এয়ে হৈছে তেওঁলোকৰ স্পষ্ট অভিমত। গণতান্ত্ৰিক সমাজবাদ যে একেবাৰেই সুকীয়া বস্তু,—ই যে একনায়কত্ব-বাদৰ আঁচনি নহয়, এইষাৰ কথা এওঁলোকে স্বীকাৰ কৰিব নোখোজে। এওঁলোকৰ মতে কমিউনিজম্ ছ'চিয়েলিজমৰ সামান্য ৰূপান্তৰ মাথোন, প্ৰায় একে সংস্কৰণ। গতিকেই নৰম্যান্ ট'মাছৰ কথা কওঁতে ইয়াৰ কোনো কোনো, বিশেষকৈ চৰকাৰী মহলৰ মানুহ আচৰিত হৈছিল, আশঙ্কিতো হৈছিল। ছ'চিয়েলিজম্ আৰু কমিউনিজমৰ এই অভিনৱ ব্যাখ্যাৰ কথা মই নিউয়ৰ্কৰ পাৰ্টি অফিছত কৰবেড সকলক

কৈছিলোঁ। লগতে যোগ দিছিলোঁঃ “আপোনালোকৰ ইয়াৰ মানুহৰ ৰাজনৈতিক জ্ঞান জুখি চাই মই আচৰিত হৈছোঁ।” তাৰ উত্তৰত পাৰ্টিৰ ন্যাছনেল্ চেক্রেটৰীগৰাকীয়ে কৈছিলঃ “তেওঁলোকে এই দুয়োটা ৰাজনৈতিক দৰ্শনৰ মাজৰ পাৰ্থক্যখিনি নজনা নহয়, জানে। মাথোন জানিও নজনাৰ ভাও জোৰে। এই খিনিতেই হৈছে এওঁলোকৰ বিপদ। এই ভুৱা অজ্ঞতা তেওঁলোকৰ ব্যক্তিগত সুবিধাৰ কাৰণে।” ইত্যাদি।

পাৰ্টিৰ আন এগৰাকী চেক্রেটাৰী মিছ্ ৰবীন্ মায়াৰ্ছে মোক উপযাচি সুধিছিলঃ “আপুনি বাৰু ইয়াৰ ছৰকাৰী মহলক কোন সাহসেৰে ছ'চিয়েলিষ্ট বুলি চিনাকি দিছিল? তেওঁলোকে ছ'চিয়েলিষ্টৰ নাম শুনিলেই সাত জাপ মাৰে।”......মই কৈছিলোঁঃ “নিজৰ চিনাকি লুকুৱাই তো লাভ নাই।” কথা শুনি পাৰ্টিৰ মুখপত্ৰৰ সম্পাদক জনে টপৰাই উত্তৰ দিছিলঃ “ডিমক্রেটিক্ ছ'চিয়েলিষ্টবোৰ গোটেই পৃথিৱী জুৰি মুকলি মনৰ মানুহ।” কথাষাৰ কোৱা ভঙ্গী-টোলৈ চাই আমি হাঁহিছিলোঁ। “ডি ক'ল্” নামৰ আলোচনীখনলৈ “ভূ-দান যজ্ঞ” সম্বন্ধে এটা প্ৰবন্ধ বিচাৰিছিল। “ইণ্ডিয়াছ্ ছাইলেণ্ট ৰেভ'লিউশ্যন্” নামেৰে প্ৰবন্ধ এটা লেখি দিছিলোঁ। নিউয়ৰ্কৰ এই আলোচনীখনত প্ৰবন্ধটো ওলাইছে। পাৰ্টিৰ পিনৰ পৰা “ভাৰতীয় ৰাজনৈতিক পটভূমি” শিৰোনামাৰে ৰাজহুৱা সভাত বক্তৃতা দিবলৈকো মাতিছিল। (আমেৰিকা এৰাৰ আগদিনা নিশা নিউয়ৰ্ক চহৰত এই বক্তৃতাটো দিব লগা হৈছিল। এই বিষয়ে সমজুৱাৰ কালৰ পৰা জাউৰিয়ে জাউৰিয়ে প্ৰশ্ন হৈছিল।)

জানুৱাৰী মাহৰ চাৰি তাৰিখে নিউয়ৰ্ক চহৰৰ ছ'চিয়েলিষ্ট পাৰ্টিৰ

"কফি হাউচ"ত নৰম্যান্ ট'মাছৰ সৈতে মোৰ সাক্ষাত হৈছিল। মানুহজন ওখ। বয়সে মানুহজনৰ গোটেই মুখ খনতে আঁচুৰিছে। তথাপি বয়সৰ তুলনাত মানুহগৰাকীৰ মানসিক তীক্ষ্ণতা অকণো কমা যেন লগা নাছিল। তেতিয়া আবেলি। বাহিৰত বৰফৰ বগা পখিলাবোৰ ওপঙি ফুৰিছিল। বেছ জাৰ। যেতিয়া ভিতৰ সোমাওঁ গাৰ কাপোৰ বোৰ প্ৰায় বগা হৈ গৈছিল। কোঠাটোত আমি দুজনৰ বাহিৰে আৰু আন কোনো নাছিল। আমাৰ সমুখত গৰম চাহৰ ধোঁৱাবোৰ। আৰু একো নাছিল। মাজে মাজে চাহ দিয়া ছোৱালীজনীয়ে ভুমুকি মাৰি গৈছিল। আমাক খাবলৈ ইটো সিটো আনি দিছিল। মাজে মাজে আখৈৰ নিচিনা এবিধ বস্তু খাইছিলোঁ। এওঁলোকে ইয়াক 'পাফ্-কৰ্ণ' বোলে।......এইয়ে আমাৰ আলোচনাৰ উকা দৃশ্যপট।

আমেৰিকাত ছ'চিয়েলিষ্ট পাৰ্টিৰ সাৰ্থকতা কিমান, ছ'চিয়েলিজমৰ কাৰণে বাট কিমান দূৰ মুকলি—এনেবোৰ কথা পোণপটীয়াকৈ মই নৰম্যান্ ট'মাছক সুধিছিলোঁ। কাৰণ এইটোৱেই হৈছে আমেৰিকাৰ বিষয়ে জানিব লগীয়া ডাঙৰ কথা। ইয়াৰ ৰাষ্ট্ৰীয় দলসমূহৰ পিনৰ পৰা এই বিষয়ে প্ৰতিক্ৰিয়াশীল প্ৰচাৰো যে যথেষ্ট হোৱা নাই এনে নহয়। অৰ্থনৈতিক পণ্ডিতগৰাকীয়ে মোৰ প্ৰশ্নৰ উত্তৰ এনেদৰে দিছিল: "আমেৰিকাৰ বৰ্ত্তমান অৰ্থনৈতিক পৰিস্থিতিয়ে মাৰ্ক্সীয় বিপ্লৱৰ কাৰণে যি অনুকূল অৱস্থাৰ প্ৰয়োজন, তেনে অৱস্থাৰ যোগান নধৰে। ইয়াত শ্ৰেণী-বিভাগ আছে, সঁচা কথা। কিন্তু প্ৰকৃতপক্ষে শ্ৰেণী-সংগ্ৰামৰ কাৰণে যিটো তীব্ৰতাৰ প্ৰয়োজন, সেই প্ৰয়োজন এই শ্ৰেণী বিভাগত নাই। অৱশ্যে এইটোও সঁচা যে বৰ্ত্তমান ইয়াত যি

অৰ্থনৈতিক ভাৰসাম্য বিদ্যমান, এই ভাৰ-সাম্যৰ গাত সামান্য মাথোন আঘাত পৰা মাত্ৰকে শ্ৰেণী-সংগ্ৰামৰ কাৰণে যি প্ৰস্তুতিৰ প্ৰয়োজন, সেই প্ৰস্তুতি আপোনা-আপুনি যে আহি পৰিব সেই বিষয়ে সন্দেহ নাই। মোৰ বিশ্বাস—আমেৰিকাত বৰ্ত্তমান যি অৰ্থনৈতিক আবেষ্টন প্ৰবৰ্ত্তমান, এই আবেষ্টনেই অনতিপলমে ছ'চিয়েলিজমৰ কাৰণে নতুন শক্তিসমূহৰ দুৱাৰ মুকলি কৰিব।”......

আমেৰিকাত বৰ্ত্তমান কেনে প্ৰকাৰৰ অৰ্থনীতি প্ৰবৰ্ত্তমান এই বিষয়ে সোধা প্ৰশ্নৰ উত্তৰত নৰম্যান্ ট'মাছে কৈছিল: “ইয়াক সম্পূৰ্ণ পুঁজিবাদী বা ল্যাইছেজ্ ফেয়াৰ্—ব্যক্তিগত প্ৰচেষ্টাবাদী অৰ্থনীতি বুলিব নোৱাৰি। সহজ ভাষাতে কবলৈ গলে ইয়াক মিশ্ৰিত অৰ্থনীতি (mixed economy) আখ্যা দিব পাৰি।”......এইয়ে হৈছে সমাজ-বাদৰ পথত অৰ্থ নৈতিক বাধা। এই বাধা অৱশ্যে অতিক্ৰম কৰা টান নহয় বুলি নৰম্যান্ ট'মাছে দৃঢ়তাৰে সৈতে কৈছিল। ছ'চিয়েলিজমৰ পথত অৰ্থ নৈতিক বাধাৰ উপৰিও কিবা ৰাজনৈতিক বাধা আছে নে, এই বিষয়ে জানিবলৈ আগ্ৰহ হৈছিল। এই কথাষাৰ নৰম্যান্ ট'মাছে ততালিকে বুজিছিল। সেই অনুপাতে তেওঁ উত্তৰো দিছিল: “আমেৰিকাত যি অস্বাভাৱিক ৰাজনৈতিক অৱস্থা, ইয়ো সমাজবাদৰ পথত এক প্ৰধান অন্তৰায়। ইয়াৰ গণতন্ত্ৰ বৰ্ত্তমান দ্বি-দলীয় সীমাতে আবদ্ধ আছে। মানুহৰ মনস্তত্ত্বও ক্ৰমাৎ এনে দৰেই গঢ় লৈছে। গতিকেই তৃতীয় দলৰ অভ্যুদয়ৰ সম্ভাৱনা ক্ৰমাৎ কমি গৈছে। এনে ধৰণৰ পৰিস্থিতিও সমাজবাদৰ পথত এটা লেখত লব লগীয়া বাধা। ......বৰ্ত্তমান ৰাষ্ট্ৰীয় ক্ষমতাত অধিষ্ঠিত ‘ৰিপাব্লিকান্ পাৰ্টিৰ’ বিষয়ে তেওঁ কি ভাবে বুলি সোধাত নৰম্যান্ ট'মাছে এনেদৰে কৈছিল:

"এই ৰিপাব্লিকান্ পাৰ্টিটো হৈছে কোনো স্পষ্ট ৰাজনৈতিক আদৰ্শ বা লক্ষ্য নোহোৱা এটা পাৰ্টি। ইয়াৰ ৰাজনৈতিক চিন্তাধাৰাও নিজৰ ভিতৰতেই সম্প্ৰসাৰকামী। সকলো বিধৰ মানুহেই ইয়াত সোমাইছে। ইটো সিটোৰ লগত-নিমিলে, এইয়ে হৈছে ইয়াৰ অৱস্থা। ভাবি চাওক, একেটা দলতে বাক আইছেন্হাৱাৰ আৰু ম্যাক্আৰ্থি দুয়ো থাকে কেনেকৈ?"

ইয়াৰ পাছত আমি আমেৰিকাৰ প্ৰেছিডেণ্ট নিৰ্ব্বাচনৰ সম্পৰ্কে আলোচনা কৰিছিলোঁ। ডিম'ক্ৰেট্ আৰু ৰিপাব্লিকান্—এই দুটা দলৰ ভিতৰতে সাধাৰণতে প্ৰেছিডেণ্ট নিৰ্ব্বাচন কিয় সীমাবদ্ধ থাকে এই বিষয়ে জানিবলৈ আগ্ৰহ হৈছিল। ইয়াৰ উত্তৰত তেওঁ কৈছিল: "কোনো কোনো ক্ষেত্ৰত যে আন দল বিশেষৰ প্ৰেছিডেণ্ট পদৰ কাৰণে প্ৰাৰ্থী নেথাকে এনে নহয়। মই নিজেই ছ'চিয়েলিষ্ট টিকটত এই আসনৰ কাৰণে কেইবা বাৰো নিৰ্ব্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছোঁ। কিন্তু সাধাৰণতে মানুহে এই দুটা দলৰ ভিতৰতে নিৰ্ব্বাচন আবদ্ধ ৰাখিবলৈ বিচাৰে। সৰহ সংখ্যক মানুহে ৰিপাব্লিকান্ পাৰ্টি ক্ষমতাত অধিষ্ঠিত হোৱাটো নিবিচাৰে। গতিকেই তেওঁলোকৰ হাতলৈ যাতে ক্ষমতা নেযায় এই উদ্দেশ্যেই সৰ্ব্বসাধাৰণতে ডিম'ক্ৰেটৰ জয় বিচাৰে। ত্ৰি-দলীয় নিৰ্ব্বাচন প্ৰতিদ্বন্দ্বিতাই সেই সম্ভাৱনা খৰ্ব্ব কৰিব পাৰে বুলিয়েই জনসাধাৰণে তৃতীয় ব্যক্তিক সমৰ্থন জনাব নোখোজে।"....
এই খিনিতেই তেওঁক মই বাধা দি কৈছিলোঁ: "ৰিপাব্লিকান্ আৰু ডিম'ক্ৰেট্ সকলৰ মাজত বিশেষ জানো কিবা পাৰ্থক্য আছে? মই দেখাত দুয়োটা দলেই মুদ্ৰাৰ ইপিঠি আৰু সিপিঠি। লগতে আপুনি যে কৈছে সৰ্ব্বসাধাৰণে ডিম'ক্ৰেটছৰ জয় বিচাৰে সেইটো

হল কেনেকৈ? যোৱা নিৰ্ব্বাচনত দেখোন ৰিপাব্লিকান্ পার্টিৰ প্ৰাৰ্থী আইছেন্‌হাৱাৰ জয়ী হল?" নৰম্যান্ ট'মাছক কিছুকাল চিন্তাশীল হোৱা যেন অনুমান হৈছিল। অৱশেষত তেওঁ আকৌ কৈছিল: "নহয়। ৰিপাব্লিকান্‌সকল প্ৰতিক্ৰিয়াশীলতাৰ একে-বাৰেই মৰা জঁকা। ডিম'ক্ৰেট্ দল তেওঁলোকৰ তুলনাত বহুত খিনি প্ৰগতিশীল।...আৰু আপুনি যোৱা নিৰ্ব্বাচনৰ কথা কৈছে। এই জয় ব্যক্তিৰ জয়, পার্টিৰ নহয়। অৰ্থাৎ ব্যক্তি হিছাপে সেয়া আইছেন্‌হাৱাৰৰ নিজা জয়।" মই আকৌ সুধিছিলোঁ: "ডিম'ক্ৰেট্‌সকলৰ ভিতৰত এটাইবোৰেই প্ৰগতিশীল নে? এই কেইদিনে ইয়াৰ বাতৰি কাকত আৰু আলোচনীৰ লগত সম্বন্ধ ৰাখি যি বুজিছোঁ, সেই সকলৰ মাজতো ৰিপাব্লিকান্ সকলৰ দৰেই ভালেখিনি ঘোৰ প্ৰতিক্ৰিয়াশীল ব্যক্তি আছে। নহয় জানো?"......"আছে। আপুনি ঠিকেই কৈছে। দক্ষিণ অঞ্চলৰ কিছুমান ডিম'ক্ৰেটছো অতি প্ৰতিক্ৰিয়াশীল। বৰ্ণ-বিদ্বেষে তেওঁ লোকক এনে কৰিছে।"

ক্ৰমাৎ আমাৰ চাহৰ ধোঁৱা নোহোৱা হৈ আহিছিল। চাহ একে বাৰেই চেঁচা হৈ পৰিছিল। আকৌ গৰম চাহ আহিছিল। লগতে আমাৰ কথাৰ উত্তাপ দুনাই আকৌ বাঢ়িছিল। সেমেকা সন্ধ্যাটো উত্তপ্ত যেন অনুভব হৈছিল। ৰাজনীতিৰ চুলি ছিঙা আলোচনাৰ ভেওনা পাৰহৈ আমি ব্যক্তি আৰু ঘটনাৱলীৰ আলোচনা লৈ বাগৰি আহিছিলোঁ। মই সুধিছিলোঁ: "আপুনি বাৰু এড্‌লাই ষ্টিভেনশ্যনৰ কথা কি ভাবে? তেওঁ আইছেন্‌হাৱাৰতকৈ প্ৰেছিডেণ্ট হিছাপে বেছি সক্ষম নহল হেঁতেন নে?"..."ওঁহোঁ", নৰম্যান্ ট'মাছে

এটা এটাকৈ কৈছিল: "তেওঁ কোৰিয়াত শান্তি স্থাপন কাৰ্য্যত আইছেন্হাৱাৰতকৈ বেছি সক্ষম নহল হেঁতেন। (এইষাৰ কথাই অৱশেষত আমেৰিকাৰ ৰাজনৈতিক মহলত আলোড়নৰ সৃষ্টি কৰিছিল। কোনো কোনো কাগজৰ অভিমত: "নৰম্যান্ ট'মাছে এনে অভিমত দিয়াটো অনুচিত হৈছে।" মোৰ লগত হোৱা সাক্ষাত প্ৰসঙ্গৰ কথা উল্লেখ কৰি, 'ভিজিল্' কাগজৰ 'আমেৰিকান্ লেটাৰ' স্তম্ভতো যুক্ত-ৰাষ্ট্ৰৰ সাংবাদিকে এই একে মন্তব্যকে কৰিছে।) ষ্টিভেন্‌শ্যন্ অসম্ভৱ ভাল বক্তা। তেওঁ নিৰ্ব্বাচন প্ৰতিদ্বন্দ্বিতা অতি সততাৰে পৰিচালনা কৰিছিল। তথাপি এইটো সঁচা ষ্টিভেন্‌শ্যনে কোৰিয়াত শান্তি স্থাপন ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰিলে হেঁতেন।"…"এই কেইদিন আমেৰিকাত ভ্ৰমণৰ পাছত মোৰ কি অভিজ্ঞতা হৈছে, জানে? অহা নিৰ্ব্বাচনত ডিম'ক্ৰেট্‌সকলৰ জয় সুনিশ্চিত। ৰিপাব্লিকান্ সকলে আৰু নোৱাৰে।"…"আপোনাৰ ধাৰণা", নৰম্যান্ ট'মাছে একে উশাহেৰে, অতি উৎসাহেৰে কৈছিল: "খুব ঠিক হৈছে। অহা বাৰলৈ ডিম'ক্ৰেট্‌সকলৰ জয় সুনিশ্চিত। ব্যক্তিগত ভাবে আইছেন্হাৱাৰ বৰ অমায়িক মানুহ। আপুনি তেওঁক লগ পাইছেনে? নাই পোৱা যদি এবাৰ লগ পাই যাব। তেওঁ পুৰণি ধৰণৰ সামৰিক নেতা নহয়। নিৰস্ত্ৰীকৰণৰ বিষয়ে মানুহজন বৰ ঐকান্তিক! প্ৰকৃততে তেওঁ অৱশ্যে ৰাজনীতিজ্ঞ নহয়। ৰাজনীতিৰ জ্ঞান তেওঁৰ একেবাৰেই সীমাবদ্ধ। সেনাবাহিনীৰ মানুহ হিছাপে, যি জীৱনত কেতিয়াও আনকি ভোটকে দি পোৱা নাই, তেওঁ আৰু ৰাজনীতিৰ জটিলতা বুজি পায় কেনেকৈ?"……

ইয়াৰ পাছত আন এটা কথালৈ উলটি আহিছিলোঁ। কথাৰ

পাতনি মযেই মেলিছিলোঁ: "আপোনালোকৰ ইয়াত দেখিছোঁ কমিউনিষ্ট বিৰোধিতা এটা ধৰ্ম্মত পৰিণত হৈছে। এনে হবলৈ পাইছে কিয়? এনেবোৰ কাৰণৰ বাবেই আন্তৰ্জ্জাতিক মহলত আপোনালোকৰ কু-খ্যাতি হৈছে।" ইয়াৰ উত্তৰত নৰম্যান্ ট'মাছে কৈছিল: "আপোনাৰ কথাষাৰ সঁচা। মই অলপতে যেতিয়া ইউৰোপ আৰু উত্তৰ আফ্রিকাত ভ্ৰমণৰ কাৰণে যাওঁ, তাতো এনে এটা ভাব বিয়পি থকা গম পাইছিলোঁ। এইটো কিয় হবলৈ পাইছে, জানে নে? মোৰ ধাৰণা, এনে ভাবৰ সৃষ্টি একেবাৰে ম্যাক্আৰ্থিৰ কাৰণেই হবলৈ পাইছে। এই মানুহজনক মই অন্তৰৰ সৈতে ঘৃণা কৰোঁ। অলপতে স্টক্‌হলমত বহা আন্তৰ্জ্জাতিক ছ'চিয়েলিষ্ট কনফাৰেঞ্চত একেষাৰ কথা কৈছিলোঁ: 'McCarthy is a disease; it is not cancer, but a skin disease,' অৰ্থাৎ ম্যাক্আৰ্থি হৈছে এটা ৰোগ—অবশ্যে কেঞ্চাৰ নহয়। চৰ্ম্মৰোগহে। এই একেষাৰ কথাকে মই আপোনাকো কব খুজিছোঁ। কিন্তু আপুনি যি কমিউনিষ্ট বিৰোধিতা ধৰ্ম্ম মতত পৰিণত হোৱাৰ কথা কৈছে, সেইষাৰ কথাৰ লগত মই একমত হব নোৱাৰোঁ। আচলতে ই ধৰ্ম্ম মতত পৰিণত হোৱা নাই।" ……

থাউকতে আমি আঁতৰি আহি কেই গৰাকীমান ব্যক্তিৰ কথা আলোচনা কৰিছিলোঁ। সেই সকলৰ ভিতৰত উল্লেখযোগ্য হৈছে: বিজয়লক্ষ্মী পণ্ডিত, জয়প্ৰকাশ নাৰায়ণ, ডাঃ ৰামমনোহৰ লোহিয়া, কৃষ্ণ মেনন, জে, জে, সিং ইত্যাদি। নৰম্যান্ ট'মাছে প্ৰত্যেক গৰাকীৰ বিষয়ে নিজা মন্তব্য আগ বঢ়াইছিল। লগতে সেই মন্তব্য বোৰ মই অনুমোদন কৰোঁ নে নকৰোঁ, তাকো সুধি গৈছিল। কোনো

কোনো ক্ষেত্ৰত আমাৰ মত মিলিছিল। কোনো কোনো ক্ষেত্ৰত মিলা নাছিল। এই ব্যক্তি-আলোচনাৰ ভিতৰত জে, জে, সিঙৰ বিষয়ে কৰা তেওঁৰ মন্তব্যষাৰ বৰ আমোদজনক যেন লাগিছিল। তাতোকৈ আমোদজনক হৈছিল কৃষ্ণ মেননৰ বিষয়ে কৰা মন্তব্য। জে, জে, সিঙৰ বিষয়ে তেওঁ কৈছিল: "আপোনালোকৰ স্বাধীনতাৰ পূৰ্ব্ববৰ্ত্তী কালছোৱাত জে, জে সিঙে ইয়াত, নিজৰ দেশৰ কাৰণে বিশেষ ভাবে প্ৰশংসনীয় কাম কৰিছিল। আমেৰিকাত বসবাস কৰা কোনো ব্যক্তিয়েই দেশৰ কাৰণে অকলে ইমান খিনি কাম কৰা নাই।" এই খিনিতে মই লাহেকৈ কৈছিলোঁ: "তথাপি দেখোন জে, জে, ভাৰতত বিশেষ জনপ্ৰিয় নহয়।"........ কথাষাৰ নৰম্যান্ ট'মাছৰ কাণত পৰিছিল। "আপুনি কোৱা কথাষাৰ সঁচা হোৱাটো সম্ভৱ। ইয়াৰ কাৰণ কি জানে নে? ইয়াৰ ঘাই কাৰণ হৈছে আচাৰ-ব্যৱহাৰ, সাজ-পৰিচ্ছদ সকলো পিনৰ পৰা মানুহজন একেবাৰেই পছিমীয়া হৈ পৰিছে। মই তেওঁক এবাৰ কৈছিলোঁ—'জে, জে, আপোনাক কিপ্‌লিঙে দেখা হলে, কেতিয়াও পূব পূব আৰু পশ্চিম পশ্চিম, উভয়ৰে কেতিয়াও মিলন হব নোৱাৰে, (East is East and West is West, the twain shall never meet)—এই কবিতাফাকি নেলেখিলেহেঁতেন।" কথাষাৰ শুনাতকৈ কোৱাৰ ভঙ্গীটো চাই বৰ হাঁহি উঠিছিল। লগতে জে, জে, সিঙৰ গড়ুড় পখী সদৃশ দীঘল নাকটোলৈ মনত পৰি হাঁহিৰ প্ৰকোপ দুগুণে চৰিছিল। মই কৈ পেলাইছিলোঁ: "জে, জে-ৰ দীঘল নাকটোলৈ মোৰ মনত পৰিছে।"......

ইয়াৰ পাছত আমাৰ আলোচনা নিগ্ৰো জাতিৰ ফালে ঢাল

খাইছিল। এই সমস্যাটোৰ বিষয়ে বিতংকৈ জানিবলৈ মোৰ সবিশেষ আগ্ৰহ হৈছিল। গতিকে য'তে যেতিয়াই সুবিধা পাইছিলোঁ, ত'তেই তাৰ সুযোগ নোলোৱাকৈ থকা নাছিলোঁ। নৰম্যান্ ট'মাছে কৈছিল: "সঁচা কথা, যোৱা আন্তঃযুদ্ধৰ পাছত যুক্তৰাষ্ট্ৰৰ বিধানতন্ত্ৰৰ যি সংশোধন হৈছিল (চতুৰ্দ্দশ সংশোধন), সেই সংশোধন নিগ্ৰোৰ ক্ষেত্ৰত বিপন্ন হৈছে। এতিয়াও যুক্তৰাষ্ট্ৰৰ দক্ষিণ অঞ্চলত নিগ্ৰোৰ কাৰণে আছুতীয়া বিদ্যানুষ্ঠানৰ ব্যৱস্থা বলবৎ হৈয়েই আছে। ফেডাৰেল্ চৰকাৰে আছুতীয়া ব্যৱস্থাৰ ওৰ পেলাব খোজে। ষ্টেটসমূহে ইয়াৰ ঘোৰ বিৰোধিতা কৰে। উদাহৰণ স্বৰূপে নৰ্থ কেৰোলিনা ৰাষ্ট্ৰৰ কথা উল্লেখ কৰিব পাৰি। এইয়ে হৈছে এটাইতকৈ ডাঙৰ সমস্যা। বৰ্ত্তমান যুক্তৰাষ্ট্ৰৰ উচ্চতম আদালতত এই সমস্যা লৈ বিবাদ চলি আছে। নিগ্ৰোৰ অনুষ্ঠান এন্, এ, ছি, পি-য়ে এই বিবাদত আগ ভাগ লৈছে। দেখাদেখিকৈ এই বৰ্ণ-বিভাগ বলবৎ হৈ থকাৰ উপৰিও কিছুমান ৰাষ্ট্ৰত আওপকীয়া ভাবে ই চলি আছে। অজ্ঞাতসাৰে। নিউয়ৰ্ক চহৰৰ কথা কিছুদূৰ সুকীয়া। ইয়াত জ্বল্-জ্বল্ পট্-পট্কৈ ওলাই থকা বৰ্ণ-বিভাগ হয়তো নাই। তথাপি ইয়াতো নিগ্ৰোসকলৰ বাবে আছুতীয়া বাস-ভূমি আছে। ইয়াৰ নাম হাৰলেম্ (Harlem)।" ছ'চিয়েলিষ্ট নেতাগৰাকীয়ে লগতে যোগ দি কৈছিল: "অৱশ্যে যোৱা ছবছৰে ইয়াত লিন্চিং (lynching) হোৱা নাই। তথাপি নিগ্ৰোৰ ক্ষেত্ৰত এতিয়াও যথেষ্ট অবিচাৰ অত্যাচাৰ চলি আছে।" মই সুধিছিলোঁ: "আপুনি নেভাবেনে এই লিন্চিং প্ৰথা আপোনাসকলৰ জাতীয় জীৱনৰ এটা ডাঙৰ কলঙ্ক।"......"হয়। আপুনি ঠিকেই কৈছে। ই আমাৰ

জাতীয় জীৱনৰ এটা ডাঙৰ কলঙ্ক। এনে ঘটনা সৰহকৈ নেলাগে, এবাৰ ঘটিলেও জাতিৰ জীৱনত মচিব নোৱাৰা কলঙ্ক বুলিব পাৰি।” ইয়াৰ পাছত তেওঁ যুক্তৰাষ্ট্ৰ কংগ্ৰেছৰ নিগ্ৰো সদস্য পাৱেল্‌ৰ বিষয়ে ভালেখিনি প্ৰশংসনীয় কথা কৈছিল। ডিম'ক্ৰেটৰ টিকটত তেওঁ নিউয়ৰ্ক চহৰৰ এটা নিৰ্ব্বাচন কেন্দ্ৰৰ পৰা নিৰ্ব্বাচিত হৈছে বুলিও কৈছিল। ইয়াৰ পাছত মই যুক্তৰাষ্ট্ৰৰ ভিক্ষাৰীৰ কথালৈ আহিছিলোঁ। সমস্যাটো তেওঁৰ আগত বিশদ ভাবে উত্থাপন কৰিছিলো। নিউয়ৰ্ক আৰু ৱশ্বিংটন চহৰত কেনেকৈ মগনীয়া মানুহ লগ পাইছিলোঁ, সেই কথাও কৈছিলোঁ। (নিউয়ৰ্ক চহৰত বহুত দিন বসবাস কৰা ভাৰতীয় মানুহ এগৰাকীক যেতিয়া মই এই আষাৰ কথা কৈছিলোঁ, মানুহগৰাকীয়ে আচৰিত হৈ কৈছিল: “আপুনি ইয়াত মগনীয়া মানুহ লগ পাইছে ? ক'তা আমিতো পোৱা নাই।” মনতে ভাবিছিলোঁ—পাবলৈ হলে চাব জানিব লাগিব।) ...মগনিয়াৰৰ কথা শুনি নৰম্যান্ ট'মাছে কিছুদূৰ টান পোৱা যেন অনুমান হৈছিল। তেওঁ কৈছিল: “এই মগনীয়া মানুহবোৰ প্ৰায়ে মদ্যপায়ী (alchoholic); এওঁলোকে ভিক্ষা পেটৰ আহাৰৰ কাৰণে নকৰে। উপকৰাকৈ মদ্য পান কৰাৰ উদ্দেশ্যেহে এওঁলোকে ভিক্ষা কৰে। আমেৰিকাৰ ঘৰুৱা ভাষাত, এনেবোৰ ভিক্ষাৰীক আমি ‘boms’ বোলোঁ। এওঁলোকৰ আৰু এটা উপলুণ্ঠাসূচক নাম আছে। সেইটো হৈছে ‘প্যান্‌-হেণ্ডলাৰ্ছ’ (Pan handlers)।” লগতে তেওঁ কৈছিল: “মদ্যপায়িতা এটা ৰোগ। (alchoholism is a desease.) ই মানুহক দায়িত্বজ্ঞানহীন কৰে। ইয়াক মই মৰ্‌ফিনৰ লগত তুলনা কৰিব খোজোঁ। এটা সুখৰ কথা,

আপোনালোকৰ দেশত এনে মদ্যপায়ীৰ দল নাই।” নৰম্যান্ ট'মাছ ভাৰতলৈ দুবাৰ গৈছিল। বহলকৈ ভ্ৰমণো কৰিছিল। বোম্বাইত বহা 'কাল্‌ছাৰেল্ কংগ্ৰেছ'লৈ প্ৰতিনিধি হৈ গৈছিল। ইয়াৰ সভাপতিত্ব কৰিছিল কে, এম, মুন্সিয়ে।

এই খিনিতেই মই মানুহগৰাকীক অলপ আজুৰি দিছিলোঁ। “আপোনালোকৰ দেশত আচল ভিক্ষাৰী (honest beggars) নাই বুলি আপুনি কব খোজে নেকি?”……“আচল ভিক্ষাৰী নহব কেলৈ? আছে। তেওঁলোকৰ সংখ্যা হওঁতে তেনেই তাকৰ। আঙুলি মূৰত লেখিব পাৰি।”—নৰম্যান্ ট'মাছে কৈছিল। “এই আচল ভিক্ষাৰী বোৰৰ কাৰণে ৰাষ্ট্ৰই কি কৰিছে?” মই সুধিছিলোঁ। “আমাৰ দেশত ভিক্ষা-বৃত্তি দোষণীয় বুলি ঘোষণা কৰা ৰাষ্ট্ৰীয় আইন আছে। কিন্তু ঘাই কথা হল পুলিচে সেইবোৰ প্ৰয়োগ কৰিব নোখোজে। (মোৰ প্ৰশ্নৰ উত্তৰ এইটো নহয়,—মিঃ ট'মাছে হয়তো প্ৰশ্নটোৰ মৰ্ম্মকথা ধৰিব পৰা নাছিল।)……এই মানুহবোৰ প'ৰ্ট'ৰিক'-ৰ পৰা অহা ভগনীয়া। (এইখিনিতে প'ৰ্ট'ৰিক-ৰ অৰ্থনৈতিক অৱস্থা, তাৰ চৰকাৰ ইত্যাদিৰ বিষয়ে তেওঁ মোক বহলাই কৈছিল।) এই ভগনীয়াবোৰ ইয়ালৈ (যুক্তৰাষ্ট্ৰলৈ) কাম বিচাৰি আহে। কাম নেপাই মানে ইহঁত এনেকৈ ওপণ্ডি ফুৰে।” লগতে তেওঁ উপযাচি কৈছিল: “নিউয়ৰ্ক চহৰৰ এটাইতকৈ ডাঙৰ সমস্যা ভিক্ষা বৃত্তি নহয়। ইয়াৰ সমস্যা হৈছে আবৰ্জ্জনাপূৰ্ণ ঠাই (slums) বোৰ। এইবোৰত মানুহ কেনেকৈ থাকে আপুনি ভাবিব নোৱাৰে। ঘৰ আৰু বাসৰ আবেষ্টন অতি শোচনীয়। ইয়াৰ সুন্দৰ নমুনা পাব হাৰ্‌লেমত (নিগ্ৰোৰ বসতি ঠাই)। মই তালৈ আপোনাক লৈ যাম।” নৰম্যান্ ট'মাছ্ ডেকা কালত

নিজেই এই অঞ্চলত, অর্থাৎ হাৰ্‌লেমত সাত বছৰ কাল বাস কৰিছিল। গতিকে এই ঠাইসমূহৰ বিষয়ে তেওঁৰ অভিজ্ঞতা বিশেষভাবে পুষ্ট আৰু পোনপটীয়া।

ইয়াৰ পাছত তেওঁক মই যুক্তৰাষ্ট্ৰত কমিউনিষ্ট পার্টিৰ জন-প্ৰিয়তা, তৎপৰতা ইত্যাদিৰ বিষয়ে প্ৰশ্ন কৰিছিলোঁ। এই বিষয়ে ৰাজনীতিত থকা মানুহ এজনৰ পৰা পোনপটীয়াকৈ জানিবলৈ মোৰ মন খুদুৱাই আছিল। ৰাজনীতিত থাকি চকুৰ চেলাউৰিলৈকে পকোৱা মানুহ গৰাকীয়ে মোক এই বুলি কৈছিল: "আমাৰ দেশত কমিউনিষ্ট পার্টি আইন-বহির্ভূত দল নহয়। আইনৰ ফালৰ পৰা তেওঁলোকৰ ওপৰত কোনো বাধা নাই। আপুনি ইয়াত যেই কোনো বাতৰি কাকত কিনাৰ দৰেই 'ডেইলি ৱৰ্কাৰ' খনো কিনিব পাৰিব। এই ক্ষেত্ৰত আপোনাক কোনেও কেতিয়াও একো বাধা প্ৰদান নকৰে।" এই বুলি লগতে এটা অর্থপূর্ণ হাঁহি মাৰি কৈছিল: "আচলতে ভাৰতত যিমানবোৰ কমিউনিষ্ট জেলত আছিল, আমাৰ ইয়াত সেই অনুপাতে নাই।" মই একে উশাহেই উত্তৰ কাটিছিলোঁ: "কিন্তু আমাৰ দেশত পার্লা-মেণ্ট আৰু প্ৰান্তীয় পৰিষদসমূহতো কমিউনিষ্ট সদস্য হিচাপে আছে। আপোনালোকৰ দেশত জানো তেনে সদস্য আছে?"...... "এজনো নাই, সঁচা কথা। ইয়াৰ মাই কাৰণ হৈছে আমাৰ ইয়াত কমিউনিষ্ট পার্টিয়ে এতিয়াও কোনো নিৰ্ব্বাচন যুদ্ধত প্ৰতিদ্বন্দ্বিতা কৰা নাই।"......

"নিগ্ৰো জাতিৰ মাজত কমিউনিষ্ট আছে নে নাই?" মই ততা-তৈয়াকৈ প্ৰশ্ন কৰিছিলোঁ। তেওঁ উত্তৰ দিছিল: "নিগ্ৰোৰ মাজত কমিউনিষ্ট একেবাৰেই নাই।" মই কৈছিলোঁ: "এই আমাৰ কথা

মানি লবলৈ মই টান পাইছোঁ। প'ল্ ৰব্‌ছন্ কলৈ গ'ল ?" ইয়াৰ পাছত নৰম্যান্ ট'মাছে ব্যক্তিগত ভাবে প'ল ৰব্‌ছনৰ যি খিনি শলাগ লৈছিল, শুনি মোৰ বেছ ভাল লাগিছিল। প্ৰকৃততে প্ৰতিভাৰ জাত-কূল নাই। প্ৰতিভাই প্ৰতিভাক চিনি পায়। মানুহগৰাকীয়ে কৈ গৈছিল ঃ "প'ল্ ৰব্‌ছন কমিউনিষ্ট হয়। (প'ল্ ৰব্‌ছনক সুধিলে নিজে কমিউনিষ্ট নহয় বুলি কয়—"I am not a communist", এইয়া প'ল্ ৰব্‌ছনৰ নিজৰ ভাষা)।...এনে এজন কাৰ্য্যদক্ষ মানুহ পৃথিৱীত খুব কমেই আছে। মই ভাবি আচৰিত হওঁ, একেৰাহে একেজন মানুহ কেনেকৈ সুগায়ক, সু-অভিনেতা আৰু সু-খেলুৱৈ হব পাৰে! মই তাহানি ডেকা কালত তেওঁক শ্বেকছ্‌পীয়েৰৰ 'অ'থেলোৰ' ভাও লোৱা দেখিছিলোঁ। কি চমৎকাৰ অভিনয়! জাতি বৰ্ণ নিৰ্ব্বিচাৰে মানুহে তেওঁক প্ৰশংসা কৰে। সেই বুলি তেওঁলোকৰ কোনেও তেওঁৰ ৰাজনৈতিক মতবাদ গ্ৰহণ কৰিব নোখোজে।"

ইয়াৰ পাছত আমি অসমৰ বিষয়ে আলোচনা কৰিছিলোঁ। অসম খন তেওঁ হেনো ভাৰতীয় লোকতন্ত্ৰৰ বাহিৰে নেপাল বা ছিকিমৰ দেখীয়া ৰাষ্ট্ৰ বুলি ভাবিছিল। কথাষাৰ শুনি মোৰ ৰৰকৈ হাঁহি উঠিছিল। মনতে ভাবিছিলোঁ—অসমখন যদি নেপাল হয়, তেন্তে ইয়াৰ জংবাহাদুৰ ৰাণা কোন? আমাৰ আলোচনা সন্ধ্যাৰ সীমা পাৰ হৈ গৈছিল। নৰম্যান্ ট'মাছ গাৰ্বলৈ যাব লগা আছিল। গতিকেই সন্ধ্যাৰ বেল ধৰিব লগা হৈছিল। আমি দুয়ো একে লগে আলিলৈ ওলাই আহিছিলোঁ। আলিত মই সুধিছিলোঁ ঃ "বাৰু আইনষ্টাইনৰ ৰাজনৈতিক মতবাদ কি? তেওঁ বামপন্থী হয় নে

নহয় ?” এই প্ৰশ্নটো কৰা মোৰ এটা কাৰণ আছিল। আহিবৰে পৰা এটা কথা মন কৰিছিলোঁ—ছৰকাৰী পক্ষৰ যাকেই আইনষ্টাইনৰ কথা কৈছিলোঁ, সিয়েই দেখিছিলোঁ নাকটো কোচায়।······এটা বঢ়িয়া কথা মনত পৰিছে। প্ৰিন্সটন বিশ্ববিদ্যালয়লৈ যাওঁতে তাৰ লাইব্ৰেৰীয়ানজনক সুধিছিলোঁঃ “আইনষ্টাইন্ ক’ত থাকে ?” তেওঁ কৈছিলঃ “আইনষ্টাইন ক’ত থাকে কব নোৱাৰোঁ। আজি পাঁচ বছৰে মই এই বিশ্ববিদ্যালয়ত কাম কৰিছোঁ। আইনষ্টাইনক হলে দেখা নাই। শুনিছোঁ বোলে তেওঁ বৰ্ত্তমান অসুস্থ।”·······

নৰম্যান্ ট’মাছে বাটে বাটে মোৰ প্ৰশ্নৰ উত্তৰ সহজ কৈ দি গৈছিলঃ “আইনষ্টাইন হৈছে অঙ্কশাস্ত্ৰৰ এজন অতি মেধাসম্পন্ন মানুহ (a mathematical genius)। মানুহজন অতিপাত দয়ালু আৰু মানবধৰ্ম্মী (humanitarian)। তেওঁৰ ৰাজনৈতিক মতবাদ সম্পূৰ্ণ এই দুটা বস্তুৰ বশবৰ্ত্তী। পৃথিবীত তেওঁ শান্তি বিচাৰে। এই বিষয়ে তেওঁৰ একাগ্ৰতা আৰু ঐকান্তিকতা মন কৰক। (এই বুলি তেওঁ এটা ঘটনাৰ উল্লেখ কৰিছিল)। এদিন আইনষ্টাইনে মোক (নৰম্যান্ ট’মাছক) কৈছিলঃ ‘পৃথিবীত শান্তি স্থাপনৰ এটা মই উপায় বিচাৰি পাইছোঁ। সেইটো হৈছে ৰুছিয়াই তেওঁলোকৰ সৈন্যসামন্ত ইউ, এন, অ’,-ত আৰু আমেৰিকাই তেওঁলোকৰ সেনাবাহিনী মস্কোত মজুত ৰাখক। দেখিব পৃথিবীত শান্তি নহৈ উপায় নাই।’······এইয়ে হৈছে আইনষ্টাইনৰ ৰাজনৈতিক মতবাদ। আপুনি মেধাসম্পন্ন মানুহ। কথাষাৰ এতিয়া উপলব্ধি কৰি চাওঁক।”······

এই দৰে আহি আমি এটা চাবি আলি পাইছিলোঁহি।

নিশাৰ চেঁচা বতাহজাক ফালি দীঘল দীঘল কৈ মানুহ জনে খোজ দিছিল "ৰেল ৰ'ড্" ষ্টেশ্যনৰ ফালে (ইয়াত সচৰাচৰ ৰেল্‌ৱে নোবোলে। ৰেল ৰ'ড্ বোলে। দক্ষিণ অঞ্চলত মই অৱশ্যে ৰেল্‌ৱে শব্দৰ প্ৰচলনো পাইছিলোঁ)। বতাহতে হোটেললৈ বুলি চিগাৰেট্ এটা জ্বলাই লৈছিলোঁ। এই কথাবোৰকে মনৰ মাজত চালিজাৰি অৱশেষত হোটেলৰ নিৰ্জ্জন কোঠাটোত উপনীত হৈছিলোঁহি। গোটেই বাটটো জুৰি মনটো মোৰ নাচি আহিছিল। কিবা এখন ভাল কিতাপ পঢ়া যেন লাগিছিল।

বোষ্টন্

মনৰ পৰ্দাত স্মৃতিৰ চোঁৱৰ বুলনি······

ইয়াৰ পৰা বাফেল' নামে আন এখন চহৰলৈ নায়েগ্ৰা জলপ্ৰপাত চাবলৈ যাম। ইয়াত বৰফ পৰিছে। কেউপিনে বৰফৰ বহল সাগৰ। এইখন সাগৰ নীলা নহয়। শুভ্ৰ। গান্ধীৰতকৈয়ো বগা আৰু "নতুন গাভৰুৰ বুকুৰ উমত"-কৈয়ো চেঁচা। বৰফ, জলপ্ৰপাত আৰু সাগৰ,—এই বোৰৰ বিষয়ে বহুত কথা লেখিব লগা আছে। আজি নেলেখোঁ। আন এদিনাখনলৈ, সময় পালে, লেখিম। আজি নিউয়ৰ্ক চহৰত বিশ্ব-বিশ্ৰুত সাহিত্যিক পাৰ্ল বাকৰ লগ পোৱা কথা লেখোঁ বুলিছোঁ। সেই দিনা পুৱাৰে পৰা কিবা এটা অজানিত কাৰণত মনটো ভাল লাগি আছিল। মনৰ গতি সহজে নিৰ্ণয় কৰা টান। কেতিয়াবা অজানিত কাৰণত মনটো ভাল লাগে। কেতিয়াবা আকৌ সেই দৰে বেয়াও লাগে। ইয়াৰ কাৰণ মনৰ অন্তৰালত লুকাই থাকে। ধৰিব নোৱাৰি। শেকছ্‌পীয়েৰৰ এখন নাটকৰ এটা চৰিত্ৰৰ মুখত শুনা মনত আছে: "I know not why I am so sad,"—এইয়া মানুহৰ মনস্তত্বৰ কথা। সেই দিনা অৱশ্যে মোৰ বেয়া লগা নাছিল। মনটো ভাল লাগিছিল। স্মৃতিৰ এন্ধাৰ কোঠালিৰ পৰ্দাবোৰ এখন এখনকৈ মুকলি হৈছিল। বহুত কথাই পখিলাৰ জাকি মৰাদি উৰা মাৰি

মনলৈ আহিছিল। মন উপচি পৰিছিল। লামডিং ষ্টেশ্যন এৰিয়েই যে পাহাৰৰ গাতে লগা ৰেলৰ লাইনৰ দাঁতিয়ে দাঁতিয়ে পখিলাজাক উৰি ফুৰা দেখি, সেই পখিলাজাকৰ দৰেই। এই লেখি থাকোঁতে সেই পখিলাজাক মোৰ চকুৰ আগতে উৰি ফুৰা যেন দেখিছোঁ। বাস্তৱত নহয়। কল্পনাত। এতিয়ালৈকে ইয়াত ক'তো মই এটাও পখিলা দেখা নাই। দোকানৰ আৰ্চ্চিৰ ঘৰবোৰত (show case) অৱশ্যে নানাবুলীয়া প্লাছ্‌টিকৰ পখিলা দেখিছোঁ। গাভৰুহঁতৰ বাবে। হয়তো চুলি আৰু বুকু শুৱনী কৰিবলৈ। কি যে এটা উন্মাদ (crazy) জাতি!……

সেই দিনা পুৱাৰে পৰা মোৰ মনটো নাচি আছিল। তুপৰীয়া পার্ল বাকক লগ পোৱাৰ কথা। ১৯৩৮ চনত পোন প্ৰথমে এওঁৰ কিতাপৰ লগত মোৰ চিনাকি হৈছিল। সেই বছৰতেই এওঁ নোবেল বঁটা লাভ কৰিছিল। মোৰ মনত পৰিছিল কেনেকৈ কলিকতাৰ পৰা কিতাপবোৰ মগাই আনিছিলোঁ। মই তেতিয়া যোৰহাটত। কিতাপ অহা শুনি ডাকঘৰলৈ গৈ কেনেকৈ কিতাপৰ 'ডেলিভাৰি' লৈছিলোঁ। পেকেট্‌টো খুলিয়েই কিতাপবোৰ কেনেকৈ স্তুঙি চাইছিলোঁ। নতুন কিতাপৰ এটা বঢ়িয়া গোন্ধ আছে। ইত্যাদি।… মনৰ পৰ্দ্দাবোৰ স্মৃতিৰ হেজাৰ চোঁৱৰ বুলনি লাগি কঁপি উঠিছিল। "গুড্‌ আৰ্থ" উপন্যাসত লেখিকাই দিয়া বৰ্ণনাবোৰ মনত পৰিছিল। চহা খেতিয়ক ডেকা ৱাং-য়ে বিয়া কৰাব। নবীয়াপাটিৰ বুঢ়া পিতাকৰ বাহিৰে ঘৰত আৰু তাৰ কেও নাই। সি পিতাকলৈ পুৱাতে উঠি পানী তপতাব লাগে। ইটো সিটো বন-বাৰীও কৰিব লাগে। ঘৰটো তাৰ তেনেই নিৰ্জ্জন। সি বিয়াৰ দিনা পুৱাতে

উঠি ভাবিছে: "আজিৰ পৰা মই আৰু পানী তপতাব নেলাগে। আনে তপতাব।"...তাৰ পাছত কল্পনাৰ বানপানী নামিছে। সি কল্পনা কৰিছে তাৰ ঘৰৰ নিমাত কোঠাবোৰ সৰু সৰু ল'ৰা-ছোৱালীৰ হাই-উৰুমিৰে উপচি পৰিছে। ইত্যাদি। ইয়াতোকৈ মোৰ মনলৈ ঘনাই আহিছিল সেই প্ৰথম অধ্যায়ৰ শেহৰ বৰ্ণনা খিনি। ভিতৰত তাৰ পত্নী ও-লানৰ প্ৰসৱবেদনা। বাহিৰত সি অস্থিৰ হৈ বাট চাই আছে। অকস্মাৎ তাৰ নাকত লাগিলহি কেঁচা তেজৰ গোন্ধ,—আৰু তাৰ পাছতেই কাণত পৰিছেহি নৱজাত শিশুৰ দীঘলীয়া উকি। পাৰ্ল বাকে অধ্যায়টো অতি মনোৰম ভাব আৰু ভাষাৰে শেষ কৰিছে। শেষৰ কথা কেইষাৰ অতি অৰ্থব্যঞ্জক। "......Wang Lung sat upon a bench by the table in the darkness and put his head upon his folded arms. Out of this body of his, out of his own loins, life !"

সেইদিনা আবেলিটো সেমেকা। বাহিৰত পাতলীয়া বৰফ পৰিছিল। কাপোৰ-কানিত বৰফৰ পাহিবোৰ লাগি আছিছিল। কলা মানুহ বগা হৈছিল। বগা মানুহ শিমলু তুলাৰ দৰে জিলিকিছিল। আমাৰ সাক্ষাতৰ থলী আছিল নিউয়ৰ্ক চহৰৰ জন্ 'ডে নামে কিতাপৰ দোকান এখনৰ ভিতৰ চ'ৰা। এই কোম্পানীটোৱে পাৰ্ল বাকৰ প্ৰায়বোৰ কিতাপ প্ৰকাশ কৰিছে। পাৰ্ল বাকৰ স্বামী মিঃ ৱালছ্ কোম্পানীটোৰ এগৰাকী ডিৰেক্টৰ। এওঁলোকে নেহৰুৰ "আত্ম-জীৱন চৰিত" খনো প্ৰকাশ কৰিছে। আমেৰিকাৰ সংস্কৰণত কিতাপখনৰ শিৰোনামা সলনি হৈছে। নতুন শিৰোনামা হৈছে

"টুৱার্ডছ্ ফ্রিডম্।"...পার্ল বাক্ এওঁৰ আগৰ নামহে। এতিয়াৰ নাম নহয়। সাহিত্য জগতত এওঁ পার্ল বাক্ নামেৰে প্ৰখ্যাত। ভিতৰ সোমায়েই সোঁ হাতে বেৰত পছিমীয়া সাজপাৰেৰে জিলিকি থকা নেহৰুৰ ফটোখন চকুত পৰিছিল। তলত নেহৰুৰ হাতৰ আখৰ: 'Yours sincerely, Jawaharlal Nehru" আৰু সমুখত দেখিছিলোঁ এছটা শিলৰ পৰা আন এছটা শিললৈ জপিউৱা ভঙ্গীত এটা ঢেকিয়াপতীয়া বাঘৰ ছবি। ছবিৰ দাঁতিত ফুলবছা দি চীন দেশৰ আখৰেৰে কিবা লেখা আছে।... ভিতৰ সোমায়েই মই কৈছিলোঁ: "আপোনাৰ ইয়াত আমাৰ নেহৰুৰ ছবি আছে।" ছবিখন দেখি মোৰ বৰ ভাল লাগিছিল। ছবিৰ পউজটোও বেচ আকৰ্ষণীয়। (এতিয়ালৈকে নেহৰুৰ যি দুখন এটাইতকৈ আকৰ্ষণীয় ছবি দেখিছোঁ দুয়োখন বিদেশত। এখন ব্ৰহ্মদেশৰ মন্ত্ৰী উ, উইনৰ পঢ়া-কোঠালিত, ভাৰতীয় সাজত। আনখন জন্ 'ডে কোম্পানীৰ ভিতৰ চ'ৰাত)।...পার্ল বাকে কৈছিল: "এইখন মোৰ ছবি নহয়। মিঃ ৱালছৰহে।" অৰ্থাৎ তেওঁৰ স্বামীৰহে। এই দৰেই আমি কথাৰ পাতনি মেলিছিলোঁ। বাহিৰৰ জাৰ ভিতৰলৈ আহিব পৰা নাছিল। ভিতৰত দেহ-মন জুৰ পৰা উম।...পুৰা মোৰ মনত পৰা "গুড্ আৰ্থ"ৰ বৰ্ণনাবোৰ এটা এটাকৈ কৈ গৈছিলোঁ। ঔপন্যাসিকৰ চকু দুটা তৃপ্তিৰ আনন্দেৰে তিৰবিৰাই উঠিছিল। মাঘ-ফাগুন মহীয়া বেৰাৰ টেঙা চকলিয়াই লৈ পথাৰৰ দাৱনীহঁতে যিটো তৃপ্তি পায়, সেই একেটা তৃপ্তিৰে জিলিঙনি যেন লাগিছিল—পার্ল বাকৰ সেই চকুৰ পোহৰ খিনি। "গুড্ আৰ্থ" আৰু সেই সময়ৰ তেওঁৰ প্ৰায়বোৰ উপন্যাসতে চীন

দেশৰ জীৱন, পুৰণি সমাজ-ব্যৱস্থা ইত্যাদি জিলিকি আছে। নোবেল বঁটা ঘোষণাৰ সময়ত ছুইডিছ্ একাডেমীৰ ছেক্রেটাৰী পাৰ হলষ্টর্ম্মে এই বুলি মন্তব্য কৰিছিল :..."for rich and genuine epic portrayals of Chinese life and for masterpieces of biography." গতিকেই আমাৰ আলোচনা স্বাইকৈ চীন দেশৰ জীৱন কেন্দ্র কৰি আৰম্ভ হৈছিল। মই সুধিছিলোঁ: "আপুনি চীন দেশত কিমান বছৰ আছিল?" "চল্লিশ বছৰ" বুলি কৈ মোক তেওঁ পোনপটীয়াকৈ প্রশ্ন কৰিছিল: "আপুনি কি পঢ়ুৱায়?" মই উত্তৰ দিলোঁ: "ইংৰাজী সাহিত্য।" উত্তৰ শুনি তেওঁ তত্তাতৈয়াকৈ কৈছিল: "ময়ো চীন দেশত থাকোঁতে ইংৰাজী সাহিত্য পঢ়ুৱাই-ছিলোঁ।" অৱশেষত পাৰ্ল বাকে উপহাৰ দিয়া "বায়'গ্রেফিকেল্ স্কেটছ্" নামৰ কিতাপখনৰ পাত লুটিয়াই দেখিছিলোঁ,—তাত লেখা আছে: "She taught English literature in the University of Nanking and later Chung Yaung University." অর্থাৎ তেওঁ নান্‌কিন্ আৰু চুংয়ং বিশ্ববিদ্যালয়ত ইংৰাজী সাহিত্য পঢ়ুৱাইছিল। মই সুধিছিলোঁ: "আপুনি চীন দেশত ইমান দিন থাকিবলৈ পাইছিল কেনেকৈ?" তেওঁ উত্তৰ দিছিল: "মই চীন দেশতেই ডাঙৰ দীঘল হৈছিলোঁ। মোৰ পিতা-মাতা উভয়েই তাত বাস কৰিছিল। মই উদাৰ প্রকৃতিৰ আছিলোঁ। সকৰে পৰা চীনা স্কুলত পঢ়িছিলোঁ। কলেজৰ কালছোৱাতহে এই খন দেশলৈ (আমেৰিকালৈ) পঢ়িবলৈ আহিছিলোঁ। চীন দেশত মই জনসাধাৰণৰ লগত মিলি গৈছিলোঁ। চীনা ভাষা, ইংৰাজী ভাষা কোৱাদিয়েই—কেতিয়াবা হয়তো তাতোকৈ ভালকৈয়ে, কব পাৰোঁ।

চীনা শিক্ষকৰ তলত মই চীন দেশীয় কিতাপ পঢ়িছিলোঁ।”…এই বুলি হঠাৎ তেওঁক চিন্তাযুক্ত হোৱা যেন দেখিছিলোঁ। সোঁৱৰণিৰ পাখি লগা কাড়বোৰে যেন তেওঁৰ মনটো বিন্ধি থকা-সৰকা কৰিছেহি, এনে যেন মোৰ অনুমান হৈছিল। অৱশেষত তেওঁ এটা এটাকৈ কবলৈ আৰম্ভ কৰিছিল: “মই যেতিয়া পোন্ধৰ বছৰ বয়সত ভৰি দিওঁ, তেতিয়াহে পোন প্ৰথম বাৰৰ কাৰণে আমেৰিকান্ বন্ধু এজন পাইছিলোঁ।” কথাষাৰ শুনি মনতে মই ভাবিছিলোঁ: “বেচেৰী বুঢ়ীৰ আজি,—জীৱনৰ এই বিয়লি বেলিকা স্মৃতি জাগিছে।”

“আজি এই যৌৱনৰ বিয়লি বেলিকা,
জীৱনৰ বলুকাত বহি,
দেখিছোঁ সপোন,—এৰি অহা দীঘল বাটৰ।”

লগতে ভাব হৈছিল: “এওঁ ছাগৈ পোন্ধৰ বছৰ বয়সত কিমান ধুনীয়া আছিল!” এই বয়সতো পাৰ্ল বাকৰ সৌন্দৰ্য্যৰ ফিৰিঙতিবোৰ তেনেই মাৰ যোৱা নাই।……

“গুড্ আৰ্থ” উপন্যাসত বাঁহ গাজৰ বৰ্ণনা আছে। ইয়াক চীন দেশীয় মানুহে কেনেকৈ খায় তাৰো উল্লেখ আছে। কথাষাৰ মই তেওঁক সোঁৱৰাই দিছিলোঁ। লগতে কৈছিলোঁ: “চীন দেশৰ দৰেই আমাৰ অসমতো ই এবিধ উপাদেয় খাদ্য।” তেওঁ সুধিছিল: “আপোনালোকেও বাঁহ গাজ খায় নেকি?”…“হয় খাওঁ।” “মাছ মাংস একা?” উত্তৰ দিছিলোঁ: “হয় আমি মাছ-মাংসও খাও।” …“কিয়, ভাৰতৰ আন ঠাইৰ মানুহেতো মাছ-মাংস নেখায়। আপোনালোকে খায় কেনেকৈ?” বেৰত ওলমি থকা নেহৰুৰ ছবি খনলৈ আঙুলিয়াই উত্তৰ দিছিলোঁ: “সৌ তেখেতৰ (নেহৰুৰ)

অঞ্চলৰ মানুহে প্ৰায়েই মাছ-মাংস নেখায়। আমাৰ অঞ্চলৰ মানুহে খায়। আমি কিছু স্বকীয়া প্ৰকৃতিৰ। আমাৰ ঠাইৰ জলবায়ু সেমেকা। উত্তাপ দিব পৰা খাদ্য নেখালে আমি বল নেপাওঁ।" (আমাৰ বিষয়ে এই তথ্য বিশেষৰ ব্যাখ্যা ছাৰ্ ই, এ, গেইটৰ বুৰঞ্জীত পঢ়া মনত আছে। কথাষাৰে মোক পতিয়ন নিয়াইছিল। গতিকে এইষাৰ যুক্তিকে মই পাৰ্লবাকৰ আগত দাঙি ধৰিছিলোঁ।) ......অসমৰ বিষয়ে এনে ধৰণৰ আৰু দুই চাৰিটা মাছ-শাক খোৱা কথা পাতি গধুৰ কথালৈ আমি উলটি আহিছিলোঁ। জয়জয়তে আমি আমেৰিকাৰ নিগ্ৰোসকলৰ কথাৰে পাতনি মেলিছিলোঁ। কেনেকৈ ইতিমধ্যে মই বহুত নিগ্ৰো মানুহ লগ পাইছোঁ, সেই সকলে মোক কি কৈছে, এটাইবোৰ কথা তেওঁক মই এটা এটাকৈ বিবৰি কৈছিলোঁ। এই বিষয়ে তেওঁৰ ভাবধাৰা আমাৰ আলোচনাৰ টোকাৰপৰা নিদি, "বাৰ্নিং টু ফ্ৰি নেছনছ্" বোলা তেওঁৰ প্ৰবন্ধ এটাৰ পৰাই দিওঁ :

"I speak of thirteen million Negroes in the United States of America, who are oppressed by race prejudice which prevents their taking any active share in the life of the nation. They are excluded socially and economically and culturally by the white American and yet they are told to-day to fight for the liberty and equality of democracy; who can blame them if they ask: 'Whose liberty? What equality?......"

গান্ধীজীৰ ৭৫তম জন্মতিথি উৎসৱ সম্বন্ধীয় সংকলন এটাত পাৰ্ল বাকে মহাত্মাৰ সম্বন্ধে লেখা মন্তব্য খিনি মোৰ মনত পৰিছিল।

কথাখিনি মোৰ মুখস্থ আছিল। মই তেওঁক মাতি শুনাইছিলোঁ।

"Gandhi has helped his people to know what they want and he has set their feet firmly on the path of freedom, but before he did this, he was himself a product of their crystallising desire to be free......Such a leader comes only at the confluence of a people's need and desire with the birth of an individual able by his natural gifts, to feel that need and express that desire."

কথাষাৰ শুনি মানুহগৰাকীৰ চকু দুটা উজ্জ্বল হৈ উঠিছিল।

ইয়াৰ পাছত আমি উপন্যাসৰ কথালৈ উলটি আহিছিলোঁ। মই কৈছিলোঁ: "ক্যামিণ্টাং আমোলত প্রচলিত জন-সাধাৰণৰ দুখ-দুর্গতি, তেওঁলোকৰ প্রতি অত্যাচাৰ-অবিচাৰ আপুনি ইমান চিত্তাকর্ষক কৈ বর্ণাইছে যে,—মই ভবাত, ইয়েই পৰবর্ত্তী কালছোৱাত লোক-বিপ্লৱৰ বহুত খিনি ইন্ধন যোগাইছিল। নহয় জানো?" এনে এটা নঙঠা প্রশ্নই যে মানুহগৰাকীক শলঠেকত পেলাব, সেইষাৰ কথা মই আগতীয়াকৈয়ে জানিছিলোঁ। উপন্যাসসমূহৰ এনে ব্যাখ্যা তেওঁ হয়তো আগতে কেতিয়াও শুনা নাছিল। তথাপি তেওঁ সকলো উত্তেজনা হেঁচা মাৰি থৈ কৈছিল: "আওপকীয়া ভাবে ই হয়তো কৰিছিল। তথাপি চীন দেশত কমিউনিষ্ট আন্দোলন বহুত দীঘলীয়া বস্তু। প্রকৃততে ইয়াৰ আৰম্ভ চীনদেশত ১৯২১ চনতে হৈছিল। ছানয়াৎ সেনে ইয়াক ৰুছ দেশৰ পৰা গ্রহণ কৰিছিল। পছিমীয়া আন শক্তিসমূহৰ পৰা তেওঁ সহায় পোৱা নাছিল। গতিকেই ৰুছ দেশৰ সহায় গ্রহণ কৰিবলৈ তেওঁ বাধ্য হৈছিল। ১৯২৭ চন পর্য্যন্ত

চীনা কমিউনিষ্ট পাৰ্টি নেছনেলিষ্ট পাৰ্টিৰ অন্তৰ্ভুক্ত আছিল। অৱশেষত শ্বিয়াংকেইশ্বেকে দুয়োটা দলৰ মাজত বিভেদ সৃষ্টি কৰে। আৰু ইয়েই দুয়োটা শক্তিৰ ভিতৰত দীঘলীয়া সংগ্ৰামৰ সূত্ৰপাতৰ সৃষ্টি কৰে। শ্বিয়াংয়ে এই সংগ্ৰামত সৰ্ব্বস্ব ত্যাগ কৰিব লগা হৈছিল। আনকি দেশৰ গঠন উন্নতিও তেওঁ জলাঞ্জলি দিব লগা হৈছিল। লগতে জাপানীহঁতকো আক্ৰমণৰ সুবিধা দিয়া হৈছিল।" ⋯এই খিনিতেই মই বাধা দি কৈছিলোঁ: "এইটো কেনে কথা? এইয়া জানো বিশ্বাসঘাতকতা নহয়?" পাৰ্ল বাকে উত্তৰ দিছিল: "শ্বিয়াংয়ে সৰ্ব্বপ্ৰথমে বিচাৰিছিল দেশৰ ঐক্য। এনে দৰে থাকোঁতেই আন পিনেদি জাপানীহঁতে দেশখন প্ৰায় জয় কৰিছিল।"⋯⋯

ইয়াৰ পাছত আমি "গুড্ আৰ্থ" ফিল্মখনৰ কথা পাতিছিলোঁ। লগতে এই উপন্যাসখনৰ পৰাই জানো পাৰ্ল বাকৰ আন্তৰ্জ্জাতিক খ্যাতিৰ অভ্যুদয় হোৱা নাছিল ইত্যাদি বহুত কথা তেওঁৰ পৰা পোনপটীয়াকৈ জানিবলৈ মন গৈছিল। আন দুখন উপন্যাস,— "ছান্স" আৰু "হাউছ্ ডিভাইডেড" ইয়াৰেই ক্ৰমশঃ নে উন্নীত-কৰণ সেই বিষয়েও জানিবলৈ ইচ্ছা হৈছিল। মোৰ প্ৰশ্নৰ উত্তৰত পাৰ্ল বাকে কৈছিল: "এই প্ৰত্যেকখন কিতাপতেই চীনা জীৱনৰ একোটা অধ্যায় প্ৰকাশ পাইছে। ৰণ-নায়ক (warlord) সকল চীনা বুৰঞ্জীৰ এটা ঐতিহ্যপূৰ্ণ বস্তু। চীনা বুৰঞ্জী সৰ্ব্বমুঠ চব্বিশটা পৰিয়ালত বিভক্ত। ইটো পৰিয়ালৰ লগত সিটো পৰিয়ালৰ ৰণ আহ্বান এটা সাধাৰণ কথা। এনেদৰে ৰণৰ শেষত যি জনেই সৰ্ব্বশক্তিমন্ত বুলি প্ৰতিপন্ন হৈছিল, তেৱেঁই সম্ৰাট বুলি ঘোষিত হৈছিল। এইয়ে হৈছে চীনা বুৰঞ্জীৰ আৰ্হি (pattern)।" এই

খিনিতেই অন্ত নকৰি তেওঁ নিজে নিজে কৈ গৈছিল: "১৯১১ চনত মাও ছি কৈদৰ শাসন অন্ত পৰিছিল। এই ৰণ-নায়ক সকলৰ আমোলত মোৰ জীৱন অতিবাহিত হৈছিল। খিয়াংয়ে ৰণ-নায়কসকলৰ লগত সেই পুৰণি আৰ্হিৰে ৰণ দিব লগা হৈছিল। এনেতে জাপানে চীন দেশ আক্ৰমণ কৰিছিল।"...এই বুলি তেওঁ মোক হঠাতে প্ৰশ্ন কৰিছিল: "আপুনি আজি-কালিৰ চীন দেশলৈ কেতিয়াবা গৈছে নে?" মই কৈছিলোঁ: "যোৱা নাই। যাবলৈ আগ্ৰহ আছে। কিন্তু শুনিছোঁ তেওঁলোক হেনো ভালেখিনি আগ বাঢ়িছে।" .....ইয়াৰ পাছত পাৰ্ল বাক্ কিছু সময় নিস্তব্ধ হৈ আছিল। গোটেই কোঠাটো যেন সেই নিস্তব্ধতাই জয় কৰি পেলাইছিল। অৱশেষত নিস্তব্ধতাৰ অন্ত পেলাই তেওঁ কবলৈ আৰম্ভ কৰিছিল: "কমিউনিজমে কি কৰিব মই নেজানোঁ। ই হয়তো সেই একেটা আৰ্হিৰে অংশ। (part of the same pattern)। বৌদ্ধধৰ্ম্মক চীনা সংস্কৃতিসম্ভূত কৰিবলৈ তেওঁলোকৰ পাঁচশ বছৰ লাগিছিল। এতিয়া হয়তো কমিউনিজমক তেনে কৰিবলৈ আৰু এশ বছৰ মানৰ প্ৰয়োজন হব।" এই খিনি পুৰণি নাটকীয় চৰিত্ৰই ৰঙ্গমঞ্চত স্ব-উক্তি (soliloquy) মতা দি তেওঁ মাতি গৈছিল। মই একোকে কোৱা নাছিলোঁ।......ইয়াৰ পাছত আমাৰ দেশৰ বৰ্ণ-বিভাগ, খ্ৰীষ্টিয়ান্ মিছনেৰী সকলৰ প্ৰচাৰ ইত্যাদি লানি নিছিগা ভালেমান কথা পাতিছিলোঁ। অকস্মাৎ তেওঁ এটা প্ৰশ্ন কৰিছিল: "আপোনাসকলৰ শূদ্ৰ সমাজ বল-প্ৰয়োগৰ দ্বাৰা আদায় কৰা শ্ৰমিকৰ (forced labour) পৰ্য্যায়ত জানো নপৰে?" প্ৰশ্নটোৰ উত্তৰ দীঘলীয়াকৈ দিব লগা হৈছিল। আদিম ভাৰতীয়

সমাজ-ব্যৱস্থা আৰু বৰ্ণ-বিভাগ অনুষ্ঠানকে আৰম্ভ কৰি আজিৰ গণতান্ত্ৰিক অৱস্থালৈকে বহুত কথা সামৰিব লগা হৈছিল। বহুত ভুল ধাৰণা অপ-প্ৰচাৰ বা প্ৰচাৰৰ অভাবৰ কাৰণে সৃষ্ট হোৱা বস্তু।······ যুক্তৰাষ্ট্ৰত বহুত চীনা মানুহ আছে। এতিয়ালৈকে এনে 'এখন চহৰ পোৱা নাই য'ত চীনা মানুহৰ দোকান, ৰেষ্টোৰাঁ বা চীনা মানুহ নাই। লগতে এতিয়ালৈকে এনে এটা ভাস্কৰ্য্য-কলাৰ যাদুঘৰ পোৱা নাই য'ত চীনা ভাস্কৰ্য্য—মূৰ্ত্তি, পাত্ৰ আদি বাছকবনীয়া বস্তু-সম্ভাৰ উভৈনদী হৈ থকা পোৱা নাই। এই বিষয়ে পাৰ্ল বাকৰ মতামত জানিবলৈ মই আগ্ৰহ প্ৰকাশ কৰিছিলোঁ। গতিকেই তেওঁক পোনপটীয়াকৈয়ে সুধিছিলোঁ: "ইয়াত থকা চীনদেশীয় জন-সংখ্যাই নিজৰ দেশৰ কথা নেভাবেনে? নিজা গৃহ-ভূমিলৈ তেওঁলোক উলটি যাব নোখোজে নে?" ইয়াৰ উত্তৰ পাৰ্ল বাকে সংক্ষেপতে এনে দৰে দিছিল: "ইয়াত (নিউয়ৰ্ক চহৰত) কেইবা হেজাৰো চীন দেশীয় মানুহ আছে। এই মানুহ খিনিক তিনিটা বহল ভাগত ভগাব পাৰি। (১) ব্যৱসায়ী শ্ৰেণী—এওঁলোক ইয়াতে ভালেমান বছৰ ধৰি বসবাস কৰিছে। বৰ্ত্তমান এই মানুহবোৰ নাগৰিক স্বত্ব-প্ৰাপ্ত (naturalised) আমেৰিকাবাসী। এওঁলোকে দেশলৈ উলটি যাব নোখোজে। (২) চহকী ভগনীয়া আৰু আশ্ৰয়-প্ৰাৰ্থী শ্ৰেণী—ইয়াৰে কিছুমান নেছনেলিষ্ট ভগনীয়া ঘূৰি যাব খোজে। ঘূৰি গলে কমিউনিষ্টসকলে তেওঁলোকক হত্যা কৰিব পাৰে বুলি, তেওঁলোক শঙ্কাতুৰ। (৩) ডেকা ছাত্ৰ শ্ৰেণী—আচলতে কমিউনিষ্ট নহয় যদিও দেশ-প্ৰেমে এওঁলোকক মাজে সময়ে নিজৰ দেশ চাবলৈ ইচ্ছুক কৰি তোলে।"···এই খিনিতেই মই মাত

লগাইছিলোঁ : "ইতিমধ্যে ইয়াত মই কিছুমান চীন দেশীয় মানুহ লগ পাইছোঁ। তেওঁলোকে মোক কৈছে,—যুক্তৰাষ্ট্ৰৰ চৰকাৰে হেনো তেওঁলোকক নিজ দেশলৈ ঘূৰি যাবলৈ দিব নোখোজে। কথাষাৰ যদি সঁচা হয়, তেন্তে ই এটা আন্তৰ্জ্জাতিক প্ৰশ্ন হোৱা উচিত।" ..."ওঁহো, হব নোৱাৰে।" পাৰ্ল বাকে উত্তৰত কৈছিল: "অন্ততঃ এনে কথা মোৰ অবগত নাই।" ইমান দিনে আনক সুধি অহা একেটা প্ৰশ্নকে মই তেওঁকো সুধিছিলোঁ। "যুক্তৰাষ্ট্ৰৰ কমিউনিষ্ট বিৰোধী মতবাদ এটা ৰোগত পৰিণত হৈছে। কথাষাৰ সঁচা নে?"...... "হয়। কথাষাৰ সঁচা। ইয়াৰ বহুতেই এই ৰোগটোক নিজা ৰাজনৈতিক উদ্দেশ্য সিদ্ধিৰ কাৰণে ব্যৱহাৰ কৰিবলৈ বিচাৰে। মই ভবাত আপোনাৰ এনে ধাৰণাৰ কাৰণ হৈছে ম্যাক্আৰ্থি। আমাৰ দেশৰ বহুতেই এই মানুহজনক সমূলি দেখিব নোৱাৰে। তেওঁৰ ৰাজনৈতিক ক্ষমতাৰ চূড়া ক্ৰমাৎ ভাঙি পৰিছে।" (এইষাৰ কথা চিকাগো চহৰৰ ফ্ৰেঙ্ক্ ছিলনস্কি নামেৰে এজন উকীলক মই কৈছিলোঁ। ইয়াৰ উত্তৰত তেওঁ কৈছিল: "ম্যাক্আৰ্থিৰ ৰাজনৈতিক ক্ষমতাৰ চূড়া এতিয়াও সম্পূৰ্ণৰূপে ভাঙি পৰা নাই। ই অৱশ্যে যিমান সোনকালেই ভাঙি পৰে, সিমানেই দেশৰ হকে মঙ্গল।") ...পাৰ্ল বাকৰ ইংৰাজী বাক্য প্ৰণয়নলৈ মই প্ৰায়েই মন কৰিছিলোঁ। ইংৰাজ এজনে "মই ভাবো," এইষাৰ কথা "I think"—এনেদৰে প্ৰকাশ কৰে। সাধাৰণতে প্ৰায় আমেৰিকানেই এই ফাকি খণ্ড বাক্য ব্যৱহাৰ নকৰে। তাৰ ঠাইত তেওঁলোকে "I guess", এই ফাকি খণ্ড বাক্যৰ অতিৰিক্ত ব্যৱহাৰ কৰে। আদিৰে পৰা শুৰিলৈকে পাৰ্ল বাকক "I think" ব্যৱহাৰ কৰা দেখিছিলোঁ। মই এবাৰ

খেমালিৰ সুৰত তেওঁক সুধি পেলাইছিলোঁ। "কি কথা, আপুনি দেখোন আমেৰিকান 'I guess'-ৰ ঠাইত ইংৰাজৰ 'I think' ব্যৱহাৰ কৰিছে ?" কথাষাৰ শুনি তেওঁৰ হাঁহি উঠিছিল। অৱশেষত হাঁহি সামৰি তেওঁ কৈছিল: " 'I guess' হৈছে থলুৱা ভাষা (localism)। মোৰ শিক্ষাৰ সৰহ ভাগেই বাহিৰত হৈছিল। গতিকেই ই প্ৰকৃত আমেৰিকান পদ্ধতিগত নহয়।"......

আমি ক্ৰমাৎ সৰ্ব্বসাধাৰণ সাহিত্যৰ কথালৈ আহিছিলোঁ। আমেৰিকাৰ পঢ়ুৱৈ সমাজৰ মন বিশ্লেষণ কৰি চাবলৈ মন গৈছিল। ৱশ্বিংটন চহৰত থাকোঁতেও এই বিষয়ে কিছু যত্ন কৰিছিলোঁ। এই বিষয়ে বহুত খিনি আগো বাঢ়িছিলোঁ।· পাৰ্ল বাকক লগ পাই এটা সুন্দৰ সুযোগ পাইছিলোঁ। গতিকেই তেওঁক সুধিছিলোঁ: "ইয়াত কবিতা, নাটক, উপন্যাস—কোন বিধ সাহিত্য বেছি জনপ্ৰিয় ?" তাৰ উত্তৰত তেওঁ কৈছিল: "এটাইতকৈ বেছি জনপ্ৰিয় হৈছে non-fiction"···"এই non-fiction মানে আপুনি কোন বিধ সাহিত্যৰ কথা বুজাব খুজিছে ?" তাৰ উত্তৰত পাৰ্ল বাকে কৈছিল: "ইয়াৰ অৰ্থ হৈছে অভিযানধৰ্ম্মী সাহিত্য। যেনে সাগৰ ভ্ৰমণ, পৰ্ব্বত আৰোহণ ইত্যাদি।" মনতে ভাবিছিলোঁ: "এই কাৰণেই হয়তো এইখন দেশত কন্টিকীৰ অভিযানৰ লেখীয়া সাহিত্যৰ সমাদৰ বৰ বেছি।" ডাঙৰকৈ মই কৈছিলোঁ: "ইয়াত তেন্তে এভাৰেষ্ট বিজয় কাহিনীৰ সমাদৰ বৰ বেছি হব।"......"হয়" বুলি তেওঁ উত্তৰ দিছিল।

এই খিনিতে কথাৰ সামৰণি নেমাৰি আকৌ সুধিছিলোঁ: "আপোনালোকৰ ইয়াত কবিতাৰ জনপ্ৰিয়তা কেনে ?"···"কবিতা

বিশেষ জনপ্ৰিয় নহয়", ঔপন্যাসিকগৰাকীয়ে উত্তৰ দিছিল। "উপন্যাস একা ?" পাৰ্ল বাকে উত্তৰ দিছিল ঃ "আগৰ দৰে বৰ্ত্তমান উপন্যাসৰ জনপ্ৰিয়তা নাই। মই ভবাত এইটো এটা সাময়িক অৱস্থাহে।"......"ভাল বাৰু। মানুহে কোন বিধ উপন্যাস বেছি ভাল পায় ? ৰোমান্টিকধৰ্ম্মী নে বাস্তৱধৰ্ম্মী ?"..."ইয়াৰ / মানুহে বুৰঞ্জীমূলক উপন্যাসহে বেছি ভাল পায়।" আকৌ প্ৰশ্ন কৰিলোঁ ঃ "বুৰঞ্জীমূলক উপন্যাসেই যদি হয়, তেন্তে কেনে প্ৰকাৰৰ বুৰঞ্জী তেওঁলোকে বিচাৰে ?"..."পুৰণি আমেৰিকান ঘটনাসমূহ", পাৰ্ল বাকে সাহেকৈ উত্তৰ দিছিল।...এইখিনিতেই বৰ্ত্তমান গোটেই পৃথিৱীৰ সাহিত্যতে এনে এটা ধাৰা স্পষ্টভাবে পৰিলক্ষিত হৈছে বুলি মই কৈছিলোঁ। "বৰ্ত্তমান বিশ্বসাহিত্য আৰু শিল্পকলাত অতীতৰ বুকুলৈ উলটি যোৱা, ইয়াক ন-কৈ ৰূপায়িত কৰা আদৰ্শ প্ৰকট হৈছে"—এই বুলি মই লগতে যোগ দিছিলোঁ। পাৰ্ল বাকে হাঁহি হাঁহি উত্তৰ দিছিল ঃ "অতীতৰ বুকুলৈ উলটি যোৱা", এই বুলি কৈ তেওঁ আকৌ হাঁহিছিল ঃ "সম্ভৱতঃ বৰ্ত্তমান যুগটো বৰ গণ্ডগোলীয়া (confused)"। মৰমৰ পাৰ-ভাঙি যোৱা এই হাঁহিটোৱে খন্তেকলৈ মোৰ মনত পেলাই দি গৈছিল—নলিনী দেৱীৰ স্নিগ্ধ মুখখনৰ কথা। মনতে দুয়োখন মুখ বিজাই চাইছিলোঁ। পাৰ্ল বাকৰ বয়স সম্ভৱতঃ নলিনী দেৱীৰ বয়সতকৈ বেছি হব। কিন্তু স্বাস্থ্যৰ পিনৰ পৰা মানুহগৰাকী বেছ মজবুত হৈ থকা যেন লাগিছিল।......

আমাৰ কথা ইমানতে অন্ত পৰা নাছিল। মই আকৌ কথাৰ পাতনি মেলিছিলোঁ। "চাওক, ইংলণ্ডত এতিয়াও মানুহৰ কবিতাৰ প্ৰতি পুৰণি আগ্ৰহ অটুট হৈয়ে আছে।"..."হয়, আছে। ইয়াৰ

কাৰণ হৈছে ইংৰাজসকল আমাতোকৈ বেছি ৰোমাণ্টিক ভাৱাপন্ন মানুহ। তেওঁলোক আমাতোকৈ কাব্যপ্ৰাণ মানুহ।" এই খিনিতে মই টপৰাই যোগ দিছিলোঁ: "আৰু আপোনালোক, আমেৰিকান সকল, বেছি অৰ্থপ্ৰাণ (materialistic) মানুহ, নহয় জানো ?" কথাষাৰ পাৰ্ল বাকৰ সহ্য হোৱা নাছিল। "মই আমেৰিকান সকল অৰ্থপ্ৰাণ মানুহ বুলি নেভাবোঁ। আমি হৈছো বেছি বাস্তৱপ্ৰাণ (concrete-minded) মানুহ।"……"আপোনালোকৰ বাৰু টি, এছ্, ইলিয়টক কেনে লাগে ?" মই প্ৰশ্ন কৰিছিলোঁ। "কবিসকলৰ ভিতৰত তেৱেঁই ইয়াত এটাইতকৈ অধিক জন-প্ৰিয়। ইয়াত সৰ্ব্বসাধাৰণ মানুহে অৱশ্যে কবিতা নপঢ়ে। আচলতে তেওঁলোকে বিশেষ একোকেই পঢ়িব নোখোজে। তেওঁলোকে মাথোন টেলিভিছন্ চায়।"—সাহিত্যিকগৰাকীয়ে কৈছিল।…

মই কৈছিলোঁ: "সৰ্ব্বসাধাৰণ মানুহে টি, এছ্, ইলিয়ট পঢ়িব কেনেকৈ ? তেওঁ যে উচ্চ ধৰণৰ বুদ্ধিজীৱী কবি।"……"কথাষাৰ সঁচা। আৰু ইয়াত হৈছে বুদ্ধিজীৱীৰ সংখ্যা তেনেই তাকৰ।" টি, এছ্, ইলিয়টৰ কথা এই খিনিতেই সামৰণি মাৰি আন এগৰাকী আধুনিক কবি ডব্লিউ, এইছ্, অ'ডেনৰ বিষয়ে জানিবলৈ মোৰ আগ্ৰহ হৈছিল। পাৰ্ল বাকে ইয়াৰ উত্তৰত কৈছিল: "অ'ডেনৰ স্থান ইলিয়টৰ দ্বিতীয়ত। ইলিয়ট আৰু অ'ডেন প্ৰায়বোৰ আমেৰিকান্ কবিতকৈ বহুত ওপৰত। তেওঁলোক শীৰ্ষস্থানীয় কবি।"……

পাৰ্ল বাকৰ এখন নতুন উপন্যাস প্ৰকাশ হৈছে বুলি ৱাশ্বিংটন চহৰত শুনিছিলোঁ। কিতাপখনে ইতিমধ্যে যথোচিত জনপ্ৰিয়তা অৰ্জ্জিছে বুলিও শুনিছিলোঁ। আৰু লগতে কিতাপখনত ব্যক্তিগত

জীৱনৰ এটা বেদনাসিক্ত কাহিনীও জড়িত আছে বুলি শুনিছিলোঁ। ব্যক্তিগত জীৱনৰ কথালৈ আগবাঢ়িবলৈ মন যোৱা নাছিল। গতিকেই মই মাথোন সুধিছিলোঁ ঃ "আপোনাৰ শেহতীয়া কিতাপখন কি?" তেওঁ লাহেকৈ উত্তৰ দিছিল ঃ "কাম মাই বিলাভেড্"। মই আকৌ সুধিছিলোঁ ঃ "কিতাপখনৰ মূল বিষয়বস্তু কি?" চমুকৈ কিতাপখনৰ বিষয়ে পাৰ্ল বাকে এনে দৰে কৈছিল ঃ "ভাৰতীয় পটভূমিত ধৰ্ম্মযাজক পৰিয়াল এটাৰ জীৱন-কাহিনী কিতাপখনত বৰ্ণনা কৰা হৈছে। ইয়াৰ কেন্দ্ৰস্থ ভাব হৈছে—আদৰ্শৰ বেদীত সৰ্ব্বস্ব ত্যাগ কৰিব নোৱাৰিলে আদৰ্শৰ মৃত্যু ঘটে।" কথাষাৰ কোৱা শেষ হোৱাৰ লগে লগে মই চিঞৰি উঠিছিলোঁ ঃ "এইয়া হৈছে একেবাৰেই গান্ধী দৰ্শনবাদী।"...... "আৰু এই কাৰণেই ইয়াৰ পটভূমি মই ভাৰতত পাতিছোঁ।" এই বুলি তেওঁ টপৰাই উত্তৰ দিছিল। লগতে আৰু কৈছিল ঃ "এইটো কথাকে আমেৰিকান সকলে বুজিব নোৱাৰে। আমি হয়তো এতিয়াও চালুকীয়া অৱস্থাতে আছোঁ।"......এই বুলি তেওঁ ভিতৰলৈ উঠি গৈছিল। অলপ সময়ৰ পাছতেই হাতত দুখন যটো আৰু এখন কিতাপ লৈ তেওঁ উলটি আহিছিল। কিতাপ আৰু ফটোত নাম লেখি থকা অৱস্থাতে মোক তেওঁ সুধিছিল ঃ "হেম শব্দৰ অৰ্থ কি?" মই ততাতৈয়াকৈ উত্তৰ দিছিলোঁ। উত্তৰটো মোৰ ভুল হৈছিল। তেতিয়াই মনত পৰিছিল। ভুল হৈছিল যদিও কথাবাৰ শুধৰাই দিবলৈ মন যোৱা নাছিল। গতিকেই আৰু শুধৰাই দিয়া নহল।.......

ক্ৰমাৎ এনেদৰেই আমাৰ আলোচনাৰ ওৰ পৰিছিল। তেতিয়াও বাহিৰত হিম-চেঁচা বতাহজাকে বিনাবলৈ এৰা নাছিল। বৰফৰ বগা

পখিলাজাক তেতিয়াও ওপঙিয়েই আছিল। হাত দুখন যুৰি,—আমাৰ দেশৰ ধৰণেৰে বিদায় লৈছিলোঁ। পাৰ্ল বাকেও তেনে ধৰণেৰেই মোক বিদায় দিছিল। হোটেল যেতিয়া পাইছিলোঁহি তেতিয়া নিশা ভালেমান হৈছিল। অকলশৰীয়া কোঠাটোত ভৰি দিয়েই—বিয়াৰ দিনা পুন্না ব্লাং-ৰ মনলৈ অহা ভাববোৰৰ দৰেই, মোৰ মনলৈ নানা ভাব আহিছিল। দৰাচলতে ভাবৰ বানপানী নামিছিল। বিষয়বস্তুবোৰ অৱশ্যে স্বকীয়া। পটভূমিও স্বকীয়া।…… লগতে মনৰ পৰ্দ্দাত, তাহানি শুনা গান এটাৰ মৃদু কঁপনি উঠিছিল।

“সাগৰ দেখেছ? শুনেছ তাৰ প্ৰাণেৰ.
গোপন বাণী?… ..”

DISTRICT LIBRARY GAUHATI

এন্ আৰ্বৰ্, মিছিগান্

……আমাৰ কাৰণে কান্দে,
গাভৰুৰ ওঁঠৰ লালিমা……

যন্ত্ৰচালিত কোলাহলপূৰ্ণ নিউয়ৰ্ক চহৰ চাই ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰ কথা কল্পনা কৰিব নোৱাৰি। চহৰবোৰত মানুহৰ যান্ত্ৰিক কলা-কৌশলে চৰম সীমা চুইছে। আনহাতে বহল মাটিৰ মুকলি বুকুত প্ৰকৃতি-ৰাণীয়ে মুক্তভাবে বিচৰণ কৰিছে। ৰমকজমক। চালে চকু ৰোৱা। চহৰ এৰাৰ লগে লগেই বাহিৰৰ পৃথিৱীৰ উদং কোলা চকুত পৰে। শ শ মাইল জুৰি উদং হৈ পৰি আছে। ক'ৰবাত দুই এটা টিলা। দুই এখন জলাশয়। দুই এখন ধীৰ, মন্থৰ গতিৰ নদী। মাজে মাজে মানুহৰ দুই চাৰিটা ঘৰ। নিকা, সৰু ঘৰ। যেনিবা চহৰতলীৰ পৰা দূৰত কোনোবাই পাম পাতিহে আছে। আচলতে প্ৰকৃতিৰ কোলা সম্পূৰ্ণ উদং নহয়। ইয়াত হেজাৰ হেজাৰ ফুল-পাত-ফল নোহোৱা নঙঠা গছ থিয় হৈ আছে। এইবোৰৰ মাজে মাজে বৰফৰ জিলিঙনি। অৱশ্যে বৰফৰ আতিশয্য পোন প্ৰথমেই মই বোষ্টন চহৰত দেখিছিলোঁ। যিমানেই ভটিয়াই আহিছোঁ সিমানেই এইবোৰ সৰহীয়াকৈ দেখি আহিছোঁ। এই এনাট'মীৰ আঁকাবোৰৰ লেখীয়া গছবোৰৰ মাজত যে দুই এডাল

সেউজীয়া গছ-পাত নাই, এনে নহয়। আছে। সিবোৰক চিৰ-সেউজ (ever-green) বোলা হয়। সেইবোৰৰ সেউজীয়া স্পৰ্শত শীতৰ সকলো অভিযান ব্যৰ্থ হৈ গৈছে। বৰফৰ আতিশয্যই স্বাভাৱিকতে মনলৈ আনে: "......নিয়তিৰ সতে হেৰা মানুহৰ সংগ্ৰাম অক্ষয়...।" মানুহৰ নহয়। গছ পাতৰহে। এই নওঠা গছবোৰৰ ভিতৰত মেপোল্, এলম, চেৰী ইত্যাদিয়েই সৰ্ব্বপ্ৰধান। বসন্ত কাল ইয়াত চৰকাৰী ভাবে ফেব্ৰুৱাৰী মাহৰ ২৩ তাৰিখৰ পৰা আৰম্ভ হয়। আচলতে গছ পাতৰ পিনৰ পৰা ই আৰম্ভ হয় মাৰ্চ্চ মাহৰ শেষ ভাগৰ পৰাহে।...ফাগুন যেতিয়া আহে—এই গছবোৰ নানা বৰণীয়া ফুল পাতেৰে ওলমি পৰে। কিমান যে ৰং। তেজীৰঙা, হালধীয়া, পকা সুমথিৰা বৰণীয়া, গুলপীয়া, সোণালী ইত্যাদি বিবিধ ৰঙৰ এক মহামেলা আৰম্ভ হয়।......নায়েগ্ৰা জলপ্ৰপাত চাবলৈ গৈছিলোঁ। বাটত যাওঁতে গাড়ীৰ চালকজনে এই ৰংবোৰৰ বৰ্ণনা দি একেবাৰেই তন্ময় হৈ গৈছিল। ইয়াৰ টেক্সী ড্ৰাইভাৰবোৰৰ লগত কথা পাতি বৰ আৰাম আছে। গাড়ীত উঠিলেই, বিমান সাধাৰণ নহওক লাগিলে, কিবা এটা বিষয়বস্তু লৈ আলোচনা আৰম্ভ কৰি দিয়ক। দেখিব সিফালৰ পৰা লানি নিছিগাকৈ কথাৰ আখৈ ফুটিছে। আনকি গন্তব্য স্থান পোৱাৰ পিছতো মানুহজনে গাড়ী ৰাখি আৰু দু আষাৰ কথা কব। তেহে ৰক্ষা। মোৰ গাড়ীৰ ড্ৰাইভাৰ জনক সুধিছিলোঁ: 'ইয়াত গছ পাতৰ ৰং কেতিয়া বেছি মনোমোহা হয়? বসন্ত কালত নে শৰৎ কালত?" মানুহজনে প্ৰশ্নটোৰ উত্তৰ একে উশাহেই দিছিল: "শৰৎ কালত। বসন্ত কালত ইয়াত বৰষুণ হয়। গছ পাতৰ ৰং উগ্ৰ হৈ উঠে। ইমান উগ্ৰ ৰং

মোৰ ভাল নেলাগে। শৰৎ কালত ৰংবোৰ মৃদু হয়। গতিকে শৰৎ কালৰ ৰং বিশেষকৈ ভাল লাগে।”······মনতে ভাবিছিলোঁ ঃ “মানুহজন কবি নে ড্ৰাইভাৰ ?”······পিছ মুহূৰ্ত্ততে মনত পৰিছিল কীটছৰ “অ'ড্ টু অটম্” বোলা কবিতাটোলৈ। তেওঁতো প্ৰকৃতিৰ ৰূপৰ বৰ্ণনা এই দৃষ্টিকোণৰ পৰাই দিছে। গীতমুখৰ বস্তুৰ বৰ্ণনা।

“আপুনি থাকি যাওক, কি ৰঙৰ বাহাৰ দেখিব,” ড্ৰাইভাৰজনে কৈছিল। ইয়াত যেতিয়া চেৰীফুলবোৰ ফুলে—বগা আৰু পিঙ্ক, তেতিয়াও এক চাব লগা শোভাৰ সৃষ্টি হয়। ৱশ্বিংটন চহৰত থাকোঁতে আণবিক বৈজ্ঞানিক ডক্টৰ ব্ৰেঞ্চকম্বৰ লগত মই এই চেৰী ফুলৰ কথা পাতিছিলোঁ। যোৱা যুদ্ধৰ সময়ত “ৰোমাণ্টিক জাপান” বোলা এখন কিতাপ পঢ়া মনত আছে। কিতাপখনত জাপানী দেশৰ চেৰী ফুলৰ মনোৰম বৰ্ণনা আছে। গোটেই মে' মাহটো উভৈনদী হৈ জাপানত চেৰী ফুল ফুলে। এই মাহতেই হেনো গোটেই জাতিটো উন্মাদ হৈ পৰে। জাপানৰ সংখ্যা-বিজ্ঞান বিভাগৰ মতে জাপানী ডেকা-গাভৰুৱে হেনো এই মাহতেই এটাইতকৈ বেছি আত্মহত্যা কৰে। এই প্ৰণয়াপ্লুত আত্মহত্যাক জাপানী ভাষাতে ‘চিঞ্জু’ বোলা হয়। ইয়াৰ আকৰ্ষণীয় বৰ্ণনা লফ্‌কেদিয় হাৰ্ণ-ৰ “আন্‌ফেমিলিয়াৰ্ জাপান” বোলা কিতাপত আছে। এই সকলোবোৰ কথা মই পুঙ্খানুপুঙ্খ ক্ৰমে আণৱিক বৈজ্ঞানিক গৰাকীক কৈছিলোঁ।······চেৰী ফুল এতিয়াও মই নিজ চকুৰে দেখা নাই। এইবোৰৰ অৱশ্যে ছবি দেখিছোঁ, বৰ্ণনাও পঢ়িছোঁ। বিশেষকৈ জাপানী “টঙ্কা” আৰু “হক্কু”

কবিতাত। এইবোৰ হেনো পখিলাৰ পাখিয়েই নে ফুলৰ পাহিয়েই ধৰিবকে নোৱাৰি। ইমান নিমজ। ইমান মিহি।......নায়েগ্ৰা জল-প্ৰপাতৰ শোভাই মোক তন্ময় কৰিছিল। ইমান গাম্ভীৰ্য্যপূৰ্ণ অথচ ইমান বিচিত্ৰ। আমাৰ বশিষ্ঠাশ্ৰমৰ সন্ধ্যা-কান্তা-ললিতাক হেজাৰ গুণে ডাঙৰ কৰি চালে, কল্পনাত যিখন ছবি ধৰা পৰিব,—সেইখনেই হৈছে বাস্তৱতে নায়েগ্ৰা জলপ্ৰপাতৰ ছবি। এই জলপ্ৰপাতটোৱেই হৈছে আমেৰিকাৰ যুক্তৰাষ্ট্ৰ আৰু কানাডাৰ সীমাৰেখা। ইপাৰৰ পৰা সিপাৰৰ ঘৰবোৰ দেখি। জলপ্ৰপাতটোৰ দুটা ভাগ। এটা আমেৰিকান, আনটো কেনেডিয়ান্। দ্বিতীয়টোক "হৰ্ছ্ শ্যু ফলছ্" বোলা হয়। এইটো দেখিবলৈ ঘোঁৰাৰ খুৰাৰ লেখীয়া। জলপ্ৰপাত-টোৱে কিমান পানী কঢ়িয়াই আনে, ই কিমান ওপৰৰ পৰা নামি আহিছে, ইত্যাদি তথ্যৰ বৰ্ণনা যেই কোনো স্কুলীয়া ভূগোল পাঠেই দিব। গতিকে সংখ্যাৰ হেঁচাৰে প্ৰকৃতিৰ ধুনীয়া মুখখন মই মলিন পেলাব নোখোজোঁ।......

...আগতে ৰামধেনু আকাশত ওলমি থকা দেখিছিলোঁ। সিদিনা বৰফৰ টিলাৰ মূখৰ পৰা জলপ্ৰপাতৰ মোহনাত জিলিকি থকা দেখিছিলোঁ। যেন হাত মেলিলেই চুকি পাব পাৰি। এনে ভাব মনলৈ আহিছিল। আমাৰ অঞ্জনেও আকাশৰ জোনটোক তৰা এটা খোজে। জোনে উত্তৰ দিয়ে: "পাত নাই, চোত নাই, কিহতকৈ দিম?" মোৰো সেই একে উত্তৰ। হাতত কেমেৰা এটা নাই, ৰামধেনুখন কিহতকৈ নিম। ইয়ালৈ আহোঁতে মোৰ তিনিটা লেখত লবলগীয়া ভুল হৈছে। প্ৰথমটো হৈছে আহোঁতে লগত এটা কেমেৰা আনিব লাগিছিল। ইমানবোৰ বস্তু দেখিছোঁ।

কিন্তু মনৰ কেমেৰাৰ বাহিৰে সেইবোৰৰ স্মৃতি ক'তো ধৰি ৰাখিব পৰা নাই। মনৰ কেমেৰা হয়তো সময়ত মলিন পৰিব। তেতিয়া হয়তো স্মৃতিৰ কামিহাড়বোৰ ভাঙি ডোখৰ ডোখৰ হৈ যাব। দ্বিতীয়টো হৈছে লগত কিছুমান অসমৰ ছবি আনিব লাগিছিল। এখন প্ৰেছ-সাক্ষাতত এগৰাকী সাংবাদিকে কৈছিল: "আপোনাৰ কাগজৰ ফাইলৰ মাজত চাবচোন। ক'ৰবাত কিজানি বা আছেই।" কথাষাৰ শুনি মনটো বেয়া লাগিছিল। তৃতীয়টো হৈছে কিছুমান শ্লাইড্ আনিব লাগিছিল। যলৈকে বক্তৃতা দিবলৈ মাতিছে, ত'তেই আগতীয়াকৈ সুধি পঠাইছে: "আপোনাৰ হাতত ভাৰতীয় জীৱনৰ কিবা শ্লাইড্ আছে নে?" ইত্যাদি।

······আকৌ নায়েগ্ৰা জলপ্ৰপাতলৈ ঘূৰি আহিবলৈ মন গৈছে। দূৰৈৰ পৰা নায়েগ্ৰা নৈ খন জলপ্ৰপাতৰ মোহনালৈ নাচি অহা দৃশ্যটো চকুত পৰিলে, মনটো জুৰ পৰি যায়। যেনিবা কোনোবা ৰঙ্গমঞ্চত ভাৰত নাট্যমৰহে আখৰা চলিছে। নায়েগ্ৰা জলপ্ৰপাতক কেন্দ্ৰ কৰি প্ৰকৃততে এখন চহৰ গঢ়ি উঠিছে। চহৰখনৰ নাম: "ডি ছিটি অব্ ডি নায়েগ্ৰা ফ'লছ্"। এই খন হৈছে দৃশ্যলোভী যাত্ৰীৰ কেন্দ্ৰ-থলী।···ড্ৰাইভাৰজনে কৈছিল: "এয়া কি দেখিছে! বসন্ত কালত চাব। এই চহৰখনক আমি মধু চন্দ্ৰিকাৰ চহৰ (Honeymoon city of the world) বোলো। বসন্ত কালত, ইয়াত হেজাৰ হেজাৰ যুৱক-যুৱতীক দেখিব—প্ৰণয়ৰ মেলা পাতিছে। সৌ পানী যুঁৰলিত। সৌ গছৰ তলত। সৌ শিলবোৰৰ ওপৰত।··· তেতিয়া আক এই আপদীয়া বৰফবোৰ নেথাকে।"······

বৰফবোৰ সঁচাই আপদীয়া। পোনতে বোষ্টন চহৰত জীয়া

বৰফ—পোন্ধৰ কুৰি ইঞ্চি ওখ, দেখিছিলোঁ। কেউকালে কেৱল বৰফৰ সাগৰ। বগা আৰু বগা। জলমলাই আছে। আকাশত ইপিনে বৰফৰ কপাহী পাহিবোৰ ওপঙি ফুৰিছে। "লণ্ডন শ্নু" বোলা ৰবার্ট ব্রীজেছৰ কবিতা এটাত বৰফৰ চমৎকাৰ বৰ্ণনা পঢ়া মনত আছে। বৰফৰ ঠেঁচাত প্ৰকৃতিৰ অৱস্থা কেনে হয় তাৰ মনোগ্ৰাহী বৰ্ণনা শ্বেলীৰ কবিতাত আছে ঃ

"The cold earth slept below,
Above the cold sky shone ;
And all around with a chilling sound,
From caves of ice and hills of snow,
The breath of night like death did flow..."

বৰফত মানুহৰ কি অৱস্থা হয়, তাৰ বৰ্ণনা তাহানি "ভি এছ্‌কিমো" বোলা ফিল্ম এখনত দেখিছিলোঁ। বৰ্ত্তমান এই বস্তুবোৰ নিজৰ নঙঠা চকুৰে দেখিছোঁ। ভাল লাগিছে। নতুন অভিজ্ঞতাও হৈছে।...অকস্মাৎ আকৌ সেই ড্ৰাইভাৰজনৰ কথা মনত পৰিছে। "আপুনি থাকি যাওক, কি ৰঙৰ বাহাৰ দেখিব।"......মনতে ভাবিলোঁ, সঁচাই এনে উৎপাত জাৰত নহা হলেও ভাল আছিল। ফাগুনমহীয়া নাহিলো কিয়? প্ৰকৃতিৰ আচল ৰূপৰ শিখাবোৰ দেখিবলৈ নেপালোঁ। অৱশ্যে সেইবোৰ কল্পনা কৰিছোঁ। ৰংবোৰৰ বৰ্ণনা শুনি বহাগমহীয়া আমাৰ নাহৰ আৰু সোণাৰু কেইজোপালৈ মনত পৰিছে। লগতে চেৰী ফুলৰ কথা শুনি মনত পৰিছে আমাৰ কপৌ ফুলৰ থোপাবোৰলৈ। তাহানি সৰুতে দেখা মনত

পৰিছে,—আমাৰ ককা দেউতাহঁতৰ বাৰীত এজোপা নাহৰ আছিল। কেই জোপামান সোণাৰু আছিল, কেই জোপামান কপৌ ফুলো আছিল। বহাগমহীয়া সেইবোৰ ফুলিছিল। অসম অৰ্কিডৰ দেশ। দহ হেজাৰ ফুটীয়া জে'কো পৰ্ব্বতত ইয়াক যেনেকৈ পায়, তেনেকৈয়ে 'হেনো নামবৰ হাবিতো পায়। আমাৰ গুৱাহাটীত নেপাওঁ কিয় ?.........

মনতে সেই একেটা ভাবেই গুজৰি আছে,—"ফাগুনমহীয়া নাহিলোঁ কিয় ?" আজি যে এই ঠেটুৱাই ধৰা জাৰত আহিছোঁ। তাহানি ৰবি ঠাকুৰৰ মনতো এনে এটা প্ৰশ্নই জাগিছিল। তেওঁৰ ভাব অৱশ্যে প্ৰিয়াৰ ক্ষেত্ৰত। মোৰ দৰে দেশ-ভ্ৰমণৰ ক্ষেত্ৰত নহয়। কবিয়ে আক্ষেপ কৰিছিল :

"বহু দিন হল কোন্ ফাল্গুনে ছিনু আমি তব ভৰসায়
এলে তুমি ঘন বৰষায়।"......

কোনোবা ফাগুন দিনা তুমি আহিবা বুলি মই ভাবিছিলোঁ। তুমি আহিলা আজি এই ঘোৰ বাৰিষা। মোৰ অৱশ্যে নিজৰ পিনৰ পৰা কবি-সুলভ এনে আক্ষেপ কৰিবলগীয়া কোনো কাৰণ নাই। আমাৰ আহিবলগীয়া গৰাকী ফাগুনমহীয়াই আহিছিল। ৰবি ঠাকুৰৰ ওপৰত এইখিনিতেই মই টেক্কা মাৰিছোঁ। আন সকলোবোৰতে কবি-গুৰুৰ ওচৰত পৰাজয় স্বীকাৰ কৰিছোঁ। ইয়াৰ শৰৎ কালৰ প্ৰকৃতিৰ বৰ্ণনা পাৰ্ল বাকে এনে দৰে দিছে :

"How can I put the excitement of it into words! No one had told me how paganly gorgeous it would be. Oh, of course, they have said : 'the leaves turn

in the fall you know.' But how does that prepare one? I had thought of pale yellows and tans and faint rose reds. Instead I found myself in a living blaze of colours, robust, violent, vivid beyond belief. I shall never forget one tall tree trunk wrapped about with a vine of flaming scarlet, standing outlined a fiery sentinel against a dark rocky cliff."

সাহিত্যিক পার্ল বাকে দিয়া ৰঙৰ এই সমাবেশ নায়েগ্ৰা জল-প্ৰপাতৰ কাষত ড্ৰাইভাৰজনে দিয়া বৰ্ণনাৰ লগত মিলাই চাইছিলোঁ। মনটো ৰঙেৰে উপচি পৰিছিল। প্ৰকৃতিৰ গাভৰু কালছোৱাৰ কথা, —বসন্ত কালৰ কথা কল্পনা কৰিছিলোঁ। মনলৈ টি, এছ, ইলিয়টৰ কবিতাৰ স্তবক এটা জোৱাৰ অহা দি নামি আহিছিল। কবিয়ে এপ্ৰিল মাহটোক "ক্ৰুৰ" আখ্যা দিছে। কাৰণ ইয়াৰ পৰশতেই তন্দ্ৰালস গছ-লতা মুকুলিত হয়।

> "April is the cruellest month
> ... ... stirring,
> Dull roots with Spring rain."

...প্ৰিন্সটন্ বিশ্ববিদ্যালয়লৈ গৈছিলোঁ। তাত কেইবা গৰাকীও সৰবৰহী আৰু বিদ্বান মানুহ লগ পাইছিলোঁ। ইয়াতে ডক্টৰ এটকীন্স বোলা এগৰাকী সংস্কৃত সাহিত্যৰ অধ্যাপক লগ পাইছিলোঁ। মানুহজন গ্ৰীক্ আৰু লেটিন্ সাহিত্যতো পাৰ্গত। আমি অসমীয়া ভাষাৰ আঁতি-গুৰি,—ই ইণ্ডো-আৰ্য্য ভাষা হয় নে নহয়, ইয়াত মন-

খেমৰ আদি শব্দসমাবেশ ইত্যাদিৰ বিষয়ে নানা কথা আলোচনা কৰিছিলোঁ। আমাৰ আলোচনা বেছ সৰস হৈছিল। ইয়াৰ পাছত প্ৰফেছাৰ হেইটি নামৰ এৰেবিক্ ভাষা-সাহিত্যৰ অধ্যাপক এগৰাকীৰ লগত সাক্ষাৎ হৈছিল। আজি দুবছৰ মানৰ আগতে তেওঁ ভাৰতলৈ যোৱা বুলি কৈছিল। মৌলানা আজাদক লগ পোৱা কথাও কৈছিল। আজাদৰ পাণ্ডিত্যৰ কথা অধ্যাপকগৰাকীয়ে বৰকৈ শলাগিছিল: "the profoundest man I have ever met," এই বুলি আজাদৰ গুণ বখানিছিল। লগতে এটা সাধাৰণ ঘটনাও উল্লেখ কৰিছিল। লেবাননত হেনো ওঠৰ শতিকাত এখন আৰবী ভাষাতে বিশ্ব-কোষ প্ৰস্তুত হৈছিল। ইয়াৰ সম্বন্ধে আজাদে অধ্যাপক গৰাকীক কৈছিল। অধ্যাপকগৰাকীয়ে কেইবাজনো লেবাননৰ উচ্চশিক্ষিত মানুহৰ লগত আলোচনা কৰিও কিতাপ খনৰ বিষয়ে একো আঁতিগুৰি উলিয়াব পৰা নাছিল। অৱশেষত তেওঁ লেবাননলৈ গৈ কথাষাৰৰ বুজ লব লগা হৈছিল। লগতে তেওঁ কৈছিল: "আপোনা লোকৰ আজাদে কোৱা কথা খিনি আখৰে আখৰে সঁচা।..."

প্ৰিন্সটন্ বিশ্ববিদ্যালয়ত আৰু এটা নতুন কথাৰ সন্ধান পাইছিলোঁ। আগৰ তুলনাত আজিৰ আমেৰিকাবাসীয়ে বিয়া-বাৰু সোনকালে কৰায়। আমাৰ দেশৰ সম্পূৰ্ণ বিপৰীত অৱস্থা। বোপা ককাৰ দিনত আমাৰ বিয়া-বাৰু খৰতকীয়া আছিল। আজিকালি লেহেম হৈছে। আমেৰিকাত ইয়াৰ সম্পূৰ্ণ ওলোটাটো হৈছে। প্ৰফেছাৰ কায়লাৰ্ য়াঙ-য়ে মোক বিশ্ববিদ্যালয়ৰ ঘৰ দুৱাৰ, অফিছ, ছাত্ৰাবাস ইত্যাদি এফালৰ পৰা তন্নতন্নকৈ দেখুৱাইছিল। বিশ্ববিদ্যালয়টোৰ মাটি কালি প্ৰায় ৩½ বৰ্গ মাইল। বাটত যাওঁতে প্ৰফেছাৰ য়াঙয়ে

কেইখাটাও বেলেগ ধৰণৰ ছাত্ৰাবাস দেখুৱাইছিল। এবিধ বিবাহিত ছাত্ৰৰ বাবে। আন এবিধ অবিবাহিত ছাত্ৰৰ বাবে। বিবাহিত ছাত্ৰাবাসৰ আকৌ দুটা ভাগ: (১) এবিধ সন্তানযুক্ত বিবাহিতৰ বাবে। (২) আনবিধ নিঃসন্তান বা সন্তান নোহোৱা বিবাহিতৰ বাবে। এই বুলি মিঃ য়াঙ-য়ে এটা অনুষ্ঠানৰ কালে আঙুলিয়াই দি কৈছিল: "ডেকা কালত মই যেতিয়া ইয়াত পঢ়োঁ, তেতিয়া ইয়াৰ ছাত্ৰ সংখ্যা আছিল প্ৰায় দুশ জন। এই দুশ জনৰ ভিতৰত বিবাহিত ছাত্ৰ আছিল মাথোন এজন। এতিয়া ছাত্ৰ সংখ্যা বহুত বাঢ়িছে। আপুনি শুনি আচৰিত হব তাৰে সৰহ সংখ্যক বিবাহিত। অবিবাহিতৰ সংখ্যা তেনেই তাকৰ।" কথাষাৰ শুনি আচৰিত হৈছিলোঁ। গতিকেই তেওঁক মই প্ৰশ্ন কৰিছিলোঁ: "বৰ্ত্তমান আপোনালোকৰ দেশত কিয় ইমান সোনকালে বিয়া হবলৈ ধৰিছে?" মটৰৰ ষ্টিয়েৰিঙৰ পৰা অকণো হাত নলবোৱাকৈ প্ৰফেছাৰগৰাকীয়ে কৈছিল: "আপুনি বাক অনুমান কৰকচোন।" মোৰ উত্তৰ হল,— "ইয়াৰ কাৰণ আমেৰিকাৰ আৰ্থিক স্বচ্ছলতা। হাতলৈ ধন আহিছে। গতিকেই মানুহে সোনকালে বিয়া-বাৰু কৰাই গৃহস্থী জীৱনৰ পাতনি মেলিছে।" প্ৰফেছাৰ য়াঙ-য়ে কৈছিল: "হয়। আপোনাৰ কথাষাৰ সঁচা। কিন্তু আৰ্থিক স্বচ্ছলতাই একমাত্ৰ কাৰণ নহয়। ইয়াৰ আন এটা কাৰণ হৈছে বিজ্ঞানৰ দান। বিজ্ঞানে যে তৰহে তৰহে জন্ম-নিয়ন্ত্ৰণৰ পন্থা সুচল কৰিছে, সেইটো। কুৰি-বাইশ বছৰৰ পৰাই মানুহে স্বাভাৱিক যৌন জীৱন যাপন কৰাটো উচিত। সন্তানৰ অনাৱশ্যক বা অসময়ত দায়িত্ব বহন কৰিব নলগাকৈ, বিজ্ঞানে সেই জীৱন যাপন কৰাৰ সুবিধা দিছে। এইটোহে আচল কাৰণ।"

……এইষাৰ কথা ভালেমান দিনৰ পাছত মই মিছিগান্ বিশ্ব-বিদ্যালয়ৰ এজন অধ্যাপকৰ লগত আলোচনা কৰিছিলোঁ। প্ৰফেছাৰ কায়লাৰ য়াঙ-ৰ কথা থিনি সমৰ্থন কৰাৰ উপৰিও তেওঁ ইয়াৰ লগত আৰু এষাৰ কথা যোগ দিছিল। তেওঁ কৈছিল ঃ "বৰ্ত্তমান ছোৱালীৰ কাৰণে চাকৰিৰ বজাৰ অসম্ভৱ ভাবে মুকলি হৈছে। বৰ্ত্তমান আমাৰ ইয়াত শ্ৰম-জীৱী ছোৱালীৰ সংখ্যা প্ৰায় ১০০,০০,০০০ ; টাইপ কৰাৰ ব্যৱসায়টো ইয়াত একেবাৰেই ছোৱালীয়ে গ্ৰহণ কৰিছে। আনহাতে জীৱনৰ মানদণ্ড ইয়াত বৰ ওখ। মহঙা। গতিকে একোটা পৰিয়াল পোহপাল দিব লগা হলে দুয়োগৰাকীয়ে কাম নকৰিলে নহয়। এইবোৰ কাৰণেই মানুহে সোনকালে বিবাহ কৰাই জীৱিকাৰ বাট বিচাৰি লয়। আন হাতে জন্ম-নিয়ন্ত্ৰণৰ পথ বিজ্ঞানে যোগাইছে। কায়লাৰ য়াঙ-য়েও এনে ধৰণৰ কথাকে কৈছিল। তেওঁ কৈছিল ঃ "এই ছাত্ৰাবাসত থকা প্ৰায় ভাগ ছোৱালীয়েই ক'ৰবাত নহয় ক'ৰবাত চাকৰি কৰে। সিহঁতৰ গিৰিহঁতে কলেজ বা বিশ্ব-বিদ্যালয়ত পঢ়ে। স্বামী-স্ত্ৰী উভয়ে অধ্যয়ন কৰা উদাহৰণ অৱশ্যে কম। সেই বুলি তেনে উদাহৰণ যে একেবাৰেই নাই এনে নহয়।" মই কৈছিলোঁ ঃ "আপুনি দৰ্শোৱা কাৰণবোৰৰ লগতে মই আৰু এটা কাৰণ যোগ দিব খুজিছোঁ। আপোনালোকৰ ইয়াত যে নাৰী-পুৰুষৰ অবাধ মিলন,—যি মিলনে সকৰে পৰা উভয়ৰ মাজত প্ৰণয়ৰ আদান-প্ৰদান সম্ভৱ কৰে, সেইটোৰ কথা মই কব খুজিছোঁ।"

……এই বুলি মই সেই দিনাৰ পুৱাৰ ঘটনা এটালৈ তেওঁৰ দৃষ্টি আকৰ্ষণ কৰিছিলোঁ। তেতিয়া অৱশ্যে সাঁজ লাগো লাগো। দুপৰীয়া আহাৰৰ আগতে বিশ্ববিদ্যালয়ৰ এক অংশ চাই আমি শেষ

কৰিছিলোঁ। বাকী অংশ আবেলি চাইছিলোঁ। এফালৰ পৰা চাই যাওঁতে বিশ্ববিদ্যালয় প্ৰাঙ্গণত থকা সুকীয়া ৰঙ্গমঞ্চটো মোৰ চকুত পৰিছিল। পৰীক্ষাৰ সময় বাবে আজি ভাল্লেমান দিন ইয়াৰ ব্যৱহাৰ হোৱা নাই। ৰঙ্গমঞ্চটোৰ ভিতৰ চ'ৰাত জাকজমককৈ সজোৱা এটা লাউঞ্জ আছে। কোমল চকী, ৰেডিঅ', খেলাৰ সৰঞ্জাম, কাগজ-পত্ৰ আদি। বাহিৰত অসম্ভৱ জাৰ। প্ৰফেছাৰজনে "এইটো আমাৰ", —এই বুলি বাহিৰৰ পৰা দুৱাৰ খন মেলি দিছিল। এনেতে আমাৰ চকুত পৰিছিল তেনেই কোমল বয়সৰ এহাল ল'ৰা-ছোৱালী। দুয়ো অকলশৰীয়া। দুয়ো বাহিৰৰ পৃথিৱীখন পাহৰি আছিল। ল'ৰাটোৱে যেন ছোৱালীজনীক কৈছিল:

"আমাৰ কাৰণে হেৰা,
আমাৰ কাৰণে কান্দে
গাভৰুৰ ওঁঠৰ লালিমা"···

প্ৰফেছাৰজনে "মই দুখিত" বুলি তৎক্ষণাৎ দুৱাৰ খন জপাই দিছিল।······সন্ধ্যা আমাৰ আলোচনাৰ মাজতে মই প্ৰফেছাৰ কায়লাৰ্‌ য়াও-ক এই ঘটনাটো মনত পেলাই দিছিলোঁ। লগতে কৈছিলোঁ: "চাওক, অথনিৰ সেই লৰা-ছোৱালী হালৰ কথা। সিহঁতৰ বয়স খুব বেছি হৈছে সোতৰ বা ওঠৰ। সম্ভৱতঃ কলেজৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰ-ছাত্ৰী। ইমান কম বয়সতে সিহঁতে প্ৰণয়ৰ পাতনি মেলিছে। এই প্ৰণয় এনে ভাবে অনাদি কাল চলি থাকিব নোৱাৰে। আৰু খুব চলে তিনি বা চাৰি বছৰ। তাৰ পাছত বিয়া-বাৰু কৰাই সিহঁতৰ গৃহস্থী হবলৈ মন যাব। অৰ্থাৎ সিহঁতৰ একৈশ বাইশ বছৰ বয়সতে ঘৰ-সংসাৰ পতা হৈ যাব। আপোনালোক অৰ্থৰ পিনৰ

পৰা স্বচ্ছল। গতিকে ভাবিব লগা একো নাই। ঘৰ-সংসাৰ পাতিলেই হল।”……প্ৰফেছাৰ য়াঙ-য়ে “হয়” বুলি কথাষাৰ মানি লৈছিল। মিছিগান্ বিশ্ববিদ্যালয়ৰ অধ্যাপক এগৰাকীৰ আগত মই যেতিয়া একেষাৰ কথাকে কওঁ, তেওঁ কৈছিল: “আপোনাৰ ব্যাখ্যাৰ লগত মই কাজিয়া নকৰোঁ……।”

……অনাতাঁৰ কেন্দ্ৰ আৰু বাতৰি কাকতৰ লগত ইতিমধ্যেই কেইবাটাও সাক্ষাৎ-প্ৰসঙ্গ হৈছে। ইয়াত ব্যৱসায়ী আৰু ৰাষ্ট্ৰীয় অনাতাঁৰ কেন্দ্ৰ,—এই দুয়োবিধেই আছে। দুয়োবিধতে কথা কৈ পাইছোঁ। সাক্ষাৎ-প্ৰসঙ্গ, অনাতাঁৰ ভাষণ ইত্যাদি। গতিকে দুয়োবিধৰে অভিজ্ঞতা গোট খাইছে। অৱশ্যে ইয়াৰ কোনো বিধতে ৰাজকীয় কলম-স্ফুৰণ (censor) বোলা বস্তু এটা এতিয়াও পোৱা নাই। ষ্টুডিঅ'-ৰ ভিতৰলৈ লৈ গল। “আমি কথা পাতোঁ আহক” বুলি আৰম্ভ কৰিলে। ইপিনে টেইপ্ ৰেকৰ্ডিং হৈ গল। অৱশেষত বজাই শুনালে। সিমানতে সকলো শেষ।…

প্ৰেছ-সাক্ষাৎবোৰ অনাতাঁৰ সাক্ষাতৰ দৰে সহজ নহয়। এইবোৰ লেকেটা বস্তু। একোটা সমস্যা সাংবাদিকসকলে উত্থাপন কৰে। সেই সমস্যাটোক কেন্দ্ৰ কৰি আলোচনাৰ উদ্ভৱ হয়। প্ৰত্যেকটো কথাকে এওঁলোকে চেৰেকীৰ পৰা উঘালে সূতা লোৱাদ লয়। সিদিনা বোষ্টন চহৰত আঢ়ৈ ঘণ্টা কাল জুৰি মোৰ এটা প্ৰেছ-সাক্ষাৎ হৈছিল। প্ৰশ্নৰ অন্ত নাই। সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক ইত্যাদি। এই সাক্ষাৎ প্ৰসঙ্গত এজনে মোক পোনপটীয়াকৈ সুধিছিল: “ভাৰতৰ জন-সাধাৰণে আমেৰিকাৰ বিষয়ে কি ভাবে?” মই উত্তৰ দিছিলোঁ: “আমেৰিকাৰ প্ৰতি ভাৰতৰ জন-সাধাৰণৰ

মনোভাব হৈছে,—"it's just a feeling of indifference." এইযাৰ কথা উচ্চাৰণ কৰাৰ লগে লগেই এক মিনিটমান কোনো প্ৰশ্ন নাছিল। এটা মৌন উত্তেজনাৰ ভাব বিয়পি পৰিছিল, এনে যেন মোৰ অনুমান হৈছিল। ইয়াত দেখিছোঁ আমাৰ বৈদেশিক নীতি বুজিবলৈ এওঁলোক অকণো প্ৰস্তুত নহয়। এই বিষয়ে আহিবৰে পৰা ভালেখিনি বাক-বিতণ্ডা কৰিব লগা হৈছে। সকলোৰে মাথোন সেই একেটা কথা।……মিছিগান বিশ্ববিদ্যালয়ৰ "পলিটিকেল্ ছায়েঞ্চ ডিপাৰ্টমেণ্ট"ৰ অধ্যক্ষ ডক্টৰ প'লাৰ্ড-ৰ লগত দেখা হৈছিল। এওঁ আন্তৰ্জ্জাতিক খ্যাতিসম্পন্ন মানুহ। ইন্টাৰ নেছনেল্ প'লিটিকেল্ ছায়েঞ্চ কংগ্ৰেছৰ এজন উপ-সভাপতি। কথা প্ৰসঙ্গত এওঁ মোক কৈছিল: "আপোনালোকৰ নেহৰুৰ কিছুমান নীতি আৰু বিবৃতিয়ে আমাক অবাক কৰিছে।" মই কৈছিলোঁ: "নেহৰুৰ কোনটো নীতি বা বিবৃতিয়ে আপোনালোকক অবাক কৰিছে মোক স্পষ্ট ভাষাত কব নে? মই যিমান দূৰ সম্ভৱ আপোনাৰ মনৰ সন্দেহ দূৰ কৰিবলৈ যত্ন কৰিম।"……মানুহজনে কোনো এটা বিশেষ নীতি বা বিবৃতিক "এইটোৱেই" বুলি কব পৰা নাছিল। এনে এটা মনোভাব, অৰ্থাৎ ভাৰতৰ প্ৰতি সন্দেহৰ ভাব, কেউপিনে বিয়পি থকা লক্ষ্য কৰিছোঁ। 'অৱশ্যে এইটো আচৰিত হব লগা একো কথা নহয়। আমেৰিকাৰ নিচিনা অদূৰ-দৃষ্টিপৰায়ণ, অৰ্থ-উন্মত্ত জাতি এটাৰ পক্ষে ভাৰতৰ আদৰ্শবাদ বুজিব নোৱাৰাটো একো ডাঙৰ কথা নহয়।……(টেক্সাছ প্ৰদেশৰ কাউন্সিল্ অৱ্ ৰিলিজিয়নত "ভাৰতীয় ধৰ্ম্মৰ দাৰ্শনিক ভেটি" এই বিষয়ে বক্তৃতা দিওঁতে আমাৰ আদৰ্শবাদৰ কথা বিশদ ভাবে আলোচনা কৰিছিলোঁ।)……

আকৌ ভালেখিনি কালৰি কাটি আহিছোঁ। প্ৰেছৰ লগত সাক্ষাৎ-প্ৰসঙ্গ সিমানতে শেষ হোৱা নাছিল, সেয়া মাথোন শেষ হওঁ হওঁ অৱস্থা। এনেতে অকস্মাৎ মিছ্ এন, ট'মাছ নামৰ মহিলা সাংবাদিক এগৰাকীয়ে প্ৰশ্ন কৰিছিল: "আপুনি বিয়া কৰাইছেনে? যদি কৰাইছে, লৰা-ছো'ৱালী হৈছে নে? যদি হৈছে, সংখ্যা কিমান? ল'ৰা কেইটা, ছোৱালী কেইজনী?" প্ৰশ্ন শুনি মই আচৰিত হৈছিলোঁ। ইয়াৰ আগতে গোপী বৰদলৈ, জয়প্ৰকাশ নাৰায়ণ, অশোক মেহতা আদি কিমানৰ প্ৰেছ-সাক্ষাতত উপস্থিত থকা মনত আছে। কিন্তু ক'তোতো পুলিন, তামুলী, দেব, চক্ৰবৰ্ত্তী বা মৌলিকক এনে প্ৰশ্ন কৰা শুনা নাছিলোঁ। অবশ্যে এওঁলোক কেউজনেই হৈছে পুৰুষ মানুহ। নাৰী হোৱা হলে কি কৰিলে-হেঁতেন কব নোৱাৰোঁ। ইয়াত দেখিছোঁ মহিলা-সাংবাদিকৰ সংখ্যা যথেষ্ট বেছি। মুঠ ত্ৰিশ হেজাৰ। মনতে ভাবিছিলোঁ: "এই নাৰী স্বাধীনতাৰ দেশখনত দেখোন ক'তো অকণো শান্তি নাই।" অলপো নইঁহাকৈ প্ৰশ্ন কেইটাৰ মই এটা এটাকৈ উত্তৰ দি গৈছিলোঁ। সাংবাদিক গৰাকী সিমানতে ক্ষান্ত হোৱা নাছিল। আকৌ প্ৰশ্ন কৰিছিল: "আপোনালোকৰ বিবাহ আন কোনোবাই ঠিক কৰি দিছিল নে আপোনালোকে নিজে নিজে ঠিক কৰিছিল?" এইবাৰ প্ৰশ্নৰ উত্তৰ যৎসামান্য বিস্তৃত ভাবে দিব লগা হৈছিল। উত্তৰৰ অন্তত এনে জাতীয় আৰু প্ৰশ্নৰ আশঙ্কাত (?) প্ৰশ্নকৰ্ত্তীৰ মুখলৈ চাই আছিলোঁ। কোনো প্ৰশ্ন নাই। গতিকে মই নিজেই আৰম্ভ কৰিছিলোঁ: "আপোনাৰ প্ৰশ্ন ইমানতে অন্ত পৰিছেনে? আৰু নাই জানোঁ? আপুনি দেখোন মোক এতিয়াও সোধা নাই—

—বিবাহৰ আগতে আপুনি কাৰোবাৰ প্ৰণয়ত পৰিছিল নে? যদি পৰিছিল কেইবাৰ? বৰ্ত্তমান বিবাহৰ পাছত আপুনি কাৰোবাৰ প্ৰেমত পৰিবলৈ প্ৰস্তুত নে?”····· কথাষাৰ কোৱাৰ লগে লগেই গোটেই হল্‌টোত হাঁহিৰ ৰোল উঠিছিল। মহিলাগৰাকীয়েও আমাৰ লগতে হাঁহিছিল। আন এজনে মাত লগাইছিল: “চাওক, বকস্বা! এই ছোৱালীবোৰ বুজা টান। এই সাংবাদিকবোৰকো বুজা টান। ছোৱালী যেতিয়া সাংবাদিক হয়, তেতিয়া বুজা আৰু টান হৈ পৰে।”······আমি উধাই মুধাই হাঁহিছিলোঁ। এই আঢ়ৈ ঘণ্টা কাল চুলি ছিঙা আলোচনাৰ পিছত হাঁহিবলৈ পাই আমাৰ এটায়ে কিছুদূৰ সকাহ পাইছিলোঁ। আকৌ এবাৰ ছোৱালীজনীৰ নিপোটল মুখ খনলৈ চাইছিলোঁ। মনলৈ কবিতা নামিছিল:

“তুমি এৰি গলা
কঠুৱা সংসাৰ,
একেৰি কোমল কৰি।”

কৰ্ম্ম-ব্যস্ততাৰ মাজত অৱশ্যে পৃথিৱীখন এতিয়াও “কঠুৱা” যেন লগা নাই।

'ib···u books will give you joy for l..,
l.. d...fully with clean l..

ছানফ্ৰান্সিস্কো

……জানো মই গতি নাই গতিৰ বাহিৰে……

জীৱনৰ দলঙত বহিয়া কবিৰ দৰে মই ঘৰ সজা নাই। জীৱনৰ দলঙেদি মাথো আহি আছোঁ। "যাত্ৰাৰ শেষ নাই।"……

"আমি আহি আছোঁ
জীৱন্ত সোঁতত সাঁতুৰি,
জানোঁ মই যাত্ৰাৰ শেষ নাই।"

কবি দেৱকান্তই হয়তো কব: "জানো মই গতি নাই গতিৰ বাহিৰে।" সঁচা কথা—"গতি নাই গতিৰ বাহিৰে।" কবিৰ কথাকে বৈজ্ঞানিক আইনষ্টাইনেও সহস্ৰ মুখে কয়: "I can never rest." এখন চহৰ এৰি আন খন চহৰলৈ অবিশ্ৰাম গতিৰে আহি আছোঁ। তৰহে তৰহে জলবায়ু, তৰহে তৰহে দৃশ্যাৱলী। ইটোৰ লগত সিটো নিমিলে। কোনোখন ঠাই বৰফৰে ওপচা। বৰফ আৰু বৰফ। আৰু একো নাই। গছবোৰ মৰা শৰ জকাৰ দৰে নঙঠা। কোনোখন ঠাই আকৌ সেউজীয়া। ৰঙা খেজুৰিৰে গছবোৰ দোঁ খাই থকা। উত্তাপ সনা। ৰ'দৰ বেঙনিৰে আলি পদূলিবোৰ জ্যোতিষ্মান। আমাৰ দেশৰ দৰেই ইয়াৰো ইমূৰৰ পৰা সিমূৰলৈকে পৰিব্যাপ্ত জলবায়ুৰ পাৰ্থক্যই মানুহৰ মন আচ্ছন্ন কৰে। আমাৰ দেশতো ৰাজস্থানৰ তপত বতাহ আৰু অসমৰ বানপানী,—দুয়োটাই

একেটা মেৰুৰে দুটা দিশ নহয় জানো?......মনৰ দিগন্তত এৰি অহা ঠাইবোৰৰ স্মৃতিৰ মকৰাজাল আৰু আগন্তুক ঠাই পৰিদৰ্শনৰ স্বপ্ন-জাল,—এই দুটাই হৈছে ঘাই উদগনি। ইয়াত অৱশ্যে শ্বেলীৰ "ৱেষ্ট উইণ্ডৰ" মৰা পৃথিবী আৰু বসন্ত দিনৰ নতুন পৃথিবীৰ সংগ্ৰাম নাই। ই হৈছে সাধাৰণতে গ্ৰহণ কৰি লোৱা জীৱনৰ এটা বাস্তৱ সত্য। মানুহৰ প্ৰাণৰ ডাক,—যি ডাকে হয়তো ইউলিছিছক ঘৰ এৰি বলিয়া হবলৈ বাধ্য কৰিছিল। এই প্ৰাণৰ ডাক চীনা কবি লি টাই পো-ৰ কবিতাত অতি মনোৰমকৈ আছে :

"Dawn reddens in the wake of night,
but the days of our life return not.
The eye contains a far horizon,
but the wound of Spring lies deep
in the heart."

চিকাগো চহৰ এৰাৰ পাছত ছানফ্ৰান্সিস্কো চহৰত উপনীত হৈছোঁহি। শেষ বাৰৰ কাৰণে আপদীয়া বৰফৰ লগত সংগ্ৰাম শেষ কৰি। আজি ভালেমান দিনৰ মূৰত এইখন চহৰতে, পোন প্ৰথম বাৰৰ কাৰণে, ৰ'দৰ ৰেঙনি দেখিবলৈ পাইছিলোঁ। অৱশ্যে এই ৰ'দৰ উত্তাপ নাই,—ইয়াৰ উম নাই। ডাঃ বাণীকান্ত কাকতিয়ে "কুমৰ হৰণ"ৰ বিষয়ে কোৱাৰ দৰেই : "ইয়াত জোনাকী পৰুৱাৰ প্ৰভা আছে, কিন্তু দাহিকা শক্তি নাই।" ছানফ্ৰান্সিস্কোৰ ৰ'দত উজ্জ্বল জিলিঙনি আছে, কিন্তু তাপ নাই। ই নিষ্প্ৰভ, শেঁতা ৰ'দ। বেলিটো হওঁতে সঁচাই মিছাই দেখিছোঁ। জোনটো আজি পৰিমিত ভাৱকৈ দেখা নাই। বোষ্টন চহৰত এদিন চকামকাকৈ

বৰফৰে ওন্দোলা আকাশত জোনটো ওলমি থকা দেখিছিলোঁ। ইয়াক ইংৰাজ কবিৰ ভাষাত "orb of fire,"—জুইৰ ৰেঘা বুলিব নোৱাৰি। আচলতে ইয়াক প্ৰসৱৰ পৰবৰ্ত্তী কালছোৱাৰ মাতৃ-মুখহে বুলিব পাৰি,—নিষ্প্ৰভ, জ্যোতিহীন, নিস্তেজ। জোন বুলিলেই ৰবি ঠাকুৰৰ "বধূ" কবিতাৰ বাঁহ গছৰ আগত ওলমি থকা, ন-বোৱাৰীৰ স্বপ্নলোক আলোকিত কৰা, সেই জোনটোলৈ মোৰ মনত পৰে। সেই যে ঃ

"পথে আসিতে ফিৰে, আঁধাৰ তৰু শিৰে
সহসা দেখি চাঁদ আকাশে আঁকা ॥"···

সেই জোনটোৰ কথাই মনৰ আকাশত মোৰ ঘনাই ভুমুকি মাৰিছিল।······

ছানফ্ৰান্সিস্কো চহৰখন বৰ ভাল লাগিছিল। কিমান স্বপ্নৰে পূৰ এই চহৰখন। ইয়াতেই জানো যোৱা মহাসমৰৰ অন্তত পোন প্ৰথমতে জাতি সঙ্ঘৰ প্ৰথম বৈঠক বহা নাছিল? সেই বিৰাট হোটেলটো,—এতিয়াও আগৰ দৰেই সাগৰৰ পাৰত থিয় দি প্ৰশান্ত মহাসাগৰৰ ঢউ লেখিছে। কিমানবোৰ ভঙা-পতা, কিমানবোৰ আশা-উদ্দীপনা,—ঘৰটো দেখি এই পুৰণি কথাৰ বানপানীবোৰ মোৰ মনলৈ বাগৰি আহিছিল। এইবোৰেৰে মনটো উপচি পৰিছিল।···ইয়াতো এতিয়াও জোন দেখা নাই। কিন্তু জোনটোক জগাই তোলা সূৰ্য্যৰ সোণগুৰিবোৰ হলে ওপঙি ফুৰা দেখিছোঁ। ইয়াৰ প্ৰকৃতি সেউজীয়া হৈয়ে আছে। খেজুৰি গছবোৰত খেজুৰি থোপা থোপে ওলমি আছে। ফুলনিত ফুল আছে। গছ, লতা, ফুল—এটাইবোৰ জীয়াই আছে। আন ঠাইৰ দৰে

প্ৰকৃতিৰ বুকুত ইয়াত মৰিশালিৰ ৰচনা হোৱা নাই। পাহাৰ, সাগৰ আৰু চহৰ—ছানফ্ৰান্সিস্কোত এই তিনিওটা বস্তুৰ অপূৰ্ব্ব মিলন ঘটিছে। প্লেনেৰে আহি মাজনিশা মই চহৰখন সোমাইছিলোঁহি। নিশাৰ এন্ধাৰত লাখ লাখ বন্তিৰে উদ্‌ভাসিত চহৰখন, আকাশৰ পৰা, সাগৰৰ বুকুত ওপঙি থকা যেন অনুমান হৈছিল। প্ৰশান্ত মহাসাগৰৰ পাৰত চহৰখন, "আৰব্য উপন্যাসৰ" বুকুৰ পৰা উদ্ধাৰ কৰি আনি যেন কোনোবাই ডুবৰি ডৰাত মুকুতা মণি সিঁচা দি সিঁচি থৈ গৈছে—এনে ভাব নিশা আকাশৰ বুকুৰেদি আহোঁতে মনলৈ আহিছিল। ওচৰতে বহা কানাডাবাসী মহিলা যাত্ৰী এগৰাকীক, চহৰ খন ওপৰৰ পৰা আঙুলিয়াই দি, উচ্ছ্বাসতে মই কৈছিলোঁ: "It is, as though a page torn from the *Arabian Nights.*" এই কথাষাৰ মোৰ নিজৰেই বৰ ভাল লাগিছিল। ইয়াৰ চহৰৰ ভালেমান মানুহকে কথাষাৰ কৈছোঁ। এটায়ে উপভোগ কৰিছে। মনে মনে ভাল পাইছে।......

গহীন নিশা পাৰত থিয় হৈ সাগৰৰ গোজৰণি কাণ পাতি শুনিছোঁ। মোৰ লগত আন্তৰ্জ্জাতিক শিক্ষা আয়োগৰ ডাইৰেক্টৰ ডক্টৰ স্কাৰবেক্। নিশা এন্ধাৰত গুজৰি থকা ঢৌবোৰ লেখি চাইছোঁ। কি আলোড়ন,—যেনিবা আমাৰ বাৰিষাৰ আকাশৰ মেঘৰ গাজনিহে। ইলানি ঢৌৱে যেতিয়া সিলানি ঢৌক খেদি আহে, চাবলৈ বৰ ধুনীয়া হয়। এই খেদি অহাটোতো যেন এটা rhythm. সম্যক গতি আছে। সাগৰ অস্থিৰ যদিও এই অস্থিৰতাতো এটা গাম্ভীৰ্য্য আছে। ইয়াৰ এটা পদ্ধতি আছে,—a method in its madness...এটা প্ৰণালীবদ্ধ উন্মত্ততা। ঢৌৰ এই জানি

নিছিগা অনুধাবনে মোৰ মনলৈ আকৌ সেই কীটছ্‌ৰ "গ্ৰীছিয়ান্ আৰ্ণ"-ৰ ছবি আনিছিল। সেই যে অপূৰণ কামনাৰ দৃশ্যাৱলী, তাৰে ছবিবোৰ। ইলানি ঢউৱে সিলানি ঢউক ধৰাৰ আগতে ভাগি ছিগি নিজে নিজেই আকৌ সাগৰৰ বুকুত জাহ গৈছে। ৰবি ঠাকুৰৰ "ঢেউগুলি নিৰুপায়, ভাঙে দুধাৰে,"—সেই ছবিখনকে সাগৰৰ পাৰত থিয় হৈ চকুৰ সমুখত ৰূপায়িত হোৱা দেখিছিলোঁ।……

ছানফ্ৰান্সিস্কো উপসাগৰৰ দুয়ো কাষে দুলানি পৰ্ব্বত। পৰ্ব্বত দুলানিক বাধা দি মাজত বহল সাগৰখন। এই সাগৰৰ বুকুতে নিতৌ বেলি মাৰ যায়। সাক্ষী তাৰ পাৰৰ নীলা পৰ্ব্বত শাৰী। মাৰ যোৱা বেলিৰ স্বৰ্ণ-দীপ্ত অণ্ঠাৰ ছিটিকনি পৰি গোটেই আকাশ খন সোণোৱালী হৈ পৰে। সাগৰৰ বুকুত তাৰে প্ৰতিবিম্ব পৰি ঢউবোৰত কঁপনি উঠে,—ৰঙা, সোণবৰণীয়া। গতিকেই এওঁলোকে এই ঠাই ডোখৰক স্বৰ্ণ-দ্বাৰ (Golden Gate) আখ্যা দিছে। এই নামটো এওঁলোকৰ বৰ আপোন, অতি জনপ্ৰিয়। ইয়াৰ প্ৰায় বোৰ বস্তুৰ নামৰ আগত এই দুটা শব্দ সাঙুৰি দিয়া দেখা যায়। যেনে ছানফ্ৰান্সিস্কো আৰু সিপাৰৰ অ'কলেণ্ড বোলা চহৰখন সাঙুৰি থোৱা এখন ডাঙৰ দলং আছে। এই দলংখনক "গোল্ডেন গেট্ ব্ৰিজ" বোলা হয়। ইয়াৰ ওচৰতে এখন ন্যাছনেল পাৰ্ক আছে। এই পাৰ্কখনৰ নামো একেদৰেই ৰখা হৈছে। ইয়াতে জাপানী চাহ বাগিছাৰ অনুকৰণত সজোৱা এখন চাহ বাগিছা আছে। বাগিছা খনৰ নাম "অৰিয়েণ্টেল গাৰ্ডেন"। বস্তুটো দেখি মোৰ বৰ ভাল লাগিছিল।……

ছানফ্ৰান্সিস্কো চহৰৰ বেলিমাৰৰ দৃশ্যই মোৰ মনলৈ গুৱাহাটীৰ

লুইতৰ বুকুৰ বেলিমাৰৰ কথা সঘনাই আনিছিল। এই দুয়োটা বেলিমাৰৰ দৃশ্যৰ মাজত পাৰ্থক্য ক'ত? লুইতখন সাগৰৰ তুলনাত ক্ষীণ। সেয়ে মাথোন পাৰ্থক্য। গুৱাহাটীৰ বেলিমাৰৰ দৃশ্যই মোৰ কল্পনাত "স্বৰ্ণদ্বাৰ"ৰ ছবি অঙ্কিত নকৰে। ই স্বকীয়া ছবি। লুইতৰ দুকাষেদি থকা দুলানি পৰ্ব্বত,—কোনোবা নাৰীৰ যেন ঘন কেশগুচ্ছ দুকাশেদি বৈ পৰা দুলানি বেণী। আক মাজৰ বগাখিনি যেন এখন শুভ্ৰ কপাল। বিদায়গামী বেলিটো যেন কপালৰ এটা তেজীৰঙা সেন্দুৰৰ ফোঁট। কবিতাত ক'ৰবাত পঢ়িছিলোঁ:

"পুৱাৰ,
সদ্যস্নাতা গাভৰুৰ বগা
কপালত কেঁচা সেন্দুৰৰ ফোঁট।"

আমাৰ বেলিমাৰৰ দৃশ্যই মোৰ কল্পনাৰ আকাশত এই ফোঁটটোকে আঁকি দি যায়। "স্বৰ্ণ দ্বাৰ"ৰ দূৰণিবটীয়া ছবিখন নহয়।...

ছানফ্ৰান্সিস্কো চহৰৰ উপকণ্ঠত, সাগৰৰ পাৰতে, এখন মাছমৰীয়া মানুহৰ গাওঁ আছে। গাওঁখন চাব লগীয়া বস্তু। গোটেই দিনটো এদিনাখন তাতে আছিলোগৈ। গাওঁখনৰ নাম "Fisherman's wharf"। পুৱা চলফাট দিয়াৰ লগে লগেই শ শ নাও, ষ্টীম্ চালিত, সাগৰৰ বুকুলৈ ওলাই যায়। আবেলি উভতি আহে। এটাইবোৰ নাৱৰে ৰং বগা। দূৰৈৰ পৰা,—জাকি মাৰি একেলগে ওলাই যোৱা নাওবোৰ দেখিলে নীল সাগৰৰ বুকুত ৰাজহাঁহ এজাক ওপঙি ফুৰা যেন লাগে। মাছমৰীয়া গাওঁখনত খোৱাৰ অলেখ দোকান আছে। চহৰৰ পৰা গাড়ীৰে মানুহ এই ঠাইলৈ মাছ খাবলৈ আহে। সন্ধ্যা নানা বুলীয়া চাকিৰে এই দোকানবোৰ উজ্জ্বল হৈ পৰে। নানা

তৰহৰ মাছৰ আঞ্জাৰ গোন্ধে পেটৰ ভোক খুব যেন চোকা কৰে। এজন ইহুদী বন্ধুৰ লগত ময়ো এদিন মাছৰ আঞ্জাৰ জুতি লবলৈ তালৈ গৈছিলোঁ।······

এতিয়ালৈকে যুক্তৰাষ্ট্ৰৰ ভালেমান বিশ্ববিদ্যালয় পৰিভ্ৰমণ কৰিছোঁ। ছানফ্ৰান্সিস্কো চহৰৰ অন্তৰ্ভুক্ত ডুখন বিশ্ববিদ্যালয় আছে। এখনৰ নাম ষ্টানফোৰ্ড আৰু আন খনৰ নাম কালিফৰ্ণিয়া বিশ্ববিদ্যালয়। দুয়োখন বিশ্ববিদ্যালয়েই চহৰতলীৰ পৰা দূৰৈত। দুয়ো ঠাইলৈকে ৰেল গাড়ীৰে যাব লাগে। আমেৰিকাৰ বিশ্ববিদ্যালয়বোৰ প্ৰায়েই আত্ম-সম্পূৰ্ণ। বৰ বৰ দোকান, খেলাৰ ষ্টেডিয়াম, লাইব্ৰেৰী, ৰঙ্গমঞ্চ আদিৰে বিশ্ববিদ্যালয়বোৰ স্বয়ং-সম্পূৰ্ণ। কালিফৰ্ণিয়া বিশ্ববিদ্যালয়ৰ নিজা পুলিচ বাহিনীও দেখিছিলোঁ।······বিশ্ববিদ্যালয়বোৰৰ সংগঠন দেখি মনতে ভাবিছিলোঁ—বৰ বৰ ঘৰ, ইউকেলিপটাছ, অ'ক নাইবা মেপল গছৰ এভিনিউৰে আচলতে প্ৰাণৰ সঁহাৰি নিদিয়ে। আচল বস্তুৰ অৰ্থহীন নিনাদ নাই। ই অন্তৰপ্ৰৱাহী ফল্গু। ৱাল্ট হুইটমেনৰ ভাষাতে ঃ

"A great city is that which has
the greatest men and women,
If it be a few rugged huts,
It is still the greatest city in the world."

ইয়াৰ বিশ্ববিদ্যালয়বোৰৰ অধ্যয়ন পদ্ধতি সম্বন্ধে দকৈ ভাবি চাব লগীয়া। মানসিক পৰিপক্কতাৰ বাবে যেনে শিক্ষা ব্যৱস্থাৰ আৱশ্যক তাতোকৈ, কাৰ্য্যকৰী শিক্ষাৰ নামত, ইয়াক যেন তৰল আৰু বিক্ষিপ্ত

কৰা হৈছে—এনে ধৰণৰ মোৰ অনুমান হৈছিল। এইখন দ্ৰুততাৰ দেশ। এই দ্ৰুতগামিতাই মানুহৰ সমূহ জীৱন আচ্ছন্ন কৰিছে। আজৰিৰ অভাব। গতিৰ অন্ত নাই। শিক্ষা-জীৱনতো ইয়াৰেই যেন প্ৰতিফলন হোৱা দেখিবলৈ পাইছো। ভালেমান পাঠ্য-পুথিৰ মাজেদি শিক্ষাৰ্থীক যেন দ্ৰুত বেগেৰে লৈ যোৱা হয়। মানসিক পৰিপুষ্টিৰ বাবে যি অনুপাতে খোপনি পুতিব লাগে তেনেদৰে খোপনি পুতিবলৈ নৌ পাওঁতেই যেন আগবাঢ়ি যাবলৈ নিৰ্দেশ দিয়া হয়,—এনে বোৰ ভাব মোৰ মনলৈ আনি নিছিগাকৈ আহিছিল। এই ভাববোৰ মনৰ দেৱালৰ মাজতে আৱদ্ধ থাকিবলৈ দিয়া নাছিলোঁ। মনৰ জপনা মেলি দিছিলোঁ। বিশ্ববিদ্যালয়ৰ কেইবা গৰাকীও খ্যাতনামা শিক্ষাবিদৰ লগত এই বিষয়ে আলোচনা কৰিছিলোঁ। কোনেও মোৰ কথাৰ বিৰোধিতা কৰা নাছিল।...

আমেৰিকাৰ জীৱন অতিশয় দ্ৰুতগামী। যন্ত্ৰ-ব্যৱস্থাই মানুহৰ সমূহ জীৱন জয় কৰা দেখিছোঁ। যন্ত্ৰৰ হেঁচাত মানুহ একেবাৰেই পঙ্গু হৈ গৈছে। ইয়াৰ কোনো কোনো চিন্তাশীল মানুহে যে এই কথাষাৰ উপলব্ধি কৰা নাই,—এনে নহয়। বহুতৰে মনত এনে প্ৰশ্নই ঠাই পোৱা দেখিছোঁ। কালিফৰ্ণিয়া বিশ্ববিদ্যালয়ৰ বিভাগীয় অধ্যক্ষ ডক্টৰ বীংহাম এগৰাকী বুঢ়া মানুহ। এই বিষয়ে মানুহ গৰাকীৰ লগত মই আলোচনা কৰিছিলোঁ। তেওঁ কৈছিল: “এই বেগে (দ্ৰুতগামিতাই) আমাক কলৈ লৈ যাবলৈ ওলাইছে মই কব পৰা নাই। আমি যন্ত্ৰৰ হাতত এনে ভাবে পৰাভূত হৈছোঁ যে যন্ত্ৰ নহলে আমাৰ পৰিত্ৰাণ নোহোৱা হৈছে। আনহাতে যন্ত্ৰ আৰু বেগ,—এই দুটা বস্তুৱে আমাৰ দেহ ঘূণীয়া কৰিছে। গতিকে বয়স হৈ

অহাৰ লগে লগে সৰহ ভাগ আমেৰিকানকেই দেখিব 'ব্লাড্ প্ৰেছাৰ্' নাইবা পেটত 'আল্‌ছাৰ্' ৰোগে পাইছে। এয়ে হৈছে আমাৰ অৱস্থা।" এনে ভাব যে কেৱল ডক্টৰ বীংহামৰ লেখীয়া বুঢ়া শিক্ষা-বিদৰ মনতেই খেলাইছে এনে নহয়। কিছুমান ডেকা মানুহৰ মনতো এনে ভাব খেলাইছে। ছান্‌ফান্সিস্কো চহৰৰ "আমেৰিকান্ একাডেমী অব্ এছিয়ান্ ষ্টাডিজ্" বোলা অনুষ্ঠানটোত বক্তৃতা দি ওলাই আহোঁতে, একেষাৰ কথাকে কেইবা জনো ডেকা মানুহে মোক কৈছিল। এই জড়বস্তুৰ পৰা পৰিত্ৰাণৰ একমাত্ৰ পথ এওঁ-লোকে ভাৰতীয় আধ্যাত্মিকতা বুলি ভাবে।

বহুতেই ভাৰতক অতিপাত আধ্যাত্মিকতাৰ দেশ বুলি গণনা কৰে। ইয়াক একেবাৰেই দৰ্শনৰ, আনহাতে বহুত খিনি অলস-বিলাসৰ দেশ বুলিও ধাৰণা কৰে। মোৰ বক্তৃতাবোৰৰ জৰিয়তে এনে ধাৰণাসমূহ ভাঙিবলৈ অৱশ্যে যত্ন নকৰাকৈ থকা নাই। দৰ্শনৰ পিনৰ পৰা ভাৰত যে শীৰ্ষস্থানীয় সেই বিষয়ে সন্দেহ নাই। আনহাতে এই ভাৰততেই আকৌ প্ৰখৰ বুদ্ধি আৰু বাস্তৱ দৃষ্টিসম্পন্ন ৰাজনীতিজ্ঞ,—মনুৰ পৰা গান্ধীলৈকে, জন্ম হৈছে। এই ভাৰততেই বাস্তৱ জ্ঞানসম্পন্ন কৌটিল্যৰ "অৰ্থশাস্ত্ৰ"ৰ লেখীয়া ৰাজনীতিৰ বেদ ৰচনা হৈছিল। এনে এটা দৃষ্টিভঙ্গী দাঙি ধৰি গোটেই সমস্যাটো ব্যক্ত কৰিবলৈ যত্ন কৰিছোঁ।···

······এয়া লেখি থাকোঁতেই বাহিৰত বৰষুণ নামিছে। খিড়িকীৰ আৰ্চ্চিবোৰত বৰষুণৰ ছিটিকনিয়ে আহি কোবাইছেহি। বেছ ভাল লাগিছে। মনত কবিতাৰ ঢল নামিছে, বাহিৰৰ বৰষুণ নমাৰ দৰেই। বৈষ্ণৱ কবিৰ :

"এ ভৰা বাদল, মাহ ভাদৰ
শূন্য মন্দিৰ মোৰ।"

এই ফাকি কবিতা নহয়। নাইবা ৰবি ঠাকুৰৰ ঃ

"এমন দিনে তাৰে বলা যায়,
এমন ঘন ঘোৰ বৰিষায়।"......এই ফাকি কবিতাও নহয়। মোৰ মনলৈ আহিছে ফৰাছী কবি ভাৰ্লাইৰ একাকি মনোৰম কবিতা। কবিতা ফাকি হৈছে ঃ

"Oh soft sound of rain
On earth and on the roofs,
For a heart that is pining,
Oh ! the song of the rain."

ইয়াত সাধাৰণতে আৰু এটা সমস্যা উত্থাপিত হোৱা দেখিছোঁ। সেইটো হৈছে ভাৰত আৰু পাকিস্থানৰ ৰাজনৈতিক সম্বন্ধ সম্বন্ধে। এতিয়ালৈকে এনে এখন সভা পোৱা নাই য'ত বক্তৃতাৰ অন্তত শ্ৰোতা সকলৰ ফালৰ পৰা এই বিষয়ে প্ৰশ্ন হোৱা নাই। ইয়াৰ উত্তৰ দি দি মই ভাগৰি পৰিছোঁ। পাকিস্থান আৰু ভাৰতৰ সম্বন্ধ কল্পনাতীত ভাবে শত্ৰু ভাবাপন্ন,—এয়ে হৈছে ইয়াৰ মানুহৰ সাধাৰণতে ধাৰণা। আৰু তাৰ পৰিণাম স্বৰূপে হিন্দু আৰু মুছলমানৰ সম্বন্ধ যেন অতিপাত বেয়া, এনে ধৰণৰ ধাৰণা,—ইটোৱে যেন সিটোৰ ছাঁটোতে ভৰি নিদিয়ে, বদ্ধপৰিকৰ হৈ থকা যেন লাগে। নেহৰু আৰু লিয়াকৎ আলিৰ চুক্তিৰ পিছত যে অৱস্থা বহুত খিনি উন্নত হৈছে সেই বিষয়ে কাৰো চেতনা নাই। ইয়াৰ থাই কাৰণ হৈছে

এইখন দেশত সৰ্ব্বসাধাৰণতে পাকিস্থানৰ প্ৰচাৰ সৰহ। পাকিস্থানৰ কিতাপো সৰহ। ইতিমধ্যে কাশ্মীৰ সমস্যা সম্বন্ধে পাকিস্থানত প্ৰকাশিত কেইবাখনো কিতাপ ইয়াত চকুত পৰিছে।...সিদিনা আলোচনী এখনৰ পাতত এটা প্ৰতিবাদ দেখিছিলোঁ। প্ৰতিবাদটো হৈছে জেনেৰেল থিমায়াৰ ছবি এখন সম্বন্ধে। ছবিখন হৈছে—এজোপা গছৰ তলত জেনেৰেল থিমায়া থিয় হৈ আছে। গছ জোপাৰ গাত এখন পোষ্টাৰ। তাত লেখা আছেঃ "Visit India: Kashmir."...এই ছবিখনক কেন্দ্ৰ কৰি কৰাছীৰ পৰা এজনে তীব্ৰ প্ৰতিবাদ কৰি আলোচনীৰ সম্পাদকলৈ চিঠি দিছে। চিঠিৰ মৰ্ম্ম কথা হ'ল এই—এনেদৰে এখন পোষ্টাৰৰ তলত থিয় হৈ ছবি তোলাটো জেনেৰেল থিমায়াৰ পক্ষে চক্ৰান্তমূলক। ইয়াৰ জৰিয়তে পৃথিৱীক কাশ্মীৰ ভাৰতৰ অন্তৰ্ভুক্ত বুলি তেওঁ পতিয়ন নিয়াব খুজিছে। ইত্যাদি।...জেনেৰেল থিমায়া ইতিমধ্যেই আমেৰিকাত বৰ জনপ্ৰিয় হৈ পৰিছে।...ইয়াত মানুহৰ ভাৰতৰ বিষয়ে জানিবলৈ অপাৰ আগ্ৰহ দেখিছোঁ। লগতে অসমৰ বিষয়েও। অলপতে কালিফৰ্ণিয়াৰ ষ্টানফৰ্ড ইউনিভাৰছিটিত দিয়া বক্তৃতা এটাৰ বিষয়-বস্তু আছিলঃ "অসমৰ লোক-নৃত্য।" বক্তৃতাৰ শেষৰ ভাগলৈ বিহুগীত কেইটামান ইংৰাজীলৈ ভাঙি শুনাইছিলোঁ। ল'ৰা-ছোৱালীহঁতে গীত কেইটা মোক দোহাৰিবলৈ কৈ আগ্ৰহেৰে টুকি লৈছিল। লগতে গীত কেইটা শিকিও লৈছিলঃ

"ঘৰতো নবহে মন মোৰ লাহৰী
পথাৰত নবহে মন......" ইত্যাদি।
"হাঁহ হৈ চৰিম গৈ তোমাৰে পুখুৰীত"...ইত্যাদি।

ভৌগোলিক সীমাৰেখাৰে যে অন্তৰৰ সূক্ষ্মতম অনুভূতিবোৰ বান্ধি ৰাখিব নোৱাৰি তাৰে প্ৰমাণ এই বিহুগীত কেইটাৰ জৰিয়তে পাইছিলোঁ। অন্তৰৰ অনুভূতিৰ সূক্ষ্ম জোঁকাৰবোৰ জানো সঁচাই আন্তৰ্জ্জাতিক নহয়? বিহুগীত শুনি বিশ্ববিদ্যালয়ৰ ছোৱালী এজনী ভালেখিনি বাট মোৰ লগত লাগিয়েই আহিছিল। বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দল এটাৰ লগত এওঁ ভাৰত পৰিভ্ৰমণ কৰিবলৈ আজি এবছৰ মানৰ আগতে গৈছিল। অসমলৈ যোৱা নাছিল। অসমখন হেনো এওঁৰ কাৰণে "স্বপ্নপুৰী" (dreamland) হৈ আছে। মনলৈ এটা আওপকীয়া ভাব আহিছিল: "...এইক নি আমাৰ উত্তৰ লক্ষীমপুৰীয়া কোনোবা এখন বিহুতলীত এৰি দিব পৰা হলে, ডেকাইঁতে বাককৈয়ে নচুৱালেহেঁতেন, ঢোলৰ ছেৱে ছেৱে!"...

২৬ জানুৱাৰীৰ দিনা পুৱাই স্বাধীনতা উপলক্ষে ইণ্ডিয়ান্ কনছাল্ জেনেৰেলৰ দ্বাৰা আহূত উৎসৱলৈ নিমন্ত্ৰণ পাইছিলোঁ। তালৈ গৈছিলো। পৃথিৱীৰ নানা দেশ, উপ-দেশৰ কূটনৈতিক মহলৰ মানুহ একেলগে পাই মনটো বৰ ভাল লাগিছিল। বং-ধেমালি, আদৰ-অভ্যৰ্থনাৰ মাজেদি সন্ধ্যাটো প্ৰায় শেষ হৈছিল। ছানফ্ৰান্সিস্কোত থকা প্ৰায়বোৰ কূটনৈতিক মহলৰ প্ৰতিনিধি সপৰিয়ালে আমাৰ স্বাধীনতা উৎসৱত যোগদান দিছিল। উৎসৱত ভাৰত-প্ৰেমী আমেৰিকাৰ ছোৱালী কেই গৰাকীমানকো শাৰী পিন্ধি যোগ দিয়া পাইছিলোঁ। পেৰিছৰ দৰে ইয়াতো শাৰীৰ প্ৰতি বচকী গাভৰুইঁতৰ মৰম থকা যেন পাইছোঁ। সমবেত অতিথিবৃন্দৰ মাজত শাৰী পিন্ধা মহিলা সকলে,—আমেৰিকান্ আৰু ভাৰতীয় উভয় বিধে, খোৱা বস্তু বিলাই সু গৃহিনীৰ ভাও দিছিল। লগতে ময়ূৰ পখীৰ চালিও ধৰিছিল।

পাৰ্টি থিয় হৈ খোৱা বিধৰ (buffet) আছিল। এনেতে বিদেশী দুহিতা এগৰাকীয়ে মোক সুধিছিলহি : "মোৰ শাৰী পিন্ধা হৈছে নে? সচাই বাৰু কেনে হৈছে?" মই যেনিবা শাৰীৰ এটা এক্সপাৰ্টহে। অভিজ্ঞৰ দৰে উত্তৰ দিছিলোঁ : "বেছ ধুনীয়া হৈছে। শাৰী সঁচাই ওখ আৰু পাতল (tall and slim) ছোৱালীৰ বাবেহে।"... কথাষাৰ কোৱাৰ লগে লগে কি আনন্দ! তাই যেন মোৰ গাতে ভাগি পৰিব। ..পাছদিনা পুৱা আঠ বাজি ত্ৰিশ মিনিট যোৱাত মই বেলেৰে ষ্টানফৰ্ড ইউনিভাৰছিটিলৈ যাব লগা কাৰ্য্যসূচী আছিল। আগদিনাৰ শাৰী পিন্ধা ছোৱালী জনীয়ে উপযাচি সাত বাজি পঞ্চল্লিশ মিনিট যোৱাত তেওঁৰ মটৰেৰে মোক ৰেল ষ্টেশ্যনত থৈ আহিছিলগৈ। মাথোন দুটা মনোৰঞ্জক শব্দই,—"ওখ" আৰু "পাতল", যে এনেকৈ "কমোৱা তুলাৰ দৰে মন উকৰাব পাৰে" ভাবি মই আচৰিত।... (অ' আৰু এটা কথা মনত পৰিছে। ইয়াত এওঁলোকে মটৰ গাড়ীক "অ'ট'মোবাইল্" বোলে। মটৰ গাড়ী নোবোলে। আনহাতে "Motor" আৰু "Hotel". এই দুটা শব্দ এওঁলোকে গোট খুৱাই নতুন এটা শব্দৰ সৃষ্টি কৰিছে। শব্দটো হৈছে 'Motel.' ই হৈছে এনে এবিধ সৰু হোটেল য'ত মটৰ গাড়ীৰে গৈ দুই এদিন থাকিবগৈ পাৰি।)......ওপৰত উল্লেখ কৰা আমাৰ স্বাধীনতা উৎসৱত ভাৰতীয় সঙ্গীতৰ ৰেকৰ্ড বাজিছিল। ইয়াৰে ৰেকৰ্ড এখন বাজি থাকোঁতে আন্তৰ্জ্জাতিক শিক্ষা আয়োগৰ ডিৰেক্টৰ ডক্টৰ স্কাৰবেকে মোৰ কাণে কাণে কৈছিল : "সুৰটো ভালেই হৈছে। লগত নাচিবলৈ কেঁচী সাপটো ক'ত?" সুৰটো সঁচাই সাপ বাজিকৰৰ সুৰৰ নেকীয়াই আছিল। স্বাধীনতা উৎসৱত বাৰবৰ্, শেৰী, স্কটচ্, আদি নানা তৰহৰ

পানীয় দ্ৰব্য, লগতে ভাৰতীয় আৰু পছিমীয়া নানাবিধ আহাৰৰ বিতৰণ প্ৰবলভাবে চলিছিল। বিলাইছিল মহিলাসকলে। হলটোৰ সোঁ মাজতে সৰু টেবুল এখনৰ ওপৰত গান্ধীজীৰ তৈলচিত্ৰ এখন সজোৱা আছিল। দাঁতিতে এটা ফুলদানীত কেইথোপামান শুধ বগা জীয়া ফুল। এনেতে আমাৰ কনছাল জেনেৰেলে সেইখন টেবুলতে মদ এগিলাছ বাকি লৈ কৈছিল: "আহক আমি এতিয়া যুক্তৰাষ্ট্ৰৰ প্ৰেছিডেন্টৰ নামত মদ্যপান কৰোঁহঁক।" এই বুলি কোৱাৰ লগে লগেই ৰেকৰ্ডত যুক্তৰাষ্ট্ৰৰ জাতীয় সংগীত "The Star-spangled Banner"-ৰ সুৰ মন্থৰ গতিত বাজি উঠিছিল:

"Oh ! say, can you see by the dawn's early light,
what so proudly we hail'd at the twilight's
Last gleaming...."

ইত্যাদি। ইয়াৰ পাছত যুক্তৰাষ্ট্ৰৰ প্ৰতিনিধি গৰাকীয়ে একেখন টেবুলৰে পৰা আন এগিলাছ বাকি লৈ উচ্চস্বৰে কৈছিল: "আহক, আমি এতিয়া ভাৰতীয় লোকতন্ত্ৰৰ প্ৰেছিডেন্টৰ নামত মদ্যপান কৰোঁহঁক।" এই বুলি কোৱাৰ লগে লগে ৰেকৰ্ডত "জন-গণ-মন"-ৰ সুৰ বাজি উঠিছিল। ইয়াৰ পাছত যেনে অনুৰোধ তেনে কাম। নিশা গহীন হৈ অহাৰ লগে লগে উৎসৱ ভৰ পৰ দিছিল।...ইয়াৰ বক্তৃতা, প্ৰেছ-সাক্ষাৎ, ৰেডিঅ' সাক্ষাৎ ইত্যাদি সকলোবোৰত পোন-পটীয়াকৈ মনৰ ভাব ব্যক্ত কৰিছোঁ। বহুত সময়ত হওঁতে অপ্ৰিয় সত্য এওঁলোকে গ্ৰহণ কৰিবলৈ টান পাইছে। সেই বুলি দেখিছোঁ এওঁলোকে কেতিয়াও যুক্তিক অনুভূতি বা ভাবপ্ৰৱণতাৰে যুঁজিব

নোখোজে। কালি "এন্ আৰবৰ টাইমছ" বোলা বাতৰি কাকত খনত দেখিছোঁ, বৰ বৰ হৰফেৰে তেওঁলোকে লেখিছে।..."An India college Dean and rising Socialist, Hem Barua says : India is too concerned with her own problems to take side in the American-Russian cold war...... We can't enter U. S.-Red cold war. We don't wish to become involved in a foreign war.........Prime Minister Nehru's neutral foreign policy has the overwhelming support of the Indian people. The Socialist Party, second strongest party in India, also favours neutral foreign policy. We, however, will like to achieve a third force" ইত্যাদি।...ইয়াৰ উপৰিও যুক্তৰাষ্ট্ৰত দেখিছোঁ ভালেমান সংঘ আৰু অনুষ্ঠান আছে, যিবোৰৰ উদ্দেশ্য হৈছে আন্তৰ্জ্জাতিক ক্ষেত্ৰত আওপকীয়া ভাবে যুক্তৰাষ্ট্ৰৰ প্ৰভাব বিস্তাৰ কৰা। এনেবোৰ অনুষ্ঠান বেছৰকাৰী যদিও, এইবোৰে আনহাতে চৰকাৰৰ কামকে কৰে। এনে বোৰ অনুষ্ঠানৰ আগত "ভাৰত যে কাৰো নেগুৰত ওলমি থাকিব নোখোজে",—এইষাৰ কথা স্পষ্ট ভাষাত কৈছোঁ। সংগ্ৰাম খলীত ভাৰতৰ পৰাজয় হব পাৰে, সেই বুলি প্ৰতিভাৰ ক্ষেত্ৰত নহয়।...

কালিফৰ্ণিয়া বিশ্ববিদ্যালয়ৰ আন্তৰ্জ্জাতিক সস্থাৰ অন্তৰ্ভুক্ত "ইণ্ডিয়ান প্ৰেছ ডাইজেষ্ট" নামে এখন আলোচনী আছে। ইয়ালৈ প্ৰায়বোৰ ভাৰতীয় কাকতেই আহে। যেনে "অমৃত বাজাৰ পত্ৰিকা", "নেছনেল হেৰল্ড", "হিন্দুস্থান টাইমছ" ইত্যাদি। ১৯৫০ চনৰ ১৯ এপ্ৰিল তাৰিখৰ "অমৃত বাজাৰ পত্ৰিকা"-ত মোৰ "নগা সমস্যা" বোলা প্ৰবন্ধ এটা ওলাইছিল। সেই প্ৰবন্ধটোও প্ৰেছ ডাইজেষ্ট-ৰ

অফিছত দেখিবলৈ পাইছিলোঁ। মনটো ভাল লাগিছিল। ডক্টৰ বুথে মোক দেখুৱাইছিল।

...ছানফ্ৰান্সিস্কো চহৰ খন খৰচি মাৰি চাইছোঁ। চহৰকাৰ মহলে সাধাৰণতে ওপৰ তৰপৰ লগত সংযোগৰ দিহা কৰে। বজাৰ্বীয়া ওপৰ মহল সমগ্ৰ পৃথিৱী জুৰি একেটা সাঁচতে ঢাল খোৱা। ইটো সিটোৰ মাজত পাৰ্থক্যৰ ৰেখা ডাল তেনেই ক্ষীণ। নগণ্য। ওপৰ মহলৰ পাৰ্টিবোৰত কিছুমান সৰ্ব্বসাধাৰণ বস্তু স্থায়ীভাবে দেখা যায়। ভাল কাপোৰ পিন্ধা মানুহ, কোমল হুঁকা, ফুলৰ থোপা, মদ, "মদন পিচলি পৰা" গাভৰু, অৰ্কেষ্ট্ৰাৰ সুৰ ইত্যাদি বস্তু পৃথিৱীৰ সকলো ঠাইৰে ওপৰ মহলত একে ধৰণৰ। গতিকে এইবোৰ নিৰীক্ষণ কৰি কোনো এটা জাতিৰ বিষয়ে বিতংকৈ জানিব নোৱাৰি। এইবোৰে মাথোন মানুহৰ অভিজ্ঞতা এটলীয়া কৰে। গতিকেই ইহুদী বন্ধু মিঃ ৰেগ'ফ আহি যেতিয়া চহৰ চাবলৈ মোক লগ ধৰিছিল, মই তেওঁক কৈছিলোঁ: "আমেৰিকাৰ ওপৰ মহলৰ জীৱন ইতিমধ্যে মই বহুত দেখিছোঁ। মোক ছানফ্ৰান্সিস্কোৰ আবৰ্জ্জনাময় ঠাইবোৰলৈ লৈ বলক। মই সেইবোৰ চাব খোজোঁ। নহলে মোৰ অভিজ্ঞতা অসম্পূৰ্ণ হৈ ৰব।" ৰেগ'ফ মানুহজন ডেকা। পিতাক কেইবাটাও ফেক্টৰীৰ অধিকাৰী। চহৰী মানুহৰ লৰাই যেনেকৈ ভাল ঠাইবোৰ চিনি পায় তেনেকৈয়ে বেয়া ঠাইবোৰো চিনি পায়। এয়ো সেই দৰে ছানফ্ৰান্সিস্কোৰ এটাইবোৰ আবৰ্জ্জনাময় ঠাই চিনি পায়। মোক সেইবোৰলৈ তেওঁ লৈ গৈছিল।......প্ৰথমতে আমি দুখীয়া মানুহ থকা ঠাইবোৰ (Slums) চাবলৈ গৈছিলোঁ। তাত ভৰি দিয়াৰ লগে লগেই মানুহবোৰৰ আৰ্থিক অৱস্থাৰ কথা বুজিব

পাৰিছিলোঁ। ঘৰৰ বাহিৰ ভিতৰবোৰ আন ঠাইৰ দৰে ষ্টীম্‌লাইন্ কৰা নহয়। অপৰিষ্কাৰ। একোটা সৰু কোঠাতে বাৰ চৌধ্য জনকৈ মানুহ বাস কৰে। কেতিয়াবা হেনো ঠাইৰ নাটনিৰ বাবে পাল পাতিও শুব লগা হয়। আমাৰ ডাঙৰ চহৰবোৰৰ দৰেই ইয়াতো কিছুমান মানুহ আনকি বাহিৰৰ ফুট-পাথতো শুব লগা হয়। ছানফ্ৰান্সিস্কোত জাৰ কম। গতিকে এই ফালৰ পৰা বিশেষ অাহুকাল নহয়। মানুহবোৰৰ কাপোৰ-কানিবোৰো সেইদৰে চকুত লগা নহয়। অলপ বেছি হুলি-গলি হলেই পয়ছা-পাতি বিচাৰে। নিউয়ৰ্ক চহৰত হওঁতে মিঃ নৰমান ট'মাছে মোক এই শ্লামছ্‌বোৰৰ কথা কৈছিল। যুক্তৰাষ্ট্ৰৰ এটাইতকৈ ডাঙৰ সমস্যা এইটোৱেই বুলিও লগতে কৈছিল। কোৰিয়া যুদ্ধ অৱসানৰ পাছত নিবনুৱা সমস্যাও গুৰুতৰ আকাৰে দেখা দিছে। বৰ্ত্তমান নিবনুৱাৰ সংখ্যা প্ৰায় তিন শ লাখ। বহুতকে কামৰ অন্বেষণত নিয়োগ বিনিময় অফিছৰ সমুখত জুম পাতি থকা দেখিছোঁ।...

ইয়াৰ পাছত আমি চহৰৰ ব'হেমিয়ান্ অঞ্চলটো চাবলৈ গৈছিলোঁ। ইয়াৰ প্ৰায়বোৰেই হৈছে লাগবান্ধ নোহোৱা মানুহ। তেনেই বে-ফিকিৰৰ। কবি, শিল্পী, সঙ্গীতজ্ঞ, ইত্যাদি। এই অঞ্চল ডোখৰক আৰ্টিষ্টৰ কুঠি বুলি জনা যায়। ইয়াত আৰ্ট আছে, পয়ছা নাই। বাহিৰৰ পৰা অৱশ্যে ধৰিব নোৱাৰি। সমগ্ৰ পৃথিৱী জুৰি আৰ্টিষ্টবোৰ এটা অসম্ভৱ জাতি। জীৱনৰ দুখ-বেদনা তেওঁলোকে আৰ্টৰ জৰিয়তে প্ৰকাশ কৰে। ব্যক্তিগত জীৱনৰ দুখ-বেদনাৰ কথা কৈ কাৰো ওচৰত এওঁলোকে সহায় বা পুতৌ নিবিচাৰে। গতিকেই হয়তো মনস্তত্ববিদসকলে কয়: আৰ্টিষ্টবোৰ অহংকেন্দ্ৰী (egoo-

centric)। অহং ভাব নহলে হেনো আর্ট সৃষ্টি নহয়।" ইয়াৰ শিল্পী সমাজকো একে ভাৱাপন্ন যেন অনুমান হৈছে। মানুহবোৰৰ মুখলৈ চাই তেওঁলোকৰ আর্থিক অৱস্থাৰ কথা কব নোৱাৰি।...... এই অঞ্চলত এখন ভাটিখানা, অর্থাৎ মদৰ দোকান আছে। এই খন হৈছে চহৰৰ এটাইবোৰ আর্টিষ্টৰে আড্ডাৰ ঠাই। আবেলিৰ পৰা তেওঁলোকে তাত জুম বান্ধেহি। সর্ব্বসাধাৰণ শিল্পীৰ জীৱনৰ দৰেই দোকান খনো একেবাৰেই লাগবান্ধ নোহোৱা। টেবুল, চকী, মেজ, বটল, গিলাছ ক'ত কিটো আছে একো ঠিক নাই। তাতে এটা ডাঙৰ পিয়ান'ও দেখিছিলোঁ। যাৰে মন গৈছে বজাইছে। কাৰোবাৰ গান গাবৰ মন গৈছে গান গাইছে। কাৰোবাৰ নাচিবৰ মন গৈছে নাচিছে। এটাইবোৰ কর্ম্মপ্রণালীৰ প্রকাশ স্বতঃস্ফূর্ত্ত। কাৰো যেন জৈবিক আহুকাল, পাৰিবাৰিক জঞ্জাল ইত্যাদি একোৱেই নাই। মদ খাইছে। আৰু আছে। পয়ছা দিব পৰা নাই। ছবি দি গৈছে। এনে ছবিৰে দোকানৰ বেৰ-চাল উপচি আছে। তাৰে কিছুমান ছবি অতি চমৎকাৰ। এইবোৰ শিল্পী হাতৰ নিপুণ চিনাকি। সঁচাই প্রতিভাৰ এনে অপমৃত্যু দেখি মনলৈ অনুতাপ আহিছিল। বেজাৰ লাগিছিল।...... মদৰ দোকানৰ লৰা কেইটাও একে ধৰণৰ। একো লাগবান্ধ নাই। এটাক দেখিছিলোঁ গামোছা এখনকে পিন্ধি ঘূৰি ফুৰিছিল। আন এটাক দেখিছিলোঁ বীয়েৰৰ বটল এটা আনিবলৈ গৈ বাটতে গিলাছে বটলে বজাই সঙ্গীতৰ সুৰ সৃষ্টি কৰিছিল। বৰ আচৰিত ঠাই। ইয়ো এক মনৰ দাপোণৰ পৰা মচিব নোৱাৰা অভিজ্ঞতা।...

এই খিনিতেই সাধাৰণতে এটা প্রশ্ন জাগে,—সেইটো হৈছে,

যুক্তৰাষ্ট্ৰত গণিকালয় আছে নে নাই। পৃথিৱীৰ সভ্য দেশ সমূহৰ পৰা বৰ্ত্তমান অনুষ্ঠান হিছাপে গণিকালয় লোপ পাইছে ; সঁচা কথা। ইয়াৰ ধ্বংস সাধন হৈছে। নাৰীয়ে স্বতন্ত্ৰতা লাভ কৰিছে। ব্যক্তিগত ভাবে নাৰীৰ আৰ্থিক সুযোগ-সুবিধা বাঢ়িছে। গতিকেই পেটৰ ক্ষুধাৰ তাড়নাত সৃষ্টি হোৱা গণিকাবৃত্তি হয়তো জগতত সভ্য দেশসমূহৰ পৰা লোপ পাইছে,—এই বিষয়ে সন্দেহৰ অবকাশ নাই। আনহাতে ইয়াৰ ঠাইত আনুষ্ঠানিকভাবে নহলেও ব্যক্তিগতভাৱে এক নতুন যৌন-জীৱনৰ সৃষ্টি হৈছে। ইয়াৰ যোগান ধৰিছে জন্ম-নিয়ন্ত্ৰণৰ নানাবিধ বৈজ্ঞানিক পদ্ধতিয়ে। ই ইউৰোপৰ ক্ষেত্ৰত যেনে দৰে সঁচা আমেৰিকাৰ ক্ষেত্ৰতো তেনে অনুপাতে সঁচা। গতিকেই বৰ্ত্তমান পছিমীয়া দেশসমূহত যৌন-জীৱন কেন্দ্ৰ কৰি এক বিৰাট সামাজিক বিপ্লবৰ উদ্ভব হৈছে। তাহানি আলডুইছ্ হাক্সলীৰ "ফেশ্যনছ ইন্ লাভ্" বোলা ৰচনা পঢ়া মনত আছে। তাত তেওঁ লেখিছে—পছিমীয়া দেশসমূহত, বিশেষকৈ আমেৰিকাত, নাৰীৰ যৌন-জীৱন টেনিছ্ বা বিলিয়াৰ্ড খেলাৰ দৰেই সহজ আৰু স্বাভাৱিক হৈছে। এই ক্ষেত্ৰত অলপতে ওলোৱা ছ'মাৰছেট্ ম'ম-ৰ এটা প্ৰবন্ধ উল্লেখযোগ্য।

'The real social revolution is the extra-ordinary relations between the sexes. People, of course, is admitting this change in modern novels, but they are not admitting it in life and won't out and say it in print. The whole relation between the sexes has been completely changed by the invention of

modern contraceptives. What used to be called chastity seems to have been a social code based on fear."

......সামৰণিৰ আঁৰ কাপোৰ টনাৰ আগতে আন এটা কথা মনত পৰিছে। সেইটো হৈছে, আজি-কালিৰ যে কিছুমান ডেকাই ৰাজকাপুৰ-নাৰ্গিছ মাৰ্কা, নাইবা চিত্ৰ-বিচিত্ৰ ব্লাউছৰ কাপোৰৰ লেখীয়া কাপোৰেৰে বুছ-শ্বাৰ্ট পিন্ধে,—সেই সম্বন্ধে। লণ্ডনৰ কোনোবা এজন এম, এল্, এ-ই ইয়াৰ বিপক্ষে পৰিষদত এটা প্ৰস্তাৱ অনা কথা আছিল। কচি হানিকৰ বুলি। এই বস্তুটো হলিউদৰ ছবিৰ জৰিয়তে আমাৰ দেশত সোমাইছে যে তাৰ প্ৰমাণ ইয়াত পাইছোঁ। ইয়াতো তেনে চোলা পিন্ধা, এক তৰহৰ কচিসম্পন্ন ডেকা দেখিছোঁ। নিউয়ৰ্কৰ চহৰৰ কিছুমান দোকানত আনকি নগ্ন নাৰী মূৰ্ত্তি অঙ্কিত নেক্-টায়ো দেখিছিলোঁ। ইয়াত সৌষ্ঠৱপূৰ্ণ উলঙ্গ নাৰী মূৰ্ত্তি হিছাপে বিখ্যাত চিত্ৰ-তাৰকা মেৰিলিন্ মনৰোৱে বিশিষ্ট স্থান পোৱা দেখিছোঁ। বৰ্ত্তমান চিত্ৰাভিনেত্ৰী সকলৰ ভিতৰত বিটা হেইৱৰ্থ, ডেব'ৰা কাৰ্ আৰু এওঁ, বিশেষভাবে প্ৰসিদ্ধ।......অলপতে মেৰিলিন্ মনৰোক সোঁ-শৰীৰে দেখা সৌভাগ্য ঘটিছিল। তেওঁ ছৰকাৰী অফিছলৈ পাছ-পৰ্ট বিচাৰি আহিছিল। খবৰটো অহ কাণে পহ কাণে ব্যাপ্ত হোৱাৰ লগে লগেই অফিছৰ বাহিৰ ভিতৰ জনতাৰে উপচি পৰিছিল। বহুতৰে হাতত একোটা কেমেৰা। পুলিচ আহি জনতা নিয়ন্ত্ৰণ কৰিব লগীয়া হৈছিল। মই তেতিয়া সেই অফিছতে বহি আছিলোঁ। হৈ-চৈ দেখি অফিছৰ চেক্ৰেটৰী

মিছ্ ছেণ্ডছ্-ক মই কৈছিলো : (অৱশ্যে তেওঁৰো কম উখল মাখল লগা নাছিল) : "ছোৱালীৰ অতি ধুনীয়া হোৱাটো বৰ কষ্টকৰ, নহয় ?" তেওঁ হাঁহি হাঁহি উত্তৰ দিছিল : "ধুনীয়া হোৱাটো নহয়। চিত্ৰ-তাৰকা হোৱাটোহে।"......

কোনটো এতিয়া সঁচা ?

ডাৰ্হাম্

……মোৰ মনে কাণ পাতি শুনে……

সাগৰৰ বুকুতো তৰহে তৰহে ৰঙ আছে। কজলা। ঘন নীলা। আকাশ বৰণীয়া। মানুহৰ সাগৰতো তৰহে তৰহে ৰঙ আছে। নানা বৰণীয়া। খেলি মেলি। মানুহৰ নৃ-তাত্ত্বিক আকৃতি, গোষ্ঠী, জীৱন-পদ্ধতি ইত্যাদিয়ে এই ঘন সাগৰৰ বুকুত নানা বুলীয়া ৰামধেনু আঁকিছে। সময়ৰ পছোৱা বাই ইয়াৰ হয়তো বহুত খিনি চিনচাব জাৰি জোকাৰি গৈছে। সেই বুলি জীৱনৰ যি মূল আঁচোৰ, তাৰ লেশমানো চিন হেৰোৱা নাই। ই কালৰ বুকুত নিগাজীকৈ জীয়াই আছে।…যুক্তৰাষ্ট্ৰৰ মানৱ সমাজৰ বুৰঞ্জী জাৰি জোকাৰি চাব লগীয়া বস্তু। ইয়াত পৃথিৱীত নানা ঠাইৰ পৰা অহা পমুৱা মানুহৰ সংখ্যা সৰহ। দূৰৈৰ পৰা মানুহৰ খণ্ড-সাগৰ বোৰৰ সীমা ৰেখা বিচাৰি উলিয়াব নোৱাৰি। ই প্ৰায় অসম্ভৱ যেনেই লাগে। যিমানেই কাষ চাপি অহা হয়, সিমানেই সাগৰৰ সীমনাই ধৰা দিয়ে। ইংৰাজী ভাষা-ভাষী মানুহৰ বাহিৰেও ইউৰোপৰ নানা দেশ, উপ-দেশৰ পৰা এই খন দেশলৈ মানুহ আহিছিল। ইয়াতে তেওঁলোকে নিগাজীকৈ ঘৰ বিচাৰি লৈছে। ইবোৰৰ ভিতৰত পোলেণ্ড, ফ্ৰান্স, স্পেইন, ইটালী, জাৰ্ম্মানী ইত্যাদি দেশৰ পৰা অহা মানুহৰ সংখ্যা লেখত লবলগীয়া। এতিয়াও এই সকলৰ প্ৰায়েই নিজৰ ভিতৰত

কথা-বতৰা, আলাপ-আলোচনা আদি নিজৰ মাতৃ ভাষাৰ জৰিয়তেই পৰিচালনা কৰে। ইয়াৰে কোনো কোনোৱে হয়তো ইতিমধ্যে নিজ মাতৃভাষা একেবাৰেই পাহৰিছে। এওঁলোকে ইংৰাজী ভাষা নিজা মাতৃভাষা হিছাপে গ্ৰহণ কৰিছে। ইয়াৰ উদাহৰণ পোনতে নিউয়ৰ্ক চহৰত পাইছিলোঁ। এটা ইটালীয়ান পৰিয়ালত। অৱশেষত এনে উদাহৰণ অলেখ পাইছোঁ। চিকাগো চহৰত এজন প'লিছ উকীলৰ ঘৰত খাবলৈ নিমন্ত্ৰণ পাইছিলোঁ। অকল মানুহ জনেই নহয়, লৰা-তিৰোতা সমন্বিতে, গোটেই ঘৰ খনেই নিজা ভাষা পাহৰিছে। তেওঁ-লোকে ইংৰাজী ভাষা গ্ৰহণ কৰিছে। মানুহ জনৰ নাম ফ্ৰেঙ্ক ছিল'নস্কি। নামটোৰ পৰা প'লিছ নাইবা ৰাছিয়ান্ বুলি সন্দেহ কৰি সোধাতহে কথাৰ আঁতিগুৰি জানিব পাৰিছিলোঁ। ইয়াৰ ইলিয়নই অঞ্চলত কিছুমান জেক'শ্লভেকিয়াৰ পুৰণি মানুহ আছে। তেওঁ-লোকৰ মাজতো এনে দৰে ভাষাৰ সংঘৰ্ষ চলিছে। ছান্‌ফান্সিস্কো চহৰৰ উপকণ্ঠৰ "ৰাছিয়ান্ হিল্" নামৰ এলেকা ডোখৰৰ কথা শুনি পোনতে মই আচৰিত হৈছিলোঁ। অতীজতে ৰুছিয়াৰ পৰা কিছুমান মানুহ উঠি আহি এই অঞ্চলত থুপ খাই বসতি কৰিছিলহি। গতিকেই এই ঠাই ডোখৰৰ নামাকৰণ এনেৰূপে কৰা হৈছিল। এই অঞ্চলটো চাবলৈ গৈছিলোঁ। তাৰ বাসিন্দা কেই ঘৰাকী মানক লগো পাইছিলোঁ। এওঁলোকেও ৰুছীয় ভাষা একেবাৰেই পাহৰিছে। তাৰ ঠাইত ইংৰাজী ভাষা লৈছে। সেই বুলি এৰি অহা দেশ খনৰ প্ৰতি তেওঁলোকৰ যে এটা অনুকম্পা নাই এনে নহয়। ইয়াৰ উ'ম্ তেওঁলোকৰ কথা-বতৰাত বিচাৰি পাইছিলোঁ।...

শান্তা ফে চহৰ আৰু নিউ মেক্সিক' প্ৰদেশত স্পেইন দেশীয় মানুহ বহুত আছে। এওঁলোকৰ ভাষা, সংস্কৃতি এতিয়াও সজীৱ হৈয়ে আছে। প্ৰয়োজনীয়তাত পৰি ইংৰাজী ভাষা শিকিছে যদিও এওঁলোকে মূল ভাষা পৰিত্যাগ কৰা নাই। আনকি চহৰ খনৰ নাম শান্তা ফে,—ইয়ো স্পেনীছ্ ভাষাৰ শব্দহে। মোৰ হোটেলটোৰ নাম আছিল লা প'ছেডা (La Pasada)। এই শব্দটোও স্পেনিছ ভাষাৰ। ইয়াৰ অৰ্থ হৈছে "চৰাইখানা" (inn)। চৰাইখানাত বাস কৰি মোৰ সাউত কৰে ওমৰ খৈয়ামলৈ মনত পৰিছিল :

There was a door to which
I found no key,
"There was a veil past which
I could not see."

অৱশ্যে দুৱাৰৰ সচাৰকাঠি বিচাৰি নেপালেও মানব বুৰঞ্জীৰ সচাৰকাঠি বহুত দূৰ বিচাৰি পাইছোঁ। এই ৰহস্যৰ ইন্দ্ৰজালেৰে আবৰা দুৱাৰ খন ভালেখিনি মুকলি হৈছে।...এই নিউ মেক্সিক' আদি অঞ্চলত স্পেনীয় সকলৰ প্ৰভাবৰ বুৰঞ্জীগত কাৰণ কি ? এনে প্ৰশ্নই মোৰ মন সাগৰ থৌকি-বাথৌ কৰিছিল। অৱশেষত ইয়াৰ পম খেদি ভালেখিনি সম্ভেদ পাইছিলোঁ। প্ৰথম কাৰণ হৈছে এই অঞ্চলৰ সংখ্যা অনুপাতে স্পেনীয় সকলৰ আধিক্য। দ্বিতীয় কাৰণ হৈছে—যোৱা শতিকালৈকে ইয়াত মেক্সিক'-ৰ স্পেনীয় শাসন বলবৎ থকাটো। সেই সময়ত স্পেনীয় সংস্কৃতিৰ প্ৰভাব ইমান প্ৰবল আছিল যে আনকি আমেৰিকাৰ আদিম অধিবাসী "ৰেড্ ইণ্ডিয়ান্" সকলকো ই পৰাভূত কৰিছিল। এই কথাৰ প্ৰমাণ ইণ্ডিয়ান সকলৰ

আদিম সমাজে আজিও যোগায়। যুক্তৰাষ্ট্ৰৰ ৰাজকীয় ভাষা ইংৰাজীতকৈ এওঁলোকে এতিয়াও স্পেনীয় ভাষা বেছি ভালকৈ বুজে আৰু কব পাৰে। পুৰণি তৰপৰ মানুহৰ ভিতৰত একেবাৰে ইংৰাজী ভাষা নজনা মানুহেও স্পেনীয় ভাষা কব পাৰে।···

···আৰু এটা কথা। আমি যাক "ৰেড্ ইণ্ডিয়ান্" বুলি জানো সেই সকলক ইয়াত উকাকৈ "ইণ্ডিয়ান্" বুলিহে জনা যায়। সেই কাৰণেই হয়তো গাৰ্ৰৰ মুখীয়াল মানুহ জনে মোক সুধিছিল: "আপুনি ইণ্ডিয়ান হল কেনেকৈ?" (এইটো কল'ম্বাছৰ ভুল। অবশ্যে honest mistake.) এই সম্প্ৰদায়টোৰ ভালেমান গোষ্ঠীগত ভাগ আছে। ইয়াৰ ভিতৰত প্ৰায় ওঠৰটা মান ঘাই। বৰ্ত্তমান প্ৰায় সকলোৱেই সমূহীয়াভাবে খ্ৰীষ্টান ধৰ্ম্ম গ্ৰহণ কৰিছে। পোনতে এওঁ-লোকৰ আদিম সংস্কৃতি আৰু নতুন ধৰ্ম্ম পদ্ধতিৰ (খ্ৰীষ্টান) লগত সংঘৰ্ষ ঘটিছিল, সঁচা কথা। কাৰণ খ্ৰীষ্টান ধৰ্ম্ম আদিম প্ৰকৃতিসম্ভূত (pagan) জীৱন-পদ্ধতি বিৰোধী। অতীজতে আয়াৰলেণ্ডত যেনেকৈ কিছুমান থলুৱা লোক-জীৱন-পদ্ধতি মানি লবলৈ খ্ৰীষ্টান ধৰ্ম্ম বাধ্য হৈছিল, সেইদৰে ইণ্ডিয়ান সকলৰ ক্ষেত্ৰতো তেওঁলোকৰ সংস্কৃতি পদ্ধতি আংশিক ভাবে হলেও মানি লবলৈ খ্ৰীষ্টান ধৰ্ম্ম বাধ্য হৈছিল। গতিকে আজিও তেওঁলোকৰ প্ৰাচীন সংস্কৃতি জীৱনৰ সৌষ্ঠৱ নষ্ট নোহোৱাকৈ আছে। এওঁলোক আদিতে ক'ৰ পৰা অহা? এওঁলোক ক'ৰ মানুহ? এনেবোৰ প্ৰশ্ন মনলৈ জাউৰিয়ে জাউৰিয়ে নহাকৈ যে আছিল এনে নহয়। আহিছিল।···

কথাৰ পম খেদি গম পাইছিলোঁ,—এওঁলোক হেনো অতীজতে ৰবযুগৰ উহ বিচাৰি উত্তৰ দিশৰ পৰা এই অঞ্চললৈ আহিছিল।

(তাহানি বেৰীং প্ৰণালীয়েদি এই সকল আমেৰিকালৈ অহা কথা পঢ়া মনত আছে। অতীজতে এক বিৰাট প্ৰশান্ত মহাসাগৰীয় সংস্কৃতি গঢ়ি উঠিছিল। অৰ্থাৎ পূৰ্ব্ব-আৰ্য্য সংস্কৃতি। তাৰেই ইয়ো হয়তো এটা ঠেঙুলি। নহলে নৃত্য-গীত, সংস্কৃতি পদ্ধতি, শাৰীৰিক গঠন, সকলো পিনৰ পৰা এনে সামঞ্জস্যৰ কি কাৰণ হ'ব পাৰে ?)··· এওঁলোকৰ জন-গীত এফাকি শুনিছিলোঁ। এওঁলোক যে উত্তৰ দিশৰ পৰা অহা সেই কথাৰ এই গীত ফাকিয়ে প্ৰমাণ যোগায়।

"Long ago in the north
Lies the road of emergence.
Yonder our ancestors live,
Yonder we take our being.
Yet we now come southward
For cloud flower blossoms here
Here the lightning flashes
Rain water here is falling."

এইটো বৰষুণৰ গীত। ৰেড্ ইণ্ডিয়ান্ সকল কৃষিজীৱী মানুহ। এওঁলোকে গোমধান আৰু জলকীয়াৰ খেতি প্ৰচুৰ পৰিমাণে কৰে। ইয়াৰ গোমধানবোৰ ৰামধেনু বৰণীয়া। নানা ৰঙৰ। আমাৰ গোমধান বোৰ সোণবৰণীয়া। ইয়াৰ বোৰ কেৱল সোণ বৰণীয়াই নহয় ;—কোনোটোইত পকা জলকীয়া যেন ৰঙা। কোনোটো-ইত হেঙুল-হাইতাল ৰহণৰ। কোনোটোইত পখৰা চিতৰা। ইত্যাদি। এওঁলোকে এইবোৰ শুকুৱাই থয়। পাইলৈ যাওঁতে এনে কিছুমান শুকুৱাই থোৱা নানা বৰণীয়া গোমধান এওঁলোকে মোক

দিছিল। মৰমৰ চিন স্বৰূপে যাওঁতে ঘৰলৈ লৈ যাবলৈ। পাছে এই সংসাৰ খন ভাৰ বৈ গোমধানৰ মোনাটো নিওঁ কেনেকৈ ?...

...ৰেড্ ইণ্ডিয়ান সকলৰ "হেমেজ্" বোলা গাওঁ এখনলৈ নাচ চাবলৈ গৈছিলোঁ। উচ্চাৰণটো যদিও "হ" আখৰৰ, এওঁলোকে শব্দটোৰ বানান "Jemez",—এনে দৰে কৰে। এইটো স্পেনিছ্ বানান-পদ্ধতি। স্পেনিছ্ ভাষাত ইংৰাজী "জ" আখৰটোৰ উচ্চাৰণ "হ" আখৰৰ লেখীয়াকৈ কৰা হয়। ইয়ো এটা সংস্কৃতি সমন্বয়ৰ সাধাৰণ যদিও উল্লেখযোগ্য উদাহৰণ।..... ইণ্ডিয়ান্ সকলৰ লোক-নৃত্য বহল ভাবে দুটা ভাগত বিভক্ত কৰিব পাৰি। এটা হৈছে কৃষিপ্ৰধান। আনটো হৈছে চিকাৰপ্ৰধান। অৱশ্যে দুয়োটাৰে ভেটি আদিম অৰ্থনৈতিক সংগঠন। সাধাৰণতে শীতৰ কালছোৱাত চিকাৰকেন্দ্ৰী নৃত্য সমূহ অনুষ্ঠিত হয়। বৰ্ষাদিনত, অৰ্থাৎ খেতিৰ কালছোৱাত, শস্য-নৃত্য সমূহ অনুষ্ঠিত হয়। চিকাৰকেন্দ্ৰী নৃত্য সমূহৰ ভিতৰত ঘাই হৈছে ম'হ আৰু ঈগল পখী নৃত্য। এই নাচবোৰৰ বাবে নৃত্যৰ বিষয়বস্তুৰ লগত খাপ খোৱা প্ৰাচীন প্ৰণালীবদ্ধ বিশেষ সাজ-পাৰ আছে। যেনে: চৰাইৰ ডেউকা, দীঘল ঠোঁট, মহ'ৰ শিং, দীঘল নোম ইত্যাদি। কৃষিকেন্দ্ৰী নৃত্য সমূহৰ ভিতৰত ঘাই হৈছে শস্য-নৃত্য (Corn dance) আৰু বৰ্ষানৃত্য (rain dance)। বাৰিষাৰ জলভৰা আকাশত এওঁলোকে দেৱতাৰ আহ্বান শুনে। আকাশৰ দেৱতাই যেন কাণে কাণে কৈ-যায়: "উঠা। আগবাঢ়া। খেতিৰ বাবে পথাৰ মুকলি হৈছে। সৃষ্টিৰ গৌৰৱ বিলোৱা।"......এওঁলোকে এই জাগৃতিৰ বাণী লোক-নৃত্যৰ ছন্দৰে, প্ৰতীকৰ সহায়েৰে ৰূপায়িত কৰে। এই খিনিতেই মোৰ

আধুনিক কবি টি, এছ্, ইলিয়টলৈ মনত পৰিছিল। আকাশৰ আহ্বান মোৰ মনে কাণ পাতি শুনে।

"Listen what the thunder says,

....

Datta, Dayadhvam, Damyata."

প্ৰাচীন নৃত্যৰ উদ্দেশ্য আছিল জীৱন আৰু পৃথিৱীৰ উৎপাদিকা শক্তিক বাস্তৱত ৰূপান্তৰিত কৰা। ইণ্ডিয়ান্ সকলৰ লোক-নৃত্য ইয়াৰ অকণো ব্যতিক্ৰম নহয়। এইবোৰক ইয়াৰ পূৰ্ণ প্ৰকাশহে বুলিব পাৰি। প্ৰতীক-ধৰ্মী কৃষি-নৃত্য স্বৰূপে আমাৰ বিহু নৃত্যৰ লগত এইবোৰৰ সামঞ্জস্য লেখত লবলগীয়া। এই মৰ্ম্মে বাতৰি যোগনীয়াৰে মোক সুধিছিল। "দি নিউ মেক্সিকান্" বোলা বাতৰি কাকত এখনে এনে দৰে মন্তব্য কৰিছিল :

"......The close similarity between the ceremonial dances of the Pueblo Indians of New Mexico and the tribal dances of the natives of Assam in the north-eastern part of India has been one of the outstanding impressions made on Hem Barua......Barua witnessed the dances at Jemez and immediately recognized in the symbolic dance movements the same attributes apparent in the dances of the hill tribes of his own country in the sub-ranges of the Himalayas. In the Pueblo Indian dances, he found the same concepts of the primitive peoples, whose earliest concern was with hunting and later with agriculture......The buffalo dance he associated

with the hunting dances of the Assam tribes and the corn and rain dances, he said, are like the Assam dances which mark the changes in nature and the progress of the season......"The people of the ritualistic era", Barua said, "believed in the magical power of art; they lived through their re-created experiences in art, whether of the chase or of agriculture"...In his opinion the Indians of the southwest (of the United States) have developed their dances in the same ritualistic pattern. "The Bihu dances reveal influences of the distant Austro-Asiatic civilization on which the Assam culture is based. The Mongoloid characteristics of the American Indians suggest an Asiatic ancestry that may account for the similarity in the dances."......

সৃষ্টিৰ কাৰণে এওঁলোকে পুৰুষ আৰু প্ৰকৃতি, উভয়ৰে সহযোগৰ কথা উপলব্ধি কৰিছিল। গতিকেই এই কৃষি-নৃত্য সমূহত এওঁলোকে নাৰী পুৰুষ উভয়কে উপযুক্ত স্থান দিছিল। আমাৰ বিহু নৃত্য যেনেকৈ ডেকা-গাভৰুৰ নাচ, এওঁলোকৰ বৰ্ষা আৰু শস্য নৃত্য সেই দৰে যুৱতীৰ নাচ। বয়সীয়া বা আদহীয়া সকলে ইয়াত অংশ গ্ৰহণ নকৰে। তেওঁলোকে ঘৰৰ পিৰালিৰ পৰাই ইয়াৰ মাদকতা উপভোগ কৰে। নৃত্যৰ এই প্ৰতীকধৰ্ম্মী, সৃষ্টিমুখৰ অৰ্থৰ কথা ডব্লিউ, বি, য়েটছে এনেদৰে কৈছে :

"Dancing is the motion of desire in the lower, mortal world, as singing is its sound symbol. David,

dancing before the art symbolises the masculine before the feminine, the energetic before the secretive."

···নৃত্যৰ বাহিৰেও এওঁলোকৰ পুৰণি ভগ্নস্তূপবোৰ চাব লগীয়া বস্তু। সমৃদ্ধিৰ পিনৰ পৰা এইবোৰে আমাৰ হাৰাপ্পা বা মহেঞ্জদাৰোক কেঞ্জা আঙুলি এটাৰো পানী নেপায় যদিও এইবোৰৰ বুকুত যে পুৰণি এক সভ্যতাৰ স্মৃতি-চিন লুকাই আছে, সেই বিষয়ে সন্দেহৰ থল নাই। কো-ৱা-ৰা (শব্দটোৰ অৰ্থ "চিৰ-সেউজ") বোলা এওঁলোকৰ পুৰণি গাওঁ এখনৰ ধ্বংস-স্তূপ নিৰীক্ষণ কৰা সৌভাগ্য মোৰ ঘটিছিল। ই হৈছে মাটিৰ তলৰ পৰা খান্দি উলিওৱা এখন পুৰণি ইণ্ডিয়ান গাওঁ। এই গাওঁ খন আৱিষ্কাৰ কৰিছিল বিশ্ব-বিদ্যালয়ৰ পুৰাতত্ত্ব বিভাগে। এইবোৰ হৈছে ৰঙচুৱা টান মাটিত কিছুমান ঘৰ। ইয়াৰ লগতে এখন অৰ্চ্চনা-থলীও আৱিষ্কাৰ হৈছে। এই অৰ্চ্চনা-থলীবোৰ মাটিৰ তলৰ গহ্বৰত অৱস্থিত। এই পুৰণি আহিৰ ঘৰবোৰক "এ'ড'বি" (adobe) ঘৰ আৰু অৰ্চ্চনা-থলীক "কিভা" (kiva) বোলা হয়। এই দুয়োটাৰ সংমিশ্ৰণত গঢ়ি উঠা গাওঁবোৰক "পুব্লো" (pueblo) বোলা হয়। ভূ-গৰ্ভত অৱস্থিত এনে "কিভা" জখলাৰে বগুৱা বাই নামি, সোমাই চাইছিলোঁ। এই "কিভা"টো হৈছে কো-ৱা-ৰা গাৱঁৰ ভগ্নস্তূপৰে এক অংশ। ইয়াৰ ভিতৰৰ দেৱালবোৰত আদিম মানুহৰ নানা ধৰণৰ সহজ বিশ্বাস-আপ্লুত ছবি (murals) দেখা পাইছিলোঁ। আদিম ইণ্ডিয়ান সমাজে মানুহৰ পূৰ্ব্ব জন্মত বিশ্বাস কৰিছিল। পৃথিৱীৰ গৰ্ভৰ পৰাই মানুহৰো উৎপত্তি,—এয়ে আছিল এওঁলোকৰ সৰল, সহজ বিশ্বাস।

এই পুৰাতত্ত্ব বিভাগৰ অধ্যক্ষ জন্ ছিন্‌ক্লেয়াৰক লগ পাইছিলোঁ। মানুহ জন এগৰাকী খ্যাতনামা লেখক। তেওঁৰ লগত এই বিষয়ে বহুল আলোচনা কৰিছিলোঁ। এই সম্বন্ধে এওঁৰ কেইবাখনো পাণ্ডিত্যপূৰ্ণ কিতাপ আছে। তাৰে এখনত তেওঁ লেখিছে :

"......The Indians believe in an after-life—that in death the pueblo spirit goes to world within the earth, one from whence all life is created. The opening to this after-world is far to the north. The religious system comprised many fraternities, each having a separate function (hunting, war, fertility etc.), and each used its own "kiva" or ceremonial room in the community house...... The whole religion is a nature worship based on prosperity derived from the fertility of the earth—the constant prayer for rain, corn and life."

ৰেড্ ইণ্ডিয়ানৰ গাওঁবোৰ বৰ পৰিষ্কাৰ, পৰিচ্ছন্ন। বৰ নিকা। গাৱঁৰ সোঁ মাজতে এখন আহল-বহল সমূহীয়া চোতাল। ইয়াতেই গাৱঁৰ যাৱতীয় উৎসৱাদি, নৃত্য গীত ইত্যাদি অনুষ্ঠিত হয়। ঘৰৰ পিৰালিৰে পৰা এইবোৰ উপলব্ধি কৰিব পাৰি। সমূহীয়া যদিও চোতালখন বৰ নিকা। ফু মাৰি ভাত খাব পৰা। নৃত্য-গীত, অৰ্চ্চনা-পদ্ধতিৰ উপৰিও আ-অলঙ্কাৰ, সাজ-পাৰ ইত্যাদিৰ জৰিয়তেও ৰেড্ ইণ্ডিয়ান্ সকলৰ নিজস্ব কাৰুকাৰ্য্য আৰু প্ৰতিভা উদ্ভাসিত হৈ আছে। এওঁলোকৰ বয়ন শিল্পাগাৰত হাতে বোৱা তাঁতশালৰ নানাবিধ চানেকীৰ কাপোৰ দেখিছিলোঁ। এইবোৰৰ চানেকী বহুতখিনি

আমাৰ সৈতে মিলা যেন অনুমান হৈছিল। ককালত এমুৰে বান্ধি লৈ বোৱা তাঁতশালবোৰ আমাৰ পৰ্ব্বতীয়া জনজাতিৰ তাঁতশালৰ সৈতে হুবহু একে। এই বয়ন শিল্পাগাৰত স্কুল-কলেজীয়া ছাত্ৰীসকলেও আজৰি সময়ত শিক্ষা লোৱা দেখিছিলোঁ। ইণ্ডিয়ান্ বুলি জানি গাৱঁৰ মানুহবোৰে মোক নিজৰ জ্ঞাতি যেন পাইছিল। তাকে দেখি মোৰ লগৰ শ্বেতাঙ্গী গাভৰু কেইগৰাকীয়ে মুখ লুকুৱাই ফিচিঙা-ফিচিঙিও কৰিছিল। তেওঁলোকৰ সাক্ষাততে এগৰাকী ইণ্ডিয়ানে মোক সুধিছিলঃ "How do you feel about us ?" অৰ্থাৎ আমাক আপোনাৰ কেনে যেন লাগে? মই অলপো নভবাকৈ কৈছিলোঁঃ "বৰ আপোন যেন লাগে।" আন এজনীয়ে তাইৰ বতাহত নাচি থকা চুলিকোছা জোকাৰ মাৰি সুধিছিলঃ "আপোনা-লোকৰ দেশৰ ছোৱালীবোৰ দেখিবলৈ কেনে?" মই তাইৰ পাতল চুলি খিনিত আঙুলি বুলাই দি কৈছিলোঁঃ "মই যদি তোমাক লগত লৈ গৈ 'এইজনী অসমীয়া ছোৱালী' বুলি চিনাকি দিওঁ, কোনেও নহয় বুলি কব নোৱাৰে।" কথা শুনি তাইৰ ওঁঠ দুটা হাঁহিৰে সেমেকি পৰিছিল।……এইবোৰ কথা হৈছিল তেওঁলোকৰ এখন সভাথলীত। সভাত বক্তৃতা দিয়া শেষ হোৱাৰ লগে লগেই মোক তেওঁলোকে মাটিতে থব নে মূৰতে লব কৰিছিল। মাটিত থলে পকৰাই পায়। মূৰত থলে এতিয়া ওকনীয়ে খায়। অৱশ্যে মূৰৰ বাবে শঙ্কা কৰিব লগীয়া একো নাই! আনবোৰ আমেৰিকান্ ছোৱালীৰ দৰেই আধুনিক ইণ্ডিয়ান ছোৱালীহঁতবো চুলি "শ্বেম্পু" কৰা। ওকনীৰ সঁচ নাই।

ইণ্ডিয়ান্‌সকলৰ লগত মিলি-জুলি, কথা-বতৰা পাতি আৰু এটা

কথাৰ বুজ পাইছিলোঁ। সেইটো হৈছে ইয়াৰ শ্বেতাঙ্গ আৰু থলুৱা বাসিন্দাসকলৰ মাজত মনৰ মিলৰ অভাৱ। শ্বেতাঙ্গসকলে এওঁলোকৰ এটা নিজা মহান দায়িত্ব আছে বুলি ভাবে। সেইটো হৈছে ইণ্ডিয়ান্‌সকলক সভ্য (?) কৰা। আনহাতে ইণ্ডিয়ানসকলৰ এটা বদ্ধপৰিকৰ ধাৰণা—তেওঁলোকক শ্বেতাঙ্গসকলে অৱজ্ঞাৰ চকুৰে চায়। ইত্যাদি। ইণ্ডিয়ানসকল আছুতীয়া এলেকাত বাস কৰে। ইয়াক "ৰিজাৰভেছন্" বোলা হয়। শ্বেতাঙ্গসকলৰ ৰিজনিত, আৰ্থিক ক্ষেত্ৰত, ইণ্ডিয়ান্‌সকল বহুত পিছ পৰা। তেওঁলোক সাধাৰণ কৃষক বা বনুৱা। ইণ্ডিয়ান এজনে মোক কৈছিল: "আমাৰ মানুহ-বোৰৰ আৰ্থিক অৱস্থা ভাল নহয়। এই যে মাটিৰ ঘৰবোৰ দেখিছে, এয়ে হৈছে আমাৰ ঘৰ। আমাৰ মটৰ গাড়ী নাই। আনকি ইয়াতোকৈ সাধাৰণ বস্তুবোৰো আমাৰ নাই।" মোক আদৰ-অভ্যৰ্থনা জনোৱা মুখীয়াল মানুহজনৰ ঘৰত বিদ্যুৎ শক্তিৰে চালিত উত্তাপ যন্ত্ৰ নাই। শুকান খৰিৰ জুইহে আছে। তেনে এখন জুহালৰ কাষতে বহি আমি কথা পাতিছিলোঁ।.....শান্তা ফে চহৰখনত ভালেমান শিল্পী আছে। তেওঁলোকৰ বহুতৰে লগত চিনাকি হৈছিল। প্ৰায়বোৰ ছবিৰে অনুপ্ৰেৰণা এই ইণ্ডিয়ানসকলৰ সামাজিক জীৱন। ইয়াৰ মিউজিয়মবোৰো জন-জাতিৰ কাৰু-কাৰ্য্যপূৰ্ণ কাপোৰ, কলহ, যুদ্ধৰ সাজ-সৰঞ্জাম ইত্যাদি মৌলিক সম্পদেৰে ভৰপূৰ। ইয়াতে এজন অষ্ট্ৰিয়াৰ প্ৰবাসী আৰ্টিষ্ট লগ পাইছিলোঁ। মানুহজনৰ যুক্তৰাষ্ট্ৰত বাস কৰা প্ৰায় চল্লিশ বছৰবো অধিক কাল হৈছে। সৰুতে তেওঁ ইউৰোপত ৰবিঠাকুৰক হেনো দেখিছিল। তাৰ বৰ্ণনাও তেওঁ মোক দিছিল। মানুহজনৰ লগত চহৰৰ কেইবাটাও ষ্টুডিঅ' পৰিদৰ্শন কৰিছিলোঁ।

ছবিবোৰ দেখি ভাল লাগিছিল। কথা প্ৰসঙ্গত মানুহগৰাকীয়ে মোক কৈছিল: "আমাৰ এই চহৰখনত কৃতী শিল্পী কেইবাগৰাকীও আছে। তেওঁলোকে ছবি আঁকে। কিন্তু আমেৰিকান মানুহে ছবিৰ মোল নুবুজে। আত্মাক উন্নীত কৰিব পৰা কোনো বস্তুৱেই এওঁলোকক স্পৰ্শ নকৰে। এওঁলোকে বিচাৰে মাথোন আৰ্থিক সম্পদ—ভাল ঘৰ, মটৰ গাড়ী আৰু টেলিভিছন ছেট্।"

......ইয়াৰ পাছত শান্তা ফে চহৰ এৰি টেক্সাছ প্ৰদেশৰ হিউছটন বোলা চহৰ এখনলৈ আহিছিলোঁ। এই প্ৰদেশখন হৈছে যুক্তৰাষ্ট্ৰৰ বিখ্যাত দক্ষিণ অঞ্চলত। ইয়াতেই অতীজতে দক্ষিণ আফ্ৰিকাৰ পৰা শই শই নিগ্ৰোসকলক আনি বজাৰত বিক্ৰী কৰা হৈছিল। চহকী কপাহ খেতিয়ক সকলে তেওঁলোকক কিনিছিল। গতিকেই এই সম্প্ৰদায় দুটাৰ সম্বন্ধ প্ৰভু-দাস পৰ্য্যায়ভুক্ত হৈছিল। আব্ৰাহাম লিন্‌কলনে ইয়াৰ বাবেই প্ৰাণ আহুতি দিছিল যদিও, ইয়াৰ জইন আজিকোপতি মৰা নাই। ই পূৰ্ণ মাত্ৰাই চলি আছে বুলিব লাগে। হিউছটন চহৰত দেখিছোঁ ৰিপাব্লিকান পাৰ্টিৰ এটা শকত প্ৰভাব বিদ্যমান। এওঁলোক একেবাৰেই পুঁজিবাদ মনোভাবাপন্ন। এওঁ-লোকৰ সৰহ ভাগৰেই আচাৰ-বিচাৰ প্ৰায়বোৰেই প্ৰতিক্ৰিয়াশীল। এইখন চহৰত বিশ্ববিদ্যালয় দুটা। এটা শ্বেতাঙ্গৰ বাবে। আনটো কৃষ্ণাঙ্গৰ বাবে। দুয়োখন বিশ্ববিদ্যালয়লৈকে গৈছিলোঁ। দুয়ো ঠাইতে বক্তৃতা দিছিলোঁ। দুয়োখন বিশ্ববিদ্যালয়ৰ অৱস্থা বিজাই চাইছিলোঁ। স্বাভাৱিকতে এখনতকৈ আন খনৰ অৱস্থা উন্নত। বিশেষ ভাবে চকুত লগা। অৱস্থাত ইখনৰ তুলনাত নিঃকিন যদিও নিগ্ৰোৰ বিশ্ববিদ্যালয়খন মোৰ বৰ আপোন যেন লাগিছিল। ইয়াৰ

কৰ্তৃপক্ষ আৰু ছাত্ৰ-ছাত্ৰীৰ ভাৰতৰ প্ৰতি শ্ৰদ্ধা আৰু আগ্ৰহ লক্ষ্য কৰি মই আচৰিত হৈছিলোঁ। এওঁলোকে যে আমাৰ দেশৰ বিষয়ে ইমানবোৰ কথা জানিবলৈ বিচাৰে, দেখি মনটো বৰ ভাল লাগিছিল। বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ ফালৰ পৰা অনুষ্ঠিত হোৱা সভাৰ বাহিৰেও, "আমাক গান্ধীৰ বিষয়ে, আপোনালোকৰ দেশৰ বিষয়ে আৰু কওঁক", বুলি আন এখন বিশেষ সভা আহ্বান কৰি ছাত্ৰ-ছাত্ৰীসকল মোৰ কাষ চাপিছিল। মই তেওঁলোকৰ সৰল অন্তৰৰ আহ্বান উপেক্ষা কৰিব পৰা নাছিলোঁ। বক্তৃতাৰ অন্তত আচৰিত হৈছিলোঁ—ছাত্ৰ-ছাত্ৰীহঁতে নিজৰ পাঠ্য-পুথি, কোনোৱে ফিজিক্স, কোনোৱে কেমিষ্ট্ৰি, কোনোৱে সাহিত্য, কোনোৱে বুৰঞ্জী, মোৰ আগতে দাঙি ধৰিছিলহি,—নামটো চহী কৰি দিব লাগে। সচৰাচৰ কৰাৰ দৰেই, প্ৰদেশ আৰু দেশৰ নাম সমন্বিতে নিজৰ নামটো এফালৰ পৰা লেখি দিছিলোঁ।······সভাৰ মাজতে এজনে মোক সুধিছিল: "আপুনি নিজকে কি বুলি কয়? শ্বেতাঙ্গ (white) নে কৃষ্ণাঙ্গ (coloured)?" কথাষাৰ শুনি মোৰ বৰ ভাল লাগিছিল। মই তৎক্ষণাৎ উত্তৰ দিছিলোঁ: "কৃষ্ণাঙ্গ"। ভাবৰ এনে সহৃদয় আদান-প্ৰদান দেখি মোৰ লগৰ শ্বেতাঙ্গসকল উচপিচাই আছিল।······

যুক্তৰাষ্ট্ৰৰ নিগ্ৰোসকল হৈছে পৰাভূত মানৱ শ্ৰেণী। এওঁলোকৰ বেদনাই যেন শতমুখী হৈ প্ৰকাশ বিচাৰিছে। গীত, চিত্ৰ-শিল্প এওঁলোকৰ প্ৰায়বোৰতে এই বেদনা উভৈনদী হৈ আছে। সভাৰ পাছত চিত্ৰ-শিল্পৰ এটা যাদুঘৰলৈ গৈছিলোঁ। এইটো হৈছে এজন কালেন্ নামে শিল্পপতিয়ে দান কৰা শ্বেতাঙ্গ অনুষ্ঠান। যাদুঘৰত অৱশ্যে জাত বিচাৰ নাই। ইয়াত বগা আৰু

কলা উভয়ৰে ছবি আছে। তাৰে বিগার্ছ নামে এগৰাকী নিগ্রো শিল্পীৰ ছবিয়ে মোৰ মন বিশেষ ভাবে আকর্ষণ কৰিছিল। ছবিবোৰ বেদনাসিক্ত। এইবোৰ পৰাভূত মানৱৰ যেন আত্মবোদন। ছবিবোৰ তধা লাগি চাই থকা দেখি মোৰ লগৰ শ্বেতাঙ্গ মহিলা মিছেছ্ অ'ৱেনে কৈছিল: "এই ছবিবোৰ মই লেশ মানো ভাল নেপাওঁ। এইবোৰ ইমান বেদনাময়।" মহিলাগৰাকী হিউছটন্ চহৰৰ এটা পুজিপতি পৰিয়ালৰ বোৱাৰী। খুব আর্ট কৰি ঘূৰি ফুৰে। মানুহ গৰাকীৰ এই উপলুণ্ডাসূচক কথাষাৰ শুনি মোৰ গা জিকাৰ খাই উঠিছিল। মই কৈ পেলাইছিলোঁ: "And where have you given them the cause to be happy?" অর্থাৎ তেওঁলোকক আনন্দমুখৰ হবলৈ আপোনালোকে সুযোগ সুবিধা দিছে ক'ত? কথাষাৰে মানুহগৰাকীক বৰ বেয়াকৈ ছুইছিল। গোটেই দিনটোৱে তেওঁ আৰু মোৰ লগত শব্দ এটাও ইফাল সিফাল কৰা নাছিল।······

ইয়াৰ পাছত এইখন চহৰ এৰি আৰু নামনিলৈ নামি আহিছিলোঁ। আহিয়েই পোনতে চকুত পৰিছিল—জৰ্জিয়া প্রদেশৰ আটলাণ্টা চহৰৰ বিমান-কোঠত মুখ-ধোৱা, চাফা-চিকোন হোৱা দুশাৰী ঘৰ। এশাৰীৰ ওপৰত লেখা আছে: "For white men only," অর্থাৎ শ্বেতাঙ্গৰ কাৰণেহে। আন শাৰীৰ ওপৰত লেখা আছে: "coloured men: coloured women," অর্থাৎ কৃষ্ণাঙ্গ পুৰুষ, মহিলাৰ কাৰণে। কথাষাৰ দেখি মনটো কিবা কিবা যেন লাগিছিল। মন সামৰিব নোৱাৰি বিমান-কোঠৰ জিৰণি ঘৰৰ মজিয়া সাৰি থকা নিগ্রো ছোৱালী এজনীৰ লগত এই বিষয়ে কথাও পাতিছিলোঁ। জিৰণি ঘৰো দুবিধ। এবিধ কৃষ্ণাঙ্গৰ বাবে। আন বিধ শ্বেতাঙ্গৰ কাৰণে।······

আজি কিছুদিনৰ পৰা আমেৰিকা তেনেই উতলি আছে বুলিব লাগে। সেইটো হৈছে যুক্তৰাষ্ট্ৰই পাকিস্থানক সামৰিক সাহায্য দিয়া আৰু এই ক্ষেত্ৰত ভাৰতৰ প্ৰতিক্ৰিয়া সম্বন্ধে। এনে এখন সভা নাই—নাইবা এনে এটা ঘৰুৱা আলোচনা নাই য'ত এই বিষয়ে এওঁলোকে মোক প্ৰশ্ন কৰা নাই। প্ৰশ্নবোৰৰ উত্তৰ মই অতি স্পষ্ট ভাষাত, পোনপটীয়াকৈ দিছোঁ। অলপতে শান্তাফে-ত ৰ'টেৰী ক্লাবৰ সভা এখনত বক্তৃতা দিওঁতে কৈছিলোঁ: "আপোনালোকৰ এই সমৰ-সজ্জা সমগ্ৰ এছিয়াৰ বাবে আতঙ্কৰ কাৰণ হৈ পৰিছে। দক্ষিণ-পূব এছিয়া যে তৃতীয় মহাসমৰৰ ৰঙ্গমঞ্চ হব, সেই বিষয়ে পৃথিৱীৰ এটাইবোৰ ৰাজনীতিবিদেই একমত। এট্‌লী, চাৰ্চ্চিলৰ কথা বাদ দিও আনকি আপোনালোকৰ ম্যাক্‌আৰ্থাৰ আদিৰ নিচিনা সমৰ-নায়কেও এইষাৰ কথাকে কয়। গতিকেই এইবোৰ অঞ্চলত সামৰিক বেহু যিমানেই বাঢ়িব, সিমানেই যুদ্ধৰ ছাঁ ঘনীভূত হোৱাটো তেনেই স্বাভাৱিক। আপোনালোকে শান্তিকামী ভাৰতৰ মনস্তত্ব বুজিব পৰা নাই,—যাক প্ৰধান মন্ত্ৰী নেহৰুৰ ভাষাতে 'mind and heart of Asia' বুলিব পাৰি। মই আপোনালোকক পোনপটীয়াকৈ সুধিব খুজিছোঁ, কালিলৈ যদি কোনোবা বিদেশী ৰাষ্ট্ৰই আপোনালোকৰ সীমান্ত অঞ্চলত, উদাহৰণ স্বৰূপে আলাস্কাত, এটা সমৰ-ঘাটি পাতে, আপোনালোক আতঙ্কিত নোহোৱাকৈ থাকিবনে?"……

এই বিষয়ে এখন প্ৰভাৱশালী বাতৰি কাকতে এনেদৰে লেখিছে। তাৰ পৰাই সাৰাংশ এটা টুকি দিলোঁ:

"The Socialists" Barua said, "donot want India to align herself with any of the power blocks.

We would like to create a third force of the smaller, submerged nations of the world in order to avoid war psychosis and work for peace. We feel that's the only way to release world tension......We consider the United States and Russia as two big power blocks juggling against one another. We have no fear of danger from Russia and donot think our problem will be solved by supporting either countries.......Our people and Government alike are in unison in their feeling toward China, and in their disfavour against the U. S. aiding militarily in neighbouring Pakistan."

এনেবোৰ পোনপটীয়া কথাৰ কাৰণেই হয়তো "বোষ্টন্ পষ্ট" বোলা প্ৰথম শ্ৰেণীৰ কাকত এখনে এনেদৰে মন্তব্য কৰিছিল: "Barua is fearless and frank in his political opinions, let the axe fall where it may," অৰ্থাৎ কুঠাৰৰ আঘাত য'তেই নপৰক লাগিলে ৰাজনৈতিক মত প্ৰকাশত বৰুৱা নিৰ্ভীক আৰু স্পষ্টবাদী।

শান্তা ফে

..... মৰমৰ বোকোচা বব মই নোৱাৰোঁ .....

ছান্‌ফ্ৰান্সিস্কোৰ পৰা লছ্ এঞ্জেলছলৈ বেলেৰে আহিছিলোঁ। মুঠ এদিন লাগিছিল। প্ৰশান্ত মহাসাগৰৰ পাৰে পাৰে ৰেলখন ফেঁটী সাপটো বগোৱাদি বগাই আহিছিল। তেনেই কাষতে সাগৰে গুজৰিছিল। ঢউবোৰে কোবেৰে আমাক খেদি আহিছিল। নীলা ঢউবোৰ পাৰত ঠেকা খাই ভাঙি-ছিঙি ডোখৰ ডোখৰ হৈছিল,—যেনিবা কিছুমান কাচৰ টুকুৰাহে ছিটিকি পৰিছে। আকাশত বেলিটোৱে হাঁহিছিল,—হয়তো সাগৰখনৰ নিৰৰ্থক সংগ্ৰামী মনোভাৱ দেখি। তাহানি ট'মাছ হাৰ্ডিৰ এফাকি কবিতা পঢ়িছিলোঁ, তাত এনে এবিধ 'impotent rage', অসাৰ্থক খঙৰ বৰ্ণনা আছে। কবিতা ফাকিহে ভালকৈ মনত পৰা নাই। সাগৰৰ উত্তাল নৃত্যই বাৰে বাৰে এইগৰাকী কবি-সাহিত্যিকক মনলৈ আনিছিল। আমি বেলেৰে উৰি অহাদি আহিছিলোঁ। আকাশখন নিৰ্ম্মল, নিকা,—ক'তো এধানিও ডাৱৰৰ কণিকা নাছিল। আৰু সেইখন আকাশৰ বুকুতে দূৰৈৰ পৰা জিলিকি থকা দেখিছিলোঁ এখন ৰামধেনু। এই ৰামধেনুখন নায়েগ্ৰা জলপ্ৰপাতৰ মোহনাত দেখা খনতকৈ বহুত বেলেগ। ই স্পষ্ট, বেছি উজ্জ্বল। নায়েগ্ৰা জলপ্ৰপাতৰখন অস্পষ্ট, যেন চকুৰ পানীৰে চলচলীয়া। এইখন অৰ্থাৎ

প্ৰশান্ত মহাসাগৰৰ বুকুত ওলমি থকাখন "পোহৰৰ মোহন গৌৰৱ"।

"দেখিছাতো ৰামধেনু ?
বাৰিষাৰ আকাশত পোহৰৰ মোহন গৌৰৱ ?" ..

এইখন বাৰিষাৰ আকাশৰ ৰামধেনু নহয়। জাৰকালিৰ নিকা আকাশৰহে ৰামধেনু। লছ্ এঞ্জেলছ দক্ষিণ কালিফৰ্ণিয়া প্ৰদেশৰ প্ৰধান চহৰ ; শব্দটো স্পেনিছ ভাষাৰ পৰা অহা। ইয়াৰ অৰ্থ হৈছে "City of the Angels", অৰ্থাৎ দেৱদূতৰ নগৰ। যুক্তৰাজ্যৰ এইখন এখন লেখত লব লগীয়া নগৰ। ইয়াৰ আদি ক'ত অন্ত ক'ত একো ধৰিব নোৱাৰি। ৱশ্বিংটন চহৰত এজনে মোক কৈছিল : "Los Angels is not a city, it is a country." সঁচা কথা। আৰু এটা ডাঙৰ কথা—এই চহৰখনক পৃথিৱীৰ নানা তৰহৰ জাতি-উপজাতিৰ মানুহৰ কেন্দ্ৰস্থল বুলিব পাৰি। বিধে বিধে ইয়াত মানুহ লগ পাইছিলোঁ। স্পেনিছ, ইটালীয়ান, ফৰাছী, জাপানী, চীনা আদি। নিউয়ৰ্ক চহৰৰ দৰেই ইয়াতো চীনা মানুহৰ এটা সুকীয়া অঞ্চল আছে। তেওঁলোকৰ সুকীয়া দোকান-পোহাৰ, আনকি সুকীয়া ৰঙ্গমঞ্চ আদিও আছে। সেইবোৰ চাবলৈ গৈছিলোঁ। জাপানী মানুহৰ এটা শকত অংশ ইয়াত বাস কৰে। তেওঁলোকৰ কিছুমানক লগ পাইছিলোঁ। যোৱা মহাসমৰৰ সময়ত জাপানী মানুহৰ প্ৰতি কেনে ব্যৱহাৰ কৰা হৈছিল জানিবলৈ বৰ আগ্ৰহ হৈছিল। ইয়াৰ ৱৰ্ল্ড ইউনিভাৰ্ছিটি ছাৰ্ভিছৰ বিভাগীয় ছেক্ৰেটৰী মিঃ ৰিচাৰ্ড ট'মাছক এই বিষয়ে মই সুধিছিলোঁ। তেওঁ কৈছিল : "যোৱা যুদ্ধৰ সময়ত ইয়াত বাস কৰা সমুহ জাপানী মানুহৰ ওপৰত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা

হৈছিল। তেওঁলোকক বিচ্ছিন্ন কৰি নি আছুতীয়াকৈ শিবিৰত ৰখা হৈছিল।" কথাষাৰ শুনি মই আচৰিত হৈ গৈছিলোঁ। "এই জাপানী সকলৰ মাজত আজি এশ বছৰৰো অধিক কাল বাস কৰা লোক আছে। ইয়াত তেওঁলোকৰ কোনোৱে বিয়া-বাৰুও কৰাইছে। ইয়াতেই তেওঁলোকৰ সতি-সন্ততিও হৈছে। এনে অৱস্থাত সমূহ সম্প্ৰদায় এটাৰ ওপৰত এনে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাটো জানো যুক্তিসঙ্গত হৈছিল? ক'ৰবাত দুই এজনে বিশ্বাসঘাতকতা কৰিব পাৰে, সেইবুলি সমূহ সম্প্ৰদায় এটাক এনেদৰে সন্দেহ কৰি আটক কৰি ৰখাটো জানো যুক্তৰাষ্ট্ৰৰ গণতান্ত্ৰিক পদ্ধতিৰ ডাঙৰ চেকা নহয়?" এই বুলি ট'মাছক মই পোনপটীয়াকৈ প্ৰশ্ন কৰিছিলোঁ। মিঃ ট'মাছ খোলা প্ৰকৃতিৰ মানুহ। মনটো উদাৰ। তেওঁ তৎক্ষণাৎ মোক সমৰ্থন জনাই কৈছিল: "সঁচা কথা, এইটো এটা আমাৰ গণতন্ত্ৰৰ ডাঙৰ কালিমা, it is a great blot on our democracy।" এইষাৰ কথা ইয়াৰ জাপানীসকলক এতিয়া কলে তেওঁলোকে হাঁহে। এজনে অৱশ্যে দুষ্টালিৰ সুৰত মোক কৈছিলঃ "এতিয়া আমি বন্ধু হৈছোঁইক, নহয়?" ······

কালিফৰ্ণিয়া গ্ৰীষ্মপ্ৰধান অঞ্চল। ই খেতিৰ বাবে প্ৰখ্যাত। ৰেলত আহোঁতে, মাইক্ৰফোনৰে পাই যোৱা ঠাইবোৰৰ কোন ডোখৰ কিহৰ বাবে প্ৰখ্যাত, ৰেলৰ কৰ্ম্মচাৰীয়ে গাড়ীৰ আৰোহী সকলক চলন্ত গাড়ীত কৈ যায়। কালিফৰ্ণিয়া অঞ্চলত ফলমূল উৎপাদনৰ কথা উল্লেখ কৰি ৰেলৰ কৰ্ম্মচাৰীজনে কৈছিল: "এই অঞ্চলত পৃথিৱীৰ অৰ্দ্ধ সংখ্যক ফল-মূল উৎপাদন হয়।" কথা সঁচা-মিছা কব নোৱাৰোঁ। ইয়াৰ মানুহৰ দেখিছোঁ প্ৰত্যেক কথাতে পৃথিৱীৰ লগত

ফেৰমৰা অভ্যাস এটা হাড়ে-হিমজুৱে সোমাই আছে। নতুন দেশ নহয়। গতিকে বাৎসল্য দোষৰ হাত সাৰে কেনেকৈ? তথাপি এইটো সঁচা যে কালিফর্ণিয়া অঞ্চল খেতিৰ বাবে বিশেষভাৱে প্ৰখ্যাত। বাটত ৰেলেৰে আহোঁতে চকুৰে মণিব নোৱাৰা পথাৰ সমূহ দেখি মন জুৰ পৰিছিল। কিছুমান খেতিৰ পথাৰ সুমথিৰা টেঙাৰ বিস্তৃত শাৰীৰে ওলমি আছিল। প্ৰায়বোৰ আমাৰ দেশৰ ফলমূলেই ইয়াত হয়। লছ্ এঞ্জেলছ চহৰত কলগছৰ লানিও দেখিছিলোঁ। এইবোৰ কলগছ হওঁতে বজা। এইবোৰত গুটি নধৰে। ইয়াৰ বজাৰত দেখা কলবোৰ মেক্সিক'ৰ পৰা আমদানি হোৱা।......আন অঞ্চল সমূহত বাৰিষা বুলি প্ৰকৃতিৰ এছোৱা কাল নাই। কালিফৰ্ণিয়া অঞ্চলত বৰষুণ হয়। ইয়াৰ খেতিয়কে বাৰিষাৰ বৰষুণৰ বাবে বাট চাইছেই বুলিব লাগে। তেওঁলোকৰ মুখত বৰষুণৰ গীত শুনিছোঁ:

"The rain ! the rain ! the generous rain,
All things are his who knows to wait,
Above the storied, gloried gate"

আকাশত ৰামধেনু ধেনুভিৰীয়াকৈ দেখা দিছে। বৰষুণ আকৌ আহিব। খেতিয়কে চহাই থোৱা মাটিবোৰক জীপ দি ই জীয়াই তুলিব। প্ৰকৃতিয়ে নদন-বদন শস্যৰে আকৌ হাঁহিব। এনে এক স্বপ্নাতুৰ কল্পনাৰে খেতিয়কে গীত ৰচিছে। খেতিয়কৰ চকুত নতুনৰ স্বপ্ন। সুৰত সৃষ্টিৰ অগ্নিশিখা।......

লছ্ এঞ্জেলছ চহৰৰ উপকণ্ঠত বিখ্যাত হলিউড নগৰ অৱস্থিত। চহৰৰ পৰা ই বেছি দূৰৈত নহয়। হলিউডৰ ছবিবোৰত ডাঙৰ ডাঙৰকৈ লেখা আছে: "Hollywood, where stars shine night and

day", অৰ্থাৎ "হলিউড, য'ত নক্ষত্ৰই দিনে নিশাই পোহৰ বিলায়।" চহৰৰ আন অংশ আৰু হলিউডৰ ভিতৰত একো বিশেষ পাৰ্থক্য নেদেখিলোঁ। বস্তিৰ একে তৰহৰ চিকমিকনি। মটৰ গাড়ীৰ একে লানি নিছিগা সোঁত। ধুনীয়া ধুনীয়া ঘৰ। হলিউড চহৰৰ একাষে হৈছে লছ্ এঞ্জেলছ চহৰৰ ঘাই বাণিজ্যকেন্দ্ৰ আৰু আন কাষে হৈছে প্ৰশান্ত মহাসাগৰৰ উপকূল। ই এলানি পৰ্ব্বতৰ মাজত অৱস্থিত। পৰ্ব্বত লানিৰ নাম হৈছে শান্তা মনিকা। হলিউডৰ জনসংখ্যা ২৭৫০০০। ইয়াত ২৬ টা লেখত লবলগীয়া চিত্ৰ ষ্টুডিঅ' আছে। ইয়াৰ উপৰিও সাতোটা টেলিভিছন্ ষ্টেছনো আছে। মুকলি ৰঙ্গমঞ্চৰ ব্যৱস্থাও ইয়াত আছে। ইয়াত মুকলি ৰঙ্গমঞ্চক সাধাৰণতে গ্ৰীক থিয়েটাৰ বোলা হয়। এনে ধৰণৰ মুকলি ৰঙ্গমঞ্চ ইতিমধ্যে কেবাটাও পৰিদৰ্শন কৰিছোঁ। কালিফৰ্ণিয়া গ্ৰীষ্মপ্ৰধান ঠাই। গতিকে এই অঞ্চলত এইবোৰৰ অৰ্থাৎ মুকলি ৰঙ্গমঞ্চৰ প্ৰাচুৰ্ভাৱ সৰহ। বিশ্ববিদ্যালয় সমূহতো এনে মুকলি ৰঙ্গমঞ্চ আছে। এইবোৰ সাংস্কৃতিক জগতৰ লেখত লবলগীয়া সম্পদ।

লছ্ এঞ্জেলছ চহৰতেই হলিউড, পৃথিৱীৰ ছায়াচিত্ৰৰ ঘাই কেন্দ্ৰ, অৱস্থিত যদিও, ই আমেৰিকাৰ সাংস্কৃতিক জীৱনৰ তথা প্ৰকৃত জীৱনৰ কথা নকয়। এইবুলি কেইবাজোৰা চিন্তাশীল ব্যক্তিয়ে মোক কৈছিল।

তেওঁলোকে কৈছিল: "হলিউডৰ ছবিবোৰে আমেৰিকাৰ জীৱন বিকৃত আকাৰে বাহিৰত প্ৰকাশ কৰিছে। বাহিৰৰ মানুহে ভাবে আমেৰিকাৰ আটাইবোৰ মানুহেই চহকী। আটাইবোৰৰে swimming pool, সাতুৰিবলৈ পুখুৰী আছে। এইবোৰ মিছা

কথা। এই ছবিবোৰৰ কাৰণেই মানুহে আমাক ভুল বুজে।" ইত্যাদি।

····· কথাবোৰ শুনি ,মই আমাৰ দেশৰ ছবিবোৰৰ কথা ভাবিছিলোঁ। "আৱাৰা" দেখি কোনে কব পাৰিব আমাৰ সেইখন জাতীয় জীৱনৰ ছবি বুলি? প্ৰকৃততে আমাৰ দেশত হলিউডৰ অন্ধ অনুকৰণ চলিছে। ইয়ালৈ অহাৰ আগতে মই ইটালীয়ান ছবিৰ কথা পঢ়িছিলোঁ। বৰ্তমান ইটালীয়ান নতুন ছবি শিল্পৰ পথ-প্ৰদৰ্শক।··· ·····এইখিনি কথা মই এই সকলক কৈছিলোঁ। এঘৰত মোক নিশা খাবলৈ মাতিছিল। তাতো এই আলোচনা চলিছিল। ইটালীয়ান ছবিৰ কথা কোৱাৰ লগে লগে তেওঁলোকৰ ঘৰৰ জীয়ৰী মাৰ্গেৰেটে তেনে পাঁচখন আলোচনী—য'ত ইটালীয়ান ছবি আৰু শিল্পৰ কথা আছে, মোক দিছিলহি। এইবোৰ হোটেললৈ আনি পঢ়িছিলোঁহি। সঁচাই চমৎকাৰ,······ইয়াতো ফিল্ম বুলিলে, ফিল্মষ্টাৰ বুলিলে উত্ৰাৱল হোৱা লৰা ছোৱালী লগ পাইছোঁ। মাকহঁতৰ লগত এই বিষয়ে কাজিয়া কৰাও দেখিছোঁ।······

ইয়াৰ অনাতাঁৰ আৰু টেলিভিছন্ প্ৰচলনত আচল লাগতিয়াল কথাতকৈ বিজ্ঞাপন সৰহ হোৱা দেখিছোঁ। পাঁচ মিনিটৰ একোটা প্ৰগ্ৰেমৰ মূৰে মূৰে একোখন বিজ্ঞাপন। টেলিভিছনৰ প্ৰগ্ৰেম একোটাৰ যাৱতীয় খৰচ কোম্পানী একোটাই যোগায়। সিদিনা টেলিভিছনত ছেক্সপীয়েৰৰ "ৰিচাৰ্ড ডি থাৰ্ড" নাটকৰ অভিনয় দেখিছিলোঁ। হল্ মাৰ্ক বোলা এটা কোম্পানীয়ে এই প্ৰগ্ৰেমখনৰ যোগান ধৰিছিল। প্ৰায় প্ৰত্যেকটো দৃশ্য অন্ত হোৱাৰ লগে লগে কোম্পানীৰ বস্তুবোৰৰ একোটা বিজ্ঞাপন চলিছিল। নাটকৰ অভিনয়

ভাল হৈছিল। আনহাতে বিজ্ঞাপনৰ আতিশয্যই বহুতখিনি ৰসধাৰাৰ বাধা দিছিল। টেলিভিছনত বাতৰি দিয়াও দেখিছোঁ। কোনোবা একোটা বাতৰি সংগঠনৰ ফালৰ পৰা বাতৰিদাতাজনে বাতৰি পঢ়ি যায়—মূৰত টুপিটো থাকে। টাইমছ্ বাতৰি কাকতৰ পক্ষৰ পৰা এনেদৰে বাতৰি দিওঁতে মই সুধিছিলোঁ: "মানুহজনে টুপিটো সোলোকাই নলয় কিয়?" তাৰ উত্তৰত যাৰ ঘৰত বহি বাতৰি শুনিছিলোঁ তেওঁ কৈছিল: "বাতৰি কাকতৰ মানুহ কাৰো ওচৰত অৱনত শিৰ নহয়। গতিকেই তেওঁলোকে টুপী নোসোলোকায়। এইটো হৈছে বাতৰি কাকতৰ স্বতন্ত্ৰতাৰ চিন।"······এতিয়া নিশা বাৰ বাজিছে। ৰেডিঅ'টো খুলি দি মই প্ৰবন্ধ লেখিছোঁ। ······এয়া অলপতে ৰেডিঅ'-ত এটা অৰ্কেষ্ট্ৰা হৈ গল। তাৰ পাছত উধাই-মূধাই এয়া বিজ্ঞাপন চলিছে। কিহৰ বিজ্ঞাপন? গাখীৰৰ। এটা গাখীৰ কোম্পানীয়ে কৈছে: "আপুনি পাতল হবলৈ যত্ন কৰক। পাতল মানুহক (slim) সকলোৱে সমাদৰ কৰে। পাতল মানুহৰ কেউফালে জয়-জয় ময়-ময়। পাতল হবলৈ হলে দিনে তিনি গিলাছকৈ আমাৰ গাখীৰ খাওক"। ইত্যাদি। ইয়াত দুবিধ ৰেডিঅ' অনুষ্ঠান আছে। এবিধ ব্যৱসায়ী, আনবিধ ৰাষ্ট্ৰীয়, অব্যৱসায়ী। দুয়োৰে মাজত খুব অৰিয়া-অৰি দেখিছোঁ। যেতিয়া অব্যৱসায়ী ৰেডিঅ' অনুষ্ঠান এটাক ব্যৱসায়ী ৰেডিঅ' অনুষ্ঠান এটাই মোক ভাৰতৰ ৰেডিঅ' অনুষ্ঠান কিয় ব্যৱসায়ী নহয় বুলি সুধিছিল বুলি কৈছিলোঁ—সেই ষ্টেছনৰ ডিৰেক্টৰজনকে আদি কৰি এটায়ে মোক সাগ্ৰহেৰে সুধিছিল: "আপুনি কি কলে? আপুনি কি কলে?" ইত্যাদি। আৰু যেতিয়া "ব্যৱসায়ী অনুষ্ঠানে ৰেডিঅ'ৰ আচল

উদ্দেশ্য শিক্ষাপ্ৰদান কাৰ্য্য ধ্বংস কৰে বুলি কৈছিলোঁ” বুলি তেওঁলোকক জানিবলৈ দিছিলোঁ, তেতিয়া তেওঁলোকৰ স্ফুৰ্ত্তি চাই কোনে। ডিৰেক্টৰজনে মোক কৈছিল: “আপুনি বৰ ভাল কাম কৰিছে এনেকৈ কৈ। এই ব্যৱসায়ী অনুষ্ঠানসমূহে গোটেই বস্তুটোকে পাতল কৰি পেলাইছে।”......

আকৌ সেই গাখীৰ খাই দেহা পাতল কৰা কথালৈ উলটি আহিবলৈ মন গৈছে। আমেৰিকানবোৰ এটা বৰ উন্মাদ (crazy) জাতি। বজাৰত বস্তু এটা চলিলেই হল। তাতে এটাইবোৰ উবুৰি খাই পৰা তেওঁলোকৰ দস্তুৰ। লগতে এওঁলোকক দেখিছোঁ বৰ weight conscious মানুহ। গা পাতল কৰিব লাগে, লাহী কৰিব লাগে, এয়ে হৈছে বৰ্ত্তমান এওঁলোকৰ খেদ (craze)। এতিয়াও ইয়াত ৩৪০ লাখ মানুহ আছে, যি নিজক জোখতকৈ বেছি শকত বুলি বিবেচনা কৰে। এওঁলোকৰ মাথোন একেটা চিন্তা—সেইটো হৈছে কেনেকৈ ওজন কমাব পাৰি, পাতল হব পাৰি। একোজন জোখৰ পুৰুষৰ ওজন হৈছে ১৫৮ পাউণ্ড। মানুহজন ওখই হব লাগিব অন্ততঃ ৫ ফুট ৯ ইঞ্চি। একোগৰাকী জোখৰ মহিলাৰ ওজন হৈছে ১৩২ পাউণ্ড। মানুহগৰাকী ওখই হব লাগিব অন্ততঃ পাচ ফুট চাৰি ইঞ্চি। এইবোৰ সংখ্যা চৰকাৰৰ শেহতীয়া তালিকাত প্ৰকাশ কৰা হৈছে।

ইয়াৰ মানুহৰ বৈবাহিক জীৱনৰ বিষয়ে প্ৰশ্ন হোৱাটো আমাৰ কাৰণে এটা স্বাভাৱিক কথা। ৱশ্বিংটন চহৰত থাকোঁতে “ৱশ্বিংটন পʼষ্ট” বোলা কাকতখনত এগৰাকী মহিলাৰ এটা বিবৃতি পঢ়িছিলোঁ। মহিলাগৰাকীয়ে বিবাহ বিচ্ছেদৰ কাৰণে আদালতত গোচৰ জনাইছিল। তেওঁ তাত কৈছিল: ‘স্বামীয়ে মোক অতিপাত মৰম কৰে। ইমান

মৰম মোৰ ভাল নেলাগে। গতিকেই মই বিবাহ বিচ্ছেদ বিচাৰিছোঁ।” আমাৰ কাৰণে কথাষাৰ আচৰিত যেন লাগিলেও ইয়াৰ দৰে যন্ত্র-চালিত সমাজ এখনৰ ক্ষেত্রত ই আচৰিত হব লগা একো কথা নহয়। যন্ত্র ব্যৱস্থাই মানুহক পঙ্গু কৰিছে। মানুহৰ সম্বন্ধও ইয়াৰ দ্বাৰা নিয়ন্ত্রিত হৈছে। চৰকাৰী সংখ্যা-বিভাগৰ মতে দেখিছোঁ—বিবাহৰ কিছুদিনৰ পিছৰ পৰাই ইয়াৰ শতকৰা এসত্তৰ গৰাকী পত্নীয়ে স্বামীক দেখিব নোৱাৰা হয়। সেইদৰে শতকৰা চৌৰন্ন গৰাকী স্বামীয়ে পত্নীক দেখিব নোৱাৰা হয়। ইয়াৰ পৰিণতি বিবাহ-বিচ্ছেদ। গতিকেই ইয়াৰ সৰহ সংখ্যক মানুহৰ টোপনি কম। ইয়াৰে দুই ভাগৰ এভাগে টোপনি অহা নানা ঔষধ পানী (sedative) ব্যৱহাৰ কৰে। বাকী সংখ্যাই নকৰে। ·টোপনিৰ লগত সংগ্রাম কৰি, তেওঁলোকে গোটেই জীৱনটো অতিবাহিত কৰে।··· এনে ধৰণৰ প্রাণহীন পঙ্গু ব্যৱস্থাৰ বাবে ইয়াৰ কোনো কোনো যে চিন্তান্বিত হোৱা নাই এনে নহয়। এগৰাকী আদহীয়া মহিলাই মোক কৈছিল: “যিমান দিনলৈকে ইয়াত এই ধনতান্ত্রিক মনোভাব চলি থাকিব, সিমান দিনলৈকে আমাৰ দেশলৈ কোনো সুখ-শান্তি আহিব নোৱাৰে। আমি পঙ্গু হৈ গৈছোঁ। আমাৰ দেশত আৰ্থিক কোটিপতি আছে। কিন্তু কেউফালে দেখিছোঁ আধ্যাত্মিক দাৰিদ্রতা। আপোনালোকৰ দেশত আৰ্থিক কোটিপতি (material millionaires) নহলেও আধ্যাত্মিক কোটিপতিৰ (spiritual millionaires) অভাৱ নাই। দুয়োটাৰ ভাবসাম্যইহে পৃথিৱীলৈ শান্তি আনিব। আমাৰ এই জড়বাদী এচলীয়া সভ্যতাই কেতিয়াও শান্তি আনিব নোৱাৰে।” মহিলাগৰাকীয়ে এখোজ আগবাঢ়ি গৈ আৰু কৈছিল: “Dulles

is the author of both the wars, hot and cold," অৰ্থাৎ যুক্তৰাষ্ট্ৰৰ বৈদেশিক সচিব ডালেচ দুয়োখন ৰণৰে, শীতল আৰু উষ্ণ,—সৃষ্টিকাৰী।.......

মুঠতে, যুক্তৰাষ্ট্ৰৰ অৰ্থনীতি আৰু ৰাজনীতি উভয়কে অতি সমৃদ্ধিশালী তেৰটা পৰিয়ালে পৰিচালনা কৰিছে। তেওঁলোকৰ আঙুলিৰ ইঙ্গিতত ছৰকাৰ উঠা-বহা কৰে। এয়া মোৰ নিজৰ কথা নহয়। এনে মনোভাৱ বহুতকে গোপনে ব্যক্ত কৰা লগ পাইছোঁ। ইতিমধ্যে জৰ্জ্জ শেলডছ্ নামেৰে ইয়াৰে এজন জনাজাত ৰাজনৈতিক লেখকৰ "ৰাণ থাউজেণ্ড এমেৰিকানছ্" বোলা কিতাপখন পঢ়িছোঁ। তাত আমেৰিকাৰ সমূহ অৰ্থনৈতিক জীৱন নিয়ন্ত্ৰণ কৰা তেৰটা পৰিয়ালৰ নাম তেওঁ দিছে। সেইবোৰে কেনেকৈ বৰ বৰ ব্যৱসায়, তেল, তাঁৰ, যানবাহন ইত্যাদি কৰায়ত্ত কৰিছে, তাৰো তেওঁ লেখ দিছে। সেই পৰিয়াল কেইটা সমৃদ্ধি অনুসৰি হৈছে: ফৰ্ড, ডুপণ্ট, ৰক্‌ফেলাৰ, মেল'ন, ম্যাক্‌কৰমিক্, হাৰ্টফোৰ্ড, হাৰকীনছ্, ডিউক, পিউ, পিটকেৰিন্, ক্লাৰ্ক, ৰেইনল্ডছ, ক্ৰেছ্। প্ৰভাৱ বিস্তাৰৰ আহিলা হিছাপে প্ৰেছ্, ৰেডিঅ' প্ৰায়বোৰকে তেওঁলোকে হাত কৰিছে। আমেৰিকাৰ সাতখন প্ৰভাৱশালী বাতৰি কাকত আৰু আলোচনী এওঁলোকৰ দ্বাৰা পৰিচালিত। ইয়াৰ গোটেই অৰ্থনৈতিক ব্যৱস্থাটোকে এটা ত্ৰিভুজৰ লগত তুলনা কৰিব পাৰি। ত্ৰিভুজৰ শীৰ্ষস্থানত হৈছে এই কেইটা পৰিয়াল। ভেটিত হৈছে, বস্তুৰ মহঙা দাম আৰু টেক্সত জুৰুলা অগণন জনসাধাৰণ। ইয়াৰ টেক্সী-ড্ৰাইভাৰ, ৰেলৰ বনুৱা, হোটেলৰ বনুৱা ইত্যাদিৰ লগত এই বিষয়ে কথা পাতি চাইছোঁ। সকলোৰে মুখত একে কথা: "বস্তুৰ ইমান দাম আৰু

টেক্সৰ অত্যাচাৰ, যি উপাৰ্জ্জন কৰোঁ, তাৰে কোনো ৰকমেহে চলি আছোঁ।” ইত্যাদি। চহকীক সুধি চাইছোঁ। তেওঁলোকৰ কথা সুকীয়া। তেওঁলোকে কয়ঃ “আমাৰ ইয়াত বনুৱাৰ অৱস্থা খুব ভাল। প্ৰায়বোৰৰে একোখনকৈ মটৰ গাড়ী আছে।” আনহাতে ইয়াত বনুৱা ধৰ্ম্মঘট হোৱাও দেখিছোঁ। নিউয়ৰ্ক চহৰৰ টুপীৰ কাৰখানা এটাত আৰু লছ্ এঞ্জেলছ চহৰৰ জোতাৰ কাৰখানা এটাত বনুৱা ধৰ্ম্মঘট দেখিছিলোঁ। বৰ বৰ আখৰেৰে কাগজত প্লেকাৰ্ড লেখি লৈ কাৰখানাৰ সমুখত মানুহবোৰ থিয় দি থকা। এনে ধৰ্ম্মঘট-কাৰী বনুৱাৰ লগত মই কথা পাতি চাইছোঁ। জোতাৰ কাৰখানাত ধৰ্ম্মঘট চলিছে—ঘণ্টাই প্ৰতি বনুৱাৰ দহ ছেণ্টকৈ কটাৰ বাবে। এই লেখেৰে বনুৱাৰ আঠ ঘণ্টাৰ ভিতৰত দৈনিক উপাৰ্জ্জনৰ আশী ছেণ্ট, অৰ্থাৎ দৈনিক প্ৰায় এক ডলাৰ কটা পৰে। গতিকেই ইয়াৰ বিপক্ষে বনুৱাৰ ধৰ্ম্মঘট অনুষ্ঠিত হৈছিল।

মটৰ গাড়ী বুলিলত আৰু এটা কথালৈ মনত পৰিছে। পেছেডেনা বোলা ঠাইডোখৰৰ ছিটি কলেজখনলৈ গৈছিলোঁ। তাৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা প্ৰায় চাৰি হেজাৰ। ছাত্ৰ-ছাত্ৰীইঁতৰ মুঠ এহেজাৰ এশ বাইছখন মটৰ গাড়ী কলেজ প্ৰাঙ্গণত থিয় হৈ থকা দেখিছিলোঁ। দুবৈৰ ছাত্ৰ-ছাত্ৰী প্ৰায়েই নিজৰ মটৰ গাড়ীৰে আহে। ছোৱালীবোৰে নিজৰ গাড়ীৰে নাহিলেও হয়। সিহঁত প্ৰায়েই লৰাৰ গাড়ীতে আহে। অধ্যক্ষজন ডেকা মানুহ। এই হিচাপটো তেওঁ মোক দিছিল। ক্লাছ নথকা সময়খিনি লৰা-ছোৱালীবোৰক জাকে জাকে জুম পাতি গহৰ তল নাইবা swimming poolৰ পাৰত বহি থকা দেখিছিলোঁ। এনেতে কলেজৰ এটা বিল্ডিংৰ পৰা আন এটালৈ যাওঁতে, এয়াক

ছাত্র-ছাত্রীৰ মাজত, এগৰাকী ছাত্রীক ছাত্র এজনৰ পিঠিত বোকোচা উঠি, আনবোৰৰ লগত হাঁহি ধেমালি কৰি কথা পাতি থকা দেখিছিলোঁ। অধ্যক্ষগৰাকীয়ে মোক সুধিছিল: "আপোনালোকৰ কলেজত ছোৱালী এনেকৈ লৰাৰ পিঠিত উঠেনে?" এনে এটা মাৰাত্মক প্রশ্নৰ উত্তৰ মই দিওঁ কেনেকৈ? সাহেকৈ "নুঠে" বুলি কৈ আন কথালৈ উলটি আহিছিলোঁ। এয়া হেনো মৰমৰ বোকোচা। আমাৰ বৰলৈ টান।

এই পেছেডেনা চহৰতে হান্টিংটন বোলা এটা লাইব্রেৰী, আর্ট মিউজিয়ম এটা আৰু এখন উদ্যান আছে। তিনিওটা বস্তু চাইছিলোঁ। ছাত্র-ছাত্রীহঁতক আগনিশা "ভাৰতীয় ছাত্রজীৱনৰ" বিষয়ে বক্তৃতা দিছিলোঁ। আমাৰ দেশৰ ছাত্রজীৱনৰ কথা জানিবলৈ তেওঁলোকৰ অপাৰ আগ্রহ দেখিছিলোঁ।......আকৌ হান্টিংটন উদ্যানলৈ উলটি আহিবলৈ মন গৈছে। বাগিছাখন বৰ ডাঙৰ। ইয়াক বৰ যত্নেৰে ৰখা হৈছে। সকলো সময়তে মালি লাগিয়েই আছে। পৃথিৱীৰ নানাবিধ গছ-গছনি ইয়াত আছে। এয়া হৈছে গ্রীষ্মপ্রধান অঞ্চল। গতিকে গ্রীষ্মপ্রধান দেশৰ সকলো বনজ সম্পদ ইয়াত ৰক্ষা কৰাটো সম্ভৱপৰ হৈছে। ইয়াত বাঁহ গছো আছে। অৱশ্যে জাতি বাঁহহে। ভলুকা বাঁহৰ সঁচ ক'তো দেখা নাই। এটাইতকৈ উদ্যানখনৰ উল্লেখযোগ্য হৈছে কেক্টাছ্ গার্ডেন (Cactus garden) বোলা অংশটো। ইয়াত পৃথিৱীৰ প্ৰায়বোৰ কাঁইটীয়া গছকে আতৌ-পুতৌ কৈ ৰখা হৈছে। সক বৰ একো লেখ নাই। ইয়াত নানা প্রকাৰৰ সিজু গছো দেখিবলৈ পাইছিলোঁ। সিজু গছবো যে ইমানবোৰ জাত আছে ইয়ালৈ আহিহে ভু পাইছোঁ। কেক্টাছ গার্ডেনখন

দেখি পোনতে মোৰ বৰ হাঁহি উঠিছিল। আকৌ সেই টি, এছ ইলিয়টৰ কবিতা মনত পৰিছিল :

"This is the dead land :
This is the cactus land"

আৰু মনত পৰিছিল :

"...head piece filled with straw."

ইয়াৰ ওচৰতে এটা সাঁতোৰা জলাশয় (swimming pool) আছে। কলেজীয়া লৰা-ছোৱালীহঁতে ইয়াত সাঁতোৰে। য'তে ত'তে ইমানবোৰ সাঁতোৰাৰ ব্যৱস্থা আছে যদিও যুক্তৰাষ্ট্ৰৰ আটাইবোৰে যে সাঁতুৰিব জানে এনে নহয়। সংখ্যা-বিভাগৰ মতে, পানীত পৰিলে ইয়াৰ শতকৰা ৪৮ জন তলি পাবগৈ। ৫২ জনহে কোনো ৰকমে সাঁতুৰি নমৰাকৈ সাৰিব।

পেছেডেনা চহৰত আৰু এটা ভাল বস্তু দেখিছিলোঁ। পেছেডেনা শব্দটো স্পেনিছ্। ইয়াৰ অৰ্থ হৈছে "মোৰ অন্তৰৰ"। এই বস্তুটো হৈছে, ইয়াত অৱস্থিত কলেজ অৱ আৰ্টছ। ইয়াত অভিনয় শিক্ষা প্ৰদান কৰা হয়। ইয়াৰ অধ্যাপকসকল নিজে বাছকবনীয়া অভিনেতা আৰু অভিনেত্ৰী। ওচৰতে হলিউদখন হোৱাৰ বাবে ইয়াৰ জনপ্ৰিয়তা খুব বাঢ়িছে। বৰ্ত্তমান ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ২৫০ৰ ওপৰ। কলেজখনৰ কোৰ্ছ তিনি বছৰীয়া। ইয়াৰ গোটেইবোৰ বিধি-ব্যৱস্থা তন্নতন্নকৈ চাইছিলোঁ। কলেজৰ নিজা স্বকীয়া দৰ্জ্জি বিভাগ, ছিন্ আঁকা বিভাগ, ষ্টেজ্ সজোৱা বিভাগ, লাইট যোগানৰ বিভাগ ইত্যাদি আছে। অভিনেতা অভিনেত্ৰী হিছাপে পূৰঠ হবলৈ প্ৰত্যেকগৰাকী ছাত্ৰ-ছাত্ৰীয়েই এই প্ৰত্যেকটো বস্তুতে শিক্ষা লাভ কৰিব লগা হয়। দৰ্জ্জি

বিভাগৰ শিক্ষকসকল নিজে পাকৈত দক্ষ। ছাত্র-ছাত্রীসকলক তেওঁলোকে নির্দ্ধাৰিত সময়ৰ বাবে শিক্ষা দিয়ে। দৃশ্য সজ্জাৰ বাবে সেইদৰে সুকীয়া শিক্ষকে আৱশ্যকীয় শিক্ষা প্রদান কৰে। মই পৰিদর্শন কৰিবৰ দিনা দুটা সুকীয়া ৰঙ্গমঞ্চত দুখন নাটকৰ আখৰা চলিছিল। এখনৰ নাম "আৰছেনিক্ এণ্ড লেছ্"। আনখনৰ নাম "ল' এণ্ড বিহ'ল্ড"। দুয়োখনৰে আখৰা চাইছিলোঁ। অ'ডিটোৰীয়ামৰ পৰা শিক্ষক কেইগৰাকীমানে নির্দ্দেশ দি আছিল। ইয়াৰ বাহিৰেও ৰঙ্গমঞ্চৰ নৃত্য আৰু সঙ্গীত শিক্ষাৰ বাবেও যাৱতীয় ব্যৱস্থা আছে। নৃত্য আৰু সঙ্গীত বিশেষ ছাত্র-ছাত্রীৰ কাৰণেহে।

ইয়াৰ পাছত লছ এঞ্জেলছ এৰিছিলোঁ। এবেলা আৰু এনিশা ৰেলেৰে আহি এৰিজোনা প্রদেশৰ গ্রেণ্ড কেনিয়ন বোলা অঞ্চলৰ প্রকৃতিৰ শোভা চাবলৈ সেই ঠাইত উপস্থিত হৈছিলোঁহি। গ্রেণ্ড কেনিয়ন হৈছে এটা বিৰাট খাল। ই দীঘলে চাপন্ন মাইল। বহলে চাৰি মাইলৰ পৰা ওঠৰ মাইল। ক'ল'ৰেডো নৈৰ লগত ইয়াৰ সংযোগ আছে। ই ৫,৭০০ ফুট গভীৰ। খালটো পোনতে ১৫৪০ চনত আৱিষ্কাৰ কৰা হৈছিল। ইয়াৰ ভিতৰতে আকৌ সৰু-বৰ কিছুমান মাটিৰ টিলা আছে। মাটিবোৰ ৰেখা পতা, স্তৰীভূত, ৰঙো বিবিধ। কোনো খিনিত তেজী ৰঙা, কোনো খিনিত সোণবৰণীয়া, কোনো খিনিত নীলা, কোনো খিনিত কজলা। বেলিৰ পোহৰৰ লগে লগে টিলাবোৰে বৰণ সলায়। দেখিবলৈ সপোন যেন লাগে। ৰঙৰ এই অভূতপূর্ব্ব লীলা-খেলাবোৰ চাই মোৰ চিঞৰি দিবলৈ মন গৈছিল,— কালিদাসৰ সেই অমৰণ ছন্দৰ লহৰত: "স্বপ্নোনু মায়ানু মতিভ্রমোনু"। মনতে ভাবিছিলোঁ,—আমাৰ বুঢ়ী আইতাই দেখা হলে কলে হেঁতেন:

“এইটো সীতাৰ পাতাললৈ যোৱা বাট, অ' অঁকৰা”। এক মুহূৰ্ত্তৰ বাবে মোৰো সেইদৰে ভাবিবলৈ মন গৈছিল। তৎক্ষণাতে অৱশ্যে নিজক আকৌ শুধৰাই লৈছিলোঁ: “ওহোঁ। এইটো সীতাৰ পাতাল প্ৰবেশৰ বাট কেতিয়াও হব নোৱাৰে। ইয়াৰ কেৰ্কেটুৱাবোৰৰ গাত শ্ৰীৰাম-চন্দ্ৰৰ আঙুলিৰ ৰেখা নাই কিয়? ইহঁতৰ একে বৰণীয়া পিঠিৰ লগত দেখোন আমাৰ ডালশলিয়া, চিকা, নিগনিৰ অকণো পাৰ্থক্য নাই?”

গোটেই দিনটো গ্ৰেণ্ড কেনিয়নৰ পাৰত ফুৰি আকৌ নতুন ঠাইলৈ বুলি ৰেলত উঠিছিলোঁ। ৰেলত উঠিয়েই পাৰ্ল বাকৰ “কাম মাই বিলাভেড্” বোলা উপন্যাসখন মেলি লৈছিলোঁ। পঢ়িবৰ মন যোৱা নাছিল। দিনটোৰ পৰিশ্ৰমেৰে একেবাৰে শ্ৰান্ত হৈ পৰিছিলোঁ।...... গাড়ীৰ লাইটটো নুমাই দিলোঁ। খিড়িকীৰ পৰ্দ্দাখন ডাঙি দিছিলোঁ। বাহিৰৰ আকাশত নিকা জোনটো। বহুত দিনৰ মূৰত আজি নিকা জোন এটা দেখিছোঁ। ৰূপ যেন উজ্জ্বল। কাৰোবাৰ হাঁহিটো যেন স্নিগ্ধ। মনলৈ কবিতাৰ ঢল এটা এটাকৈ বাগৰি আহিছিল। বহুত কবিতা—অসমীয়া, ইংৰাজী, অন্ত নাই।

“আকাশত জ্বলে যিটি
অৰ্দ্ধচন্দ্ৰ—দ্বিতীয়া
তৃতীয়া
চতুৰ্থী পঞ্চমী হই
হয় গৈ পূৰ্ণিমা
তেতিয়া।

চুমা খাই ধৰণীক
যামিনী কামিনী কৰে
স্নায়ুয়ে শিৰাই কৰি
সুধা মতলীয়া—"

[ৰৰকাকতী]

আৰু—

"The moon never beams
Without bringing me dreams
of the beautiful Anabelle Lee
The stars do not rise, but they bring me
the bright eyes of the beautiful Anabelle Lee."

[E. A. Poe.]

জোনটো চাই চাই কেতিয়া টোপনিত লালকাল দিলোঁ কব নোৱাৰোঁ। পুৱা ৰ'দৰ পোহৰ আহি খিড়িকীয়েদি ভুমুকি মাৰি কৈ গল: "নিশি প্ৰভাত ভৈল।"

……লৰালৰিকৈ টোপোলা বান্ধি বেলিন নামে ষ্টেশ্চন এটাত নামি পৰিলোঁ। ইয়াৰ পৰা প্ৰায় এশ মাইল দূৰৈত শান্তা ফে চহৰখন। নিউ মেক্সিক' প্ৰদেশত। তালৈ বাছেৰে যাব লাগে। প্লেটফৰ্মত নামিয়েই নাৰীৰ কণ্ঠস্বৰ এটা কাণত পৰিল: "আপুনি মিঃ বৰুৱা হয় নে?……আমি মটৰ লৈ আহিছোঁ। উঠক। অৱশ্যে এতিয়া আপোনাক আমি পোনে পোনেই শান্তা ফে চহৰলৈ নিনিওঁ। বাটত বিয়' গ্ৰেণ্ডি নৈৰ পাৰত পিকনিক খাম। তাৰ পৰা আমি আপোনাক ৰেড ইণ্ডিয়ানৰ গাৱঁলৈ লৈ যাম। তাত আজি তেওঁলোকৰ নাচ আছে। আহোঁতে আমি খবৰ লৈ আহিছোঁ।"

মহিলা কেইগৰাকীৰ গাড়ীত উঠি ৰেড্ ইণ্ডিয়ানৰ গাৱঁলৈ গলোঁ। গোটেই দিনটো ইটো সিটো চালোঁ। কি যে মনোমোহা নৃত্য! গাৱঁৰ মানুহবোৰে মোক ইণ্ডিয়ান বুলি জানি বৰ আপোন ভাব দেখুৱাইছিল। তেওঁলোকৰ মুখীয়াল মানুহজনৰ ঘৰত আদৰ অভ্যৰ্থনাও চলিছিল। মোৰ লগৰ কেইগৰাকীক বৰ বেছি সমাদৰ দেখুৱা যেন পোৱা নাছিলোঁ। বগা মানুহৰ প্ৰতি এওঁলোকৰ এটা অবিশ্বাস আছে। কথা কৈ থাকোঁতেই ঘৰৰ বুঢ়া মানুহজনে অকস্মাৎ মোৰ হাত খন খাপ মাৰি ধৰি কৈছিল: “আপোনাৰ হাতখন ইমান কোমল। আপুনি ইণ্ডিযান হল কেনেকৈ? আমাৰ হাতবোৰ চাওক।” মই কি কম উপায় নেপাই লৰালৰিকৈ উত্তৰ দিছিলোঁ: “while trying to find me, Columbus found you,” অৰ্থাৎ মোক বিচাৰোতে কলম্বছে আপোনাক পালে।···· কথাষাৰ শুনি বুঢ়াই হাঁহি পেলাইছিল। কোঠাৰ আনবোৰ মানুহেও হাঁহিছিল। মোৰ লগৰ আইদেউহঁতেও হাঁহিছিল। মনতে ভাবিছিলোঁ, বুঢ়া ছোৱালী হোৱা হলে কলোঁহেঁতেন:

“তোমাৰ হৰিণ চকুত কঁপে
বন্ধুৰ মৰম ·· ···· ।”

নিউয়ৰ্ক

……উজায়ে আহিছে চৰা নাওখনি ……

একোখন দেশ চাবলৈ আহোঁতে সদায় সেই দেশখনৰ বিষয়ে আগতীয়াকৈ কিছুমান কথা জানি অহা উচিত। অন্ততঃ দেশখনৰ সংস্কৃতি আৰু জাতীয় জীৱনৰ বুৰঞ্জী সম্বন্ধে। যুক্তৰাষ্ট্ৰলৈ আহোঁতে মই এনেদৰে কিছু কথা আগতীয়াকৈ জানি আহিছিলোঁ। গতিকেই দেশখন বুজাত এই ধৰণৰ আগতীয়া অধ্যয়নে যথোচিত সহায় কৰিছিল। সেইবুলি নিজ চকুৰে চাই সঞ্চয় কৰা অভিজ্ঞতাক এইবোৰে অবাঞ্ছিত ভাবে প্ৰভাৱান্বিত কৰিবলৈ দিয়া নাছিলোঁ। মুকলি মনেৰে যিমান দূৰ সম্ভৱ অভিজ্ঞতা আৰ্জিবলৈ যত্ন কৰিছিলোঁ। ……এটা কথাই মোৰ মনত বৰ দকৈ সাঁচ বহুৱাইছিল। সেইটো হৈছে—ভাৰতক এইখন দেশৰ ইমূৰৰ পৰা সিমূৰলৈকে গান্ধীৰ দেশ বুলি জানে। সাধাৰণ বয়ুৱাৰ পৰা আৰম্ভ কৰি অতিমেধাবী মানুহলৈকে আমাৰ দেশখনক গান্ধীৰ দেশ বুলি জানে। সাধাৰণ বনকৰা ছোৱালীৰ লগত কথা পাতি চাইছোঁ। তায়ো গান্ধীৰ কথা জানে। গান্ধীৰ বিষয়ে তায়ো অন্ততঃ দুই এখন কিতাপ পঢ়িছে। ৱশিংটন চহৰত এজন টেক্সী-ড্ৰাইভাৰক গান্ধীৰ কথা সুধিছিলোঁ। তেওঁ এনেকৈ কৈছিল—(শব্দ কেইটা হুবহু তুলি দিছোঁ) : “Gandhi was a conscientious man, a man who believed in his conscience.” মানুহজনৰ লগত বহুত

কথা পাতিছিলোঁ। লগতে বহুত কথা শিকিছিলোঁ। কথাবোৰ জুকিয়াই লৈছিলোঁ। ইয়াৰ বাহিৰেও শিক্ষিত শ্ৰেণীৰ ভালেমান মানুহ লগ পাইছিলোঁ যি আমাৰ স্বামী বিবেকানন্দ আৰু শ্ৰীঅৰবিন্দৰ কথা জানে। এটা পাৰ্টিত এগৰাকী মানুহ লগ পাইছিলোঁ। মোক তেওঁ কথা প্ৰসঙ্গত শ্ৰীঅৰবিন্দৰ কথা এনে দৰে কৈছিল: "Sri Aurabindo is the most modern philosopher," অৰ্থাৎ শ্ৰীঅৰবিন্দ আধুনিকতম দাৰ্শনিক। ভাৰতৰ প্ৰধান মন্ত্ৰী হিছাপে পণ্ডিত নেহৰুক বহুতেই জানে। অৱশ্যে গান্ধীক যি দৰে জানে সেই দৰে নহয়। ভাৰতৰ বিষয়ে জানিব খোজা মানুহে নেহৰুৰ "আত্ম-জীৱন চৰিত"-খন প্ৰায়েই পঢ়িছে। ইয়াৰ বাহিৰেও এতিয়ালৈকে এনে এটা বুদ্ধিজীবী মধ্যবিত্ত পৰিয়াল পোৱা নাই যাৰ ঘৰুৱা লাইব্ৰেৰীত ৰবীন্দ্ৰনাথৰ কিতাপৰ ইংৰাজী ভাঙনি নাই। বিশেষকৈ কবিতা আৰু নাটকৰ।.....

আমেৰিকাত দেখিছোঁ এটা পূৰঠ বস্তুতান্ত্ৰিক সভ্যতা গঢ়ি উঠিছে। যন্ত্ৰই মানুহৰ ঠাই অধিকাৰ কৰিছে। কেউপিনে কেৱল ঐশ্বৰ্য্য-সম্পদৰ কথা। ধন-দৌলত আৰু বিজ্ঞানপ্ৰদত্ত বস্তু-সম্ভাৰ আয়ত্ত কৰাটোৱেই হৈছে মানুহৰ খেদ। এটা বঢ়িয়া কথা মনত পৰিছে। পণ্ডিত নেহৰু আমেৰিকালৈ আহোঁতে ইয়াৰ শিল্পপতি সকলে তেওঁৰ সন্মানাৰ্থে এটা ভোজ দিছিল। ভোজ চলি থাকোঁতে তেওঁক এজনে এনে দৰে কৈছিল: "Mr. Prime Minister, do you know that you are eating with twenty billion dollars?" অৰ্থাৎ প্ৰধান মন্ত্ৰী ডাঙৰীয়া, আপুনি জানে নে আপুনি যে কুৰি বিলিয়ন্ ড'লাৰৰ লগত একে লগে আহাৰ কৰিছে? ইয়াত চেচ্‌টাৰ্

বোলছৰ "ভি এম্‌বেছেডাৰছ্‌ ৰিপোর্ট" নামেৰে এখন ভাৰত সম্বন্ধীয় নতুন কিতাপ ওলাইছে। কিতাপখনে ইতিমধ্যে ইয়াত বেচ সমাদৰ লাভ কৰিছে। এইষাৰ কথা মই এই কিতাপখনত পাইছিলোঁ। ইয়াৰ পৰাই আমেৰিকাৰ বস্তুতান্ত্ৰিক মনোভাবটোৰ কথা বঢ়িয়াকৈ বুজিব পাৰি। সকলোৰে যেন এই একেটা স্বপ্ন।······আনহাতে এইখন দেশতে এনে কিছুমান মানুহ লগ পাইছোঁ যাক এই হিমালয়স্পৰ্শী বস্তুতান্ত্ৰিকতাই আমুৰাইছে। তেওঁলোকক আধুনিক সভ্যতাৰ বস্তুতান্ত্ৰিকতাই আমাৰ কথা সোঁৱৰাইছে। এই সভ্যতাৰ শূন্যতাই (emptiness of soul) তেওঁলোকক আতুৰ কৰা দেখিছোঁ। গতিকে এই ক্ষেত্ৰতো তেওঁলোকৰ মনত এক আত্মাৰ ক্ষুধা আৰু মানসিক সন্দেহৰ সৃষ্টি হোৱা দেখিছোঁ। পৃথিৱী ৰক্ষাৰ্থে গান্ধীজীৰ লেখীয়া মানুহৰ প্ৰয়োজন বুলি কোৱা মানুহো লগ পাইছোঁ।

ইয়াত অসমৰ বিষয়ে জনা মানুহৰ সংখ্যা আঙুলি মূৰত লেখিব পাৰি। যোৱা বৰ ভূঁইকঁপে হওঁতে ইতিমধ্যে বহুত খিনি জনাজাত কৰিছে। গোটেই ভ্ৰমণ কালছোৱাত এজন মাথোন মানুহ লগ পাইছিলোঁ যি অসমৰ বিষয়ে ইয়াতোকৈ বেছি দূৰ জানে। কালি-ফৰ্ণিয়াৰ ষ্টানফৰ্ড বিশ্ববিদ্যালয়ৰ এটা ঘটনাই মোক আচৰিত নকৰাকৈ নাছিল। ডক্টৰ ফেডেৰিক্‌ স্পিগেলবাৰ্গ বোলা এজন অধ্যাপকে সভা-থলীত মোক চিনাকি কৰি দিওঁতে এনে দৰে কৈছিল: "এখেত ভাৰতৰ এনে এখন প্ৰদেশৰ পৰা আহিছে য'ত আজি প্ৰায় পাঁচশ বছৰৰ পূৰ্ব্বে দুগৰাকী মহাপুৰুষে এটা বিশিষ্ট ধৰ্ম্মমত প্ৰচাৰ কৰিছিল। এই মানুহ দুগৰাকী হৈছে শঙ্কৰদেৱ আৰু মাধৱদেৱ।" কথাষাৰ শুনি মই আচৰিত হৈছিলোঁ। মনটো বৰ ভালো লাগিছিল।

সভাৰ অন্তত মানুহজনৰ পৰা জানিছিলোঁ, আজি কেইবছৰ মানৰ আগতে তেওঁ হেনো ভাৰতলৈ গৈছিল। তাত ভাৰতীয় আশ্রম-পদ্ধতিৰ বিষয়ে অধ্যয়ন কৰিবলৈ। এই প্রসঙ্গতে তেওঁ অসমৰ বৈষ্ণৱ ধৰ্ম্মৰ বিষয়ে সম্ভেদ পাইছিল। মানুহজন আদিতে জাৰ্ম্মানীৰ। দৰ্শন শাস্ত্ৰৰ পণ্ডিত। সংস্কৃত ভাষাও জানে।······সাধাৰণ যদিও এইখিনিতে আৰু এটা ঘটনা মনত পৰিছে। ছানফ্রান্সিস্কো চহৰত "আমেৰিকান্ ইনষ্টিটিউট্ ফ'ৰ এছিয়ান ষ্টাডিছ্" বোলা এটা উল্লেখ-যোগ্য অনুষ্ঠান আছে। ইয়াৰ জৰিয়তে ভাৰতীয় দৰ্শন শাস্ত্ৰৰ যথোচিত প্রচাৰ হৈছে। এই অনুষ্ঠানটোত ভাৰতীয় সংস্কৃতিৰ স্বৰূপ বিশ্লেষণ কৰি মই এটা বক্তৃতা দিছিলোঁ। বক্তৃতাৰ অন্তত শ্রোতামণ্ডলীৰ মাজত এজন মানুহ পাইছিলোঁ যি মোক এটা কবিতা দেখুৱাইছিল। কবিতাটোৰ নাম "ধ্যানস্থ শিৱ"। ধ্যানস্থ শিৱৰ বৰ্ণনা পঢ়ি মোৰ মহেঞ্জদাৰোৰ শিৱ-মূৰ্ত্তিলৈ মনত পৰিছিল। শিৱ-মূৰ্ত্তি যে আৰ্য্য যুগৰ আগৰ বস্তু সেই কথাষাৰলৈ মনত পৰিছিল।······

এই খিনিতেই এটা আমোদজনক ঘটনা মোৰ মনত পৰিছে। বক্তৃতা দি এটোৱাৰ পিছত শ্রোতামণ্ডলীৰ ফালৰ পৰা নানা জনে মোক নানা প্রশ্ন সুধিছিল। অৱশেষত এজনে সুধিছিল: "আপোনালোকৰ দেশত খ্রীষ্টান মিছ'নেৰী আছে নে? তেওঁলোকে খ্রীষ্টান-ধৰ্ম্ম প্রচাৰত কিবা কৃতকাৰ্য্যতা লাভ কৰিছেনে?" সংখ্যা লঘু হলেও যে আমাৰ দেশত খ্রীষ্টান-ধৰ্ম্মী মানুহ আছে এইষাৰ কথা মই কৈছিলোঁ। এনেতে এজনে ধেমালিৰ সুৰত কৈছিল: "আপুনি আহিছে আমি বিধৰ্ম্মীহঁতক (heathens) ধৰ্ম্ম দিবলৈ, আনপিনে আমাৰ বিধৰ্ম্মীহঁতে আপোনালোকৰ তাত ধৰ্ম্ম দিছেগৈ।"

কথাষাৰ শুনি আমি এটায়ে হাঁহিছিলোঁ। আমেৰিকালৈ ধৰ্ম্ম দিবলৈ মই অহা নাছিলোঁ যদিও ধৰ্ম্ম সম্বন্ধীয় কেইবাটাও বক্তৃতা দিব লগা হৈছিল।......আমাৰ হাঁহিৰ উপশম ঘটাৰ লগে লগেই আমাৰ দেশৰ এক সংখ্যক মানুহে কিয় খ্ৰীষ্টান-ধৰ্ম্ম গ্ৰহণ কৰিব লগা হৈছিল কৈছিলোঁ,—আৰ্ণল্ড টয়নবীৰ "cyclic change of history" তথ্যক ওপৰত ভেজাদি। এনে দৰে খ্ৰীষ্টান-ধৰ্ম্মত কোনো কোনোৱে কিয় শৰণ লব লগা হৈছিল, সেই কথাষাৰৰ উত্তৰত, কালৰ খৰ সোঁতত কেনেকৈ হিন্দুধৰ্ম্মত কিছুমান অবাঞ্ছিত কেৰোণ সোমাইছিল, সেই কথাষাৰ উল্লেখ কৰিছিলোঁ। লগতে এইটোও কৈছিলোঁ যে এই কাৰণেই হিন্দুধৰ্ম্মক বহুত খিনি যুক্তিসম্ভূত (rationalise) কৰিব লগা হৈছিল। এই ক্ষেত্ৰত গান্ধীজীৰ দানো কম নহয়। ইয়াৰ উপৰিও যি সকল animists, অৰ্থাৎ জড়বাদী উপাসক, সেই সকলৰ মাজতহে ইয়াৰ প্ৰচাৰ যথাসম্ভৱ হৈছিল। এওঁলোকৰ তেনে কোনো বিশেষ আনুষ্ঠানিক ধৰ্ম্মমত নাছিল। গতিকেই বিদেশী শাসকৰ সংস্পৰ্শত তেওঁলোকৰ মাজত বিদেশী ধৰ্ম্মই শিপা মেলিছিল।...... ইয়াত দেখিছোঁ বহুতেই বৰ্ণ-বিভাগৰ হেঁচাত আমাৰ দেশখন জুকলা বুলি ভাবে। ই সময়ৰ খৰ গতিত কেনেকৈ বহুত খিনি উৰ্বলি গৈছে, সেইষাৰ কথাও কব লগা হৈছিল। লগতে বৰ্ণ-বিভাগৰ ঐতিহ্য আৰু ইতিহাস। গান্ধীজীৰ একেষাৰ কথা মই সদায় উল্লেখ কৰিছিলোঁ। কথাষাৰ হৈছে:

"Castes define duties, they confer no privileges. All are born to serve God's creation, a Brahmin with his knowledge, a Khsatriya with his power of protec-

tion, a Vaishya with his commercial ability and a Shudra with bodily labour. This however does not mean that a Brahmin, for instance, is absolved from bodily labour or the duty of protecting himself and others. There is nothing again to prevent the Shudra from acquiring all the knowledge he wishes......"

কথাষাৰ শুনি শ্ৰোতাসকলীয়ে ভাল পাইছিল। এনে যেন মোৰ অনুমান হৈছিল।

সাধাৰণতে আক এটা প্ৰশ্নৰ সম্মুখীন হব লগা হৈছিল। সেইটো হৈছে হিন্দু সমাজৰ গো-জাতিৰ প্ৰতি মনোভাব। গো-জাতিক কিয় পবিত্ৰ বুলি ধাৰণা কৰা হয়, এইটোৱেই হৈছে এওঁলোকৰ এটা ডাঙৰ সমস্যা। ইয়াৰ উত্তৰ অৰ্থনৈতিক দৃষ্টি-কোণৰ পৰা দিব লগা হৈছিল। গো-জাতিৰ আমাৰ অৰ্থনৈতিক জীৱনত যি স্থান সেই সত্য কাকি জন-সাধাৰণৰ হৃদয়ঙ্গম কৰাৰ উদ্দেশ্যে এটা আনুষ্ঠানিক প্ৰকাশৰ প্ৰয়োজন হৈছিল। কাৰণ যি কোনো আদৰ্শই যেতিয়া অনুষ্ঠানৰ আকাৰ লয়, তেতিয়াহে ই সহজে জনসাধাৰণৰ বোধগম্য হোৱাটো সম্ভৱ। গতিকেই এনে দৰে গো-জাতিৰ অৰ্থনৈতিক প্ৰয়োজনীয়তাক অৰ্চনা-পদ্ধতিৰ (ritual) জৰিয়তে প্ৰকাশ কৰা হৈছিল।......এই খিনিতেই মই এটা কথা উপলব্ধি কৰিছিলোঁ। এওঁলোকে কেতিয়াও যুক্তিক ভাবপ্ৰৱণতাৰে খণ্ডন কৰিবলৈ যত্ন কৰা দেখা নাই। যুক্তিক নিৰ্ব্বিকাৰ চিত্তে মানি লোৱাটো এওঁলোকৰ পক্ষে স্বভাবসিদ্ধ কথা।

কেইবাখনো মহিলা সমিতিত "ভাৰতীয় নাৰী আন্দোলন", "দক্ষিণ-পূব এছিয়াত মুক্তি সংগ্ৰাম" ইত্যাদি বিষয়-বস্তুৰ ওপৰত কব লগা হৈছিল। আমাৰ স্বাধীনতা সংগ্ৰামত ভাৰতীয় নাৰীয়ে কেনেকৈ পুলিচ মিলিটেৰীৰ গুলী বুকু পাতি লৈছিল, নাৰী সত্যাগ্ৰহীয়ে জেল উপচি পৰিছিল ইত্যাদি কথা কৈছিলোঁ। এইবোৰ কথা তেওঁলোকৰ বাবে ৰোমাঞ্চকৰ ঘটনা যেন লাগিছিল। আমাৰ নাৰীৰ ত্যাগ আৰু আদৰ্শৰ কথা শুনি তেওঁলোকৰ চকুবোৰ উজ্জ্বল হৈ পৰিছিল। ব্ৰিটিছ লেখিকা মাৰ্গেৰেট কাজিন্সে একেষাৰ কথা কৈছিল: "ভাৰতীয় নাৰীক আদৰ্শাত্মক এক লক্ষ্য দিয়ক। তেওঁ সৰ্ব্বস্ব ত্যাগ কৰিব।" ভাৰতীয় নাৰীৰ জীৱনত গান্ধীজীয়ে এই আদৰ্শাত্মক লক্ষ্য কেনেকৈ যোগাইছিল, সেই কথাষাৰ বিবৰি কৈছিলোঁ। এইবোৰ এওঁলোকৰ কাৰণে কল্পনা কৰিব নোৱাৰা কথা।......

মহিলা সমিতিৰ সভাবোৰত প্ৰায়েই কেইটামান প্ৰশ্ন উত্থাপিত হোৱা দেখিছিলোঁ। তাৰে এটা হৈছে: "ভাৰতীয় নাৰীৰ অলঙ্কাৰৰ প্ৰতি ইমান তীব্ৰ মোহ কিয়?" এওঁলোকৰ ভাৰতীয় নাৰী সম্বন্ধে জ্ঞান, নাকত ওলোমোৱা আঙঠি, ডিঙিত জাপে জাপে গলপতা, হাতত কিলাকুটিলৈকে পিন্ধা খাৰুৰ বোজা ইত্যাদি পৰিসৰৰ ভিতৰতেই সীমাবদ্ধ। গতিকে এনে প্ৰশ্ন উঠাটো অকণো আচৰিত কথা নহয়। ইয়াৰ উত্তৰ এনেদৰে দিব লগা হৈছিল: "ভাৰতীয় নাৰীৰ পক্ষে আৰ্থিক নিৰাপত্তা বোলা বস্তু এটা নাই। নাইবা তেওঁলোকৰ ব্যক্তিগত ভাবে স্থাৱৰ-অস্থাৱৰ কোনো সম্পত্তিও নাই। বিবাহৰ সময়ত পতি-গৃহৰ পৰা উপহাৰ আৰু পিতৃ-গৃহৰ পৰা যৌতুক স্বৰূপে

যি আ-অলঙ্কাৰ পায়, জীৱনৰ নিৰাপত্তাৰ বাবে সেয়ে সৰ্ব্বস্ব। গতিকেই এইবোৰৰ প্ৰয়োজনীয়তা।” ইত্যাদি। কথাবাৰত তেওঁলোক পতিয়ন গৈছিল নে নাই কব নোৱাৰোঁ। কিন্তু ইয়াৰ পাছত আৰু এনে তৰহৰ প্ৰশ্নৰ মকৰাজাল মেলা দেখা নাছিলোঁ।...

এখন মহিলা সভাত এটা বেছ ৰহস্যজনক ঘটনা ঘটা মনত পৰিছে। বক্তৃতাৰ অন্তত এগৰাকী মহিলাক বিশেষ উত্তেজিত হৈ প্ৰশ্ন কৰা দেখিছিলোঁ। প্ৰশ্নটো আছিল এই: “আপোনালোকৰ দেশৰ নাৰী আগবঢ়া (advanced) নে? যদি আগবঢ়া, তেন্তে কিমান দূৰ আগবঢ়া?” প্ৰশ্নযাৰৰ উত্তৰ মাথোন একেটা বুলি মই জানিছিলোঁ। গতিকেই টপৰাই কৈ পেলাইছিলোঁ: “হয়, আগবঢ়া। আপুনি সুধিছে কিমান দূৰ আগবঢ়া? মই কওঁ—সম্মিলিত জাতি-সংঘৰ সাধাৰণ পৰিষদৰ সভানেত্ৰীত্ব কৰিব পৰা লৈকে আগবঢ়া।” (...so far advanced as to become the President of the General Assembly in the United Nations.) মোৰ উত্তৰত লেশমানো উত্তেজনা নাছিল। মহিলাগৰাকীৰ প্ৰশ্নত অৱশ্যে উত্তেজনা বাককৈয়ে আছিল। উত্তৰটো শুনি সভাঘৰৰ মানুহবোৰে হুৰহুৰাই হাঁহি দিছিল। দুই গালৰ কৃত্ৰিম অস্বাভাৱিক ঢাকনি ফালি মহিলাগৰাকীৰো মুখখন ৰঙা হৈ পৰিছিল।...

ভাৰতীয় সংস্কৃতিৰ স্বৰূপ নিৰ্দ্ধাৰণ কৰোঁতে দুটা বস্তুৰ ওপৰত বিশেষ ভাবে মই গুৰুত্ব আৰোপ কৰিছিলোঁ। সেই দুটা হৈছে: (১) ভাৰতীয় সংস্কৃতিৰ ঐতিহ্যপূৰ্ণ সমন্বয় ধাৰা (synthesis), (২)

ভাৰতীয় সংস্কৃতিৰ নিৰৱচ্ছিন্ন গতি। বুৰঞ্জীৰ বেলেগ বেলেগ স্তৰত ভাৰতলৈ অহা জাতিসমূহৰ এটা বিৱৰণ দাঙি ধৰি এই প্ৰসঙ্গত ৰবীন্দ্ৰনাথে কেনেকৈ ভাৰতৰ সমন্বয়ৰ পৰম্পৰাৰ কথা কৈছিল আৰু কেনেকৈ তাক ভাৰতীয় মনে উমৈহতীয়া ভৰালৰ নিজস্ব সম্পত্তিলৈ ৰূপান্তৰিত কৰি লব পাৰিছিল,—ইয়াৰ উল্লেখ কৰিছিলোঁ। লগতে মহাত্মা গান্ধীয়ে বুৰঞ্জীৰ এই সত্য ফাকি কেনেকৈ উপলব্ধি কৰি জীৱন্ত সত্য হিছাপে প্ৰকাশ কৰিছিল,—তাৰো উল্লেখ কৰিছিলোঁ। গান্ধীজীৰ একেষাৰ কথা মই প্ৰায় সকলোবোৰ সভাতে কৈছিলোঁ। কথাষাৰ হৈছে :

"I donot want my house to be walled in on all sides and my windows to be stuffed. I want the culture of all lands to be blown about my house as freely as possible. But I refuse to be blown off my feet by any of them. Mine is not a religion of the prison house. It has room for the least among God's creations. But it is proof against insolent pride of race, religion or colour."

ভাৰতীয় সংস্কৃতি যে পক্ষপাতমূলক বা এচলীয়া নহয়, ইয়াৰ বুৰঞ্জী যে দীঘলীয়া আৰু লেখাৰি নিছিগা, নাইবা প্ৰাকৃতিক ভূমি অনুৰ্ব্বৰ আৰু শূন্য কৰি ইয়াৰ সুঁতি যে কেতিয়াও স্তব্ধ হৈ যোৱা নাই,—এইবাৰ কথা স্পষ্ট ভাষাত কৈছিলোঁ। ইয়াৰ বাবে হয়তো ভাৰতীয় মনৰ স্বতঃপ্ৰসূত জীৱনী শক্তিয়েই দায়ী। ভাৰতীয় সংস্কৃতিৰ এনে তত্বৰ ব্যাখ্যা "বৈজ্ঞানিক পদ্ধতিসম্ভূত, বহল অধ্যয়ন-

প্ৰসূত আৰু বাছকবনীয়া ভাষাতে প্ৰকাশিত” বুলি সমাদৃত হৈছিল।……

আৰু এটা বিশেষ কথা লৈ মানুহৰ মন ইয়াত অস্থিৰ হৈ থকা যেন পাইছোঁ। সেইটো হৈছে আমাৰ নিৰপেক্ষ বৈদেশিক নীতি সম্বন্ধে। এই বিষয়ে জানিবলৈ এওঁলোকৰ অপৰিসীম আগ্ৰহ দেখা পাইছোঁ। ভাৰতীয় ৰাজনৈতিক মনটোৰ বিষয়ে জানিবলৈ এওঁলোকৰ বেছ আগ্ৰহ আছে। আমাৰ বৈদেশিক নীতি ব্যাখ্যা কৰি মই কৈছিলোঁঃ “যোৱা মহাসমৰৰ অন্তত পৃথিৱীৰ ৰঙ্গমঞ্চত, যুক্তৰাষ্ট্ৰ আৰু ছভিয়েট ৰুছিয়া,—দুটা বৃহৎ যুদ্ধৰত শিবিৰ হিছাপে অৱতীৰ্ণ হৈছে। শক্তি হিছাপে বৃটেইন দ্বিতীয় শাৰীলৈ স্থানান্তৰিত হৈছে। আন্তৰ্জ্জাতিক অনুষ্ঠান ইউ, এন্, অ’-ৰ জৰিয়তে যদিও শান্তি ৰক্ষাৰ প্ৰচেষ্টা চলিছে, তথাপি ইয়াৰ সিদ্ধান্তসমূহ কাৰ্য্যকৰী কৰিবলৈ যি সমূহীয়া সদ্-আচৰণৰ প্ৰয়োজন, তাৰ অভাৱত এইবোৰ বহুত খিনি অথলে যাবলৈ বাধ্য হৈছে। প্ৰথম মহাসমৰৰ পিছত লীগ্ অব্ নেছঞ্চৰো এইটো অৱস্থাই হৈছিল। সেই বুলি ইউ, এন্, অ’-ৰ ওপৰত যে আমাৰ অনাস্থা সেইটো নহয়। আগন্তুক ৱৰ্ল্ড গৱৰ্ণমেণ্টৰ ভেটি হয়তো একালত ইয়েই হবগৈ। সংঘৰ্ষকামী শিবিৰ দুটাৰ খৰিয়ালত ইয়াৰ ভাৰ-সাম্য যে বহুত খিনি জোকাৰ খাইছে, সেই বিষয়ে সন্দেহ নাই। প্ৰত্যেকটো শিবিৰেই শক্তি-প্ৰয়োগৰ সহায়েৰে নিজকে জীয়াই ৰাখিব খুজিছে। এনে অৱস্থাত প্ৰকৃততে শান্তিকামী, সক্ৰিয়ভাৱে যুদ্ধবিৰোধী এটা তৃতীয় শিবিৰৰ বৰ্ত্তমান বৰ বেছি প্ৰয়োজন হৈছে।”

কথাবাৰ শেষ হবলৈ নৌ পাওঁতেই জৰ্জটাউন বিশ্ববিদ্যালয়ৰ জুলছ্ ডেভিড বোলা অধ্যাপকজনে বাধা দি কৈছিল: "এইটো ভাৰতীয় দৰ্শন। ই গান্ধীৰ দৰ্শন। ই কেতিয়াও কাৰ্য্যকৰী হব নোৱাৰে। ইয়াৰ হাতত সামৰিক শক্তি ক'ত? লগতে মই আপোনাক সুধিব খোজোঁ—কোনবোৰ দেশ লৈ এই শিবিৰটো গঠিত হব?"

উত্তৰত মই কৈছিলোঁ: "ইণ্ডোনেছিয়াৰ পৰা আৰম্ভ কৰি আফ্ৰিকালৈকে সাম্ৰাজ্যবাদৰ গৰাহত জুকলা হোৱা, নতুনকৈ স্বাধীনতা লাভ কৰা দেশসমূহৰে ই গঠিত হব। 'কেৱল সামৰিক শক্তিয়েই সৰ্ব্বশক্তিমান বস্তু হব নোৱাৰে। কেৱল ভাৰততেই নহয়, আপোনালোকৰ দেশতো নৰম্যান. ট'মাছৰ দৰে লাখ লাখ মানুহ তৃতীয় শিবিৰৰ সমৰ্থক আছে। ইংলণ্ডত ইয়াৰ সমৰ্থনত বিভানৰ লেখীয়া মানুহ আছে।" ……এই সামান্য ঘটনাটোৰ পৰাই বৈদেশিক নীতি সম্বন্ধে এওঁলোকৰ মনস্তত্বৰ সম্ভেদ পাব পাৰি।

……আমেৰিকা এৰাৰ আগে আগে "ভয়েছ্ অব্ আমেৰিকা" অনাতাঁৰ কেন্দ্ৰৰ জৰিয়তে দুটা বিদায়ী ভাষণ দিছিলোঁ। কৰ্ম্মকৰ্ত্তা সকলৰ মতে এইটো চৰকাৰী অনুষ্ঠান নহয়। বাজহুৱা অনুষ্ঠানহে। ই পৃথিবীৰ তিনিটা সৰ্ব্ববৃহৎ অনাতাঁৰ অনুষ্ঠানৰ ভিতৰত এটা। আন দুটা হৈছে—লণ্ডনৰ বি, বি, ছি, আৰু মস্কো ৰেডিঅ'। অনাতাঁৰ ভাষণৰ জৰিয়তে, আমেৰিকাখন মূলতে কেনেকৈ সকলো পিনৰ পৰা এক বিৰাট সংঘাতৰ দেশ, সেই আবাৰ কথা দাঙি ধৰিছিলোঁ। ইয়াত যেনেকৈ জলবায়ুৰ সংঘাত তেনেকৈ মানৱগোষ্ঠী, আদৰ্শ আৰু মতবাদৰ সংঘাতো বিদ্যমান।……উদাহৰণ স্বৰূপে ইয়াত

এহাতে এনে মানুহ পাইছোঁ যি পুজিবাদৰ প্ৰশংসা কৰিছে। আনহাতে এনে মানুহ পাইছোঁ যি ইয়াৰ তীব্ৰ সমালোচনা কৰিছে। প্ৰথমবিধ মানুহে এনে ধৰণৰে যুক্তি দৰ্শায়: "পুজিবাদে আমাৰ ইয়াত যথোচিত হিত সাধন কৰিছে। গতিকে পুজিবাদ শব্দটোৰ জলবায়ু অনুসৰি স্বকীয়া অৰ্থ হোৱাটো স্বাভাৱিক। ভাৰতত পুজিবাদ শব্দটো ঘৃণনীয় হব পাৰে। আমাৰ দেশত ই তেনে নহয়।" ইত্যাদি। আনহাতে দ্বিতীয়বিধৰ মুখত শুনিছোঁ: "আমাৰ অৰ্থনীতিক সমাজবাদী সাঁচ দিব নোৱাৰিলে, এনে ধন-দৌলতৰ কোনো সাৰ্থকতা নাই। আজি নহলেও, এশ বছৰৰ পিছত হলেও, পৃথিৱীত গণতান্ত্ৰিক সমাজবাদ প্ৰতিষ্ঠা হবই। ইয়াৰ কোনো অন্যথা হব নোৱাৰে। ইয়াৰ বাবে জনসাধাৰণৰ যি আত্মিক আৰু মানসিক পৰিপক্কতাৰ আৱশ্যক, ই নৌ হয় এখোন। গতিকেই ইয়াৰ গতি লেহেম হৈছে। মানুহ কেতিয়াও ৰ'ব'ট্ যন্ত্ৰ হব নোৱাৰে। ৰুছিয়াত মানুহক যন্ত্ৰলৈ ৰূপান্তৰিত কৰা হৈছে। গতিকেই মানুহে আজি মুক্তভাৱে গণতান্ত্ৰিক অধিকাৰ বিচাৰিছে। যুক্তৰাষ্ট্ৰৰ সমাজ অসমান। ই চিৰকাল অসমান হৈ থাকিব নোৱাৰে। গতিকেই সমাজবাদৰ প্ৰয়োজন।"

নিগ্ৰো সমাজৰ বিষয়ে আগতে মই কৰ লগাখিনি কৈছোঁ। এই ক্ষেত্ৰতো সংঘৰ্ষকামী মতবাদৰ চিনাকি পাইছোঁ। কোনো কোনো উগ্ৰভাৱে নিগ্ৰো-বিদ্বেষী। কোনো কোনো উগ্ৰভাৱে নিগ্ৰো প্ৰেমী। এই ক্ষেত্ৰত দুটা সংঘৰ্ষকামী মতবাদৰ উল্লেখ কৰিব খুজিছোঁ:

"Race segregation here is a natural state, and

certain groups which agitate against it are unscrupulous and un-American."

[President, Federation of Citizens Association, Oct. 15, 1947]

" .... No one wishes more than I do to see such proofs as you exhibit, that Nature has given to our black brethren talents equal to those of other colours of men, and that the appearance of a want of them is owing only to the degraded condition of their existence, both in Africa, and America..."

[Jefferson]

এই বিষয়ে পাৰ্ল বাকৰ মন্তব্য আৰু চোকা। ইয়াৰ উল্লেখ মই আগতে কৰিছোঁ। এইবোৰৰ পৰাই এটা জাতিৰ মনৰ জিলিঙনি সূক্ষ্মভাবে পাব পাৰি। উপলব্ধি সাধনাৰ জখলা।

আচাৰ্য্য বিনোবা ভাবেৰ ভূ-দান যজ্ঞই ইয়াৰ মানুহৰ মন বিশেষ ভাবে আকৰ্ষণ কৰা দেখিছোঁ। অৱশ্যে মানুহে প্ৰতি ইয়াৰ প্ৰতিক্ৰিয়া বেলেগ ধৰণৰে হৈছে। (১) কোনো কোনোৰ পক্ষে সম্যক ভাবে ভূ-দান দৰ্শন উপলব্ধি কৰাটো টান হৈছে যদিও, তেওঁলোকে ভাৰতীয় আধ্যাত্মিক শক্তিৰ ওপৰত আস্থা ৰাখি, তাতৰ শক্তি হিছাপে ইয়াক মানি লৈছে। আন ঠাইত যি অসম্ভৱ, আধ্যাত্মিক শক্তিসম্পন্ন ভাৰতৰ পক্ষে সি সম্ভৱ হোৱাটো একো আচৰিত কথা নহয়, এয়ে হৈছে এওঁলোকৰ যুক্তি। (২) এক শ্ৰেণীয়ে যুৱক যুৱতীক, ইয়াক সমৰ্থন জনাইছে এই কাৰণেই যে ই অন্ততঃ

মাটি বিতৰণৰ নামত কমিউনিষ্টৰ হত্যাকাণ্ড, লুণ্ঠন আদি হিংসাত্মক অভিযানক বাধা দিছে। এয়ে হৈছে এওঁলোকৰ মনোভাব। (৩) ইয়াৰ প্ৰগতিশীল মহলে এক মধ্যৱৰ্ত্তী ব্যৱস্থা হিছাপে ভূ-দান ব্যৱস্থা অনুমোদন কৰা দেখিছোঁ। তেওঁলোকৰ ধাৰণা,—যিহকে নহওক নেলাগে, অন্ততঃ ইয়াৰ জৰিয়তে মাটিহীন কৃষকে কিছু দূৰ মাটি পাইছে। এই খিনিতেই ইয়াৰ সাৰ্থকতা। (৪) এনে কিছুমান মানুহো অৱশ্যে পাইছোঁ যি গোটেই ভূ-দান দৰ্শনটোকে তীব্ৰভাবে সমালোচনা কৰে। মোৰ শেষ বক্তৃতাটো নিউয়ৰ্ক চহৰত ভূমি সংস্কাৰ সম্বন্ধে আছিল। ইয়াত এই বিষয়ে প্ৰশ্নকৰোঁতা ভালেমান মানুহ লগ পাইছিলোঁ। "ডি ক'ল্" নামে আলোচনী এখনত মোৰ "ইণ্ডিয়াজ্ ছাইলেণ্ট ৰেভ'লিউশ্যন্" নামে ভূ-দান সম্বন্ধীয় এটা প্ৰৱন্ধ ওলাইছিল। তাত ব্যাখ্যা কৰা গোটেই মতবাদটোকে তীব্ৰভাবে আলোচনা কৰি ম্যেক্স ন'মেড্ বোলা এজনে সেই কাকত খনলৈ এটা প্ৰবন্ধ দিছে। মানুহজন এখন বিখ্যাত কিতাপৰ গ্ৰন্থকাৰ। কিতাপখনৰ নাম হৈছে "ডি ৰেবেলছ্ এণ্ড ৰেনিগেড্"। খবৰ লৈ গম পাইছিলোঁ,—এওঁ ট্ৰ'টস্কীপন্থী।......এইবোৰ কথাৰ পৰাই এই খন দেশত প্ৰচলিত মতবাদৰ সংঘাত সম্বন্ধে জানিব পাৰি। এয়ে হৈছে যুক্তৰাষ্ট্ৰৰ জীৱনৰ সমুচিত প্ৰকাশ।......

আমেৰিকাৰ ৰাজনৈতিক মতবাদ সাধাৰণতে ছুটা ভাগত বিভক্ত। ৰিপাব্লিকান আৰু ডিম'ক্ৰেট। গণতান্ত্ৰিক সমাজবাদত আস্থা থকা কিছুমান মানুহ লগ পাইছোঁ। অৱশ্যে তেওঁলোকৰ সংখ্যা তাকৰ। যুক্তৰাষ্ট্ৰৰ ছ'ছিয়েলিষ্ট পাৰ্টিৰ নিয়মিত ভাবে চলি থকা সংগঠন আৰু আলোচনী আছে। আইন বহিৰ্ভূত পাৰ্টি নহয় যদিও মানুহে সাধাৰণতে

নিজকে কমিউনিষ্ট বা কমিউনিষ্টৰ সহযাত্ৰী বুলিবলৈ টান পায়। কাৰোবাক তেনে বুলি কলেও তেওঁ তৎক্ষণাতে অস্বীকাৰ কৰি কয় : "মই কমিউনিষ্ট নহওঁ বা কমিউনিষ্টৰ সহযাত্ৰীও নহওঁ।" ইয়াত কমিউনিষ্ট মানে দেশদ্ৰোহী। কমিউনিষ্ট হোৱা মানে আন দেশৰ প্ৰভাৱ স্বীকাৰ কৰা। তাৰ মানে যুক্তৰাষ্ট্ৰৰ স্বতন্ত্ৰতা বিদেশী ৰাষ্ট্ৰৰ হাতত অৰ্পণ কৰা। ইত্যাদি। এয়ে হৈছে তেওঁ-লোকৰ মনোভাব। আনকি প'ল ৰব্ছনেও নিজকে কমিউনিষ্ট নহয় বুলিহে চিনাকি দিয়ে।.....বহুত ক্ষেত্ৰত দেখিছিলোঁ একোজন মানুহৰ ৰাজনৈতিক মতবাদ তেওঁৰ ধৰ্ম্মমতৰ দ্বাৰাই প্ৰভাৱান্বিত হৈছে বুলিও কব খোজা হয়। খ্ৰীস্টান ধৰ্ম্মৰ তিনিটা উল্লেখযোগ্য মতবাদ আছে। সেই কেইটা হৈছে কেথ'লিক, মেথ'ডিষ্ট আৰু প্ৰেছবাইটেৰিয়ান্। সাধাৰণ অৰ্থত মানুহবোৰ ধৰ্ম্মপ্ৰাণ নহয় যদিও তেওঁলোকৰ ওপৰত একোটা গীৰ্জ্জাৰ অনুশাসন অৱশ্যে নোহোৱা নহয়। গীৰ্জ্জাবোৰো আনহাতে ক্ৰমাৎ সামাজিক অনুষ্ঠানলৈ ৰূপান্তৰিত হৈছে। এনে নহলে গীৰ্জ্জা সমূহ গীৰ্জ্জা হিছাপে জীয়াই থকা টান বুলিও কোনো কোনোৱে মোক কৈছিল। ধৰ্ম্মমতবাদৰ জৰিয়তে একোজন মানুহৰ ৰাজনৈতিক মতবাদ কেনেকৈ জোখা হয়, তাৰ প্ৰমাণ আমেৰিকাৰ নিয়েচ্ট্ৰিছ এ'ব ট্ বোলা "ভিজিল্" আলোচনীত ওলোৱা মহিলা এগৰাকীৰ প্ৰবন্ধ এটাৰ পৰাই বঢ়িয়াকৈ বুজিব পাৰি। নৰম্যান্ ট'মাছে মোৰ আগত আইছেনহাৱাৰৰ প্ৰশংসা কৰিছিল। এই কথাষাৰ মই বাতৰি যোগনীয়াৰৰ আগত কৈছিলোঁ। কাগজত বৰ বৰ আখৰৰ শিৰোনামাৰে—"India seeks to build third force for

peace," বুলি বাতৰি ওলাইছিল। এই সাক্ষাৎ-প্ৰসঙ্গকে কেন্দ্ৰ কৰি "ভিজিল্" কাগজত প্ৰবন্ধ ওলাইছে। তাত কোৱা হৈছে, নৰম্যান্ ট'মাছে আইছেনহাৱাৰক প্ৰশংসা কৰাৰ কাৰণ হৈছে—নৰম্যান্ ট'মাছ্ প্ৰেছবাইটেৰিয়ান গীৰ্জ্জাৰ মানুহ। সাধাৰণ নিৰ্ব্বাচনৰ পিছত আইছেনহাৱাৰেও এই গীৰ্জ্জাত যোগদান দিছে। ইত্যাদি। বিয়েট্ৰিছ্ এ'ব'টে লেখিছে:

"I was shocked at Norman Thomas' praise of Eisenhower (*vide* interview with Hem Barua), whose policy appears to be to "punish" the people of nations if their military leaders go hey-wire and commit aggression......I looked him up and found that he (Norman Thomas) is an ordained Presbyterian Minister, the Church which Eisenhower joined after he was elected but before his inauguration"- ...

মই যি বুজিছিলোঁ নৰম্যান্ ট'মাছে এইটো সুৰত কথা কোৱা নাছিল। তেওঁ যিটো সৎ বা সঁচা বুলি ভাবিছিল তাকেই মাথোন কৈছিল। তথাপি দেশৰ যিটো নিয়ম,—অৰ্থাৎ ৰাজনৈতিক মতবাদকো গীৰ্জ্জাৰ যোগেদি জুখি চোৱা, তাৰ হাত তেওঁ সাৰিব পৰা নাছিল।......

অ', আইছেনহাৱাৰ বোলোঁতে এজন টেক্সী-ড্ৰাইভাৰে যোৱা নিৰ্ব্বাচনত কাক ভোট দিছিল—আইছেনহাৱাৰক নে ষ্টিভেনশ্চনক, সেইযাৰ কথা কোৱা মনত পৰিছে। তেওঁ কৈছিল: "Do you think that I would vote for a man who has never bought his shoe-laces in life," অৰ্থাৎ যি জীৱনত কেতিয়াও

জোতাৰ ফিটা এগছি কিনি পোৱা নাই, তেওঁক মই ভোট দিম বুলি আপুনি ভাবে নে? ইয়াৰ অৰ্থ হৈছে, আইছেনহাৱাৰে সৈন্য বিভাগৰ মানুহ হিছাপে সাজ-পোচাক, আনকি জোতাৰ ফিটালৈকে সকলোবোৰ সেনাবিভাগৰ পৰাই পাইছিল। গতিকেই এই আষাৰ কথা। প্ৰশ্নৰ এনেধৰণৰ পোনপটীয়া উত্তৰে মোক স্তম্ভিত কৰিছিল।

আইছেনহাৱাৰৰ কথা কওঁতে প্ৰেছিডেণ্ট ৰুজভেল্টৰ কথা মনত পৰিছে। ৰুজভেল্ট সম্বন্ধে নানা বিপৰীত-ধৰ্ম্মী মতবাদ দেখিবলৈ পাইছোঁ। কোনোৱে তেওঁক জাতীয় বীৰৰ শাৰীত থয়। কোনোৱে আকৌ তীব্ৰভাবে গৰিহণাও দিয়ে। এই বিষয়ে এগৰাকী উচ্চপদস্থ বিষয়াৰ কথা মন কৰিব লগীয়া: "ৰুজভেল্টক যিমান মানুহে ভাল পায় তাতোকৈ সৰহ সংখ্যাই বেয়া পায়। কোনোৱে কয়: 'his domestic policy was all right, his foreign policy was wrong,' অৰ্থাৎ তেওঁৰ ঘৰুৱা নীতি ভাল আছিল, বৈদেশিক নীতি ভুল আছিল। কোনোৱে আকৌ ইয়াতোকৈ চোকা মন্তব্য কৰে। তেওঁলোকৰ মতে: 'If Hitler was bad, Roosevelt was worse,' অৰ্থাৎ হিটলাৰ যদি বেয়া আছিল ৰুজভেল্ট আৰু অসৎ আছিল। তেৱেঁই আমাক প্ৰকাৰান্তৰ ভাবে যুদ্ধত অৱতীৰ্ণ কৰাইছিল।" এই প্ৰসঙ্গত য়াণ্টা কন্‌ফাৰেন্স, প্ৰথম মহাসমৰ ইত্যাদিক কেন্দ্ৰ কৰি বিশেষ ভাৱে আমাৰ মধুৰ আলোচনা হৈছিল।...

আমেৰিকাৰ সঙ্গীতৰ ধাৰা সম্বন্ধে ৱশিংটন আই, ছি ত এটা বক্তৃতা শুনিছিলোঁ। বক্তাগৰাকীৰ নাম ছুজেন্ কংলীন্। মানুহগৰাকীৰ মুখখন দেখিলেই শিল্পী যেন লাগে। অশান্ত চুলি। স্বপ্নাতুৰ চকু।

আনকি মানুহগৰাকায়ে কথা কওঁতেও যেন তৰঙ্গত নাচি ফুৰিছে এনে যেন অনুমান হৈছিল। তেওঁৰ মতে আমেৰিকাৰ সঙ্গীত চাৰিটা বিশিষ্ট ধাৰাৰে পৰিপুষ্ট। (১) ইংলণ্ডৰ প্ৰাৰ্থনা সঙ্গীত (hymn music), (২) ইউৰোপীয় সঙ্গীতৰ ধাৰা (ইয়াত বসবাস কৰা ইটালীয়, ফৰাছী, জাৰ্ম্মান, স্পেনিছ্ ইত্যাদিৰ প্ৰভাৱপ্ৰসূত), (৩) নিগ্ৰো সঙ্গীতৰ প্ৰভাৱ,—ই বিশেষভাবে সৌষ্ঠৱপূৰ্ণ। (৪) ৰেড ইণ্ডিয়ানৰ থলুৱা সঙ্গীতৰ প্ৰভাৱ। বক্তাগৰাকীৰ মতে এই শেষৰটো বিশেষ উল্লেযোগ্য নহয়। কিবা আছিল যদিও বহিৰাগতৰ সংস্পৰ্শত ই স্বকীয়া আকাৰ লৈছিল। তথাপি এই প্ৰত্যেকটোৰে আছুতীয়া প্ৰভাৱ পৰি আমেৰিকাৰ সঙ্গীত বুৰঞ্জী ঠন ধৰি উঠিছিল বুলি মহিলা গৰাকীয়ে কৈছিল।......

মই সুধিছিলোঁ: "নতুন সঙ্গীত ধাৰাৰ সৃষ্টিৰ প্ৰতি এটাইতকৈ শকত বৰঙণি নিগ্ৰো সকলৰ নহয় জানো?" মহিলাগৰাকীয়ে অনুমোদন জনাই কৈছিল: "হয়। নিগ্ৰো সঙ্গীতৰ সৌষ্ঠৱ (vitality) আৰু ইংৰাজী প্ৰাৰ্থনা সঙ্গীতৰ সুৰ-লহৰ (rhythm), —দুয়োটাৰ সংমিশ্ৰণত এক অভিনৱ সঙ্গীতৰ সৃষ্টি হৈছে।"......

ইয়াৰ পাছত আমি ভাৱপ্ৰৱণ সঙ্গীতৰ কথা আলোচনা কৰিছিলোঁ। মহিলাগৰাকীৰ মতে ই ইউৰোপৰ পৰা অহা। তেওঁ কৈছিল: "নিগ্ৰো সকলে এই সঙ্গীত কাণ পাতি শুনিছিল। তাক তেওঁলোকে গ্ৰহণ কৰিছিল।" এই খিনিতেই মই একেষাৰ কথালৈ আঙুলিয়াইছিলোঁ: "বাস্তৱ দৃষ্টিভঙ্গীৰ কালৰ পৰা চালে নিগ্ৰোৰ ভাৱপ্ৰৱণ সঙ্গীত নাছিল বুলিলে বুজিবলৈ টান লাগে। কাৰণ এনে সঙ্গীতৰ বাবে যি বাস্তৱ অৱস্থাৰ প্ৰয়োজন, সেইবোৰ

নিগ্রোৰ জীৱনত উভৈনদী হৈ আছিল। নিজৰ মাটিৰ পৰা বিচ্ছিন্ন হৈ অহা জাতি এটাৰ পক্ষে এৰি অহা জীৱনৰ স্মৃতিৰ কঁপনি উঠাটো স্বাভাৱিক। এনে অৱস্থাই ভাৱপ্রৱণ সঙ্গীতৰ জন্ম দিয়াটো স্বাভাৱিক কথা। গতিকেই এনে এটা উৎখাল খাই পৰা জাতিৰ পক্ষে ভাৱপ্রৱণ সঙ্গীতৰ জন্ম দিয়াটো একো অসম্ভৱ নহয়।”...... মহিলাগৰাকীয়ে একে উশাহেই কৈ পেলাইছিল: “এইটো চমৎকাৰ যুক্তি। নিগ্রো সকলৰ ভাৱপ্রৱণ সঙ্গীত নথকা নহয়। নিশ্চয় আছিল। ইউৰোপীয় ভাৱপ্রৱণ সঙ্গীতৰ প্রভাৱে এইবোৰৰ ভেটি টনকিয়াল কৰিছিল বুলি মই কোৱাটো উচিত আছিল।” থোৰতে কবলৈ গলে এয়ে হৈছে আমেৰিকাৰ সঙ্গীত বুৰঞ্জীৰ চমু চিনাকি।...

ৱশিংটন চহৰত থাকোঁতে এওঁলোকৰ কেইবাটাও জাতীয় অনুষ্ঠান চাইছিলোঁ। এইবোৰৰ ভিতৰত ডি ন্যাছনেল্ আৰকিভছ, কেপিট'ল, ছুপ্রীম্ কোর্ট, লাইব্রেৰী অব্ কংগ্রেছ, ফ'ল্গাৰ্ শ্বেকছপীয়েৰ লাইব্রেৰী ইত্যাদি লেখত লবলগীয়া। ডি ন্যাছনেল্ আৰকিভছ্ বোলা অনুষ্ঠানটো ফৰাছী দেশৰ আৰকিভছ্ ন্যাছনেল্‌ছ (Archives Nationales: ১৭৯০) আৰু ইংলণ্ডৰ পাব্লিক্ ৰেকৰ্ডছ্ অফিছ (১৮৩৮)—এই দুটাৰ আৰ্হিত কৰা হৈছে। ইয়াত সম্পূর্ণ ৪০০,০০০ কিউবিক্ ফুট ৰেকর্ড আছে। ৭০০,০০০ খন মেপ আছে। অনুষ্ঠানটোৰ মূলবাণী হৈছে: “The heritage of the past is the seed that brings forth the harvest of the future.”.........জাতিৰ এনেবিধ সমূহীয়া অনুষ্ঠানৰ বাহিৰেও প্রায়বোৰ চহৰ আৰু প্রদেশতে কিছুমান নিজা স্বকীয়া অনুষ্ঠান থকা দেখিবলৈ পাইছোঁ। প্রায়বোৰ চহৰৰে অন্ততঃ একোটা

নিজা শিল্প-কলাৰ যাদুঘৰ থকা দেখিবলৈ পাইছোঁ। এইবোৰ বাকী নোহোৱাকৈ চাইছোঁ। নিউ মেক্‌ছিকো প্ৰদেশত এল্ পেলেছিঅ’ (El Palacio) নামে এটা আন্তৰ্জ্জাতিক লোক-শিল্পৰ যাদুঘৰ আছে। ইয়াত ৰেড্ ইণ্ডিয়ান্ জনজাতীয় আৰ্টৰ বাহিৰেও, অষ্ট্ৰিয়া, হাঙেৰী, গ্ৰীচ্, স্পেইন্ আদিৰ লোক-শিল্পৰ ভালেমান সুৰক্ষিত নিদৰ্শন দেখিবলৈ পাইছিলোঁ। ইয়াৰ বাহিৰেও প্ৰত্যেকখন প্ৰদেশ নিজা ৰেডিঅ’, টেলিভিছন্, বাতৰি কাকত, বিশ্ববিদ্যালয় আদিৰে স্বয়ংসম্পূৰ্ণ। ইয়াৰ জৰিয়তে একোটা প্ৰান্তিকতাৰ মনোভাব গঢ়ি উঠিছে যদিও ই জাতীয় স্বাৰ্থ-বিৰোধী বা আত্ম-কলহপূৰ্ণ নহয়। যুক্তৰাষ্ট্ৰৰ নিয়মতন্ত্ৰই সংগঠিত ৰাষ্ট্ৰসমূহক যথেষ্ট স্বতন্ত্ৰতা দিছে যদিও ই সংকীৰ্ণতাৰ সৃষ্টি কৰা নাই। এইটোৱেই হৈছে এটাইতকৈ ডাঙৰ কথা। অৱশ্যে ইখন প্ৰদেশে সিখনৰ বিষয়ে ধেমালিতে উপলুঙা কৰা উদাহৰণ ভালেমান দেখিছোঁ। উদাহৰণ স্বৰূপে যুক্তৰাষ্ট্ৰৰ ফেডাৰেছনত যোগদানদিওঁতা প্ৰদেশসমূহৰ ভিতৰত টেক্‌ছাছ্ প্ৰদেশেই হৈছে একেবাৰেই শেহতীয়া। এই প্ৰদেশখনৰ মানুহবোৰৰ আঞ্চলিক প্ৰীতি বৰ বেছি। গতিকেই আন প্ৰদেশৰ মানুহে উপলুঙা কৰি কয়: “Did Texas join the United States or the United States join Texas?” অৰ্থাৎ টেক্‌ছাছে যুক্তৰাষ্ট্ৰৰ লগত যোগ দিলে নে যুক্তৰাষ্ট্ৰই টেক্‌ছাছৰ লগত যোগ দিলে? এই প্ৰদেশখনৰ ৰডিঅ’ (rodeo) নামেৰে গৰু ৰখীয়াৰ খেল এটা চাবলৈ গৈছিলোঁ। ইয়াতো প্ৰান্তিকতাৰ যথোচিত নিদৰ্শন দেখিবলৈ পাইছিলোঁ। এইবোৰ কাৰণেই মিষ্টাৰ মাৰ্টিন্ নামেৰে ৰাজনৈতিক বিজ্ঞানৰ

অধ্যাপক এজনক সুধিছিলোঁ: "আপোনালোকৰ বিধানতন্ত্ৰই প্ৰদেশ সমূহক যথেষ্ট স্বতন্ত্ৰতা দিছে। এনে অৱস্থাত আপোনালোকৰ জাতীয় ঐক্য ৰক্ষা পৰিছে কেনেকৈ?" ইয়াৰ উত্তৰত অধ্যাপক গৰাকীয়ে কৈছিল: "আমাৰ জাতীয় ঐক্য ৰক্ষা পৰিছে খাইকৈ ৰাজনৈতিক দলসমূহৰ জৰিয়তে। এইবোৰ সদৌ যুক্তৰাষ্ট্ৰীয় পাৰ্টি। স্থানীয় পাৰ্টি দুই এটা অ'ত ত'ত আছে যদিও সেইবোৰ তেনেই দুৰ্ব্বল। গতিকেই সৰ্ব্ব-দেশীয় পাৰ্টিসমূহে প্ৰান্তীয় সীমা-ৰেখা ভেদ কৰি জাতীয় ঐক্য সবল কৰি ৰাখিছে।"......

কেৱল অৰ্থনৈতিক ক্ষেত্ৰতে নহয়, ৰক্তস্ৰোতৰ বেলিকাও ইয়াত একোটা জাতিগত আভিজাত্য মনোভাব থকা দেখিছোঁ। কোনোৱে নিজকে আনতকৈ বেছি ধন তেজৰ বুলি ভাবে,—অন্ততঃ নিজকে বেছি আমেৰিকান্ বুলি বিবেচনা কৰে। নিউয়ৰ্ক চহৰত একেষাৰ কথা আছে। এজন অধ্যাপক বন্ধুৱে মোক কৈছিল: "আপুনি যেতিয়া বোষ্টন চহৰলৈ যাব,—try to meet the blue bloods of Boston; they will tell you that there is nothing fine to the east of the Hudson, অৰ্থাৎ আপুনি বোষ্টনত ধন-তেজৰ মানুহবোৰ লগ পাবলৈ যত্ন কৰিব। তেওঁলোকে আপোনাক হাড্ছন নৈৰ পূবে একোৱেই ভাল নহয় বুলি কব।"... এই কথাষাৰ মই আমেৰিকাৰ বহুতকে কৈছিলোঁ। কথাষাৰ শুনি তেওঁলোকে বৰ আমোদ পাইছিল। ইয়াৰ উপৰিও চাৰি পুৰুষৰ আগতে অহাজনে তিনি পুৰুষৰ আগতে অহাজনতকৈ নিজকে বেছি পুৰণি বুলি ভাবে। সামাজিক ক্ষেত্ৰত তেওঁলোক এটা শ্ৰেণী। সেইদৰে আনবোৰো এটা শ্ৰেণী। বাহিৰৰ পৰা এই আৰাৰ কথা

ধৰিব নোৱাৰি। এওঁলোকৰ সামাজিক জীৱনৰ ভিতৰ যিমান দকৈ সোমাব পাৰি, সিমানেই ভালকৈ কথাবোৰ বুজিব পাৰি। ডক্টৰ স্কাৰবেকে মোক জৰ্জ্জ অৰ্ৱেলৰ “ডি এনিমেল্ ফাৰ্ম্ম” বোলা কিতাপ খনৰ কথা উল্লেখ কৰি কৈছিল ঃ “ইয়াত, যদিও সকলো সমান,—এই তথ্য ফাকি প্ৰৱৰ্ত্তমান, তথাপি আচলতে এই আষাৰ কথা সচা নহয়। ইয়াৰে কিছুমান আনতকৈ বেছি সমান।”……জৰ্জ্জ অৰ্ৱেলৰ কিতাপখন মই পঢ়িছোঁ। এইখন বৰ্ত্তমান যুগৰ এখন লেখত লবলগীয়া বিদ্ৰূপাত্মক ৰচনা। কিছুমান ঘৰচীয়া জন্তুৱে মানুহৰ বিপক্ষে বিপ্লৱ কৰি সকলো সমান এখন ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰাৰ পৰিকল্পনা কৰিছিল। ক্ৰমাৎ শাসকশ্ৰেণী পশুৰ ক্ষমতা বঢ়াৰ লগে লগেই পুৰণি নীতি পৰিত্যাগ কৰি তেওঁলোকে নতুন নীতি গ্ৰহণ কৰিছিল। ই হৈছে ঃ

> “All animals are equal.
> But some animals are more
> equal than others.”

অৰ্থাৎ,

> “এটাইবোৰ জন্তু সমান,
> তাৰে কিছুমান আনতকৈ বেছি সমান।”

কথাবাৰ পঢ়ি মোৰ বৰ ভাল লাগিছিল। ডক্টৰ স্কাৰবেকৰ মানসিক ক্ষিপ্ৰতাই মোক মুগ্ধ কৰিছিল।……ৱশিংটন চহৰত থাকোঁতে ফ'লগাৰ্ শেকছপীয়েৰ লাইব্ৰেৰী চাইছিলোঁ। একেবাৰেই ইংলণ্ডীয় পদ্ধতিৰে সজ্জিত। পুৰণি পুথি-পাজি, শেকছপীয়েৰৰ নানা তৰহৰ ছবি, নাটকৰ খ্যাতনামা অভিনেতা-অভিনেত্ৰী সকলৰ ছবি

আৰু স্মৃতি-স্তম্ভৰে অনুষ্ঠানটো ভৰপূৰ। সাইলাখ পুৰণি গ্লোব্ থিয়েটাৰটোৰ আৰ্হিৰ এটা ৰঙ্গমঞ্চৰ ম'ডেলো দেখিছিলোঁ। ৰঙ্গমঞ্চটো তুমহলীয়া। ছোঁ ঘৰটো ওপৰ মহলত অৱস্থিত। অনুষ্ঠানটোৰ লগতে এটা নিজা সৰু ষ্টেইজো আছে। ইয়াৰ ৰূপসজ্জা, আনকি লাইট্ আদিৰ ব্যৱস্থাও একেবাৰেই শেক্‌ছপীয়েৰীয় যুগৰ আৰ্হিত কৰা হৈছে। ষ্টেইজৰ ওপৰত লেখা আছে: "All the world's a stage."······ইত্যাদি। বস্তুটো চাব লগীয়া।

···হাৰভাৰ্ড ইউনিভাৰছিটিৰ লাইব্ৰেৰী—ৱাইড্‌নাৰ আৰু হুগ্‌টন্, দুয়োটাই পৰ সমৃদ্ধিশালী যেন অনুমান হৈছিল। ইয়াত ইতিমধ্যে কেইবাটাও নামজ্বলা লাইব্ৰেৰী চাইছোঁ। এইবোৰৰ ভিতৰত ৱাশ্বিংটন চহৰৰ লাইব্ৰেৰী অব্ কংগ্ৰেছ বিশেষ ভাবে লেখত লব লগীয়া। ইয়াৰ কিতাপৰ সংখ্যা সত্তৰ লাখ। হুগ্‌টন লাইব্ৰেৰীত কিছুমান নিজ হাতে লেখা কীটছৰ কবিতা দেখিছিলোঁ। এইবোৰ কীটছৰ মূল কবিতাৰ ড্ৰাফ্‌ট। এইবোৰৰ ভিতৰত কেইটামান কবিতা বিশেষ ভাবে উল্লেখ কৰিব পাৰি। এইবোৰ হৈছে: "লেমায়া", "ছেন্ট এগনিছ্ ইভ্", "অ'ড্ টু অ'টম্" আৰু "চেপ্‌ম্যাঞ্চ হোমাৰ"। শেষৰ কবিতাটোৰ প্ৰকাশিত সংস্কৰণ আৰু আচল ড্ৰাফ্‌টৰ মাজত অকণো পাৰ্থক্য মোৰ চকুত ধৰা পৰা নাছিল। "অ'ড্ টু অ'টম্" বোলা কবিতাটোৰ পাৰ্থক্য হ'লেও চকুত ধৰা পৰিছিল। কীটছৰ নিজা হাতৰ ড্ৰাফ্‌টত এটা ষ্টাঞ্জা ৰৈ আছে। প্ৰকাশিত কবিতাটোত, সেই ষ্টাঞ্জাটো বাদ দিয়া হৈছে। কবিতাবোৰৰ হাতে লেখা সংস্কৰণ বোৰ দেখিলে, কীটছৰ:

"My heart aches, and a drowsy numbness pains
My sense,······"

এই কথাষাৰ আখৰবোৰৰ পাকে পাকে সোমাই থকা যেন অনুমান হয়। ৰাইডনাৰ লাইব্ৰেৰীত "আধুনিক কবিতা" নামেৰে এটা কিতাপৰ স্বকীয়া বিভাগ দেখিছিলোঁ। আধুনিক কবি আৰু কবিতাৰ কিতাপেৰে এই বিভাগটো ভৰপূৰ। ইয়াৰ উপৰিও লাইব্ৰেৰীত "ইণ্ডিয়া" বুলি এটা স্বকীয়া বিভাগ দেখিছিলোঁ। তাত শ্ৰীঅৰবিন্দৰ "লাইফ্ ডিভাইন্" ইত্যাদি কিতাপ, ৰবীন্দ্ৰনাথৰ কিতাপৰ ইংৰাজী আৰু জাৰ্ম্মান ভাঙনি,—এইবোৰ চকুত পৰিছিল। ৰবি ঠাকুৰৰ গীতি কবিতাৰ "Lyrik" নাম দি প্ৰকাশিত এটা জাৰ্ম্মান ভাষাৰ সংস্কৰণ বিশেষ ভাবে উল্লেখ কৰিব লগীয়া। জাৰ্ম্মান ভাষাত "Lyric" শব্দটোৰ বানান শেষৰ আখৰটো "k" দি কৰা হয়।

কিছুমান দেশ প্ৰাচীন কীৰ্ত্তি সম্ভাৰেৰে সমৃদ্ধিশালী। কিছুমান দেশ,—আনহাতে শূন্যৰে আৰম্ভ কৰি অযুত সংখ্যা গঢ়ি তোলাত ব্যস্ত। নতুন জাতি হিছাপে আমেৰিকা দ্বিতীয় পৰ্য্যায়ত পৰে। আমেৰিকাৰ প্ৰায় সকলো নতুন। গতিকেই এইবোৰত পুৰাৰ চিক্‌মিকনি আছে, ভৰ-দুপৰীয়াৰ গাম্ভীৰ্য্য নাই।·····শেষ বাৰৰ কাৰণে দহ মিনিট জোৰা অনাতাঁৰ ভাষণ এটা দি আমেৰিকাৰ পৰা বিদায় ললোঁ। কালিলৈ আকৌ পুৰা বেলিটোৰ ফালে উজাবলৈ লম। লণ্ডন, পেৰিছ, জেনিভা, ৰোম ইত্যাদি এখন এখনকৈ ঠাই পাই যাম। বেলিটোৱে দূৰৈৰ পৰা সকিয়াইছে।

> "উজায়ে আহিছে চৰা নাও খনি
> উজায়ে আহিছে টিঙ ·····।"